● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

জীৱনে মোলৈ শিল দলিয়াই থাকে আৰু মই তাতেই হীৰা বিচাৰি উলিয়াও।



এনা ক্লডিয়া এণ্টিউন্স
*ইংৰাজ লেখিকা*

৫ নিঃসংগতাৰ আনন্দ আৰু বেদনা
১৫ ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ নলয় লাভলিনাই
৪ ভাৰতে উপভোগ কৰা নাই বহুত্ববাদৰ সৌন্দৰ্য

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৪৫ তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৮ আহিন ১৪২৯ ভাস্কৰাব্দ ২৫ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 25 September 2022 মূল্য ঃ ৯.০০ টকা

■ শিশু পৰ্ণগ্ৰাফীৰ বিৰুদ্ধে ২১ ৰাজ্যৰ ৫৯ স্থানত চিবিআইৰ সৰ্ববৃহৎ অভিযান ■ ছিংগাপুৰৰ ইণ্টাৰপ'ল কাৰ্যালয়ে যোগান ধৰিলে তথ্য ■ আন্তৰ্জাতিক যোগসূত্ৰ আছে সংঘৰদ্ধ অপৰাধ চক্ৰৰ

# অসমত শিশু পৰ্ণ'গ্ৰাফীৰ ভয়ংকৰ জাল

■ উত্তৰ-পূৰ্বতো বিস্তাৰ হৈছে শিশু বিৰুদ্ধে অনলাইন যৌন আতিশয্য-ব্লেকমেইলিং

■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ
**নতুন দিল্লী/গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অসম তথা উত্তৰ-পূবতো ব্যাপকভাৱে সক্ৰিয় শিশুৰ বিৰুদ্ধে অনলাইন যৌন আতিশয্য আৰু ব্লেকমেইলিং। আন্তৰ্জাতিক যোগসূত্ৰ সম্পন্ন সংঘৰদ্ধ অপৰাধ চক্ৰই বিস্তাৰ কৰিছে শিশু পৰ্ণ'গ্ৰাফীৰ ভয়াৱহ জাল। ইণ্টাৰপ'লৰ পৰা লাভ কৰা এনে তথ্যৰ ভিত্তিত দেশজুৰি আজি কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে চলোৱা অভিযানে অসমৰ গুৱাহাটী আৰু ধেমাজিকো সাঙুৰি ল'লে। শেহতীয়াভাৱে চিবিআয়ে দেশজুৰি এটাৰ পাছত আনটো



অভিযান অব্যাহত ৰাখিছে। এইবাৰ তদন্তকাৰী সংস্থাটোৱে ইণ্টাৰনেটত শিশু পৰ্ণ'গ্ৰাফীৰ দৌৰাত্ম্য ৰোধ কৰিবলৈ বৃহৎ পদক্ষেপ গ্ৰহণ কৰি আজি দেশৰ ২১খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৯টা স্থানত তালাচী অভিযান আৰম্ভ কৰে। এই অভিযানৰ নাম দিয়া হৈছে 'অপাৰেচন মেঘচক্ৰ'। অনলাইন শিশু পৰ্ণ'গ্ৰাফী বিয়পোৱাৰ বিৰুদ্ধে ৰুজু হোৱা যথেষ্ট সংখ্যক অভিযোগৰ ভিত্তিত আজিৰ এই অভিযান চলায় চিবিআয়ে। বিগত কে'বা সপ্তাহ ধৰি চাইবাৰ নিৰীক্ষণ কৰি একাধিক ম'বাইল নম্বৰত শিশু পৰ্ণ'গ্ৰাফী ১০ পৃষ্ঠাত চাওক

আলফা-আছুৰ বিৰুদ্ধে সৰৱ সন্মিলন

## কেৱল মানুহ মাৰিবলৈহে কলিতা জনগোষ্ঠীৰ যুৱকক নিয়োগ কৰিছিল

অগ্ৰদূত বাৰ্তা
**মুছলপুৰ/বাগানপাৰা, ২৪ ছেপ্টেম্বৰ ঃ** কলিতা জনগোষ্ঠীৰ লোকসকলক সশস্ত্ৰ সংগঠন আলফা আৰু ছাত্ৰ সংগঠন আছুৱে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিছিল বুলি আজি অভিযোগ উত্থাপন কৰিছে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনে। সংগঠনটোৰ ১০ পৃষ্ঠাত চাওক

এনপিএছ বাতিলৰ দাবীত ঐক্যবদ্ধ হ'ল

## ১৩ নৱেম্বৰত ৫০ সহস্ৰাধিক শিক্ষক-কৰ্মচাৰীৰ দিছপুৰ যাত্ৰা

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** 'ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি (এনপিএছ) ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীত আমি ৰাজপথলৈ ওলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। এয়া ৰাজ্যৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰীৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ২৬° | ২৩° |
| দিল্লী | ২৭° | ২৪° |
| কলকাতা | ৩২° | ২৬° |
| মুম্বাই | ৩০° | ২৪° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৯° | ১৮° |
| শ্বিলং | ২৩° | ১৭° |

*২৪ ছেপ্টেম্বৰ, ২০২২*

■ বিকাশৰ বাবে কৰ্মসূচী প্ৰস্তুত কৰিবলৈ কাজিৰঙাত আৰম্ভ হ'ল চিন্তন শিবিৰ

## মন্ত্ৰী-বিষয়াৰ শিবিৰ উদ্বোধন সদগুৰুৰ



ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/গোলাঘাট/বোকাখাত/নুমলীগড়, ২৪ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কাজিৰঙাত ৰাজ্য চৰকাৰৰ উদ্যোগত আৰম্ভ হৈছে চিন্তন শিবিৰ। আধ্যাত্মিক গুৰু সদগুৰু জগ্গী বাসুদেৱে ৰাজ্য চৰকাৰৰ মন্ত্ৰী-বিষয়াসকলৰ উপস্থিতিত তিনিদিনীয়া কাৰ্যসূচীৰে চিন্তন শিবিৰ উদ্বোধন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত এই চিন্তন শিবিৰ আৰম্ভ কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰে মুখ্যমন্ত্ৰী আৰু সদগুৰুৱে। আধ্যাত্মিক গুৰুজনে কাষত মুখ্যমন্ত্ৰীক ১০ পৃষ্ঠাত চাওক

■ চাটুকাৰৰ হেঁচা সত্ত্বেও প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত গান্ধী পৰিয়াল

## কংগ্ৰেছ সভাপতি পদৰ মুখামুখি যুঁজত গেহলট-থাৰুৰ ঃ মুখ্যমন্ত্ৰী হ'ব শচীন

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৪ ছেপ্টেম্বৰ ঃ** অশোক গেহলট নে শশী থাৰুৰ হ'ব নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি? তাকে লৈ এইকেইদিন জল্পনা-কল্পনা অব্যাহত আছে। ইতিমধ্যে চাটুকাৰ মহলে ৰাহুল গান্ধীকে পুনৰ সভাপতি পাতিবলৈ তৎপৰ হৈ আহিছে যদিও



ইতিমধ্যে সেই সম্ভাৱনা তেনেই হ্ৰাস পাইছে। স্বয়ং ছোনিয়া গান্ধী আৰু ৰাহুলে সভাপতি পদৰ নিৰ্বাচনত অৱতীৰ্ণ নহয় বুলি স্পষ্ট কৰি দিয়াৰ পাছত ৰাজস্থানৰ মুখ্যমন্ত্ৰী গেহলট আৰু সাংসদ থাৰুৰৰ মাজতে প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। একাধিক নাম চৰ্চালৈ ১০ পৃষ্ঠাত চাওক

## অসম-মেঘালয় সীমান্তৱৰ্তী আপাৰ তাৰাবাৰীত অব্যাহত সংঘৰ্ষ

১৬টা পৰিয়ালে আশ্ৰয় লৈছে গাঁওবুঢ়াৰ গৃহত



অগ্ৰদূত বাৰ্তা
**বকো, ২৪ ছেপ্টেম্বৰ ঃ** সীমা সমস্যাক কেন্দ্ৰ কৰি অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ আপাৰ ১০ পৃষ্ঠাত চাওক

## উপযাচি শত্ৰুতা নকৰে, কিন্তু আক্ৰমণকাৰী শক্তিক প্ৰশ্ৰয়ো নিদিয়ে ভাৰতে



লোকমন্থনৰ সামৰণি অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল খান ■ লোক পৰম্পৰা প্ৰয়োগ নহ'লে সংগ্ৰহালয়ত স্থান পোৱাৰ শংকা দত্তাত্ৰেয়ৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** 'ভাৰতীয় সভ্যতাই ত্যাগৰ সংস্কৃতিত বিশ্বাস কৰে। এই ত্যাগ আত্মোপলব্ধিৰ পৰা উৎপন্ন হোৱা। ভাৰত ৰাষ্ট্ৰৰ অস্তিত্ব কোনো ভৌতিক বস্তুত নাই, ই আছে চিন্তা আৰু মনোজগতত।' গুৱাহাটীত চলি থকা লোকমন্থন ২০২২ৰ অন্তিম দিনৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি আজি ভাৰতীয় সভ্যতাৰ বিষয়ে এইদৰে মন্তব্য কৰে কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খানে। সভ্য মানৱ জীৱনৰ ১০ পৃষ্ঠাত চাওক

গ্ৰেপ্তাৰ কৰিলেও পিএফআইৰ সদস্য বুলি প্ৰমাণ কৰাত জটিলতা

## বছা বছা নেতৃস্থানীয় ব্যক্তিক জড়িত কৰাই দৃষ্টি আকৰ্ষণৰ চেষ্টা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া (পিএফআই)ক লৈ দীৰ্ঘদিন চলি থকা বিতৰ্কৰ পাছত শেহতীয়াকৈ সংগঠনটোৰ বিৰুদ্ধে দেশৰ কে'বাখনো ৰাজ্যত গৃহ মন্ত্ৰণালয়ে অব্যাহত ৰখা অভিযানে বহু ন ন তথ্য পোহৰলৈ আনিছে। অসমৰ ক্ষেত্ৰত পোহৰলৈ অহা তথ্য অনুসৰি দেশ বিৰোধী কাৰ্যকলাপক গাপ দিবলৈ ইয়াৰ নেতৃবৃন্দই ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ নেতৃস্থানীয় বছা বছা একাংশ লোকক সংগঠনটোৰ লগত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত কৰিছে। সেইসকলক ভাগে ভাগে দায়িত্বও অৰ্পণ কৰা হৈছে। ১০ পৃষ্ঠাত চাওক

**সংগ-প্ৰসংগ**

■ দয়ানন্দ পাঠক

## লোকসংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাস



**আমাৰ** সমাজ ব্যৱস্থাত শিক্ষক, গৱেষক, সংস্কৃতিবিদ, ভাষাবিদ, সাহিত্যিক শ্ৰেণীৰ লোকৰ মৰ্যাদা অতি দ্ৰুতগতিত হ্ৰাস পাবলৈ আৰম্ভ কৰিছে। ইয়াৰ বিপৰীতে ৰাজনৈতিক লোকসকলৰ সামাজিক মৰ্যাদা দ্ৰুতগতিত বাঢ়িবলৈ ধৰিছে। এয়া জাতিটোৰ বাবে মংগলজনক নে অমংগলজনক কোৱা টান। এই কাৰণেই টান, কাৰণ পৰিৱৰ্তিত সমাজ ব্যৱস্থাত প্ৰতিষ্ঠিত নৈতিক প্ৰমূল্যবোধৰ ওপৰতো প্ৰচণ্ড অস্ত্ৰোপচাৰ ১০ পৃষ্ঠাত চাওক

■ এনএইছপিচিৰ জলবিদ্যুৎ প্ৰকল্পৰ দেৱালৰ ভূমিস্খলন ■ ধেমাজিত প্ৰবল বানৰ আশংকা

## গেৰুকামুখত পাহাৰ খহি নিৰ্মীয়মান প্ৰকল্পৰ বান্ধৰ ওপৰেৰে বাগৰিছে পানী

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ/ধেমাজি, ২৪ ছেপ্টেম্বৰ ঃ** পুনৰ প্ৰকৃতিৰ ৰোষত পৰিছে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প। এই কেইদিনৰ নেৰানেপেৰা বৰষুণৰ বাবে গেৰুকামুখত ভূমিস্খলন হোৱাৰ ফলত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ গাতে লাগি থকা থুনুকা পাহাৰ খহিবলৈ ধৰাত প্ৰকল্পৰ নিৰ্মাণকাৰ্যত পুনৰ বাধা আহি পৰিছে। বৰষুণৰ বাবে নদীৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ লগতে কেইদিনমানৰ পূৰ্বে দুটা সুৰংগ বন্ধ হৈ থকাৰ ১০ পৃষ্ঠাত চাওক











দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৫ ছেপ্টেম্বৰ, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## ১৯৯৬ত জনজাতিৰ মৰ্যাদা লাভ কৰা জনজাতিকৰণ প্ৰক্ৰিয়া আগবঢ়া হাস্যকৰ

**ছয় জনগোষ্ঠীয় ঐক্য মঞ্চ ত্যাগ কৰি নিজৰ জনগোষ্ঠীৰ জনজাতিকৰণৰ হকে মাত মাতিবলৈ আহ্বান জাতীয় পৰিষদৰ**

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** অসমৰ কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে হোঁহকা-পিছলা স্থিতি গ্ৰহণ কৰি সুদীৰ্ঘ দিন ধৰি চৰম প্ৰতাৰণা কৰি আহিছে বুলি কোচ ৰাজবংশী জাতীয় পৰিষদে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কোচ আঠ পৃষ্ঠাত চাওক

## বিশ্বনাথ নগৰস্থিত ৰিলায়েঞ্চ পেট্ৰ'ল পাম্পত অঘটন

## দেৱাল পৰি শ্ৰমিকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ২৪ ছেপ্টেম্বৰ ঃ** বিশ্বনাথৰ ৰিলায়েন্স পেট্ৰ'ল পাম্পত অঘটন। ভাঙি থকা দেৱাল শ্ৰমিকৰ গাত পৰি আমিনুল হক নামৰ এজন শ্ৰমিকৰ মৃত্যু। উল্লেখ যে যোৱা ১০-১৫ দিন ধৰি বিশ্বনাথ নগৰস্থিত ৰিলায়েন্স পেট্ৰ'ল পাম্পৰ দেৱাল নিৰ্মাণৰ কাম চলি আছে। এই কামত নিয়োজিত হৈ আছিল ৰাজমিস্ত্ৰিসহ দুজন শ্ৰমিক। কিন্তু আজি ৰাজমিস্ত্ৰিসহ শ্ৰমিকসকলে ছাদৰ ওপৰত এখন দেৱাল ভঙাৰ কাম কৰি থকা সময়তে হঠাৎ বৰষুণ পৰে। সেই সময়ত তিনিজন মিস্ত্ৰিসহ শ্ৰমিক এখন জখলাৰে ওপৰলৈ গৈ থকা সময়তে হঠাৎ আধা ভঙা দেৱাল আমিনুল হক নামৰ শ্ৰমিকজনৰ গাত পৰি যায়। লগে লগে হুৱাদুৱা লাগে। প্ৰায় ১০ ফুট দৈৰ্ঘ্যৰ দেৱাল গাত পৰি থকা দেখি সহকৰ্মীসকলে দেৱালৰ তলৰ পৰা আমিনুল হকক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে যদিও সক্ষম নহয়। অৱশেষত এক্সকেভেটৰ আনি সেই দেৱালৰ তলৰ পৰা উদ্ধাৰ কৰি বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়লৈ অনা হয় যদিও চিকিৎসকে শ্ৰমিক অমিনুল হকৰ মৃত্যু হোৱা বুলি সদৰী কৰে। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত বিশ্বনাথ আৰক্ষী থানাত পেট্ৰ'ল পাম্পৰ স্বত্বাধিকাৰীয়ে গোচৰ ৰুজু কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে।

## শিৱসাগৰৰ চিপিআইৰ ৰাজ্যিক সন্মিলনত ৰাষ্ট্ৰীয় সম্পাদক অমৰজিৎ কৌৰ

# ২০২৪ত শ্ৰমজীৱী জনতাই ওফৰাব ফেচিষ্ট শাসকক

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ২৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ নগৰত আজিৰে পৰা আৰম্ভ হৈছে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ২৪ সংখ্যক ৰাজ্যিক সন্মিলন। এই সন্মিলন উপলক্ষে এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিয়লি শিৱসাগৰ নগৰৰ ষ্টেছন চাৰিআলিৰ তাই আহোম সংস্কৃতি বিকাশ কেন্দ্ৰ প্ৰাংগণত অনুষ্ঠিত হয় দলৰ মুকলি সমাবেশ। অভ্যৰ্থনা সমিতিৰ সভাপতি ধৰ্ম বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সন্মিলনত আদৰণি ভাষণ প্ৰদান কৰি চিপিআইৰ শিৱসাগৰ জিলা সম্পাদক কনক গগৈয়ে জন্মলগ্নৰে পৰা চিপিআয়ে শ্ৰমজীৱী, কৃষিজীৱী মেহনতী জনতাৰ অধিকাৰৰ বাবে ধাৰাবাহিক সংগ্ৰাম চলাই গৈছে বুলি মন্তব্য কৰি দেশত বিভক্ত হৈ থকা সকলো কমিউনিষ্ট পাৰ্টিক একত্ৰিত হ'বলৈ আহ্বান জনায়। মুকলি সন্মিলনত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি চিপিআইৰ ৰাষ্ট্ৰীয় সম্পাদক অমৰজিৎ কৌৰে কয় যে দেশৰ দৰিদ্ৰ শোষিত-নিস্পেষিত জনতাৰ চৰম ত্যাগ আমাৰ ৰক্ত পতাকাত জিলিকি আছে। শোষক আৰু পুঁজিপতি গোষ্ঠীৰ হাতৰ পৰা শ্ৰমজীৱী দৰিদ্ৰ জনতাৰ প্ৰাপ্য অধিকাৰ কাঢ়ি আনিব নোৱাৰা পৰ্যন্ত আমাৰ সংগ্ৰাম চলি থাকিব। 'আচ্ছে দিন'ৰ প্ৰতিশ্ৰুতিৰে দিল্লীৰ ক্ষমতা দখল কৰা প্ৰবঞ্চক বিজেপি চৰকাৰৰ স্বৰূপ আজিৰ জনগণই ভালদৰে উপলব্ধি কৰিছে। যদি সকলো ভালেই আছে তেন্তে দেশৰ দৰিদ্ৰ কৃষক জনতাই কিহৰ বাবে আত্মহত্যা কৰিব লগা হৈছে। দেশৰ কেন্দ্ৰীয় চোৰাংচোৱা বিভাগৰ প্ৰতিবেদন চালেই স্পষ্ট হ'ব আমাৰ দেশৰ আইন, শৃংখলা, সুৰক্ষাৰ ফোপোলা স্বৰূপ। নোটবন্দী, তলাবন্ধ, জিএছটিয়ে দেশৰ অৰ্থনীতি বিধ্বস্ত কৰিলে। দৰিদ্ৰ জনতাৰ চকুপানীয়ে স্বেচ্ছাচাৰী শাসকৰ মন গলাব নোৱাৰে। নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহে আদানী আৰু আম্বানীক দেশৰ জনগণৰ ওপৰত কৌশলেৰে লুটপাট চলাবলৈ অনুমতি দি ভাৰত ধ্বংস অভিযান আৰম্ভ কৰিছে। ব্ৰিটিছ শাসকৰ দালাল আৰ এছ এছ আৰু বিজেপিয়ে ৰাষ্ট্ৰবাদ আৰু দেশভক্তিৰ এখন ভুৱা নাটক সৃষ্টি কৰি আমাৰ ঐক্য, শান্তি-সম্প্ৰীতি বিনষ্ট কৰিছে। যি সময়ত মংগল পাণ্ডেৰ দৰে বীৰ পুৰুষে দেশ উদ্ধাৰৰ বাবে সাহসেৰে আত্মবলিদান দিছিল। তেনে সময়তে বিজেপি চৰকাৰে বীৰ আখ্যা দিয়া চাভাৰকাৰে ১১ খন পত্ৰ আঠ পৃষ্ঠাত চাওক




## বকোত প্ৰেমিকৰ প্ৰতাৰণা সহিব নোৱাৰি চলন্ত ৰেলৰ আগত জঁপিয়াই আত্মহত্যা যুৱতীৰ

**অভিযুক্ত যুৱকক গ্ৰেপ্তাৰ**

অগ্ৰদূত বাৰ্তা
**বকো, ২৪ ছেপ্টেম্বৰ ঃ** প্ৰেমিকৰ প্ৰতাৰণা সহিব নোৱাৰি প্ৰেমিকাই চলন্ত ৰেলৰ আগত জঁপিয়াই আত্মহত্যা কৰা এক ঘটনাই কামৰূপ জিলাৰ বকোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই শোকাৱহ ঘটনাটো বকোৰ শাখাতি ৰেল ষ্টেছনত সংঘটিত হৈছে। বকো আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ দক্ষিণ চেখাদাৰী (বৰচুং)ৰ প্ৰিয়দেৱ ৰাভা নামৰ যুৱকজনৰ কু-অভিসন্ধিৰ বাবে যুৱতীগৰাকীয়ে আত্মহত্যাৰ দৰে চৰম পন্থা বাচি ল'লে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। অভিযোগ অনুসৰি, প্ৰিয়দেৱ নামৰ যুৱকজনে দীৰ্ঘদিন ধৰি দুই নম্বৰ দক্ষিণ চেখাদাৰীৰ সভ্যা ৰাভাৰ লগত প্ৰেমৰ সম্পৰ্ক বজাই আছিল। যোৱা বৃহস্পতিবাৰে নিশা যুৱকজনে যুৱতীগৰাকীক বিয়া কৰোৱাৰ উদ্দেশ্যে নিজৰ আঠ পৃষ্ঠাত চাওক

## ওদালগুৰি সিং গাঁৱত দুৰ্বৃত্তই ডিঙি কাটি হত্যা কৰিলে মহিলাক

**দুই শিশুক শিশুগৃহলৈ প্ৰেৰণ**

অগ্ৰদূত বাৰ্তা
**টংলা, ২৪ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত সিং গাঁও নিবাসী বগৈ মুৰ্মু (৪০)ৰ পত্নী মনিকা কিস্কু (৩০) নামৰ মহিলাগৰাকী কালি আবেলি ঘাঁহ কাটিবলৈ গৈ সন্ধানহীন হৈ আছিল। সময়ত ঘৰলৈ উভতি নহাত পৰিয়াল তথা ওচৰ-চুবুৰীয়াই বিচাৰ-খোচাৰ কৰে যদিও কোনো ধৰণৰ সন্ধান নোপোৱাত আজি পুৱা ধাননি পথাৰত ডিঙি কটা অৱস্থাত স্থানীয় লোকে উদ্ধাৰ কৰে সন্ধানহীন হৈ থকা মহিলাগৰাকীক। লগে লগে স্থানীয় লোকসকলে আৰক্ষীক খবৰ দিয়াত ঘটনাৰ আঠ পৃষ্ঠাত চাওক

## দেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম ছহিদ বীৰ পিয়লি বৰফুকন - জীউৰাম দুলীয়া বৰুৱাহে

**প্ৰতিমূৰ্তি স্থাপনৰ দাবী বুৰঞ্জীবিদ জীতেন বৰপাত্ৰ গোহাঁইৰ**



বিশেষ সংবাদদাতা
**শিৱসাগৰ, ২৪ ছেপ্টেম্বৰ ঃ** ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত আজি ঐতিহাসিক শিৱসাগৰ বৰপুখুৰী পাৰত অৱস্থিত বিয়লি ফুকন উদ্যানত অসমৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম ছহিদ পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ স্মৃতি আঠ পৃষ্ঠাত চাওক

## নলবাৰী অসামৰিক চিকিৎসালয়ত বিদ্যুৎস্পৃষ্ট হৈ টেকনিচিয়ানৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত আজি দিনৰ ভাগত এজন কৰ্মচাৰীয়ে ডায়েলাইছিছ কেয়াৰ চেণ্টাৰৰ পানীৰ টেংকিত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুক আঁকোৱালি লোৱা ঘটনাই চিকিৎসালয় চৌহদত শোকৰ ছাঁ পেলাইছে। চিকিৎসালয়খনৰ বিনামূলীয়া ডায়েলাইছিছ চেণ্টাৰত ব্যৱহৃত পানী টেংকিৰ ছাৰ্ভিচিং কৰিবলৈ অহা মৃত যুৱকজনক হোজাই চহৰৰ শিববাৰী লিংক পথৰ নিখিল চন্দ্ৰ দাসৰ পুত্ৰ বিজন দাস বুলি চিনাক্ত কৰা হৈছে। প্ৰায় ৩০ বছৰীয়া টেকনিচিয়ান বিজনে গুৱাহাটীৰ এপল' ডায়েলাইছিছ কোম্পানীৰ অধীনত কাম কৰিছিল। গুৱাহাটীৰ পৰা আজি যুৱকজনে আহি নলবাৰীৰ অসামৰিক চিকিৎসালয়ৰ ডায়েলাইছিছ চেণ্টাৰৰ পানী টেংকিৰ ছাৰ্ভিচিঙৰ আঠ পৃষ্ঠাত চাওক

## অসমৰ অন্ধকাৰ যুগত আনন্দৰাম ঢেকিয়াল ফুকনে অকলে এগছি বন্তি প্ৰজ্বলিত কৰিছিল

**বৰেণ্য সাহিত্যিক যেছে দৰজে ঠংছিক আনন্দৰাম ঢেকিয়াল ফুকন বঁটা প্ৰদান**



বিশেষ সংবাদদাতা
**নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** 'মই কেতিয়াও ভবা নাছিলো আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত দিয়া এটি বঁটা গ্ৰহণ কৰিব লাগিব বুলি। তেওঁ হয়তো ব্ৰিটিছৰ শাসন কালৰ অসমৰ অন্ধকাৰ যুগত অকলে এগচি বন্তি প্ৰজ্বলিত কৰিছিল। মাত্ৰ ২৯ বছৰীয়া জীৱন কালত তেওঁ অসমীয়া ভাষাক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তাৰ বাবে আমি সদায়েই তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগিব। মই আজি এইগৰাকী মহান অসমীয়াৰ বাবেই ভাষাটোৰ চৰ্চা কৰিব পাৰিছো। তেওঁ মোৰ হৃদয়ত এগৰাকী দেৱতাস্বৰূপ। মই ভাবো তেওঁৰ নামেৰে প্ৰতিষ্ঠিত আনন্দৰাম আঠ পৃষ্ঠাত চাওক

Azadi Ka Amrit Mahotsav
Government of India

# অন্ত্যোদয়াই কৰিছে দৰিদ্ৰৰ কল্যাণ

## অন্ত্যোদয়াই কৰিছে ভাৰতক সামৰ্থ্যবান

**প্ৰধানমন্ত্ৰীৰ মন্তব্য**

অন্ত্যোদয়া হৈছে আমাৰ দৰ্শন, অন্ত্যোদয়া আমাৰ নীতি আৰু উদ্দেশ্যত সমৰ্পিত। অন্ত্যোদয়াৰ সংকল্পৰ স'তে দেশখনে নিৰন্তৰে অগ্ৰগতি লাভ কৰিছে।

— নৰেন্দ্ৰ মোদী

ক্ষুদ্ৰ কৃষক, পদপথৰ বিক্ৰেতা, ক্ষুদ্ৰ উদ্যোগী, অট' ৰিক্সা চালক আৰু ঘৰুৱা সহায়কসকলে সমাজৰ সৰ্ববৃহৎ অংশ গঠন কৰে আৰু তেওঁলোক হ'ল ভাৰতৰ উন্নয়নমূলক যাত্ৰাৰ গুৰুত্বপূৰ্ণ অংশীদাৰ।

অন্ত্যোদয়াৰ লক্ষ্যৰে দৰিদ্ৰ হৈছে ভাৰত চৰকাৰৰ দৃষ্টিৰ মূল কেন্দ্ৰবিন্দু। চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টাৰে সমাজৰ এই বৃহৎ অংশটো শক্তিশালী হৈ উঠিছে।




- দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু আত্মসহায়ক গোট (এছ এইছজি)ৰ জৰিয়তে গ্ৰামীণ ভাৰতৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন, মহিলাৰ অংশগ্ৰহণ চাৰিগুণলৈ বৃদ্ধি হোৱাৰ লগতে যোৱা ৮ বছৰত আত্মসহায়ক গোটৰ সংখ্যা তিনিগুণ বৃদ্ধি পাইছে।
- ইচিএলজিএছ আঁচনিৰ অধীনত ১.১৯ কোটিৰো অধিক হিতাধিকাৰীক জৰুৰীকালীন ঋণ সহজে প্ৰদান কৰা হৈছে। এই পৰ্যন্ত ৩.৬৮ লাখ কোটি টকাৰ ঋণ মঞ্জুৰ কৰা হৈছে।
- প্ৰধানমন্ত্ৰী স্বনিধি যোজনাৰ অধীনত ৩২ লাখৰো অধিক পদপথৰো বিক্ৰেতাক বন্ধকীমুক্ত ঋণ প্ৰদান।
- ক্ষুদ্ৰ উদ্যোগীসকললৈ ২০ লাখ কোটি টকাৰ ৩৬.৫ কোটিতকৈও অধিক মুদ্ৰা ঋণ।
- পদপথৰ বিক্ৰেতা, খুচুৰা আৰু ক্ষুদ্ৰ উদ্যোগীসকলক এমএছএমইৰ অধীনলৈ অনা হৈছে আৰু অগ্ৰাধিকাৰযোগ্য খণ্ডৰ ঋণৰ পৰা তেওঁলোক লাভান্বিত হৈছে।
- পিএম-কিষাণৰ অধীনত প্ৰতি বছৰে ১১ কোটিৰো অধিক কৃষকে ৬০০০ টকা লাভ কৰিছে।
- এক বিশেষ অভিযানৰ অধীনত ৩.১৩ কোটিৰো অধিক কৃষকলৈ কিষাণ ক্ৰেডিট কাৰ্ড জাৰী কৰা হৈছে।
- হিতাধিকাৰীসকললৈ মুঠ ২৫ লাখ কোটি টকাৰ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (ডিবিটি) কৰা হৈছে।
- খাদী আৰু গ্ৰামীণ উদ্যোগৰ সামগ্ৰীৰ অভূতপূৰ্ব বৃদ্ধি, ব্যৱসায়িক লেনদেনে ১ লাখ কোটিৰ সীমা অতিক্ৰম কৰিছে, গ্ৰামীণ খণ্ডত লক্ষ লক্ষ নিযুক্তিৰ সুযোগৰ সৃষ্টি হৈছে।

CBC 22201/13/0117/2223

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৮ আহিন ১৪২৯ ভাস্কৰাব্দ ২৫ছেপ্টেম্বৰ ২০২২



# গঁড় দিৱস



যোৱা ২২ ছেপ্টেম্বৰত বিশ্বৰ বিভিন্ন অঞ্চলৰ লগতে অসমতো 'বিশ্ব গঁড় দিৱস' উদ্‌যাপন কৰা হ'ল। বিভিন্ন প্ৰজাতিৰ গঁড়ৰ সংৰক্ষণ তথা সুৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিয়েই এই দিৱস উদ্‌যাপনৰ অন্যতম উদ্দেশ্য। যোৱা ২০১০ৰ পৰা বিশ্ব গঁড় দিৱস উদ্‌যাপন কৰি থকা হৈছে আৰু এইবাৰ এই দিৱসৰ মূল বিষয় হ'ল 'চিৰকালৰ বাবে পাঁচটা প্ৰজাতিৰ গঁড়' (ফাইভ ৰাইন' স্পেচিজ ফৰেভাৰ)। উল্লেখ্য যে বৰ্তমান বিশ্বত পাঁচটা প্ৰজাতিৰ গঁড় আছে যদিও ইহঁতে অস্তিত্বৰ ভাবুকিৰ সন্মুখীন হৈছে। দক্ষিণ আফ্ৰিকাৰ বগা আৰু দুটা খৰ্গযুক্ত গঁড়ৰ সংখ্যা সৰ্বাধিক ১৫ হেজাৰ আৰু ভাৰতৰ এটা খৰ্গযুক্ত ক'লা ৰঙৰ গঁড়ৰ সংখ্যা পাঁচ হেজাৰ যদিও গঁড়ৰ আনকেইটা প্ৰজাতিৰ সংখ্যা যথেষ্ট কম। সেয়ে গঁড়ৰ পাঁচটা প্ৰজাতিকেই বচাই ৰখাৰ বাবে সংশ্লিষ্ট সকলো পক্ষই দায়িত্ব গ্ৰহণ কৰাৰ প্ৰয়োজন। দক্ষিণ আফ্ৰিকাতে বগা দুটা খৰ্গৰ গঁড় সৰ্বাধিক থকাৰ বিপৰীতে আফ্ৰিকাৰ কেনিয়া, নামিবিয়া, তানজানিয়া, জাম্বিয়া আদি কে'বাখনো দেশত ক'লা গঁড়ৰ সংখ্যা বৰ্তমান ছহেজাৰৰো অধিক। আনহাতে, অসমৰ কাজিৰঙাতেই 'গ্ৰেটাৰ ৱান হৰ্ণ ৰাইনো' অথবা বৃহত্তৰ এটা খৰ্গৰ গঁড়ৰ সংখ্যা আঢ়ৈ হেজাৰৰো অধিক আৰু ভাৰতৰ উপৰি নেপালতো এই প্ৰজাতিৰ গঁড় পোৱা যায়; কিন্তু বৃহৎ আৰু ক্ষুদ্ৰ আকাৰৰ পাঁচটা প্ৰজাতিৰ গঁড় আছে যদিও গঁড়ৰ সকলো প্ৰজাতিয়েই অস্তিত্বৰ ভাবুকিৰ সন্মুখীন হৈছে। চোৰাং চিকাৰীৰ বাবে আৰু বিভিন্ন প্ৰাকৃতিক কাৰণত গঁড়ৰ জনসংখ্যা হ্ৰাস পাইছে। অৱশ্যে অসমত শেহতীয়াকৈ যোৱা দুটা বছৰত গঁড়ৰ সংখ্যা বৃদ্ধিয়ে আশাৰ সঞ্চাৰ কৰিছে। শেহতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড়ৰ সংখ্যা ২,৬১৩ হৈছেগৈ বুলি প্ৰকাশ পাইছে। চলিত বছৰৰ আগভাগতে গঁড়ৰ সংখ্যা গণনাৰ কাম কৰাত কাজিৰঙাত ২,৬১৩টা গঁড় পোৱা গৈছে। অসমৰ অন্যান্য ৰাষ্ট্ৰীয় উদ্যানতো গঁড়ৰ সংখ্যা বৃদ্ধি পাইছে। বিশেষকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যোৱা দুটা বছৰত চোৰাং চিকাৰীয়ে কৰা গঁড় হত্যা ৰোধ কৰিব পৰা গৈছে। যোৱা ২০০০ৰ পৰা কমেও ১৯০টা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰিছে। আনহাতে, বানপানী তথা অন্যান্য প্ৰাকৃতিক কাৰণত যথেষ্ট সংখ্যক গঁড়ৰ মৃত্যু হয়। যোৱা বছৰ বিশ্ব গঁড় দিৱসতে অসমত আঢ়ৈ হেজাৰটা গঁড়ৰ খৰ্গ জ্বলাই দিয়া হৈছিল। এই খৰ্গসমূহ ৰাজ্যৰ ১২ খন জিলাৰ কোষাগাৰসমূহত ১৯৭৯ৰ পৰা ৰখা হৈছিল। চোৰাং চিকাৰীৰ পৰা উদ্ধাৰ কৰা খৰ্গকে ধৰি বিভিন্ন মৃত গঁড়ৰ খৰ্গসমূহ বন বিভাগে সুৰক্ষিত কৰি ৰাখিছিল। এইদৰে বৃহৎ সংখ্যক গঁড়ৰ খৰ্গ একেলগে জ্বলাই দিয়া ঘটনা আন ক'তো দৃষ্টিগোচৰ হোৱা নাছিল। আফ্ৰিকাতো মাজে-সময়ে গঁড়ৰ খৰ্গ জ্বলোৱা হয় যদিও ইমান বৃহৎ সংখ্যক গঁড়ৰ খৰ্গ একেলগে জ্বলাই দিয়া ঘটনা এইটোৱেই আছিল প্ৰথম। এইদৰে চৰকাৰে গঁড়ৰ খৰ্গবোৰ জ্বলাই দি এক দৃষ্টান্ত দাঙি ধৰিলে বুলি ক'ব পাৰি। বহুতেই প্ৰশ্ন কৰিব পাৰে যে কোটি কোটি টকাৰ মূল্যৰ গঁড়ৰ খৰ্গসমূহ জ্বলাই দিয়া হ'ল কিয়? প্ৰকৃততে গঁড়ৰ খৰ্গৰ মূল্য চোৰাং বজাৰতহে বেছি। অন্যথা খৰ্গবোৰৰ মূল্য নাই। বিভিন্ন ঔষধ, নানান অন্ধবিশ্বাস আদিৰ বাবে গঁড়ৰ খৰ্গ চোৰাং বজাৰত লাখ লাখ টকাত বিক্ৰী হয়। অসম চৰকাৰে গঁড়ৰ খৰ্গসমূহ জ্বলাই দি একাংশ লোকৰ মাজত থকা অন্ধবিশ্বাসৰ ওপৰত আঘাত কৰিছে নাইবা অন্ধবিশ্বাস দূৰ কৰি জনসাধাৰণক বিজ্ঞানসন্মত মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত সজাগতাৰ সৃষ্টি কৰিব বিচাৰিছে। প্ৰকৃততে জনসাধাৰণৰ মাজত গঁড়ৰ খৰ্গৰ চমৎকাৰী ঔষধি গুণ থকা বুলি অন্ধবিশ্বাস নথকা হ'লে গঁড়ৰ খৰ্গৰ চোৰাং বজাৰ গঢ়ি নুঠিলহেঁতেন, চোৰাং চিকাৰীয়ে গঁড় হত্যাও নকৰিলেহেঁতেন; কিন্তু এনে ক্ষতিকাৰক অন্ধবিশ্বাসৰ বাবেই অতি সুন্দৰ, বিস্ময়কৰ প্ৰাণী এটা খৰ্গযুক্ত অসমৰ গঁড় চোৰাং চিকাৰীৰ হাতত নিধন হৈছে। গঁড়ৰ সংখ্যা বৃদ্ধিত বাধা হৈ আহিছিল। খৰ্গ জ্বলাই চৰকাৰে গঁড়ৰ খৰ্গ সন্দৰ্ভত থকা অন্ধবিশ্বাস নিঃশেষ কৰিবলৈ সক্ষম হ'ল নে নাই ক'ব নোৱাৰি; কিন্তু সকলোৰে বাবে যে প্ৰচলিত অন্ধবিশ্বাসৰ বিৰুদ্ধে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰি নিদৰ্শন দাঙি ধৰিলে সেই বিষয়ত কোনো সন্দেহ নাই।

উল্লেখ্য যে অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানেই হ'ল দেশৰ ভিতৰত সৰ্বাধিক এটা খৰ্গযুক্ত গঁড়ৰ প্ৰধান বাসভূমি। চৰকাৰৰ সংৰক্ষণ আৰু সুৰক্ষা ব্যৱস্থা শক্তিশালী হোৱাত চোৰাংচিকাৰীৰ বাবে গঁড় হত্যা আজি সহজ নহয়। সেয়ে যোৱা দুটা বছৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড় হত্যাৰ ঘটনা দুই-তিনিটাৰ ভিতৰত সীমিত থকা পৰিলক্ষিত হৈছে। গঁড়ৰ সংখ্যা বৃদ্ধিৰ ফলত ৰাষ্ট্ৰীয় উদ্যানত দৰ্শনাৰ্থী অথবা পৰ্যটকসকলে সহজে একাধিক গঁড় দেখিবলৈ পায়। স্মৰ্তব্য যে দুষ্প্ৰাপ্য প্ৰজাতিৰ এটা খৰ্গযুক্ত গঁড়ৰ সংৰক্ষণৰ প্ৰতি গুৰুত্ব দিয়েই কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হৈছিল আৰু পাছত ইউনেস্ক'ৱে ইয়াক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰে। ফলত কাজিৰঙাই দেশৰ আৰু বিশ্বৰ পৰ্যটকসকলৰ দৃষ্টি আকৰ্ষণ কৰে আৰু প্ৰতিবছৰে লাখ লাখ দৰ্শনাৰ্থী পৰ্যটক কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ্য, প্ৰাকৃতিক পৰিৱেশ আৰু বিশেষকৈ গঁড়ৰ বাবে ইয়াত উপস্থিত হয়। বৰ্তমান কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বাঘ সংৰক্ষণ প্ৰকল্পও গঢ়ি উঠিছে আৰু বাঘেও গঁড়ৰ লগতে গুৰুত্ব পাইছে। চৰকাৰে গঁড় আৰু বাঘৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ একাধিক সম্প্ৰসাৰণ ঘটাইছে। কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ লগতে গঁড়-বাঘকে ধৰি বিভিন্ন বন্য প্ৰাণীৰ সংখ্যা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় উদ্যানৰ সম্প্ৰসাৰণ অত্যন্ত জৰুৰী হৈ পৰিছে। এই সম্প্ৰসাৰণে কাজিৰঙাৰ আকাৰ অধিক বৃহৎ কৰিলে আৰু ইয়াৰ গুৰুত্বও বাঢ়িল। দেশৰ ভিতৰতে কাজিৰঙা আজি এক আগশাৰীৰ ৰাষ্ট্ৰীয় উদ্যানত পৰিণত হৈছে আৰু ই অধিক সংখ্যক দেশী-বিদেশী পৰ্যটকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে সৌসিদিনা মধ্য প্ৰদেশৰ কুনো ৰাষ্ট্ৰীয় উদ্যানলৈ আফ্ৰিকাৰ পৰা আঠটা চিতা বাঘ বহু কোটি টকাৰ বিনিময়ত অনা হৈছে। ইয়াৰ ফলত সেই ৰাষ্ট্ৰীয় উদ্যানখনলৈ অধিক পৰ্যটকৰ আগমন ঘটাটো নিশ্চিত হৈছে। অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এক খৰ্গযুক্ত গঁড়ৰ লগতে আফ্ৰিকাৰ দুই খৰ্গযুক্ত গঁড় বা দক্ষিণ আফ্ৰিকাৰ বগা গঁড় আনি ৰাখিব পাৰি নেকি, সেই বিষয়ে চৰকাৰে বিচাৰ-বিবেচনা কৰি চাব পাৰে। বগা তথা দুটা খৰ্গযুক্ত গঁড় থাকিলে কাজিৰঙা সকলোৰে বাবে অধিক আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিব। এইবাৰ বিশ্ব গঁড় দিৱসৰ মূল বিষয়েই হৈছে 'চিৰকালৰ বাবে পাঁচটা প্ৰজাতিৰ গঁড়।' অৰ্থাৎ বিশ্বই পাঁচটা প্ৰজাতিৰ গঁড় সংৰক্ষণ কৰিব লাগিব। অসমত এটা প্ৰজাতিৰ গঁড়হে আছে। আন প্ৰজাতিৰ গঁড় কাজিৰঙা নাইবা অসমৰ আন ৰাষ্ট্ৰীয় উদ্যানত ৰখাৰ ব্যৱস্থা কৰিলে গঁড়ৰ সংৰক্ষণ কৰাও হ'ব আৰু পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰও হ'ব, ফলত অসমৰ পৰ্যটন উদ্যোগৰ বিকাশ হ'ব আৰু চৰকাৰৰ ৰাজহৰ পৰিমাণ বাঢ়িব।

# ভাৰতে উপভোগ কৰা নাই বহুত্ববাদৰ সৌন্দৰ্য
## নিজৰ গাতে যাৰ দুৰ্নীতিৰ গোন্ধ, সি বাৰু কেনেকৈ দূৰ কৰিব দুৰ্নীতি

### আত্মজিজ্ঞাসা



কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

সমাজ বিজ্ঞানৰ জনক ইবনে খালদুনৰ মতে সমাজ প্ৰাণশীল। সমাজ সংহতিয়েই ইয়াৰ প্ৰাণ। সমাজ সংহতিৰ সৃষ্টি, স্থিতি আৰু লয়ৰ ইতিহাসেই সমাজ জীৱনৰ জন্ম-মৃত্যুৰ ইতিহাস। তেওঁৰ মতে সমাজ সংহতিৰ আয়ুকাল ছয় পুৰুষ। দুই পুৰুষ জন্ম আৰু প্ৰতিষ্ঠাৰ যুগ। দুই পুৰুষ বৃদ্ধি আৰু প্ৰসাৰৰ যুগ। শেষ দুই পুৰুষ সমাজ জীৱনৰ ক্ষয় আৰু লয়ৰ যুগ।

ইবনে খালদুনৰ আৰু এটা মৌলিক তত্ত্ব হৈছে সভ্যতা-সংস্কৃতিত আৰু বাস্তৱ সম্পদত দুৰ্বল; কিন্তু সমাজ সংহতিত বলিষ্ঠ এনে সমাজ বাস্তৱ সমাজত ধনী; কিন্তু সমাজ সংহতিত দুৰ্বল এনে সমাজক পৰাভূত কৰি থাকে।

ভাৰত ৰাজনীতিত আগবাঢ়িছে। সমাজ সংহতিত পিছ পৰি আছে। সেয়ে বহু অৰ্জন কছমেটিক্সৰ প্ৰলেপৰ দৰে। ভাৰতবৰ্ষত হিন্দুত্ববাদক সংস্কৃতিৰ প্ৰলেপ দি বিনোদনৰ ধাৰাত উপস্থাপন কৰা হৈছে। ভাৰতৰ জনগোষ্ঠী এতিয়াও জাত-পাত-বৰ্ণ আৰু ধৰ্মত বহুধাবিভক্ত।

বহুত্ববাদৰ যি সৌন্দৰ্য সেয়া ভাৰতে কেতিয়াও উপভোগ কৰা নাই। কাৰণ হিন্দু ধৰ্মৰ মিথ মিথ'লজীৰ বাহিৰে অভিন্ন মূল্যবোধে এতিয়াও ভাৰতক নিয়ন্ত্ৰণ নকৰে। ড° আম্বেদকাৰ ভাৰতীয় সংবিধানৰ ৰূপকাৰ। তেওঁ আছিল দলিত। এয়া এক অহংকাৰ; কিন্তু দলিত আছিল বাবেই বিকশিত হ'ব নোৱাৰিলে স্বমহিমাত। এয়া লাজৰ কথা। জাত-পাত-দাৰিদ্ৰ্যৰ মাজতেই ভাৰতীয়ৰ বসবাস। জীৱন যাত্ৰাত সভ্যতাৰ পৰশ কম। ইমান বৰ্ণবৈষম্য আৰু শ্ৰেণীৰ বিভেদ ৰাখি বহুত্ববাদ নহয়। ভাৰতৰ ৰাজ্যবোৰৰ বন্ধন এতিয়াও বৃহৎ ভাৰতৰ ৰোমান্টিক মহাভাৰতীয় ধাৰণাপ্ৰসূত। সেয়া গঢ়ি উঠা নাই বহুত্ববাদক আশ্ৰয় কৰি। ১৩০ কোটি মানুহৰ দেশখন প্ৰতিনিয়ত ক্ষত-বিক্ষত হৈছে সাম্প্ৰদায়িকতাৰ বিষবাষ্পত। ৩৩ কোটি দেৱতাৰ দেশত গৰুতকৈ মানুহৰ দাম কম, বিশেষকৈ গো-ৰক্ষকবোৰৰ বাবে।

বিখ্যাত মাৰ্কিন নৃতাত্ত্বিক এ এল ক্ৰোৱেবাৰে (১৮৭৬-১৯৬০) তেওঁৰ বহুল পঠিত 'এনথ্ৰপ'ল'জী' নামৰ গ্ৰন্থত হিন্দু ধৰ্ম সম্বন্ধে মন্তব্য কৰিবলৈ গৈ কৈছে যে যি অৰ্থত বৌদ্ধ, খ্ৰীষ্টান আৰু ইছলাম একোটা ধৰ্ম হিন্দু ধৰ্মক ঠিক সেই অৰ্থত ধৰ্ম বুলি কোৱা নাযায়। কিয়নো এই ধৰ্মৰ কোনো প্ৰৱৰ্তক নাই। ইয়াৰ মাজত নাই কোনো পৰিপাটি। বিশ্বাসৰ বুনিয়াদ। বিদেশীক হিন্দু ধৰ্মই এৰাই চলিব বিচাৰে। গ্ৰহণ কৰিব নিবিচাৰে।

ক্ষিতি মোহন সেনে তেওঁৰ 'হিন্দুইজম' গ্ৰন্থত হিন্দু ধৰ্মক তুলনা কৰিছে বনৰ স'তে। বন কোনেও পৰিকল্পনা কৰি তৈয়াৰ নকৰে। বন গজি উঠে নিজেই নিজেই। বনত থাকে নানা ধৰণৰ গছ; কিন্তু এই বিভিন্নতাক এৰি বনৰ থাকে এক সাধাৰণ ৰূপ। সেয়া আছে হিন্দু ধৰ্মৰ। সেই ৰূপেৰেই পৰিচয় হিন্দু ধৰ্মৰ। ক্ষিতি মোহন সেনৰ 'হিন্দুইজম' হিন্দু ধৰ্ম সম্পৰ্কে এখন উৎকৃষ্ট গ্ৰন্থ। বহু কিছুই জানিব পাৰি; কিন্তু হিন্দু ধৰ্ম সম্পৰ্কে সাধাৰণ কোনো সংজ্ঞা পোৱা নাযায়।

খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীত পৰিব্ৰাজক ইবনবতুতা মৰক্কোৰ পৰা আহিছিল ভাৰতলৈ। ইবনবতুতাই তেওঁৰ ভ্ৰমণ বৃত্তান্তত লিখিছে ঃ 'তৃষ্ণাৰ্ত মুছলমান পথিকে পানী খাবৰ বাবে পানী বিচাৰিলে হিন্দুৱে সেয়া প্ৰদান নকৰে।'

**আমাৰ দেশত অসংখ্য সমস্যা আছে। অসংখ্য অবিচাৰ-অনাচাৰ, দুখ-কষ্ট-যন্ত্ৰণা আছে। দেশৰ বহু কিছু লৈ আমাৰ তীব্ৰ ক্ষোভ আছে। সমস্যাৰ শেষ নাই। সংকীৰ্ণ মনৰ নেতাৰ পৰা কোনো ভাল ফল আশা কৰা নাযায়।**

**দুই**

মধ্য যুগত হিন্দুধৰ্মীয় পুনৰুত্থানত জৈন আৰু বৌদ্ধধৰ্ম কোণঠাসা হৈ পৰে। ইয়াৰ পাছত ১৮৬৭ত 'হিন্দুমেলা' নামে দ্বিতীয়বাৰৰ জাতীয়তাবাদৰ পুনৰুজ্জীৱনত ১৮৮৮ত দয়ানন্দ সৰস্বতীৰ গো-ৰক্ষা আন্দোলন।

সনাতনী (হিন্দু) ধৰ্ম পণ্ডিতৰ মতে কোনো একক ধৰ্ম নহয়। বিবিধ বিশ্বাস আৰু ক্ৰিয়া-কৰ্মৰ সংমিশ্ৰিত ধৰ্ম। ইয়াৰ বহু বিষয়ত বিভিন্নতা থাকিলেও সাৰ্বজনীনভাৱে অন্ততঃ তিনিটা বিষয় হ'ল— গৰুৰ প্ৰতি শ্ৰদ্ধা। মৃত্যুৰ পাছত আত্মাৰ দেহান্তৰ প্ৰাপ্তি আৰু ব্ৰাহ্মণৰ নেতৃত্ব। Encyclopedia Britannica's Micopedia-v-vi, page 240ত লিখা আছে যে 'প্ৰাচীন কালৰ পৰা ভাৰতত অনাৰ্য জনগোষ্ঠীৰ মাজত লিংগ পূজাৰ প্ৰচলন আছিল। হৰপ্পাৰ ধ্বংসাৱশেষত পোৱা সৰু বেলনাকাৰ আৰু উপৰিভাগ গোলাকাৰ স্তম্ভৰ লিংগ মূৰ্তিটো বৰ্তমানে ব্ৰিটিছ মিউজিয়ামত আছে। লিংগ পূজা আৰ্যবোৰে অনুমোদন কৰা নাই। এয়া প্ৰথম আৰু দ্বিতীয় শতাব্দীত দৃঢ়ভাৱে প্ৰতিষ্ঠিত হৈছে বুলি সাহিত্য আৰু শিল্পকৰ্মত দেখা যায়।'

গভামানায়না অৰ্থাৎ গৰু বলি আৰ্যবোৰৰ প্ৰথমৰ ফালে আছিল। পৰৱৰ্তী বৈদিক যুগত বহু স্তৱগানত অগ্নিয়া অৰ্থত কিছুতেই হত্যা কৰা নাযাব বুলি গৰুকেই বুজোৱা হৈছিল; কিন্তু প্ৰখ্যাত ঐতিহাসিক ভিনচেন্ট স্মিথে তেওঁৰ 'Oxford History of India' গ্ৰন্থৰ ৮৫ পৃষ্ঠাত লিখিছে ঃ ৩২৬ খ্ৰীষ্ট পূৰ্বাব্দৰ অভিযানত প্ৰাচীন ভাৰতৰ বিদ্যাপীঠ তক্ষশীলাত ৰাজা অম্ভিয়ে প্ৰতিৰোধতকৈ বৰঞ্চ আলেকজেণ্ডাৰক অভ্যৰ্থনা জনায় আৰু তেওঁৰ সৈন্যবাহিনীক স্বেচ্ছাই ভোজন কৰিবৰ বাবে খেতিৰ কামত ব্যৱহৃত তিনি হেজাৰ ষাঁড় হত্যা কৰিছিল। গ্ৰন্থখনৰ ৯৩ পৃষ্ঠাত লিখিছে ঃ 'Brahmans are said to have been accustomed to eat flesh,... although other people might still eat beef.'

উল্লেখ্য যে প্ৰাচীন কালৰ পৰা চলি অহা অতি অমানৱীয় ধৰ্মীয় কিছু বিশ্বাসক আধুনিক সভ্যতাৰ নিৰিখত আইন কৰি ৰহিত কৰা হৈছে। ১৮২৯ত লৰ্ড উইলিয়াম বেন্টিংক-এ Regulation xvii of Bengal codeৰ দ্বাৰা সতীদাহ প্ৰথা ৰদ কৰে। ১৮৫৫ত লৰ্ড ডেলহাউছিয়ে বিধৱা বিবাহ আইন বিধিবদ্ধ কৰে।

ইতিহাসৰ অপ্ৰিয় সত্যটো হ'ল— প্ৰাচীন বিশ্বৰ ভাৰতবৰ্ষত দ্ৰাবিড় আৰু আৰ্য, চীন, মিছৰ, বেবিলন, গ্ৰীচ, ৰোম, লেটিন আমেৰিকা, মেক্সিক'ৰ মায়া আৰু আজটেক, পেৰুৰ ইস্কা প্ৰভৃতি সকলো সভ্যতাত দেৱ-দেৱীসহ মূৰ্তিপূজা, বৰ্ণবাদ আৰু প্ৰাকৃতিক ৰহস্যজনিত বিবিধ বিশ্বাস আছিল। ইয়াৰ সকলো কিছুৰেই ধাৰক আৰু বাহকস্বৰূপ ভাৰতত একমাত্ৰ সনাতনী (হিন্দু ধৰ্মাৱলম্বী) বোৰেই তেওঁলোকৰ সভ্যতাক আজিও যেন জীৱন্ত কৰি ধৰি ৰাখিছে। পক্ষান্তৰত আন সকলো সভ্যতাই পৰৱৰ্তী প্ৰায় এক-ডেৰ হেজাৰ বছৰৰ ভিতৰত বিবৰ্তিত বিশ্বাসত প্ৰৱৰ্তিত ইহুদী, খ্ৰীষ্টান, ইছলাম, জৈন, বৌদ্ধ, শিখ প্ৰভৃতি ধৰ্মত বিলুপ্ত হৈ যোৱাত আজি সিহঁত যেন ৰূপকথাৰ খোৰাক হৈ ৰৈছে। সেয়ে প্ৰশ্ন উদয় হয়, মানৱতা আৰু সভ্যতা আগুৱাইছে নে পিছুৱাইছে?

**তিনি**

২০ লাখ বছৰ আগতে মানুহৰ যেতিয়া জন্ম হৈছিল তেতিয়াৰ পৰা সম্পদ শব্দটোৰ অৰ্থ হৈছে পাৰ্থিৱ অৰ্জন। জমি, ফচল, খনিজ দ্ৰব্য, অৰ্থ— এইবোৰ হৈছে সম্পদ। এতিয়া পৃথিৱীৰ জ্ঞানী-গুণী মানুহে আৱিষ্কাৰ কৰিছে এক সম্পূৰ্ণ নতুন সংজ্ঞা। সম্পদ হৈছে জ্ঞান। যি জাতি যিমানেই বেছি জ্ঞানী পৃথিৱীৰ ভিতৰত সেই জাতি সিমানেই ঐশ্বৰ্যশালী। পৃথিৱীত আচলতে প্ৰতিভাৱান বা মেধাৱী বুলি বেলেগ কিছু নাই। যাৰ ভিতৰত উৎসাহ বেছি আৰু পৰিশ্ৰম কৰিবলৈ ৰাজি, সিহঁতেই প্ৰতিভাৱান। সিহঁতেই মেধাৱী।

আমাৰ দেশত অসংখ্য সমস্যা আছে। অসংখ্য অবিচাৰ-অনাচাৰ, দুখ-কষ্ট-যন্ত্ৰণা আছে। দেশৰ বহু কিছু লৈ আমাৰ তীব্ৰ ক্ষোভ আছে। সমস্যাৰ শেষ নাই। সংকীৰ্ণ মনৰ নেতাৰ পৰা কোনো ভাল ফল আশা কৰা নাযায়। প্ৰত্যাশা কৰা নাযায় কোনো ত্যাগ। চিৰকালেই শ্বাসৰুদ্ধকৰ অৱস্থাক অপৰিণামদৰ্শী দূৰদৃষ্টিহীন শাসক শ্ৰেণীয়ে মনত কৰে শান্তিৰ সময়। যাৰ স্বপ্ন দেখাৰ শক্তি, সাহস বা ক্ষমতা নাই, সিহঁতে কেনেকৈ আনক শিকাব স্বপ্ন দেখাৰ মন্ত্ৰ?

চৰকাৰৰ অমানৱীয় আচৰণ। দৰিদ্ৰক কৰিছে উচ্ছেদ। চৌদিশে হাহাকাৰ। শাৰী শাৰী বুলড'জাৰ। যদি শত শত পৰিয়ালৰ ক্ৰন্দন যোগ কৰো আৰু সিহঁতৰ ক্ৰন্দনজাত অশ্ৰুজল পৰিমাপ কৰো তেনেহ'লে দেখা পাওঁ যে আমি ইতিহাসৰ সবাতোকৈ নিকৃষ্ট সময় অতিক্ৰম কৰিছো। চলমান সময়ক নিকৃষ্টতম মনত হোৱাৰ কাৰণ হৈছে যে আমি সকলো কিছুৰ মাজতেই পাপাচাৰ, অনাচাৰ, মিথ্যাচাৰৰ ত্ৰিমাত্ৰিক তাণ্ডৱ আৰু ৰসায়ন দেখিবলৈ পাইছো। চৌদিশে হতাশা, ভয়ৰ মাজত জীয়াই থকাৰ স্বপ্ন ধূলিসাৎ। সমাজৰ এই স্বপ্নহীন নিৰ্মম বাস্তৱতা আগতে নাছিল।

ইমান ক্ৰন্দন অসমীয়াই কেতিয়াবা শুনিছেনে? ইমান অশ্ৰু অসমীয়াই কেতিয়াবা দেখিছেনে?

'বন্ধ কৰি থৈছো মোৰ
কোঠাৰ খিৰিকী
কাৰণ ক্ৰন্দনৰ শব্দ
মোৰ ভাল নালাগে
তথাপিও ধূসৰ দেৱালৰ
আঁৰৰ পৰা
ক্ৰন্দনৰ বাহিৰে কোনো
শব্দই শুনা নাযায়'
— ফ্ৰেডেৰিকো গৰ্চিয়া লৰকা

**চাৰি**

যাৰ ক্ষমতা আছে, সি ক্ষমতা দেখুৱায়। ক্ষমতা প্ৰয়োগ কৰে। পীযুষ হাজৰিকা আৰু জয়ন্তমল্ল বৰুৱাই টিভি কেমেৰাৰ সন্মুখত চৰকাৰী বিষয়া-কৰ্মচাৰীক ধমক দি চমক সৃষ্টি কৰাটো ফেশ্বনত পৰিণত হৈছে।

দিছপুৰৰ চৰকাৰী বাসভৱন ভাঙি নতুনকৈ নিৰ্মাণ হৈছে জয়ন্তমল্লৰ বাসভৱন। বোন্দাজান জলাশয় পুতি মন্ত্ৰী জয়ন্তমল্লৰ প্ৰাসাদোপম অট্টালিকালৈ নিৰ্মাণ কৰা হৈছে পথ। নিজকে অলপ ধমক দিবনে?

পীযুষ হাজৰিকাই ঠিকা দিয়া ঠিকাদাৰৰ ৬৮ লাখটকীয়া বিলাসী গাড়ীত উঠি ঘূৰি ফুৰে। নিজৰ গাতে যাৰ দুৰ্নীতিৰ গোন্ধ, সি বাৰু কেনেকৈ দূৰ কৰিব দুৰ্নীতি।

পীযুষ-জয়ন্তমল্লক দেখি ৰূপজ্যোতি কুৰ্মীৰ দৰে বহুৱাই ছাডেন ভিজিট দি ধমক দিছে শিক্ষক-শিক্ষয়িত্ৰীক। এয়া হাস্যকৰ।

বদনবোৰে বংশ বিস্তাৰ কৰোতে কৰোতে আজি পৰিণত হৈছে বটবৃক্ষত। সিহঁত আজি ইমান ডাঙৰ হৈ গৈছে যে সিহঁতৰ দ্বাৰা ক্ষতিগ্ৰস্ত কাৰোৱেই সিহঁতৰ সন্মুখত থিয় হৈ আঙুলি টোঁৱাই কোৱাৰ সাহস নাই ঃ তুমি বিশ্বাসঘাতক।

**পাঁচ**

সংস্কৃতিক সংজ্ঞায়িত কৰা কঠিন। সংস্কৃতিৰ মাজত আছে আমাৰ আত্মপৰিচয়। আছে আমাৰ জীৱনাচাৰ। আচাৰ-ব্যৱহাৰ। কোৱা হয় শিক্ষাই জাতিৰ মেৰুদণ্ড। আচলতে মেৰুদণ্ড হৈছে সংস্কৃতি। পৃথিৱীৰ সবাতোকৈ মূল্যৱান সম্পদ হৈছে সংস্কৃতি। এটা জীৱনধাৰা। এটা ভাষা। ভাষাৰ এটা নিৰ্দিষ্ট ৰূপ আছে। আছে বৰ্ণমালা, ব্যাকৰণ, সাহিত্য। আছে দৃষ্টিগোচৰ এটা বাহ্যিক ভূষণ; কিন্তু মূল্যবোধৰ নিবাস ইন্দ্ৰিয়ৰ গভীৰ কেন্দ্ৰত। আমি আজিলৈকে মাতৃভাষাক মৰ্যাদাৰ আসনত বহুৱাবলৈ সক্ষম হোৱা নাই।

বাংলাদেশী কবি মুফতি ফাৰুকৰ এটি কবিতা ঃ দুঃস্বপ্ন।

গতৰাতে একটি দুঃস্বপ্নে বিভোৰ ছিলাম
আদৰ্শ লিপিৰ বৰ্ণমালা গুলো কণ্ঠনালী
স্তব্ধ কৰে দিতে উদ্যত অবিৰাম
অ-চিৎকাৰ কৰে বলেছিল অক্ষমতাৰ কথা
আ-বলেছিল আৰ কতদিন
ক-এৰ কণ্ঠে ছিল কটাক্ষেৰ ছোঁয়া
খ-এৰ লাল চোখ বলেছিল খামোশ
ওৰা সবাই সোচ্চাৰ হয়ে উঠছে ক্ৰমাগত
ওৰা আবাৰ বিদ্ৰোহী হয়ে উঠছে সমবেতভাৱে
ওৰা তীব্ৰ অভিমানে বলেছিল
তুমি তোমাৰ সন্তানকে জিজ্ঞাস কৰো
আমাদেৰ কতখানি চেনে
যদি না চেনে তাহলে আৰেকটি যুদ্ধ অনিবাৰ্য
আমাৰ সন্তান হঠাৎ আমাকে
ঘুম থেকে জাগিয়ে দিয়ে বলে উঠলো— গুডমৰ্ণিং পাপা
আমি তাৰ মুখ চেপে ধৰি বলি— সুপ্ৰভাত বাবা।

**ছয়**

ৰীমা দাসে নিৰ্মাণ কৰা অসমীয়া কথাছবিৰ নাম ইংৰাজীত দিয়ে কিয়? তৃতীয়খন কথাছবিৰ নাম দিছে 'তৰাজ হাছবেণ্ড।'

ফোন ঃ ০০১৪০৩২৭০১৮১৭

# দেৱী মাৰ আছে শক্তি দেৱিকাৰ নাই ভক্তি

মনোজ কুমাৰ ভট্টাচাৰ্য

— দুৰ্গা পূজা যে আহি পালে জানা নে নাই দেৱিকা? তুমিচোন চুপ-চাপ বহি আছা। কথাটো কি?

— চাইহে আছো আপোনাৰ মুখৰ পৰা কেতিয়ানো পূজাৰ কথা ওলায়। সেইবাবেই নীৰৱে আছো।

— কি মানুহহে তুমি? এইখন ঘৰৰ গৃহিণী তুমিহে। গতিকে মই কিয় তোমাক মনত পেলাই দিব লাগে কোৱাচোন? তুমি নিজেই দায়িত্ব ল'ব লাগে।

— ৰ'বচোন, ব'হাগত বিয়া হৈ এইখন ঘৰলৈ আহিছোহে মাত্ৰ, এতিয়া আহিন পৰিলহে। ছমাহেই হোৱা নাই। এইবোৰ দায়িত্ব বৰ্তমান মোক একো নিদিব, দিলেও ল'ব নোৱাৰো মই।

— তুমি এতিয়া ছোৱালী হৈ থকা নাই। এখন ঘৰৰ বোৱাৰী হৈছা। গতিকে সংসাৰৰ নিয়ম-নীতি জানি-বুজি লোৱা ভাল।

— হ'ব দিয়ক, শিকি-বুজি ল'বলৈ গোটেই জীৱনটোৱেই পৰি আছে। সময়ত লাহে-ধীৰে সকলো জানিম নহয়।

— ৰ'বাচোন দেৱিকা, বজাৰলৈ যাব লাগিছিল নহয়? পূজাৰ বজাৰ একো কৰা হোৱাই নাই দেখোন?

— হোৱা নাইতো।

— তেনেহ'লে কি কি আনিব লাগে কোৱা?

— কিয় ক'ম মই? আপুনি নাজানে নেকি? নাজানে যদি থাকক দিয়ক। এনেকৈয়ে পূজাৰ কেইদিন চলি যাব।

— নহয়হে, তুমি বুজা নাই। মিছাতে খং নকৰিবাচোন। তোমাক কি লাগে কোৱা, মই আনি দিম নহয়।

— শুনক, মই ভালদৰেই জানো বজাৰলৈ যাবলগীয়া হ'লেই সকলো পুৰুষৰ মূৰ গৰম হয়। পূজা আৰু বিহুৰ সময়ততো কথাই নাই। একেবাৰে খং-ৰাগ-ক্ৰোধত ফাটি পৰে।

— এই কথা কোনে ক'লে তোমাক?

— মই অন্ধ নেকি? সকলো পুৰুষেই বিয়াৰ পাছত টকা খৰচ হোৱাৰ ভয়ত ঘৈণীয়েকক লৈ বজাৰলৈ যাবলৈ ভয় কৰে বুজিছে? নিজ চকুৰেই কিমানক দেখিছো।

— হেৰা দেৱিকা, টকা যদি খৰচেই নকৰো তেনেহ'লে উপাৰ্জন কৰাৰ কি অৰ্থ থাকিল কোৱাচোন?

— মোক কিয় সুধিছে? মই উপাৰ্জন নকৰো যেতিয়া খৰচৰ কথাও নাভাবো। যি ভাল দেখে তাকেই কৰক।

— শুনা, মই চাকৰি কৰিছো আৰু তুমি ঘৰখন চলাইছা। গতিকে ইয়াত মোৰ ধন তোমাৰ বন বুলি কোনো কথা নাই। সকলোবোৰেই আমাৰ। বুজিছা?

— ধন আৰু বনৰ ভেদাভেদ নাথাকিলেও মোৰ কিন্তু নিজৰ এটা মন আছে। সেইটো মোৰ একান্ত ব্যক্তিগত। কথাটো জনাই থ'লো আপোনাক।

— হ'ব দিয়া, এইবোৰ কথা এতিয়া বাদ দিয়া। নৱৰাত্ৰি পালেহিয়েই নহয়।

— নৱৰাত্ৰি আকৌ কিহে?

— নৱৰাত্ৰি শুক্লা প্ৰতিপদ তিথিত আৰম্ভ হয় আৰু নৱমীত সমাপন হয়। এই ন দিনত দেৱী দুৰ্গাৰ নটা ৰূপৰ আৰাধনা কৰা হয় আৰু দশমীৰ দিনা বিসৰ্জন দিয়া হয়।

— হয় নেকি?

— সূৰ্য উদয়ৰ আগতেই উঠি স্নান কৰি শুদ্ধ বস্ত্ৰ পৰিধানেৰে দেৱীৰ আৰাধনা কৰিব লাগে। তুমি কি কৰিবা কোৱা?

— কি কথা কয়হে আপুনি? ৰাতি ভালদৰে টোপনিয়েই নহয়, বেলি ওলোৱাৰ আগতে কেনেকৈ উঠিমহে? বেমাৰী হৈ যাম দেখোন?

— সেইটো তোমাৰ ইচ্ছা-অনিচ্ছাৰ কথা। তুমি দিনটো উপবাসে থাকি নৱৰাত্ৰি পালন কৰিব পাৰিবা নে নাই সেইটো কোৱা। মই মাত্ৰ সুধিছোহে তোমাক?

— কি যুক্তিত আপুনি সুধিছে কওকচোন? মোৰ গেষ্ট্ৰিক আছে বুলি আপুনি নাজানে? ঘণ্টাৰ মূৰে মূৰে কিবা এটা মুখত নিদিলে মোৰ পিত্ত যে উঠি আহে সেইটো নতুনকৈ আপোনাক ক'ব লাগিব নেকি?

— এৰাহে। এতিয়াহে বুজিলো দিয়া। পিছে পূজাৰ বজাৰ বুলিবলৈ একোৱেই নাই যেতিয়া মই কাপোৰ সলোৱাই ভাল।

— কাপোৰ নসলাব। পূজাৰ বজাৰ নাই বুলি কোনে ক'লে আপোনাক?

— আছে নেকি? তেন্তে নোকোৱা কিয়? মই সাউৎকৈ গৈ লৈ আহোগৈ। কি কি আনিব লাগিব কোৱা।

— ক'ত অকলে যায় বজাৰলৈ? ময়ো যাম। অলপ সময় অপেক্ষা কৰক।

— তুমি আকৌ কিয় যাব লাগে? মই অকলে পাৰিম দিয়া। কিমাননো বস্তু আনিবলগীয়া আছে।

— বস্তু নহয় বস্ত্ৰ। পূজাৰ কাপোৰ। মা-দেউতা, ভাইটি-ভণ্টী আৰু আমি দুয়োৰে বাবে পূজাৰ নতুন বস্ত্ৰ আনিব লাগিব। গতিকে মই নগ'লে নহ'ব।

— ইমান বজাৰ কৰিব লাগিলে বহু সময় লাগিব নহয়? ৰাতি হৈ যাব দেখোন। নহ'লে কাইলৈয়ে সোনকালে বজাৰলৈ যাম দিয়া।

— নাই নহ'ব। আজিয়েই যাম। বেছি ৰাতি হ'লেও হওক। ৰেস্তোৰাঁত ৰাতিৰ সাঁজ খাই আহিম। ঘৰত ৰন্ধা-বঢ়াৰ লেঠা নাই যেতিয়া কিহৰ চিন্তা।

— হ'ব দিয়া, ওলোৱা। পিছে এটা কথাহে বুজা নাই মই?

— কি?

— তোমাৰ পূজাৰ প্ৰতি সঁচাকৈয়ে ভক্তি আছে নে নাই?

— কিয় সুধিলে? মোৰ ওপৰত কিবা সন্দেহ হৈছে নেকি?

— নহয় ৰ'বা। ইফালে নৱৰাত্ৰি কি তাকো নাজানা, সিফালে উপবাসেও থাকিব নোৱাৰা, আনফালে পূজাৰ কাপোৰো কিনিব খোজা! আচলতে তুমি কি পন্থী মই ধৰিবই পৰা নাই।

— মই উগ্ৰপন্থী। আপোনাৰ মনৰ খুদুৰনি মাৰ গ'লনে এতিয়া?

— তোমাৰ কৰ্মৰ প্ৰতি যেনেকৈ নিষ্ঠা নাই, ধৰ্মৰ প্ৰতিও তেনেকৈ আস্থা নাই যেন লাগে। তুমি কি ভাবা কোৱাচোন?

— ধৰ্ম কৰাৰ বয়স মোৰ এতিয়াও হোৱা নাই বুলি ভাবো, বুজিছে? চুলি পকিলে, দাঁত সৰিলে তেতিয়াহে নাম-কীৰ্তন গাই ঘূৰি ফুৰিম। তেতিয়াহে ধৰ্মৰ প্ৰকৃত মৰ্ম উপলব্ধি কৰিব পাৰিম।

— তেনেহ'লে দুৰ্গা পূজা চাবলৈ নোযোৱা নেকি?

— কিয় নাযাম, সদায় যাম। দিনত পূজাথলীত দেৱী মাৰ ভোগো খাম।

— শান্তি-নিৰ্মালি ল'বানে নাই?



— ল'বও পাৰো, নল'বও পাৰো।

— দেৱী মাৰ প্ৰতি শৰাই আগবঢ়াবা নে নাই দেৱিকা?

— কি কৰো চাওঁ। এতিয়া নকওঁ, সময়ত দেখা যাব।

— দেৱী মাৰ মূৰ্তি চাই কেনে লাগে তোমাৰ কোৱাচোন মোক?

— সেইবোৰ বাজে কথা মোক নুসুধিব? আপুনি দেৱী মাৰ মূৰ্তিৰ চিন্তা এৰি দেৱিকাৰ ফূৰ্তিৰ কথা আগতে চিন্তা কৰক, বুজিছে?

— হা??

ফোন ঃ ৯১০১৭৭৪৮৬৮

# সাহিত্য কৰা ডাক্তৰ

প্ৰদীপ পৰাশৰ

'হেৰা তোমাৰ মানুহজন ক'লৈ গ'লহে?'

'কলৈ যাব আৰু হাস্পতালৰ পৰা আহি মিটিং।'

'কিহৰ মিটিংহে ?'

'কিহৰ আৰু সাহিত্যৰ মিটিং।'

'জানো সাহিত্যৰ কি মিটিং? মই হলে একো বুজি নাপাও। ইনকাম হয় চাগে ন?' মিনতিৰ কথা শুনি ইলাই ডাঙৰকৈ হাঁহি দিলে। অপ্ৰস্তুত হৈ মিনতিয়ে ক'লে— 'জানো তুমি কিয় হাঁহিছা? মই হলে একো বুজা নাই।' ইলাই হাঁহি সামৰি ক'লে 'আমাৰ তোমালোকৰ দৰে ইনকাম নাই বুজিছা। দৰমহাকিটাই যি।'

'আমাৰ মানুহজনৰ অৱশ্যে ইনকাম ভাল দেই। বৰ কষ্ট কৰে। অফিচৰ পৰা আহি কম্পানীৰ কাম। খালি ইনকামৰ চিন্তা। হেৰা আমাৰ মানুহটোৱে কেতিয়াবা লেট্ৰিনৰ বেৰতো টকা পইছা হিচাব কৰে।'

'পাগলৰ লক্ষণ দেখোন?'

'কি কোৱাহে তুমি? কালি গুৱাহাটীৰ পৰা এঘাৰ হাজাৰ টকীয়া শাৰী এখন আনি দিছে। যোৱা মাহত এইডাল সোণৰ চেইন দিছে। অহা মাহত বোলে ত্ৰিশলাখ টকীয়া গাড়ী এখন আনিব। এইবোৰ পাগল মানুহৰ কাম নেকি?'

'নহয়হে লেট্ৰিনৰ বেৰত হিচাপ কৰা কথাটোৰ কাৰণেহে কৈছিলো। আমাৰ এওঁৰ আকৌ সেইবোৰ কথাত গুৰুত্ব নাই। ঘৰত কলমদাল লৈ টেবুলত বহি থাকিব। হাস্পতাললৈ গ'লেও কিতাপ এসোপা লৈ যাব। আমাৰ এওঁ একো কৰিব নোৱাৰে বুজিছা।'

'কথাটো আমিও আলোচনা কৰো। আজিৰ যুগৰ ডাক্তৰ এনেকুৱা হয়নে? নাৰ্ছিংহমলৈ নাযায়, চেম্বাৰত নবহে। মই আকৌ সাহিত্য-চাহিত্য কৰি কিবা পইছাপাতি পায় বুলিহে ভাবিছিলো।'

'ফোচডাল পায়।'

'আমাৰ মানুহজনে আকৌ বেকাৰ সময় নষ্ট নকৰে দেই। তেওঁৰ এটা ডাঙৰ সপোন এখন নাৰ্ছিংহ'ম খোলা। অহা মাহৰ পৰা কাম আৰম্ভ কৰিব। তোমাৰ মানুহজনক কবা আমাৰ নাৰ্ছিংহ'মতে কাম কৰিব পাৰিব।'

'হব দিয়া ক'ম।'

'তোমালোকৰ ডাক্তৰ কোন বিভাগৰ স্পেচিয়েলিষ্ট হে?'

'নাজানো, সুধিম বাৰু।'

কথাবতৰা পাতি চাহ-তাহ খাই মিনতি গ'লগৈ।

ৰাতি খাই বৈ উঠাৰ পাছত ইলাই ডাক্তক কলিতাক সুধিলে-

'তুমি বাৰু নাৰ্ছিংহ'মত কাম কৰিবানে ?'

'কিয় সুধিলা ?'

'মিনতিহঁতে নাৰ্ছিংহ'ম খুলিব। ইচ্ছা কৰিলে তুমি তাত সোমাব পাৰিবা।'

'অ-'

'তুমি বাৰু কোন বিভাগৰ স্পেচিয়েলিষ্ট?'

ডাক্তৰ কলিতাই আলোচনী পঢ়াৰ পৰা মূৰ নোতোলাকৈয়ে কলে- 'হ'ব দিয়া পাছত ক'ম।' কলিতাৰ কথাত খং উঠি ইলা উচাট মাৰি তাৰপৰা ভোৰ-ভোৰাই আতৰি গ'ল। পাছদিনা পুৱা চাহৰ টেবুলত চাহ খাই থাকোতে ইলাই ডাক্তৰক কলে— 'গান্ধী ফিল্ডত এখন ডাঙৰ শাৰীৰ বজাৰ বহিছে, এপাক যাব লাগিছিল।'

'যোৱা এপাক।'

'তুমি?'

'মইতো শাৰী নিপিন্ধো।'

'তুমি একো কথাই নুবুজা' বুলি ইলা প্ৰচণ্ড খঙত আঁতৰি গ'ল।

দুদিনমান পাছত ইলাই সুবিধা বুজি ডাক্তৰক ক'লে— 'এটা কথা ক'ম তুমি উৰুৱাই নিদিবা কিন্তু।'

'হ'ব দিয়া, উৰুৱাই নিদিও কোৱা।'

'আজি নতুনকৈ লোৱা গাড়ীখন লৈ মিনতি আহিছিল। বাঃ কি ধুনিয়া গাড়ী। তাকে ভাবিছো আমাৰ গাড়ীখন পুৰণা হৈছে, গতিকে সেইখন বেচি নতুন এখন লও দিয়া।'- 'হেৰা, আমি দুটাওটো ইটোৰ কাৰণে সিটো পুৰণা হৈছো গতিকে আমিও সলাই লও দিয়া।' ডাক্তৰৰ আওপকীয়া কথা বুজিব নোৱাৰি ইলাই সুধিলে 'কি সলোৱাৰ কথা কৈছা?' ডাক্তৰে হাঁহি ক'লে, 'তুমি মোক মই তোমাক; তেতিয়া মিনতিৰ নতুন গাড়ীখনৰ দৰে ভাল লাগিব।' ইলাই চিঞৰি ক'লে— 'আচলতে তোমাক একো কথাই কব নাপায়। একো নুবুজা তুমি।'

এদিন ডাক্তৰে গুৱাহাটীৰ পৰা আহোতে লৈ অহা কাৰ্টনটো ঘৈণীয়েকৰ স'তে ধৰি ভিতৰলৈ নি চাহ-তাহ খাই খোলাত লাগিল। ইলাই ডাক্তৰক ক'লে 'কি আনিলানো? অ' বিয়াৰ প্ৰেজেন্ট! হ'ব দিয়া আজিকালি বিয়া বাৰুলৈ সৰু প্ৰেজেন্ট নিবলৈ বেয়াই লাগে।' ইলাই কাৰ্টনটোলৈ চাই থাকিল। ডাক্তৰে খোলা কাৰ্টনৰ পৰা কিতাপ এখন উলিয়াই ইলাৰ হাতত দি ক'লে 'এইখন মোৰ নতুন কিতাপ, পঢ়িবা।'- ডাক্তৰলৈ ঘোপাকৈ চাই কিতাপখন টেবুলৰ ওপৰত থেকেচকৈ থৈ ইলা আঁতৰি গ'ল।

এমাহ মানৰ পাছত ৰাতি খাই -বৈ উঠাৰ পাছত ইলাই ডাক্তৰক ক'লে- 'হেৰা, বৰ দুখৰ খবৰ এটা আছেহে।' ডাক্তৰে সুধিলে 'কি দুখৰ খবৰ? কোনোবাই গাড়ী মাটি কিবা...।' - 'নহয়হে মিনতিৰ লগত গিৰিয়েকে ডিৰ্ভোচ বিচাৰিছে।'

'কি?'

'সঁচা। তাই মোলৈ ফোন কৰিছিল। গিৰিয়েকে বোলে এজনী নেপালী ছোৱালী বিয়া পাতিব।'

'বঢ়িয়া, তেন্তে তুমিও সাজু হোৱা।'

'কি?'

'অ, মিনতিৰ গিৰীয়েকে আনিব খোজা নেপালী ছোৱালীজনীৰ মাকজনীক মই লৈ আহিম।'

'ধেৎ নিলাজ।'

ফোন- ৯৪৩৫৩৬৪৭৮০

পিতৃ-মাতৃৰ প্ৰতি মই সৰ্বকালে প্ৰভাৱান্বিত। মাতৃয়ে নিজে ৰন্ধা-বঢ়া কৰি আমি ল'ৰা-ছোৱালীকেইটাক যিদৰে একোজন আদৰ্শনীয় ব্যক্তিৰূপে গঢ়িবলৈ প্ৰয়াস কৰিছিল আৰু পিতৃদেৱ কৃষ্ণ কান্ত সন্দিকৈয়ে অগাধ পণ্ডিত হৈ গ্ৰন্থৰ অভয়াৰণ্যত সোমাই থাকি আমাৰ মাতৃক কৈছিল, নিজৰ সন্তানে যাতে তেওঁৰ নিচিনা দুখৰ জীৱন ন'লৈ সংসাৰৰ অন্য লোকৰ দৰে জীৱন যাপন কৰে। পিতৃয়ে সন্তানকেইজনক সমাজৰ অন্য পিতৃৰ দৰে আদৰ কৰিব নোৱাৰাৰ বাবে দুখিত আছিলো

# 'দৈনিক অগ্ৰদূত'ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ

**প্ৰশ্ন ঃ আপোনাৰ মতে জীৱনৰ সংজ্ঞা কি? আপুনি প্ৰভাৱান্বিত হোৱা ব্যক্তি-গ্ৰন্থ**

**উত্তৰ ঃ** পূৰ্ব জন্মৰ পুণ্যৰ ফলতেই এই জনমত জীৱশ্ৰেষ্ঠ মানৱ জীৱন ল'ব পাৰিলো বুলি মই বিশ্বাস কৰো।

প্ৰতিজনৰ সংজ্ঞা ভিন্ন ভিন্ন হয়। মোৰ মতে এগৰাকী জীৱশ্ৰেষ্ঠ মানৱ ৰূপে সংসাৰৰ সকলো মানুহ আৰু প্ৰাণীৰ প্ৰতি দয়া আৰু সহানুভূতি প্ৰদৰ্শনেই প্ৰধান কৰ্তব্য। প্ৰথমেই মাতৃৰ প্ৰতি চেনেহৰ বান্ধোনেৰে বান্ধ খোৱাৰ পাছত পিতৃ আৰু পৰিয়ালৰ প্ৰতি আপোনা আপুনি চেনেহৰ বান্ধোনত সোমাই পৰা যায়। ইয়াৰ পাছত মোৰ চাৰিওফালে থকা ইষ্ট কুটুম্ব আৰু আলধৰা লোকসকলৰ প্ৰতি মৰম চেনেহ জাগে। সমাজৰ সহায়হীন লোকক সহায় কৰা, দৰিদ্ৰজনক ধন-জনৰে সহায় কৰি প্ৰতিদান ৰূপে তেওঁলোকৰ পৰাও মৰম-চেনেহ-সহানুভূতি লাভ কৰা যায় আৰু সমাজত এগৰাকী দয়াশীল লোক বুলি প্ৰতিষ্ঠিত হোৱাই মোৰ কাম্য। মোৰ বৰ্তমান ৯০ বছৰ বয়স হৈছে যদিও স্মৃতিশক্তিৰ দ্বাৰায় লেখা-মেলা কাম কৰি বাতৰি কাকত আৰু আলোচনীলৈ প্ৰকাশৰ বাবে প্ৰৱন্ধ লিখি থাকো। শোৱা কোঠাত পিছলি পৰি



এবছৰমানৰ পৰা শয্যাগত হৈ আছো। তৎসত্বেও ফিজিঅ'থেৰাপীৰ সহায়েৰে Walker লৈ চকীত বহি চকীৰ হেণ্ডেলত কাৰ্ডবোৰ্ড এখন থৈ তাৰ ওপৰতে কাগজত লিখি নিয়মীয়াকৈ বাতৰি কাকত আৰু আলোচনীলৈ প্ৰকাশৰ বাবে পঠিয়াই দিওঁ। আমাৰ পৰিয়ালৰ পিতৃ-মাতৃ আৰু দুই কন্যা আৰু এজন ভাইৰ কেৱল মইহে জীয়াই আছো। কিন্তু তেওঁলোকৰ দেহাৱসনাৰ কথা ভাবি মই শোক কৰি নাথাকো। কাৰণ পৰিয়ালৰ প্ৰতিজনেই নিজ নিজ জীৱনত শুদ্ধমতে জীৱন-যাপন কৰি মৃত্যুবৰণ কৰিছে। সৰুৰে পৰা মোৰ ইষ্ট দেৱী 'মা কামাখ্যা' আই। মোৰ অকলশৰীয়া জীৱনত 'মা কামাখ্যা'ক স্মৰণ কৰিয়েই সাহসেৰে জীয়াই আছো। মোৰ লগত থকা মোৰ আলধৰা লোকসকলক মই নিজৰ সন্তানৰ দৰে জ্ঞান কৰো। সমাজৰ সকলোৱেই মোক শ্ৰদ্ধা আৰু সহানুভূতি প্ৰদৰ্শন কৰে।

পিতৃ-মাতৃৰ প্ৰতি মই সৰ্বকালে প্ৰভাৱান্বিত। মাতৃয়ে নিজে ৰন্ধা-বঢ়া কৰি আমি ল'ৰা-ছোৱালীকেইটাক যিদৰে একোজন আদৰ্শনীয় ব্যক্তিৰূপে গঢ়িবলৈ প্ৰয়াস কৰিছিল আৰু পিতৃদেৱ কৃষ্ণ কান্ত সন্দিকৈয়ে অগাধ পণ্ডিত হৈ গ্ৰন্থৰ অভয়াৰণ্যত সোমাই থাকি আমাৰ মাতৃক কৈছিল, নিজৰ সন্তানে যাতে তেওঁৰ নিচিনা দুখৰ জীৱন ন'লৈ সংসাৰৰ অন্য লোকৰ দৰে জীৱন

## অহল্যা গগৈ

যাপন কৰে। পিতৃয়ে সন্তানকেইজনক সমাজৰ অন্য পিতৃৰ দৰে আদৰ কৰিব নোৱাৰাৰ বাবে দুখিত আছিলো।

মোৰ আটাইতকৈ পঢ়ি ভাল লগা গ্ৰন্থখন হ'ল বিখ্যাত আফগান ঔপন্যাসিক 'খালিদ হোছেইনি' ৰচিত গ্ৰন্থ The Kite Runner । এই গ্ৰন্থত অন্য উপন্যাসৰ দৰে প্ৰেমিক যুগলৰ প্ৰেম কাহিনীৰ পৰিৱৰ্তে দুজন বাল্য বন্ধু। 'আমিৰ' আৰু 'হাচান'ৰ জীৱনজোৰা বন্ধুত্বৰ কাহিনী আছে। গ্ৰন্থখন ইমানেই জনপ্ৰিয় যে সমগ্ৰ বিশ্বত গ্ৰন্থখন অভূতপূৰ্বভাৱে বিক্ৰী হৈ আছে। লেখক বৰ্তমান ৰাষ্ট্ৰসংঘৰ উপদেষ্টা সদস্যৰূপে আফগানিস্তানৰ দুৰ্গতসকলৰ সন্দৰ্ভত প্ৰতিনিধিত্ব কৰি আছে। চিকিৎসকৰূপে আফগানিস্তানৰ সীমান্তত হাস্পতাল প্ৰতিষ্ঠা কৰি তেওঁ দুৰ্গতসকলক চিকিৎসা সেৱা কৰি আছে আৰু এখনৰ পাছত এখনকৈ একোখন জনপ্ৰিয় উপন্যাস লিখাত নিয়োজিত। তেওঁৰ পৰিয়াল আফগানিস্তানৰ উচ্চ শিক্ষিত ৰাজপৰিয়ালৰ লোক। দেশত ৰুছ সেনা বাহিনীৰ আক্ৰমণ আৰু তালিবানবিলাকৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ দেশৰ অন্য লোকৰ স'তে আমেৰিকাৰ কালিফোৰ্ণিয়াত আশ্ৰয় লৈ থকা আফগান সমাজৰ লগত বাস কৰেহি। তেওঁ কালিফোৰ্ণিয়াত মেডিকেল কলেজত ভৰ্তি হৈ অধ্যয়ন কৰিবলৈ লয় আৰু উপায়হীন পিতৃয়ে গাড়ীৰ গেৰেজ এটাত নিম্নমানৰ চাকৰি কৰি পেট প্ৰৱৰ্তাবলগীয়া হয়। পিতৃৰ মৃত্যুৰ পাছত হোছেইনিয়ে সামাজিকভাৱে এগৰাকী আফগান যুৱতী বিয়া কৰাই কালিফোৰ্ণিয়াতে বসবাস কৰি আছে।

ফোন ঃ ৯৯৫৪০৩৮৭০৪

**মনত** পৰিছে জ্ঞানপীঠ বঁটা বিজয়ী স্বনামধন্য বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ককাইদেৱে মোক ৭০-৮০ দশকতে ভাৰতৰ বিভিন্ন ৰাজ্যত অনুষ্ঠিত হোৱা ভাৰতীয় ভাষা সন্মিলনলৈ লৈ গৈছিল। লগত আছিল অধ্যাপক অজিত শৰ্মা, অধ্যাপক সুনীল শৰ্মা, কোনোবা এবাৰ অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাও গৈছিল।

গুজৰাট আৰু নাগপুৰৰ দুটা ঘটনাই মোৰ মনত আজিও দোলা দি থাকে। গুজৰাটলৈ মই এই মহান ব্যক্তিকেইজনাৰ লগত যোৱাত তাত ভালেসংখ্যক লোকে এওঁলোকক প্ৰশ্ন কৰিছিল— 'মই এজনী মুছলিম ছোৱালী হৈ কেনেকৈ তেওঁলোকৰ লগত ইমান স্বাধীনভাৱে ওলাই যাব পাৰিছো। মোৰ সমাজখন ৰক্ষণশীল নহয় নেকি? প্ৰথমতে মই মুছলমান, দ্বিতীয়তে, মই নাৰী, তৃতীয়তে, মই অবিবাহিতা। আমাৰ মুছলমান সমাজখনত পৰ্দা প্ৰথা নাই নেকি? ভট্টাচাৰ্য ককাইদেৱে উত্তৰবোৰ মোকেই দিবলৈ কৈছিল। অসমীয়াতে কৈছিলো। তেওঁলোকে অনুবাদ কৰি লিখি গৈছিল। মই অসমৰ হিন্দু-মুছলমানৰ সম্প্ৰীতি-সমন্বয়ৰ



সেই তাহানিতেই গুজৰাটৰ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এলি আহমেদ

# অসমৰ ভাষা অসমীয়া

কথা ভালকৈ বুজাই দিছিলো। সাজ-পাৰৰ কথা সোধাত মই কৈছিলো— গা ঢাকি উদং হোৱা আৰু গাত লিপিট খাই পৰা সাজ-পাৰো মই সমৰ্থন নকৰো। মূৰত ওৰণি লৈ বক্ষযুগল উদং কৰি পিন্ধা কোনো সাজ-পাৰেই মই সমৰ্থন নকৰো। মই অসমীয়া, অসমীয়া সাজ-পাৰ মই পিন্ধো। মেক্সি মই সমৰ্থন নকৰো। ঘৰত আই-পিতা, ভাই-ককাই, বৰদেউতা, খুৰা-ককাহঁত থাকে। সাজ-পাৰে সন্মান সূচায়। মই কোৱা কথাবোৰ ড° ভট্টাচাৰ্য ককাইদেৱে ইংৰাজীতে সকলোকে বুজাই দিছিল। তেওঁলোকে লিখি লৈছিল।

সভাস্থলীত বহু ওপৰৰ পৰা তললৈ ভালে সংখ্যক 'বেনাৰ' ওলমি আছিল। তাতে নিজৰ ভাষাটোৰ বাবে কথা কোৱাৰ সাহস মোৰ আছে। প্ৰত্যেকখন বেনাৰত ভাৰতৰ বিভিন্ন ভাষাৰ একোশাৰী বাক্য লিখা আছিল। বিভিন্ন ৰঙৰ। মই অসমীয়া ভাষাত বাক্য এষাৰি বিচাৰি হাহাকাৰ কৰি উঠিছিলো। নাই, নাপালো। মোৰ খং উঠিছিল, এনেবোৰ কূটনীতি কামত মোৰ টিঙিছকৰে খং উঠে, এনেবোৰ নভবা-নিচিন্তা কামত মোৰ হাত-ভৰি কঁপি উঠে। মোৰ প্ৰতিবাদ কৰিবৰ মন যায়। কৰো। ইয়াতো কৰিলো।

মই তেওঁলোকক সুধিলো ঃ বেনাৰত অসমীয়া ভাষাত বাক্য এষাৰিও নাই কিয়? উত্তৰত ক'লে— ইয়াত অসমীয়া ভাষা লিখিব-পঢ়িব জনা মানুহ নাই। মনতে ভাবিলো অসমলৈ ক'ত ভাষা-ভাষী লোক আহে-যায়, আৰু ভাবিলো অসমলৈ গৈচোন কত ঠাইৰ কত ভাষা-ভাষীৰ লোকে পঢ়েগৈ, চাকৰি কৰে, ব্যৱসায় কৰে, বিয়া-বাৰু কৰি অসমতে থাকি যায়। এনেতে এজনে মোৰ পৰীক্ষা চাবলৈ ক'লে— আপুনি লিখিব পাৰিব নেকি বেনাৰত? কিয় নোৱাৰিম? মই পৰি মৰা বিধৰ নহয়। তাতে নিজৰ দেশৰ কামত। দেশৰ ভাষা-সাহিত্য, কলা-কৃষ্টিৰ কামত। মই ভট্টাচাৰ্য ককাইদেউৰ চকুলৈ চালো, ককাইদেউৰ চকু দুটাই হাঁহিছিল। অজিত শৰ্মাই কৈছিল— 'যোৱাহে লিখি দিয়াগৈ। ঃ কি লিখিম ড° ভট্টাচাৰ্য ককাইদেউক কিবা এষাৰ বাক্য খুজিলো। তেওঁ অম্বিকাগিৰী ৰায়চৌধুৰীৰ বাক্য এষাৰি লিখি দিছিল। মই বাক্যশাৰী লৈ গৈ দেখিছিলো বহুত ওপৰৰ পৰা ওলমি থকা এখন বগা কাপোৰ, তিনি মিটাৰ মান বহলৰ একোখন বগা বগা কাপোৰ। তাতে বিভিন্ন ভাষাত বিভিন্ন বাক্য ৰঙীন ৰঙীন আখৰেৰে লিখা। এখন বেনাৰৰ আগলৈ মোক লৈ গৈ মানুহ কেইজনে এডাল দীঘল জখলা ধৰি মোক তাত বগাই গৈ খালী হৈ থকা ঠাইখনতে কিবা এষাৰ বাক্য লিখিবলৈ কৈছিল— মই ড° ভট্টাচাৰ্য ককাইদেৱে লিখি দিয়া বাক্য শাৰী লিখিবলৈ লওতেই এজনে তলৰ পৰা চিঞৰি দিছিল— আপ্‌কা বাণী লিখ্ দিজিয়ে—

মই এজনী সাধাৰণ গাভৰু ছোৱালী জখলা বগাব পাৰিলেও বাণী লিখা সাংঘাতিক কথা। মই ভট্টাচাৰ্য ককাইদেউলৈ জখলা ডালৰ ওপৰৰ পৰা তললৈ চাইছিলো। ভয় লাগিছিল। ককাইদেৱে কৈছিল— 'যি মন যায় লিখি সোনকালে নামি আহা, পৰিবা চাবা। এনেতে কে'বাবিধো ৰঙৰ টেমা আৰু ব্ৰাছ তেওঁলোকে মোলৈ আগবঢ়াই দিছিল। মই নীলা ৰঙেৰে লিখি আহিছিলো।

মই নীলা ৰঙেৰে লিখিছিলো— অসমৰ ভাষা অসমীয়া। সেই সময়ত অসমত ভাষা লৈ হুলস্থুল চলি আছিল, প্ৰতিবাদ কৰিছিলোগৈ মই গুজৰাটত। কথাবোৰ মনত পৰিলে মোৰ বৰ ভাল লাগে। অন্ততঃ মই অসমৰ বাহিৰতো অসমীয়া ভাষাক লৈ 'অসমৰ ভাষা অসমীয়া বুলি' গৌৰৱ কৰিছিলো। নীলা ৰঙেৰে কথাখিনি লিখা বাবে সকলোৱে মোক সুধিছিল— মই নীলা ৰং ভাল পাওঁ নেকি? অসমত তেতিয়া আন্দোলন চলি আছিল— সেউজীয়া অসম ৰঙা হৈ পৰিছিল। আমি 'নীলকণ্ঠ' হৈ পৰিছিলো। আমাৰ মাত হেৰাইছিল। আমাৰ কণ্ঠ ৰুদ্ধ হৈ পৰিছিল। নীলা ৰং নীলকণ্ঠৰ প্ৰতীক।

ড° ভট্টাচাৰ্য ককাইদেৱে মোৰ পিঠিত থাপৰ এটা মাৰি কৈছিল— তুমি পাছে নাৰী বিবৰ্জিতা নহয়, তুমি প্ৰগতিবাদী, বুদ্ধিমতী, তোমাৰ সাহস অসীম। এইখিনি কথা ড° ভট্টাচাৰ্য ককাইদেৱে



## এলি আহমেদ

অসমৰ ভালে কেইখন সভাত কৈছিল।

আমি গুজৰাটত থাকোতেই সন্ধিয়া কবিতা সভা এখনত ককাইদেৱে অসমীয়া কবিতাৰ বিষয়ে কৈছিল— সেইদিনা অসম সন্ধিয়া আছিল। ড° ভট্টাচাৰ্য ককাইদেৱে মঞ্চত অসমীয়া কবিতাৰ বিষয়ে ভাষণ দি আছিল। এনেতে অসম সচিবালয়ৰ দিলীপ চক্ৰৱৰ্তী ঢুকুৱাৰ খবৰটো পালো। লগে লগে সভা স্থগিত ৰখা হ'ল। পুৱা শোভাযাত্ৰা আছিল। প্ৰত্যেকে নিজৰ নিজৰ সাজ-পোছাক পিন্ধি নিজৰ নিজৰ ভাষাৰে শ্ল'গান দিয়া কথা আছিল। সন্ধিয়া অসমৰ বাতৰিটোৰ বাবে মৌন শোভাযাত্ৰা হ'ল— মই পিন্ধিবলৈ নিয়া নতুন চাদৰখনৰ ক'লা পাৰীটো সৰু সৰুকৈ কাটি যিমানজনক পাৰো জেপত সী দিলো আলপিনেৰে। কথাবোৰ মনত পৰিলে ঘূৰি যাবলৈ মন যায়।

এইসকল ব্যক্তি নোহোৱাৰে পৰা অসমীয়া মানুহৰ অভিভাৱক নোহোৱাৰ দৰে হ'ল। অসমীয়া ভাষা আন্দোলন হ'ল— তুংগত উঠিল, আকৌ নামি গ'ল। আনৰ ভাষাৰ ফলক বাটে-পথে, দোকানে-পোহাৰে এৰুৱাবলৈ গ'ল বুকুত বিদেশী ভাষাৰ শব্দ-বাক্য লেখা কাপোৰ পিন্ধি। এয়া তেওঁলোকৰ দোষ নহয়, দোষ যুগৰ, অভিভাৱকহীন সমাজখনৰ। সমাজ সচেতন হ'লেহে অসমৰ ভাষা অসমীয়া হৈ থাকিব।

ফোন ঃ ৯৪৩৫১০৪৮৮৪

# নিঃসংগতাৰ আনন্দ আৰু বেদনা

**'নিৰ্জন** দ্বীপত আপোনাক অকলশৰীয়াকৈ থাকিবলৈ দিলে আপুনি কি কৰিব?' বিশিষ্ট ব্যক্তিসকলক কৰা এনে প্ৰশ্নৰ উত্তৰত বিভিন্নজনে বিভিন্ন মতামত দাঙি ধৰে। কিছু লোকে কয়— কিতাপ পঢ়ি কটাব, সাহিত্যিক বুদ্ধিজীৱীসকলে সাহিত্য চৰ্চা কৰিব, কবিয়ে কবিতা ৰচিব, গায়কে গান গাব, চিত্ৰকৰে চিত্ৰ আঁকিব আৰু কোনোবাই বৰশী বাব ইত্যাদি। এই প্ৰশ্নোত্তৰবোৰৰ পৰা বুজা যায় নিৰ্জন পৰিবেশত অকলশৰীয়াকৈ বহুতে নিজৰ ৰুচি অনুযায়ী কাম কৰি আনন্দ উপভোগ কৰিবলৈ বিচাৰে।

অকলশৰীয়াকৈ বা নিৰ্জন পৰিবেশত থাকিলেই মানুহ নিঃসংগ নহয়। নিঃসংগতা এক মানসিক অৱস্থাহে। এখন পৰিপূৰ্ণ ঘৰত, জন সমুদ্ৰৰ মাজত বা উৎসৱমুখৰ পৰিবেশতো মানুহে কেতিয়াবা নিঃসংগ অনুভৱ কৰে। কিছুমানে চৌপাশৰ মনে নিবিচৰা পৰিবেশৰ পৰা মুক্ত পাবলৈ নিঃসংগতা বিচাৰে। অকলশৰীয়া আৰু নিঃসংগ

## শশীপ্ৰভা দাস

মনৰ দুয়োটা অৱস্থাই ভিন্ন।

যান্ত্ৰিক যুগৰ প্ৰচণ্ড হেঁচাত বৰ্তমান মানুহৰ মন খণ্ডিত আৰু বিচ্ছিন্ন হৈ পৰাৰ বাবে মানুহৰ অন্তৰ্জগতত এক বিৰাট শূন্যতাৰ সৃষ্টি হৈছে। এই শূন্যতাই নিঃস্ব কৰি তুলিছে মানুহৰ অন্তঃকৰণ। বৰ্তমান যুগত মানুহ ইমান ব্যস্ত আৰু আত্মকেন্দ্ৰিক হৈ পৰিছে যে আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱ সকলোৰে পৰাই বিচ্ছিন্ন হৈ মানুহ নিঃসংগ হৈ পৰিছে। আধুনিক সভ্যতাই সৃষ্টি কৰা নিঃসংগতাৰ ক্ষুৰধাৰে মানুহৰ জীৱন ছিন্ন-ভিন্ন কৰি তুলিছে। এই নিঃসংগতাৰ পৰা অব্যাহতি পাবলৈ বহুতে নিচাযুক্ত দ্ৰব্য সেৱন কৰিবলৈও লৈছে।

নিঃসংগ অৱস্থাত অধ্যয়ন, মনন-চিন্তনৰ দ্বাৰা মন পৰিপূৰ্ণ কৰি বা ব্যস্ত ৰাখিব পাৰিলে মানুহে কেতিয়াও নিঃসংগ অনুভৱ বা আনৰ লগত ভাব বিনিময় কৰিব নোৱাৰে সঁচা, কিন্তু নিঃসংগতাৰ অৰ্থ তাতকৈ গভীৰ।

বহুতো দাৰ্শনিক, কবি নিঃসংগতা প্ৰিয়। প্ৰখ্যাত দাৰ্শনিক হেনৰি ডেভিদ থৰোৱে নিঃসংগতাক উত্তম সংগী বুলিহে আখ্যা দিছে। ফ্ৰেন্সিচ বেকনৰ মতে নিঃসংগতাক ভালপোৱাজন বন্য পশুৰ তুল্য নতুবা দেৱতা। নিঃসংগতা বা অকলশৰীয়াকৈ থকা তেওঁৰ কাম্য নহয়। 'দ্য এনাটমি অব্ মেলাংকলি' লিখা ৰবাৰ্ট বাৰ্টনৰ কথাও বেকনৰ স'তে সমভাবাপন্ন। আলবেয়াৰ কেম্যুৰ কথা সুকীয়া। তেওঁ নিঃসংগতা প্ৰিয় আছিল আৰু নিঃসংগসকলক ঈৰ্ষাই কৰিছিল।

নিঃসংগ কাৰোবাৰ বাবে আনন্দদায়ক, কাৰোবাৰ বাবে যন্ত্ৰণাময় আৰু অভিশাপ স্বৰূপো হয়। এনে অৱস্থাত অকলশৰীয়া জীৱনে কেনে ৰূপ লয় সেয়া আলেকজেণ্ডাৰ পোপৰ Ode to Solitude নামৰ কবিতাৰ এটি পংক্তিত পৰিস্ফুট হৈ উঠিছে—



কোনেও মোক নজনাকৈ, কোনেও মোক নেদেখাকৈ অকলশৰে থাকিবলৈ দিয়া। এই পৃথিৱীৰ পৰা মোক সংগোপনে গুচি যাবলৈ দিয়া। মই চিৰনিদ্ৰাত পৰি থকাৰ কথা এটি শিলেও যাতে নকয় আৰু কোনেও যাতে মোৰ বাবে বিলাপ নকৰে।

প্ৰায় দুহাজাৰ বছৰৰ পূৰ্বেই ফ্ৰিজিয়াৰ এপিক্তেতাছ নামৰ এজন ক্ৰীতদাসে (অৱশ্যে ক্ৰীতদাস ছদ্মনামহে) জীৱনৰ চৰম দুৰ্দশা, যন্ত্ৰণা আৰু নিঃসংগতাৰ তিতা-কেহাৰ অভিজ্ঞতাৰ ভিত্তিত নিঃসংগতা আৰু নিঃসংগ মানুহৰ গভীৰ অনুভৱৰ কথা অৱগত কৰিছে। তেওঁৰ মতে নিঃসংগতা মানুহৰ এক অসহায় অৱস্থাহে। মানুহে যেতিয়া প্ৰিয়জন বা আপোনজনক হেৰুৱাই তেতিয়া জনপূৰ্ণ ঠাইতো নিঃসংগ অনুভৱ কৰে। তেওঁ নিঃসংগতাৰ বিষয়ে চাঞ্চল্যৰ তথা প্ৰেৰণামূলক কথা, চিন্তা-ভাবনা প্ৰকাশ কৰিছে। ক্ৰীতদাস হ'লেও এপিক্তেতাছৰ আত্মিক শক্তি প্ৰবল আছিল, সহ্য গুণ আছিল অসীম। যিসকলে গভীৰ চিন্তা-চৰ্চা কৰিব নোৱাৰে বা পুৰুষাৰ্থও নকৰে, যিসকল মানসিকভাৱে দুৰ্বল সেইসকলৰ বাবে নিঃসংগতা যন্ত্ৰণাদায়ক।

এপিক্তেতাছে নিঃসংগতাৰ বেদনাৰ কথাই বক্তৃতামালাত কৈ ক্ষান্ত থকা নাই, তাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায়ো দি গৈছে। নিঃসংগ পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সকলোকে মানসিকভাৱে প্ৰস্তুত থাকিবলৈ এপিক্তেতাছে মানৱৰ প্ৰতি আহ্বান জনাইছে। কাৰণ মানুহৰ চিৰদিন একেদৰে নাযায়। দুখ-দুৰ্দশা, অশান্তি, সুখ-শান্তিৰ দৰেই চিৰলগৰীয়া। অকলশৰীয়াজন যাতে নিঃসংগতাৰ গভীৰতালৈ প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে আত্মিক শক্তি আহৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। এই আত্মিক শক্তি আধ্যাত্মিক চিন্তা-চৰ্চা আৰু জ্ঞানৰ দ্বাৰাহে প্ৰাপ্তি হয়।

প্ৰাচীন কালত ঋষি-মুনিসকলে গভীৰ অৰণ্যত ধ্যানস্থ হৈ আনন্দময় ৰহস্য উপলব্ধি কৰি পৰম শক্তিৰ লগত একান্ত হৈ পৰিছিল। তেওঁলোকে বিশ্ব-প্ৰকৃতিৰ পৰা পোৱা পোহৰ-বতাহ, অন্ন-জলক পৃথক বুলি নাভাবি অনুভৱৰ মাজেৰে গভীৰভাৱে উপলব্ধি কৰিছিল। চেতন-অৱচেতন সকলোৰে লগত আত্মিক সম্পৰ্ক গঢ়ি তোলাৰ বাবে তেওঁলোকে কেতিয়াও নিঃসংগ অনুভৱ কৰা নাছিল।

মানুহে যেতিয়া চন্দ্ৰ-সূৰ্য, গ্ৰহ-নক্ষত্ৰাদি নিবিড়ভাৱে চাবলৈ শিকিব, জল-স্থল, আকাশ-অৰণ্য আৰু প্ৰাকৃতিক দৃশ্যসমূহ উপভোগ কৰিবলৈ শিকিব, তেতিয়াই মানুহৰ মনৰ পৰা নিঃসংগতা, অসহায় ভাব আঁতৰি যাব। প্ৰায় দুহাজাৰ বছৰৰ আগতে কোৱা এপিক্তেতাছৰ এই সাৰগৰ্ভ বাণীসমূহ একবিংশ শতিকাৰ প্ৰাক-মুহূৰ্ততো বাখৰ খটোৱা হৈ জিলিকি আছে।

ফোন ঃ ৯৮৬৪০-২২৭০৩

**বৰ্ণাঢ্য** ৫০ বছৰ পাৰ কৰা **(দৈনিক) অগ্ৰদূত কাকতৰ** যোৱা ১১য৯য২২ সংখ্যাত আমি দ° নিৰোদ বৰুৱা সম্পাদিত সুবৃহৎ, বা ক'ব পাৰি অসমৰ এতিয়ালৈকে প্ৰকাশিত জনগোষ্ঠীগত বুৰঞ্জিবিলাকৰ ভিতৰত বৃহত্তম **'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী'**ৰ বিষয়ে আলোচনা কৰিছিলোঁ। **আমি পাঠকক জনাবলৈ পাই সুখী হৈছো যে ইতিমধ্যে দ° নিৰোদ বৰুৱাই মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ সন্মানিত উপাচাৰ্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে।** ঘটনাক্ৰমে সেই বিশাল বুৰঞ্জিখনৰ দীৰ্ঘতম অধ্যায়তো ময়েই লিখা। সেইবিষয়ে সম্পাদক দ° নিৰোদ বৰুৱাই লিখিছে ঃ

/২০০৬ চনত দ° দেৱব্ৰত শৰ্মাৰ গৱেষণা গ্ৰন্থৰ সম্পাদিত, পৰিবৰ্ধিত ৰূপ **অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জাতীয় জনগোষ্ঠীগত অনুষ্ঠানসমূহ** (১৮৭৩-১৯৬০) প্ৰকাশ পায়। গ্ৰন্থখনত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত জাতীয় জনগোষ্ঠীগত অনুষ্ঠান, সংগঠনসমূহৰ ভূমিকাক এক সমালোচনামূলক দৃষ্টিভংগীৰে ব্যাখ্যা আগবঢ়োৱা হৈছে। গ্ৰন্থখনৰ 'জাতি গঠনত সংঘাত আৰু মিলনঃ জনগোষ্ঠীগত পুনৰ উত্থান আৰু দলিত জাগৰণ' শীৰ্ষক সপ্তম অধ্যায়ৰ অংশ হিচাপে 'মৰাণ আৰু মটকঃ বিদ্ৰোহীসকলক কেনেকৈ সেও মনোৱা গ'ল?' শীৰ্ষক এক আলোচনা আগবঢ়োৱা হৈছে। মাত্ৰ কেইটামান পৃষ্ঠাৰ ভিতৰতেই ড° শৰ্মাই মৰাণ-মটকসকলৰ আঁতি-গুৰি, আৰ্থ-সামাজিক-শৈক্ষিক-সংস্কৃতিক দিশবোৰ ফঁহিয়াই দেখুওৱাৰ লগতে মৰাণ-মটকৰ প্ৰতি ইতিহাস, সাহিত্য-সাহিত্যিকে কৰা অবিচাৰ, বৃটিছৰ শোষণ-শাসন, কানি ৰৱবিহৰ প্ৰচলন, অন্যায়ভাৱে মৰাণ-মটকৰ পৰা বৃটিছৰ ভূমি লণ্ঠন, মৰাণ-মটকৰ আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰাম- একলেখীয়াকৈ ক'বলৈ গ'লে মৰাণ-মটকৰ ইতিহাস বস্তুনিষ্ঠ আৰু পদ্ধতিগতভাৱে চমুকৈ লিখি উলিয়াইছে। অধ্যায়টোত মৰাণ-মটক সম্পৰ্কে ড° শৰ্মাৰ দুটা মন্তব্য মন কৰিবলগীয়া- "মৰাণ-মটকসকলৰ ক্ষেত্ৰত চৰকাৰয় ৰাষ্ট্ৰ তথা অনা চৰকাৰী জাতীয় অনুষ্ঠান প্ৰতিষ্ঠান, কোনেও ন্যূনতম কৰণীয়খিনিও কৰা নাই। ইয়াৰ ফলত আপাততঃ সমসত্তাসম্পন্ন অসমীয়া সমাজত ফাট মেলিছিল। অধিক অৱহেলা-উদাসীনতাৰ পৰিণতি হৈছিল গভীৰতৰ বিভাজন।" ড° শৰ্মাৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ **মোৱামৰীয়া মহাবিদ্ৰোহঃ এক ত্ৰি-মাত্ৰিক গণ-অভ্যুত্থান,** গ্ৰন্থখন প্ৰকৃততেই মোৱামৰীয়া বিদ্ৰোহৰ এক ত্ৰি-মাত্ৰিক অধ্যয়ন। এই সম্পৰ্কে তেখেতৰ মন্তব্য- "ফৰাচী বিপ্লৱৰ সমসাময়িক এই মহাবিদ্ৰোহ তথা গণ-অভ্যুত্থান কিন্তু কোনো কোনোৱে কোৱাৰ দৰে বিশুদ্ধ শ্ৰেণী সংগ্ৰাম নাছিল। লগতে ই আছিল জাতি-বৰ্ণ অস্পৃশ্যতা বিৰোধী সংগ্ৰামো। কিন্তু দুই যমজ মূল ধাৰা- শ্ৰেণী আৰু জাতি-বৰ্ণ, আৰু সিবিলাকৰ বিৰুদ্ধে যুগপৎ সংগ্ৰামৰ বহিঃ প্ৰকাশ ঘটিছিল ধৰ্মীয় ধৰণেৰেহে। সেইটোৱেই আছিল যুগ সাপেক্ষ কথাও। সেয়েহে আমি এই মহাবিদ্ৰোহক এক ত্ৰি-মাত্ৰিক গণ অভ্যুত্থান আখ্যা দিছো।" (এই গ্ৰন্থৰ ড° শৰ্মাৰ দ্বাৰা লিখিত অধ্যায়ত সবিশেষ) ড° শৰ্মাই মৰাণসকলৰ পুৰণি শব্দ সম্ভাৰৰ ওপৰত এখন পুস্তিকাও প্ৰকাশ কৰিছে।"

পাঠকে জানিবলৈ ইচ্ছা কৰিব পাৰে মইনো মোৱামৰীয়া মহাবিদ্ৰোহ সম্পৰ্কীয় সেই সুদীৰ্ঘ অধ্যায়ত কি লিখিছোঁ।

সেইবিষয়ে ইয়াত মাত্ৰ আভাসহে দিছোঁ ঃ

"ওঠৰ শতিকাৰ দ্বিতীয়াৰ্ধত, ফৰাচি বিপ্লৱৰ সমসাময়িকভাৱে আৰম্ভ হোৱা বিশ্বৰ দীৰ্ঘতম কৃষক বিদ্ৰোহ আছিল মোৱামৰীয়া বিদ্ৰোহ। ইয়াত শ্ৰেণীগত-অৰ্থনৈতিক প্ৰশ্ন জড়িত থাকিলেও আজিৰ দৃষ্টিত এক বিশুদ্ধ শ্ৰেণীসংগ্ৰাম সি নাছিল। সেয়েহে আমি ইয়াক এক ত্ৰি-মাত্ৰিক গণঅভ্যুত্থান আখ্যা দিছোঁ।

মোৱামৰীয়া বিদ্ৰোহ ব্যৰ্থ হৈছিল সঁচা, কিন্তু পৃথিৱীৰ বেছিভাগ বিদ্ৰোহেই যুগে যুগে ব্যৰ্থ হৈ আহিছে। তৎসত্বেও সেইসকল বিদ্ৰোহী নাৰী আৰু বিদ্ৰোহী পুৰুষ ইতিহাসৰ নায়িকা আৰু নায়ক। হওক লাগিলে তেওঁলোক ট্ৰেজিক নায়ক। কিন্তু এই ব্যৰ্থতাই অসমৰ ইতিহাসত, আনকি ভাৰত তথা পৃথিৱীৰ ইতিহাসত,

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

## সুবৃহৎ 'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী'য়ে পুনৰ প্ৰমাণ কৰিলে জাতীয় ইতিহাসৰ বাবে অপৰিহাৰ্য জনগোষ্ঠীগত বুৰঞ্জী!

# মোৱামৰীয়া মহাবিদ্ৰোহ মৰাণ মানুহৰ মহত্তম স্তম্ভ!

মোৱামৰীয়া মহাবিদ্ৰোহৰ মহিমা লাঘৱ নকৰে, বৰং উজলাইহে তুলিব। কাৰণ জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায়-লিংগ নিৰ্বিশেষে অসমৰ এক বিপুল মেহনতী জনতাই এই মহাবিদ্ৰোহত ভাগ লৈছিল। জাত-পাতৰ প্ৰাচীৰ তেওঁলোকে অতিক্ৰম কৰিছিল বহু দূৰলৈকে। মূলতঃ এয়া আছিল নিম্নবৰ্ণ-নিম্নবৰ্গৰ অভ্যুত্থান। কিন্তু ইয়াৰ চৰিত্ৰ মুঠেও সাম্প্ৰদায়িক নাছিল।"

## দ° দেৱব্ৰত শৰ্মা

"নিৰক্ষৰতা, শিক্ষাৰ অভাৱ, ৰাষ্ট্ৰ পৰিচালনাৰ অভিজ্ঞতাৰ নিতান্ত অভাৱ, যোগাযোগৰ অসুচলতা, ধনবল আৰু অস্ত্ৰবলৰ ক্ষেত্ৰত দুৰ্বলতা, পুৰণিদিনীয়া ধৰ্মীয় মতাদৰ্শৰ প্ৰভাৱ, সুসংগঠিত কেন্দ্ৰীয় নেতৃত্বৰ অনুপস্থিতি, নিজৰ একাংশ নেতৃত্বৰ স্খলন, প্ৰায় সমগ্ৰ ৰাজনৈতিক আৰু ধৰ্মীয় নেতৃত্বৰ শ্বহীদি আদি এশ এটা কাৰকে মোৱামৰীয়া বিদ্ৰোহৰ বিফলতাত বৰঙনি যোগাইছিল। কিন্তু তৎসত্বেও, তেওঁলোকেই প্ৰথমবাৰৰ বাবে ছশ বছৰীয়া আহোম শাসন চিৰদিনীয়া দৈৱৰ নিৰ্বন্ধ নহয় বুলি প্ৰমাণ কৰিছিল, তাৰ ভেঁটি থৰে থৰে কঁপাই তুলিছিল, তাত চিৰাল ফাট ৰচনা কৰিছিল। তেওঁলোকেই 'সামান্য' কাড়ী পাইকক নেতৃত্বৰ পৰ্যায়লৈ তুলিছিল। নাৰীক দিছিল আগশাৰী। দলিত-নিপীড়িত জাতি-বৰ্ণৰ মানুহক (স্থানীয় হ'লেও) 'ৰজা'ৰ পৰ্যায়লৈ তুলিছিল। কেৱল ৰজাঘৰৰ প্ৰতিয়েই ই প্ৰত্যাহ্বান হৈ অহা নাছিল।"...

..."সেয়েহে সামৰণিত কওঁ, অসম তথা উত্তৰপূৰ্বাঞ্চলৰ (আনকি ভাৰতৰ, তথা দঃপূঃ এচিয়াৰ একাংশৰ) ইতিহাসৰ এক ৰক্তাক্ত কিন্তু অবিস্মৰণীয় যুগান্তকাৰী বিদ্ৰোহৰ সম্পৰ্কে নিৰৱ থকাটো এক ইতিহাস বিৰোধী চক্ৰান্ত। সেই নিৰৱ আৰু সমাধিস্থ ইতিহাস অচিৰেই সজীৱ আৰু জীৱন্ত হৈ পৰিব।"



বুৰঞ্জিখনৰ এটা অতি গুৰুত্বপূৰ্ণ অধ্যয় হৈছে মৰাণ সকলৰ ভাষিক দিশটো। সেই বিষয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ (পূৰ্বৰ) মুৰব্বি তথা **অসমীয়া জাতীয় অভিধানৰ** উপদেষ্টা দ° উপেন ৰাভা হাকচামে লিখিছে ঃ

**মৰাণসকলৰ ভাষিক পৰিচয়**

" মৰাণসকলৰ মাজত তাহানিতে বড়োমূলীয়া ভাষাৰ ব্যৱহাৰ আছিল বুলি কেইবাজনো ইতিহাসবিদে উল্লেখ কৰি গৈছে। অৱশ্যে সময়ৰ সোঁতত মৰাণসকলৰ ভাষালৈ বহু পৰিৱৰ্তন আহিল আৰু বড়ো শব্দবোৰ লাহে লাহে লোপ পাই বৰ্তমানে কিছু সংখ্যকহে ৰৈছেগৈ। অৱশ্যে মৰাণসকলৰ ভাষাত নৃগোষ্ঠীয় উপভাষা হিচাপে কিছুতিব্বত-বৰ্মীয় উপাদান পোৱা যায়। অসমলৈ টাইসকল অহাৰ বহু পূৰ্বে মৰাণসকল সম্পূৰ্ণৰূপে আৰ্যীভূত হৈ অসমীয়াৰ প্ৰাচীন ৰূপ (সৌমাৰ প্ৰাকৃত) এটাৰ উদ্ভাৱন কৰি লৈছিল খুবসম্ভৱ উমৈহতীয়াভাৱে- চুতীয়া (দেউৰী), বৰাহী (কছাৰী) আদি প্ৰাচীন আৰ্যীভূত জনগোষ্ঠীসমূহৰ লগত একত্ৰে। সেয়েহে এতিয়াও উজনি অসমত (সৌমাৰপীঠ) উদ্ভৱ-বিকাশ আৰু সমৃদ্ধি সাধিত হোৱা আহোমৰ কথিত অসমীয়া আৰু মৰাণৰ কথিত অসমীয়াৰ মাজত বহুল মাত্ৰাত সাদৃশ্য পোৱা যায়। তদুপৰি লক্ষ্মী সিংহৰ ৰাজত্বকালত মোৱামৰীয়া বিদ্ৰোহৰ সময়তো আত্মগোপন কৰা অৱস্থাত 'বৰোৰুচি' নামৰ এটা গুপ্ত ভাষাৰ (সাজি কোৱা দোৱান) প্ৰচলন থকাৰ কথা দুই-একে ক'ব বিচাৰে।"

এইখিনিতে গৌৰৱ আৰু আনন্দেৰে জনাব খোজোঁ যে মৰাণসকলৰ কমিত ভাষাৰ প্ৰতিটো শব্দ সসন্মানে অসমীয়া জাতীয় অভিধানত স্থান দিয়া হৈছে।

বুৰঞ্জিখনত কে'বাজনো লেখকে মৰাণ কলা-কৃষ্টিৰ এক সম্যক আভাস দাঙি ধৰিছে। তেনে এটা লেখাৰ পৰা কুলাবুঢ়ী গীত তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। **কুলাবুঢ়ী নাচৰ গীত-**

" নাং যাং লাখুটি অ'কুলা বুই (বুই-বুঢ়ী)যপাহাঅ এ পআ অ'কুলা বুই (পাহাঅ-পাহাৰ, পআ-পৰা)যআহে ভৈয়ামলৈ নামি কুলাবুইযআহে ভৈয়ামলে নামিযআহে কুলা বুই, নাচে ঘুই ঘুই ঘুই (ঘূৰি, ঘূৰি)যক পআ আহিচ যখে ঐ যখিনি (ক পআ- কৰ পৰা)যহাততে যাঠি পাত লৈযক পআ আহিচ যখে ঐ যখিনিযহাততে কুলাখন লৈ (কুলা-ডলা)"

বুৰঞ্জিখনৰ আন এটা অতি গুৰুত্বপূৰ্ণ অধ্যায় হৈছে বিশিষ্ট বুদ্ধিজীৱী তথা জনজাতি-জনগোষ্ঠী বিষয়ক গৱেষক ইন্দিবৰ দেউৰীৰ 'মৰাণ জনগোষ্ঠীৰ জাগৰণঃ একাষৰীয়াকৰণ আৰু পৰিচয়সংকট।' তাত গৱেষকজনে লিখিছেঃ

"এই নিবন্ধত 'একাষৰীয়াকৰণ' শব্দটো প্ৰান্তীকৰণ বা ইংৰাজী marginalization শব্দৰ প্ৰতিশব্দ হিচাপে অৰ্থাৎ আৰ্থ-সামাজিকভাৱে সমাজৰ মূলসুঁতি তথা উন্নয়ন প্ৰক্ৰিয়া আৰু সুযোগ সুবিধাৰ পৰা একাষৰীয়া কৰা অৰ্থত ব্যৱহাৰ কৰিছোঁ। ইতিমধ্যে একাষৰীয়াকৰণ প্ৰক্ৰিয়াৰে সমাজৰ নিম্নবৰ্গ হোৱা উজনি অসমৰ অন্য জাতি-জনগোষ্ঠীৰ কিছু কিছু অংশই হোৱাৰ দৰে পৰৱৰ্তী কালত ষষ্ঠদশ শতিকাত মৰাণসকলেও মোৱামৰীয়া সত্ৰত শৰণ লৈ নৱ-বৈষ্ণৱধৰ্মী হ'ল যদিও তেওঁলোকৰ এই একাষৰীয়াকৰণ প্ৰক্ৰিয়াৰ বিশেষ হীন-ডেঢ়ি নহ'ল। বৰং এই প্ৰক্ৰিয়াৰ তীব্ৰতা বৃদ্ধি হৈ তেওঁলোকৰ ক্ষোভৰ বিস্ফোৰণ হ'ল, যাৰ অৱধাৰিত অভিব্যক্তি আমি প্ৰখ্যাত মৰাণ-মটক বা মোৱামৰীয়া গণ-অভ্যুত্থানত দেখিবলৈ পাওঁ। মোৱামৰীয়া সত্ৰৰ শিষ্য হোৱাৰ পিছত মৰাণসকল সাধাৰণভাৱে কালক্ৰমত মটক বা মোৱামৰীয়া অভিধাৰ অন্তৰ্গত হ'ল যদিও তেওঁলোকে নিজৰ জনগোষ্ঠীয় অস্তিত্ব তথা পৰম্পৰাত জনজাতীয় সাংস্কৃতিক স্বকীয়তা অক্ষুণ্ণ ৰাখিলে। উজনি অসমৰ বৈষ্ণৱীকৰণ প্ৰক্ৰিয়াৰ এটা সাধাৰণ বৈশিষ্ট্য হ'ল বৈষ্ণৱীকৰণৰ পিছতো মৰাণ, মিচিং, আহোম, দেউৰী, সোণোৱাল কছাৰী, চুতীয়া আদি জনগোষ্ঠীসমূহে নিজা নিজা জনগোষ্ঠীয় পৰিচয় ধৰি ৰাখিছিল। বৈষ্ণৱীকৰণ নাইবা সংস্কৃতায়ন প্ৰক্ৰিয়াৰ 'শৰণীয়া-মদাহী-সৰুকোচ-বৰকোচ-কলিতা' পথেৰে নামনি অসমৰ জনগোষ্ঠীবোৰৰ বৈষ্ণৱী হোৱা ব্যক্তি, পৰিয়াল বা গোটবোৰৰ দৰে নিজৰ অস্তিত্ব তেওঁলোকে হেৰুৱাই পেলোৱা নাছিল"।....

সকলো মিলি **'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী'** অসমৰ জনগোষ্ঠীগত বুৰঞ্জি চৰ্চাৰ ক্ষেত্ৰত বস্তুনিষ্ঠতা-তথ্যসমাবেশ আৰু বিশ্লেষণৰ দিশত বাটকটীয়া বুলি পৰিগণিত হৈছে।

লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক; ফোন ৯৪৩৫৩৫১২৫৫




আন্তঃৰাষ্ট্ৰীয় মঞ্চৰ পৰা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে ৭.৫ শতাংশ বৃদ্ধিৰ বাৰ্তা দিছে যদিও ভাৰতৰ কেন্দ্ৰীয় বেংক ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ হিচাপ মতে, চলিত বছৰত দেশৰ সামগ্ৰিক বৃদ্ধিৰ হাৰ ৭.২ শতাংশতে সীমাবদ্ধ হ'ব। যোৱা শুকুৰবাৰে ছাংহাই সহযোগিতা সংস্থাৰ বাৰ্ষিক সন্মিলনত উপস্থিত থাকি প্ৰধানমন্ত্ৰী মোদীয়ে এই বুলি দাবী কৰে যে ভাৰত বিশ্বৰ প্ৰধান অৰ্থনীতিসমূহৰ ভিতৰত শীৰ্ষত থাকিব।

# উন্নত বিশ্বৰ অৰ্থনৈতিক মন্দাই ব্যাহত কৰিছে ভাৰতৰ ৰপ্তানিক

## বৃদ্ধিৰ পূৰ্বাভাস কৰ্তন অধিকাংশ মূল্যায়ন সংস্থাৰ

**চলিত** বছৰটোত ভাৰতৰ বৃদ্ধিৰ হাৰ মন্থৰ হ'ব বুলি পূৰ্বানুমান কৰিছে বিশ্বৰ আগশাৰীৰ মূল্যায়নকাৰী সংস্থাসমূহে। ইটোৰ পাছত সিটো মূল্যায়নকাৰী সংস্থাই শেহতীয়াকৈ কৰ্তন কৰিছে ভাৰতৰ জিডিপি বৃদ্ধিক লৈ কৰা পূৰ্বতে কৰা ইতিবাচক অনুমান। চলিত বিত্তীয় বৰ্ষত ভাৰতৰ বৃদ্ধিৰ হাৰ পূৰ্বৰ পূৰ্বাভাসতকৈ কম হ'ব বুলি দাবী কৰিছে সম্প্ৰতি এই সমূহ সংস্থাই। বেছিভাগ সংস্থাই এতিয়া সাত শতাংশ বা তাতকৈ কম বৃদ্ধিৰহে পূৰ্বানুমান কৰিছে। দৰাচলতে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ প্ৰভাৱ বিশ্বজুৰি অনুভূত হৈছে, যাৰ ফলত সকলো ফালে বৃদ্ধি পাইছে মুদ্ৰাস্ফীতি। এনে পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ বিভিন্ন দেশৰ কেন্দ্ৰীয় বেংকে ইতিমধ্যে সুতৰ হাৰ বৃদ্ধিৰ পন্থা অৱলম্বন কৰিছে। বিশ্ব বেংকে আশংকা কৰিছে যে ইয়াৰ ফলত আগন্তুক বছৰত বিশ্বব্যাপী মন্দাৱস্থাৰ সৃষ্টি হ'ব পাৰে। আন আন দেশৰ লগতে ভাৰতীয় অৰ্থনীতিতো ইয়াৰ ব্যাপক প্ৰভাৱ পৰিব বুলি আশংকা কৰিছে অৰ্থনীতি বিশ্লেষকসকলে। সেইবাবেই মূল্যায়নকাৰী সংস্থাসমূহেও ভাৰতৰ বৃদ্ধিৰ পূৰ্বাভাস কৰ্তন কৰিছে।

আন্তঃৰাষ্ট্ৰীয় মঞ্চৰ পৰা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে ৭.৫ শতাংশ বৃদ্ধিৰ বাৰ্তা দিছে যদিও ভাৰতৰ কেন্দ্ৰীয় বেংক ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ হিচাপ মতে, চলিত বছৰত দেশৰ সামগ্ৰিক বৃদ্ধিৰ হাৰ ৭.২ শতাংশতে সীমাবদ্ধ হ'ব। যোৱা শুকুৰবাৰে ছাংহাই সহযোগিতা সংস্থাৰ বাৰ্ষিক সন্মিলনত উপস্থিত থাকি প্ৰধানমন্ত্ৰী মোদীয়ে এই বুলি দাবী কৰে যে ভাৰত বিশ্বৰ প্ৰধান অৰ্থনীতিসমূহৰ ভিতৰত শীৰ্ষত থাকিব। কিন্তু মোদীৰ এই দাবীৰ বিপৰীতে ভাৰতৰ বাবে অৰ্থনৈতিক পৰিস্থিতি মুঠেও অনুকূল নহয় বুলি সংশ্লিষ্ট মহলে দাবী কৰিছে। আনকি ভিন ভিন মূল্যায়ন সংস্থাসমূহৰ প্ৰতিবেদনতো স্পষ্ট হৈ পৰিছে এই আশংকা।

শেহতীয়াকৈ 'ফিচ' নামৰ মূল্যায়ন সংস্থাটোৱে কয় যে অবিৰতভাৱে বৃদ্ধি পাই থকা মুদ্ৰাস্ফীতি আৰু বৰ্ধিত নীতিগত সুতৰ হাৰৰ ফলত ভাৰতৰ সামগ্ৰিক বৃদ্ধিৰ গতি মন্থৰ হ'ব পাৰে। ইউৰোপ আৰু আমেৰিকাকে ধৰি উন্নত বিশ্বৰ অৰ্থনৈতিক মন্দাৱস্থাৰ বাবে ভাৰতৰ পৰা ৰপ্তানিও বাধাগ্ৰস্ত হৈছে। শেহতীয়াকৈ এই দেশসমূহলৈ ভাৰতৰ পৰা সামগ্ৰী ৰপ্তানি যথেষ্ট হ্ৰাস পাইছে। ফলস্বৰূপে বৃদ্ধিৰ গতি আৰু অধিক লেহেমীয়া হ'ব পাৰে বুলি অনুমান কৰিছে সংস্থাটোৱে।

ইফালে, 'ইণ্ডিয়া ৰেটিংছ' নামৰ মূল্যায়নকাৰী সংস্থাটোৰ মতে, চলিত বছৰত ভাৰতৰ চৰকাৰী ব্যয়ৰ বৃদ্ধিৰ হাৰো মন্থৰ হ'ব পাৰে। 'ইণ্ডিয়া ৰেটিংছ'ৰ মতে, ৰপ্তানি আৰু বাণিজ্য হ্ৰাস পোৱাৰ বাবে ভাৰতৰ অৰ্থনীতি ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হ'ব। তাৰ উপৰি চাহিদা সকলোতে বৃদ্ধি হোৱা নাই, ন্যূনতম আয়ৰ লোকসকলৰ মজুৰিও বৃদ্ধি হোৱা নাই। সেইবাবেই জিডিপি বৃদ্ধিক লৈ প্ৰায়বোৰ মূল্যায়ন সংস্থাৰ সংশোধিত পূৰ্বাভাস ৭.৫ শতাংশৰ ওপৰত নাই।

'মুডীজ' নামৰ ৰেটিং সংস্থাটোৰ সংশোধিত পূৰ্বাভাস আনতকৈ বেছি যদিও ৭.৭ শতাংশতে সীমাবদ্ধ কৰি ৰখা হৈছে। ইয়াৰ আগতে ভাৰতৰ জিডিপি বৃদ্ধিক লৈ মুডীজৰ পূৰ্বাভাস আছিল ৮.৮ শতাংশ।

উল্লেখ্য যে যোৱা বছৰৰ তুলনাত চলিত বৰ্ষৰ প্ৰথম ত্ৰিমাসিকত (এপ্ৰিল-জুন) ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বা জিডিপি বৃদ্ধি হৈছে ১৩.৫ শতাংশ। ইয়াৰ আগৰ ত্ৰিমাসিকত (জানুৱাৰী-মাৰ্চ) জিডিপি বৃদ্ধিৰ হাৰ আছিল ৪.১ শতাংশ। শেহতীয়াকৈ ভাৰতীয় পৰিসংখ্যা কাৰ্যালয়ে এই তথ্য



প্ৰকাশ কৰিছে। ভাৰতীয় কৰ্তৃপক্ষই জনোৱা মতে, ত্ৰিমাসিক জিডিপি বৃদ্ধিৰ এই হাৰ যোৱাটো বিত্তীয় বৰ্ষৰ ভিতৰত সৰ্বাধিক হৈছে। ইয়াৰ পূৰ্বে ২০২১ ৰ এপ্ৰিল-জুনত দেশৰ জিডিপি বৃদ্ধি ২০.১ শতাংশ আছিল যদিও পূৰ্বৰ বছৰৰ সংকোচনৰ তুলনাতহে সেয়া গণনা কৰা হৈছিল। অৰ্থাৎ এইবাৰ ২০.১ শতাংশ বৃদ্ধিৰ ওপৰঞ্চিভাৱে ১৩ শতাংশৰো অধিক বৃদ্ধি হৈছে।

প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, সম্প্ৰতি মধ্য আৰু পূব এছিয়াৰ শক্তিশালী দেশসমূহক একত্ৰিত কৰি 'মেক ইন ইণ্ডিয়া'ৰ বাৰ্তা দিছে মোদীয়ে। উজবেকিস্তানৰ সমৰখণ্ডত অনুষ্ঠিত এছচিঅ' শীৰ্ষ সন্মিলনত দিয়া মুকলি ভাষণত তেওঁ অলপতে এই বুলি দাবী কৰিছে যে, 'ভাৰত উৎপাদনৰ মুখ্য কেন্দ্ৰ হোৱাৰ দিশত আগবাঢ়িছে। বিভিন্ন উদ্যোগত উদ্ভাৱনৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে ৭০ হেজাৰৰো অধিক ষ্টাৰ্টআপৰ সৃষ্টি হোৱাৰ বাবে ভাৰতৰ অভিজ্ঞতা বহু এছচিঅ' সদস্যৰ বাবে উপযোগী হ'ব।' কিন্তু মোদীৰ এই বাৰ্তাই মূল্যায়নকাৰী সংস্থাসমূহক কিমান দূৰ পতিয়ন নিয়াব পাৰিব সেয়া সময়েহে ক'ব।




মুদ্ৰাস্ফীতিৰ চাপ, এই চাপৰ ক্ষতিপূৰণৰ বাবে সুতৰ হাৰ বৃদ্ধি আৰু তাৰ লগতে মন্থৰ বিশ্ব অৰ্থনীতি— এই সকলোবোৰৰ প্ৰভাৱৰ পৰা কোনো কাৰণতে মুক্ত নহয় ভাৰতীয় অৰ্থনীতি। বৰঞ্চ ইয়াৰ ফলত ভাৰতৰ জিডিপি হাৰত বৃহৎ খহনীয়া আহিব পাৰে বুলি আশংকা কৰা হৈছে। এই আশংকা প্ৰকাশ পাইছে এছিয়ান ডেভেলপমেণ্ট বেংক চমুকৈ এডিবিৰ শেহতীয়া এক প্ৰতিবেদনত।

## ভাৰতীয় বজাৰত পৰিছে মূল্যবৃদ্ধিৰ কোপ

# বিকাশৰ গতি লেহেমীয়া হোৱাৰ পূৰ্বানুমান এডিবিৰ

**মুদ্ৰাস্ফীতিৰ** চাপ, এই চাপৰ ক্ষতিপূৰণৰ বাবে সুতৰ হাৰ বৃদ্ধি আৰু তাৰ লগতে মন্থৰ বিশ্ব অৰ্থনীতি— এই সকলোবোৰৰ প্ৰভাৱৰ পৰা কোনো কাৰণতে মুক্ত নহয় ভাৰতীয় অৰ্থনীতি। বৰঞ্চ ইয়াৰ ফলত ভাৰতৰ জিডিপি হাৰত বৃহৎ খহনীয়া আহিব পাৰে বুলি আশংকা কৰা হৈছে। এই আশংকা প্ৰকাশ পাইছে এছিয়ান ডেভেলপমেণ্ট বেংক চমুকৈ এডিবিৰ শেহতীয়া এক প্ৰতিবেদনত। অন্যান্য বিভিন্ন মূল্যায়ন সংস্থা আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সুৰতে সুৰ মিলাই শেহতীয়াকৈ এডিবিয়েও ভাৰতীয় অৰ্থনীতিৰ বিপদঘন্টা বজাৰ সংকেত দিছে। চলিত বিত্তীয় বৰ্ষৰ বাবে পূৰ্বতে প্ৰকাশ কৰা ভাৰতৰ জিডিপি বৃদ্ধিৰ হাৰৰ পূৰ্বানুমান দ্বিতীয়বাৰলৈ কৰ্তন কৰিছে এই সংস্থাটোৱে।

যোৱা বুধবাৰে এডিবিৰ 'এছিয়ান ডেভেলপমেণ্ট আউটলুক' শীৰ্ষক প্ৰতিবেদনৰ দ্বিতীয়টো পুনৰীক্ষণত কোৱা হৈছে যে ২০২২-২৩ বিত্তীয় বৰ্ষত ভাৰতৰ জিডিপি বৃদ্ধিৰ হাৰ সাত শতাংশ হ'ব পাৰে। য'ত নেকি যোৱা এপ্ৰিলত প্ৰথমবাৰৰ বাবে প্ৰতিবেদন দিয়াৰ সময়ত এডিবিয়ে ভাৰতৰ জিডিপিৰ ৭.৫ শতাংশ বৃদ্ধিৰ ভৱিষ্যদ্বাণী কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত যেতিয়া ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ ফলত সমগ্ৰ বিশ্বৰ যোগান শৃংখলসমূহ বিঘ্নিত হৈছিল তাৰ পাছত জুলাইৰ প্ৰথম সংশোধনত সেই পূৰ্বাভাস ৭.২ শতাংশলৈ হ্ৰাস কৰা হৈছিল। এইবাৰ দ্বিতীয়টো পুনৰীক্ষণত পুনৰ ২০ বেছিছ পইণ্ট হ্ৰাস কৰা হৈছে। অৱশ্যে এডিবিৰ এনে আশংকাপূৰ্ণ প্ৰতিবেদনৰ বিপৰীতে এছ এণ্ড পি নামৰ সংস্থাটোৱে কয় যে আমেৰিকা আৰু ইউৰোপত মন্দাৱস্থাৰ আশংকা থাকিলেও ভাৰতত তেনে কোনো সম্ভাৱনা নাই। সমগ্ৰ বিশ্বতে অশান্তি আৰু অস্থিৰতাই বিৰাজ কৰিলেও তাৰ প্ৰভাৱ আন দেশৰ তুলনাত ভাৰতত বহু কম হ'ব বুলি দাবী কৰিছে এছ এণ্ড পিয়ে।

উল্লেখ্য যে শেহতীয়াকৈ এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বিত্তীয় বৰ্ষত দেশৰ জিডিপিৰ ৭.৫ শতাংশ বৃদ্ধিৰ আশা প্ৰকাশ কৰিছে। কেন্দ্ৰৰ মুখ্য আৰ্থিক উপদেষ্টা ভি অনন্ত নাগেশ্বৰনেও কয় যে বৃদ্ধিৰ হাৰ সাত শতাংশৰ ওপৰত হোৱাটো নিশ্চিত। ইয়াৰ বিপৰীতে ভাৰতীয় ৰিজাৰ্ভ বেংকে ৭.২ শতাংশ বৃদ্ধিৰ পূৰ্বানুমান কৰিছে। দৰাচলতে ৰেটিং আৰু ব্ৰোকাৰেজ ফাৰ্মসমূহে ইংগিত দিছে যে মুদ্ৰাস্ফীতি আৰু যুদ্ধৰ দৰে প্ৰতিকূল পৰিস্থিতিৰ উন্নতি নহ'লে বৃদ্ধিৰ হাৰ সাত শতাংশৰ তললৈ নামি যোৱাৰ পূৰামাত্ৰাই আশংকা আছে।

## পূজাৰ বতৰত দাম কমিছে সোণৰ

# ক্ৰেতাৰ মুখত হাঁহি, ছমাহৰ সৰ্বনিম্ন স্তৰত সোণৰ দাম

**প্ৰায়** প্ৰতিদিনেই নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দাম বৃদ্ধি পাইছে। ক'ভিডৰ পাছৰ পৰাই মধ্যবিত্ত শ্ৰেণীটোৰ বাবে এফালে যদি অৰ্থনৈতিক সংগ্ৰাম তীব্ৰতৰ হৈছে, আনফালে সকলো সামগ্ৰীৰ মূল্যও তীব্ৰ হাৰত বৃদ্ধি পাইছে। কিন্তু তাৰ মাজতে সামান্য সঁকাহ দিব পৰা খবৰটো এই যে বজাৰত প্ৰায় সকলো ধৰণৰ সামগ্ৰীৰ দাম বৃদ্ধি হোৱাৰ পাছতো প্ৰতিদিনে সোণৰ দাম ব্যাপক হাৰত হ্ৰাস পাইছে। সোণৰ গহনা-পাতি ক্ৰয় কৰিম বুলি ভাবি থকা গ্ৰাহকসকলৰ বাবে ভাল খবৰ এই যে পূজাৰ বতৰত লক্ষ্যণীয়ভাৱে হ্ৰাস পাইছে সোণৰ দাম। বৰ্তমানে যোৱা ছমাহৰ সৰ্বনিম্ন স্তৰত আছে সোণৰ মূল্য। কেৱল সেয়াই নহয়, আগন্তুক দিনত সোণৰ দাম আৰু হ্ৰাস পাব পাৰে বুলি বিশেষজ্ঞসকলে অনুমান কৰিছে। বিশেষজ্ঞসকলৰ মতে, মুদ্ৰাস্ফীতিৰ হাৰ বৃদ্ধিৰ লগে লগে ফেডাৰেল ৰিজাৰ্ভতো সুতৰ হাৰ বৃদ্ধি হ'ব পাৰে। যাৰ ফলত হালধীয়া ধাতুবিধ আৰু অধিক সস্তা হোৱাৰ পথ প্ৰশস্ত হ'ব পাৰে অচিৰেই।

বিগত কেঁবাদিনো ধৰি সোণৰ দাম হ্ৰাস পাইছে বজাৰত। ইয়াৰ মাজতে যোৱা মঙলবাৰে সোণৰ দাম সামান্য বৃদ্ধি পাইছিল যদিও সেই ধাৰা বেছি দিন স্থায়ী নহ'ল। বৰ্তমানে বজাৰত প্ৰতি ১০ গ্ৰাম ২২



কেৰেটৰ হলমাৰ্ক থকা সোণৰ দাম ৪৫,৮০০ টকাৰ বিপৰীতে ১০ গ্ৰাম ২৪ কেৰেটৰ সোণৰ দাম ৪৯,৯৬০ টকাৰ আশে- পাশে চলি আছে। যোৱা মঙলবাৰে বিশ্ব বজাৰত এক ট্ৰয় আউন্স সোণৰ মূল্য আছিল ১৬৭৫.২৬ মাৰ্কিন ডলাৰ। বিপৰীতে, তাৰ এটা দিন পাছতে বিশ্বৰ বজাৰত সোণ সস্তা হোৱাৰ ফলত ১ ট্ৰয় আউন্স সোণৰ মূল্য ১,৬৬৩.৮৮ মাৰ্কিন ডলাৰলৈ নামে।

**সোণৰ ষ্টক মাৰ্কেটৰ মূল্য**

যোৱা সপ্তাহত হলমাৰ্ক থকা সোণৰ ব্যৱসায় কৰা নামজ্বলা কোম্পানী টাইটানৰ শ্বেয়াৰ মূল্য সৰ্বাধিক ২৬৬২.১৫ টকালৈ হ্ৰাস পায়। একেদৰে কল্যাণ জুৱেলাৰ্ছৰ শ্বেয়াৰৰ মূল্য ৯৩ টকা হ্ৰাস পায়। বিপৰীতে, পিচি জুৱেলাৰ্ছৰ শ্বেয়াৰৰ দাম বৃদ্ধি পায়। উক্ত কোম্পানীৰ শ্বেয়াৰৰ মূল্য সৰ্বাধিক ৮১.৭০ টকালৈ বৃদ্ধি পায় আলোচ্য সময়ছোৱাত।

দেশৰ স্বৰ্ণ উদ্যোগৰ ব্যৱসায়ীসকলৰ মতে, পূজাৰ বতৰত হালধীয়া ধাতুবিধৰ মূল্য ৫০ হেজাৰলৈ হ্ৰাস পোৱাত জনসমাগম পূৰ্বতকৈ ভালেখিনি বৃদ্ধি পাইছে। ছেভ দ্য গ'ল্ড ইণ্ডাষ্ট্ৰী কমিটীৰ কাৰ্যকৰী সভাপতি বাবলু দেয়ে কয় যে বিক্ৰী বৃদ্ধি পাইছে যদিও দাম আৰু কমিব পাৰে বুলি বহু গ্ৰাহকে দেৱালীলৈ অপেক্ষা কৰি আছে।

ইফালে, জুৱেলাৰী সংস্থা অল ইণ্ডিয়া জেম এণ্ড জুৱেলাৰী ডমেষ্টিক কাউন্সিলৰ অধ্যক্ষ আশীষ পেথে কয়, 'অচিৰেই আন্তঃৰাষ্ট্ৰীয় বজাৰত এই ধাতুৰ মূল্য আৰু অধিক হ্ৰাস পাব পাৰে। কিয়নো, আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভে সুতৰ হাৰ বৃদ্ধি কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। যাৰ ফলত বজাৰৰ ইল্ড বা ফলন বৃদ্ধি পোৱাৰ লগতে বণ্ড বজাৰ অধিক শক্তিশালী হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। তদুপৰি, ডলাৰৰ দামো প্ৰতিনিয়ত বৃদ্ধি পাইছে। ফলত বহু বিনিয়োগকাৰীয়ে সোণৰ বিপৰীতে ডলাৰত বিনিয়োগ কৰিছে। চাহিদা হ্ৰাস পোৱাৰ বাবেও বজাৰত সোণৰ মূল্য হ্ৰাস পাইছে।'

# ৩১ অক্টোবৰলৈকে জৰিমনা নভৰাকৈ দাখিল কৰিব পাৰিব আয়কৰ ৰিটাৰ্ণ!

**আয়কৰ** ৰিটাৰ্ণ দাখিলৰ সময়সীমা ইতিমধ্যে যোৱা ৩১ জুলাইত পাৰ হৈ গ'ল। যি সকল কৰদাতাই উক্ত সময়সীমা উকলাৰ পূৰ্বে আয়কৰ ৰিটাৰ্ণ দাখিল নকৰিলে তেওঁলোকৰ বাবে আছে এক গুৰুত্বপূৰ্ণ খবৰ। কৰদাতাসকলে এতিয়াও জৰিমনা বিহীনভাৱে আয়কৰ ৰিটাৰ্ণ দাখিল কৰাৰ সুবিধা ল'ব পাৰিব। অৱশ্যে এই সুযোগ সকলোৱে নাপাব। কোনে এই সুবিধা পাব সেই বিষয়ে বিতংভাৱে জানি থওক .....




কৰদাতাসকলে প্ৰতি বছৰে আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব লাগে আৰু ইয়াৰ বাবে চৰকাৰে এটা নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰে। নিৰ্ধাৰিত তাৰিখৰ ভিতৰত আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব নোবাৰিলে কৰদাতাই জৰিমনাসহ আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব লাগে। আয়কৰ ৰিটাৰ্ণ পলমকৈ দাখিল কৰাৰ বাবে এই জৰিমনা 'লেট মাচুল' হিচাপে সংগ্ৰহ কৰা হয়। ২০২১-২২ বিত্তীয় বৰ্ষৰ আয়কৰ ৰিটাৰ্ণ দাখিলৰ শেষ তাৰিখ আছিল যোৱা ৩১ জুলাই। যিসকল কৰদাতাই যোৱা ৩১ জুলাইৰ ভিতৰত আইটিআৰ দাখিল নকৰিলে তেওঁলোকে নিয়ম মতে পাঁচ হেজাৰ টকা পৰ্যন্ত জৰিমনা আদায় দিব লাগিব। কিন্তু কৰ্প'ৰেট খণ্ডৰ কৰদাতা বা যিসকল কৰদাতাৰ একাউণ্টৰ অডিট কৰিবলগীয়া হয়, তেওঁলোকে অহা ৩১ অক্টোবৰৰ ভিতৰত আইটিআৰ ৰিটাৰ্ণ দাখিল কৰিলে কোনো ধৰণৰ জৰিমনা ভৰিবলগীয়া নহ'ব। আন কৰদাতাই অহা ৩১ ডিচেম্বৰলৈকে ৫০০০ টকা পৰ্যন্ত জৰিমনাসহ ৰিটাৰ্ণ দাখিল কৰাৰ সুযোগ লাভ কৰিব। ইফালে কৰ ৰিটাৰ্ণ পৰীক্ষা নকৰালৈকে সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ বুলি গণ্য কৰা নহয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে ই-ভেৰিফিকেছনৰ বাবে ১২০ দিনৰ ব্যৱস্থা আছিল, যিটো এতিয়া ৩০ দিনলৈ হ্ৰাস কৰা হৈছে।



বহুতে নিজৰ জীৱনৰ সমস্ত কষ্টোপাৰ্জিত জমাৰাশিৰ গৰিষ্ঠ অংশ সপোনৰ ঘৰটোৰ নামতে ব্যয় কৰে। সেই ফালৰ পৰা চাবলৈ গ'লে ঘৰ-মাটি কিনাটো এক বৃহৎ বিনিয়োগৰ নিচিনা। গতিকে এনে বিনিয়োগৰ ক্ষেত্ৰত পৰিয়ালৰ স'তে দীঘলীয়া আলোচনা-বিলোচনাৰ অন্তত অভিজ্ঞ বিশেষজ্ঞৰ পৰা পৰামৰ্শ লৈহে আগবাঢ়িব লাগে। কিয়নো এনে কৰিলে ভৱিষ্যতে বিপদত পৰিব নালাগে।

# পতি-পত্নীৰ হাতত সম্পত্তিৰ যৌথ মালিকানা থকাৰ সুবিধা কি কি ?

**ঘৰ-মাটি** বা যিকোনো আৱাসিক সম্পত্তি ক্ৰয় কৰাটো হৈছে প্ৰত্যেক মানুহৰে জীৱনৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত। বহুতে নিজৰ জীৱনৰ সমস্ত কষ্টোপাৰ্জিত জমাৰাশিৰ গৰিষ্ঠ অংশ সপোনৰ ঘৰটোৰ নামতে ব্যয় কৰে। সেই ফালৰ পৰা চাবলৈ গ'লে ঘৰ-মাটি কিনাটো এক বৃহৎ বিনিয়োগৰ নিচিনা। গতিকে এনে বিনিয়োগৰ ক্ষেত্ৰত পৰিয়ালৰ স'তে দীঘলীয়া আলোচনা-বিলোচনাৰ অন্তত অভিজ্ঞ বিশেষজ্ঞৰ পৰা পৰামৰ্শ লৈহে আগবাঢ়িব লাগে। কিয়নো এনে কৰিলে ভৱিষ্যতে বিপদত পৰিব নালাগে।

বিশেষজ্ঞসকলৰ মতে, আৱাসিক সম্পত্তিক লৈ হ'ব পৰা বহু সমস্যাৰ সমাধান আছে স্বামী-স্ত্ৰীৰ যৌথ মালিকানাত। ঘৰ-মাটি কিনাৰ সময়ত একাধিক মাচুলৰ পৰিমাণ কম কৰিবলৈ হ'লে গ্ৰাহকক সদায়েই যৌথ মালিকানাত গৃহ ক্ৰয়ৰ পৰামৰ্শ দিয়ে বিশেষজ্ঞসকলে। আপুনিও যদি কোনো সম্পত্তি ক্ৰয়ৰ পৰিকল্পনা কৰিছে তেন্তে আজিৰ এই প্ৰতিবেদনখন মন দি পঢ়কচোন। সম্পত্তিৰ মালিকানা স্বামী-স্ত্ৰীয়ে যৌথভাৱে ৰাখিব পাৰিলে বা স্বামীয়ে নিজৰ স্ত্ৰীৰ নামত সম্পত্তি ক্ৰয় কৰিলে কি কি সুবিধা পায় সেই বিষয়ে আজি কিছু কথা জনাবলৈ লৈছো।

সম্পত্তি ক্ৰয় কৰাৰ সময়ত স্বামী-স্ত্ৰীয়ে যৌথ মালিকানা ল'ব বিচাৰিলে তাৰ বাবদ যিবোৰ সুবিধা পাব তাৰ ভিতৰত প্ৰথমটো হৈছে ঋণ পোৱাৰ পথ প্ৰশস্ত হোৱা।

তাৰ বাদেও এজন ব্যক্তিৰ নামত মালিকীস্বত্বৰ সম্পূৰ্ণ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ দীঘলীয়া সময়ৰ আৱশ্যক হয়। আন নালাগে, উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা সম্পত্তিৰ দলিল সংক্ৰান্তীয় কামতেই বহু সময় লাগে। কিন্তু তাৰ বিপৰীতে যৌথ মালিকানাত সম্পত্তি কিনিলে এই প্ৰক্ৰিয়া তুলনামূলকভাৱে চুটি আৰু উজু হয়। সময়ো কম লাগে, লগতে সমস্যাও কম হয়। তদুপৰি এজনৰ মালিকীস্বত্বৰ হিচাপত সম্পত্তি কিনিলে পঞ্জীয়ন মাচুলো বেছিকৈ




ভৰিব লাগে। এইখিনিতে বিশেষভাৱে উল্লেখ কৰিব লাগিব আৰু এক গুৰুত্বপূৰ্ণ কথা। যিকোনো আৱাসিক সম্পত্তিৰ প্ৰথম মালিক হিচাপে যদি পৰিয়াল এটাৰ স্বামীৰ পৰিৱৰ্তে স্ত্ৰীৰ নাম থাকে তেনেহ'লে ষ্টাম্প শুল্ক মাচুল দিয়াৰ ক্ষেত্ৰতো বিশেষ সুবিধা পাব পৰা যায়। মন কৰিবলগীয়া যে সম্পত্তি এটাৰ পঞ্জীয়নৰ ক্ষেত্ৰত ষ্টাম্প শুল্ক পুৰুষ আৰু মহিলাৰ বাবে বেলেগ বেলেগ। পুৰুষৰ তুলনাত মহিলাসকলে সম্পত্তি পঞ্জীয়নৰ সময়ত কমকৈ ভৰিলেই হয় এই শুল্ক। দেশৰ একাধিক ৰাজ্যতে এই একেই ছবি দেখা যায় সচৰাচৰ। উদাহৰণ স্বৰূপে, ৰাজধানী চহৰ দিল্লীত গৃহ ক্ৰয়ৰ বাবে এগৰাকী মহিলাই মাত্ৰ চাৰি শতাংশৰ ষ্টাম্প শুল্ক দিব লাগে। বিপৰীতে, পুৰুষ মালিকৰ ক্ষেত্ৰত এই পৰিমাণ ছয় শতাংশ। কিন্তু যদি সম্পত্তিটোৰ মালিকীস্বত্ব পুৰুষ আৰু মহিলা উভয়ৰে নামত থাকে তেনে ক্ষেত্ৰত মাত্ৰ পাঁচ শতাংশ ষ্টাম্প শুল্কতে কামফেৰা সমাধা হয়। একেধৰণে হাৰিয়ানাৰ চহৰ আৰু গ্ৰামাঞ্চলত এজন পুৰুষে যথাক্ৰমে আঠ শতাংশ আৰু ছয় শতাংশৰ ষ্টাম্প শুল্ক দিব লাগে যদিও মহিলাৰ ক্ষেত্ৰত হ'ল মাত্ৰ ছয় শতাংশ আৰু চাৰি শতাংশ।

কেৱল ষ্টাম্প শুল্ক বুলিয়েই নহয়, ইয়াৰ বাদেও আছে আৰু কেতবোৰ সুবিধা। মালিকানাৰ সহ-আবেদনকাৰী হিচাপে পুৰুষৰ লগতে যদি এগৰাকী মহিলাও থাকে তেন্তে একাধিক আৰ্থিক প্ৰতিষ্ঠানৰ পৰা সুতৰ হাৰত বিশেষ ৰেহাই উপলব্ধ কৰিব পাৰে। গৃহ ঋণৰ ৰিপেমেন্টৰ সময়ত প্ৰায় ১.৫ লক্ষ টকা পৰ্যন্ত কৰ ৰেহায়ো কৰিব পৰা যায় যৌথ মালিকানা থাকিলে। তদুপৰি যৌথ মালিকানাধীন সম্পত্তিৰ পৰা অৰ্জন কৰা ভাড়াৰ পৰিমাণ দুটা ভাগত বিভক্ত হয় বাবে ভাড়াৰ পৰা হোৱা উপাৰ্জনতো আয়কৰৰ পৰিমাণ কমাব পৰা যায়।






# স্বাস্থ্য বীমা আৰু আয়কৰ আইন

**প্ৰতিটো** বিত্তীয় বৰ্ষত এজন ব্যক্তিৰ আয় আৰু ব্যয়ৰ পৰিমাণৰ ভিত্তিত কৰ নিৰ্ধাৰণ কৰা হয়। আনহাতে বিভিন্ন প্ৰকাৰৰ বীমা অৰ্থাৎ স্বাস্থ্য বীমা, জীৱন বীমা আদিৰ ক্ষেত্ৰত বিনিয়োগকাৰীক বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই কৰিব পৰা সুবিধাও দিয়া হয়। এই ধৰণৰ কৰ ৰেহাইৰ লাভালাভ বীমাকাৰীৰ বয়স আৰু উপাৰ্জনৰ চৰ্তাৱলী অনুসৰি প্ৰাপ্ত কৰিব পাৰি। আয়কৰ আইনৰ ভিন ভিন ধাৰাৰ অধীনত বীমা আঁচনিসমূহৰ কৰ ৰেহাইৰ পৰিমাণ সাধাৰণতে পৃথক হয়। বীমা আঁচনিৰ বিনিয়োগকাৰী এজনে জীৱন বীমা আৰু স্বাস্থ্য বীমাত কিমান কৰ ৰাহি কৰিব পাৰিব সেয়া নিৰ্ভৰ কৰে তেওঁ কিমান টকাৰ বীমা কৰিছে তাৰ ভিত্তিত। লগতে কৰ ৰেহাইৰ পৰিমাণ বীমাকাৰীৰ বয়সৰ ওপৰতো নিৰ্ভৰ কৰে। সেয়েহে বীমাকাৰীয়ে তেওঁলোকৰ বয়স, উপাৰ্জনৰ পৰিমাণ আদি বিবেচনা কৰি কেনেধৰণৰ কৰ ৰেহাই প্ৰাপ্ত কৰিব পাৰি সেয়া আগতীয়াকৈ জানি বুজি লৈহে বিভিন্ন বীমা আঁচনিত বিনিয়োগ কৰিব লাগে।

আয়কৰ আইনৰ ধাৰা ৮০ চি অনুসৰি, আয়কৰৰ ক্ষেত্ৰত বৰ্তমানে প্ৰায় ডেৰ লাখ টকা পৰ্যন্ত আয়কৰ ৰেহাই উপলব্ধ। এই আয়কৰ ৰেহাইৰ পৰিমাণ ব্যক্তি এজনৰ বাৰ্ষিক উপাৰ্জন আৰু বয়স অনুসৰি নিৰ্ধাৰণ কৰা হয়। প্ৰতি বছৰে নিয়মীয়া কৰ পৰিশোধৰ ক্ষেত্ৰত এই কৰ ৰেহাই প্ৰাপ্ত কৰিব পাৰি। এনে আয়কৰ ৰেহাই প্ৰাপ্ত কৰিবলৈ, বিনিয়োগৰ উপায়বোৰ গুৰুত্বসহকাৰে বাছনি কৰিব লাগে। বৰ্তমান জীৱন বীমা, স্বাস্থ্য বীমা আদিৰ ক্ষেত্ৰত বীমাকাৰীক বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই প্ৰদান কৰি থকা হৈছে। মুঠৰ ওপৰত বিভিন্ন প্ৰকাৰৰ স্বাস্থ্য বীমাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই উপলব্ধ। এনে কৰ ৰেহাই বয়স আৰু স্বাস্থ্য বীমাৰ ধনৰ পৰিমাণ অনুসৰি নিৰ্ধাৰণ কৰা হয়।

বহুতে হয়তো নাজানে, আয়কৰ আইনৰ ধাৰা ৮০ডিৰ আওতাত স্বাস্থ্য বীমা আঁচনিৰ দ্বাৰা পৰিশোধ কৰা প্ৰিমিয়ামৰ ওপৰতো অতিৰিক্ত কৰ কৰ্তনৰ সুবিধা প্ৰাপ্ত কৰিব পৰা যায়। এই আইনৰ অধীনত কৰদাতাই নিজৰ আৰু তেওঁৰ পিতৃ-মাতৃৰ স্বাস্থ্য বীমা আঁচনিৰ প্ৰিমিয়ামৰ বিপৰীতে এক লাখ টকালৈকে কৰ ৰেহাইৰ সুবিধা দাবী কৰিব পাৰে। আয়কৰ দাতাই ধাৰা ৮০চি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাৰ পাছতো এক লাখ টকালৈকে কৰ ৰাহি কৰিব পাৰে। এই ক্ষেত্ৰত, ধাৰা ৮০ডি-ৰ অধীনত ৬০ বছৰৰ তলৰ ব্যক্তি এজনে স্বাস্থ্য বীমাৰ প্ৰিমিয়ামৰ বিপৰীতে ২৫হেজাৰ টকালৈকে ৰেহাই লাভ কৰে। আনহাতে, ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ লোকসকলৰ বাবে এই সীমা ৫০হেজাৰ টকালৈকে।

বীমা বজাৰৰ বিশেষজ্ঞসকলে কয় যে যদি কৰদাতাৰ বয়স ৬০ বছৰৰ তলত থাকে আৰু তেওঁ নিজৰ লগতে তেওঁৰ পিতৃ-মাতৃৰ বাবেও স্বাস্থ্য বীমা আঁচনি ক্ৰয় কৰে, তেনেহ'লে কৰদাতাই প্ৰিমিয়ামৰ ওপৰত ৭৫ হেজাৰ টকালৈকে কৰ ৰাহি কৰিব পাৰে। আৰু যদি কৰদাতাৰ বয়স ৬০ বছৰৰ অধিক হয়, তেন্তে তেওঁ নিজৰ আৰু তেওঁৰ পিতৃ-মাতৃৰ বাবে স্বাস্থ্য বীমা প্ৰিমিয়ামত এক লাখ টকালৈকে কৰ ৰেহাই পাব পাৰে।

অৱশ্যে, কেৱল কৰ ৰেহাইৰ বাবে বীমা ক্ৰয় কৰাটো সঠিক নহয়। আয়কৰ আইনৰ ধাৰা ৮০ডিৰ অধীনত কৰ ৰেহাই স্বতন্ত্ৰ পলিচী বা মেডিক্লেইম, পাৰিবাৰিক ফ্লোটাৰ আঁচনি, জটিল ৰোগৰ বীমা, জীৱন বীমাৰ স্বাস্থ্য ৰাইডাৰ আৰু স্বাস্থ্য বীমাৰ অন্যান্য ক্ষেত্ৰতো ৰেহাই পাব পাৰি। অৱশ্যে, বিশেষজ্ঞসকলৰ মতে, সকলোৱে নিজৰ আৰু তেওঁলোকৰ পৰিয়ালৰ সুৰক্ষাৰ বাবেহে স্বাস্থ্য বীমা ক্ৰয় কৰা উচিত। কেৱল আয়কৰ ৰেহাই পাবলৈ ক্ৰয় কৰাটো সঠিক নহয়। স্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী বা সেৱাৰ ব্যয় নিৰন্তৰ বৃদ্ধি হৈ আছে। চিকিৎসালয়, নাৰ্ছিংহোমবোৰো এতিয়া আগৰ তুলনাত বহুত ব্যয়বহুল। এনে পৰিস্থিতিত, পৰিয়ালৰ সকলোৰে বাবে স্বাস্থ্য বীমা ক্ৰয় কৰাটো খুব জৰুৰী। ইয়াৰ ফলত, যদি পৰিয়ালৰ কোনোবা হঠাতে গুৰুতৰভাৱে অসুস্থ হৈ পৰে, তেন্তে কষ্টোপাৰ্জিত জমা ধনত হাত দিবলগীয়া নহয়। আনকি ঋণ লোৱাৰো প্ৰয়োজন নহয়। গতিকে কৰ ৰাহি কৰাৰ লগতে পৰিয়ালৰ সুৰক্ষাৰ বাবেও পৰ্যাপ্ত স্বাস্থ্য আৱৰণৰ প্ৰয়োজন।

# চাহ শ্ৰমিকক ২০ শতাংশ বোনাছ প্ৰদান নকৰিলে গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ

## আটছাৰ গোলাঘাট জিলা সমিতিৰ

**খুমটাই, ২৪ ছেপ্টেম্বৰ ঃ** দুৰ্গা পূজা মানেই অসমৰ চাহ বাগানসমূহত বোনাছৰ সময়। চাহ বাগিচাৰ শ্ৰমিকসকলে সাধাৰণতে গোটেই বছৰ কৰা কষ্টৰ বিনিময়ত দুৰ্গা পূজাৰ সময়ত বোনাছ লাভ কৰি আহিছে। কিন্তু এই বৰ্ষ গোলাঘাট জিলাত অসম চাহ নিগমৰ অধীনস্থ চাহ বাগিচাসমূহে ২০ শতাংশ বোনাছ লাভ নকৰাত ক্ষোভিত হৈছে চাহ শ্ৰমিকসকলৰ লগতে আটছা। অসমৰ চাহ উদ্যোগ ধ্বংসৰ গৰাহলৈ গতি কৰাৰ লগতে শেহতীয়াকৈ চাহ কোম্পানীসমূহে শ্ৰমিকসকলক ২০ শতাংশ বোনাছ প্ৰদান কৰাত অসমৰ্থ হোৱা বিষয়টোক কেন্দ্ৰ কৰি আজি আটছাৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত আটছাৰ দেৰগাঁও শাখাই খুমটাই ৰাজহ চক্ৰৰ বিষয়াৰ যোগেদি আঠ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে। ছাত্ৰ সংগঠনটোৱে চাহ শ্ৰমিকৰ দৈনিক মজুৰি দেওবাৰৰ ছুটীসহ ৩৫১ টকা বৃদ্ধি। আগন্তুক দুৰ্গা পূজাৰ পূৰ্বে চাহ শ্ৰমিকৰ ২০ শতাংশ বোনাছ প্ৰদান, অসম চাহ নিগমৰ অধীনস্থ চাহ বাগিচাৰ শ্ৰমিকসকলক পি এফ, গ্ৰেজুৱেট, বকেয়া ধন, ৰেছন আদি আদায় দিয়া, বাগিচাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক নিযুক্তি। চাহ বাগিচাৰ অবৈধ ভূমি দখল কৰাসকলক উচ্ছেদ চাহ নিগমৰ অধীনস্থ বাগিচাসমূহত চৰকাৰী আৱাস গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ লগতে গোলাঘাট জিলাৰ ৰঙামাটি, মিচামৰা, নেঘেৰিটিঙত কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ কৰা চিকিৎসালয়কেইখন মুকলি কৰা দাবী জনাই স্মাৰকপত্ৰ প্ৰদান কৰে। আনহাতে, শীঘ্ৰেই যদি চৰকাৰে এই সমূহ দাবী মানি নলয় তেনেহ'লে গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী লোৱা হ'ব বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে আটছাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিয়ে। ইফালে, আটছাৰ সভাপতিজনে লগতে আৰু কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চাহ শ্ৰমিকৰ বিষয়ে কোৱা কথা আৰু কামৰ মাত পাৰ্থক্য আছে। যাৰ বাবে আজিও চাহ শ্ৰমিকসকলৰ বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰখন বিফল হোৱাৰ লগতে অসম চাহ নিগমৰ অধীনস্থ বাগিচাৰ শ্ৰমিকসকল প্ৰতাৰণা সন্মুখীন হৈ আহিছে। সেয়েহে আগন্তুক দুৰ্গা পূজাৰ আগতেই এই সমস্যা সমাধান নকৰিলে অসম চাহ নিগমৰ অধীনস্থ গোলাঘাট জিলাৰ প্ৰতিখন চাহ বাগিচাত সৰ্ববৃহৎ গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰে আটছা গোলাঘাট জিলা সমিতিয়ে।

# বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা
**দোতমা, ২৪ ছেপ্টেম্বৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে 'সেৱা পখেক' কাৰ্যসূচীৰ অংশ স্বৰূপে মহিষবাথান গাঁৱত বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডলৰ উদ্যোগত আৰু কোকৰাঝাৰ জিলা এছচি মৰ্চা আৰু ফকিৰাগ্ৰাম মণ্ডল এছচি মৰ্চাৰ সহযোগত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীত উপস্থিত থাকে ফকিৰাগ্ৰাম মণ্ডল বিজেপিৰ সভাপতি মনোজ ৰায়, বিজেপিৰ এছচি মৰ্চাৰ ৰাজ্যিক সম্পাদক যাদব দাস, এছচি মৰ্চাৰ কোকৰাঝাৰ জিলাৰ সভাপতি বীৰেন দাস, সাধাৰণ সম্পাদক সুব্ৰত দাস, বিজেপিৰ ফকিৰাগ্ৰাম মণ্ডল যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক উৎপল চন্দ্ৰ ৰায়ৰ লগতে বিজেপিৰ অইন অইন কৰ্মকৰ্তাসকল আৰু চিকিৎসক, চিকিৎসা কৰ্মী, ৰাইজসকল।

## আৰকাৰী বিভাগৰ উপায়ুক্তক তদন্তৰ দাবী জনাই আবেদন দিলে ৰাইজে

# চৰকাৰী মাটিত স্থাপন কৰা গৃহকে দেশীয় সুৰাৰ বিপণীৰ আবন্টন

অগ্ৰদূত বাৰ্তা
**দিচাংমুখ, ২৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ গাতে লাগি থকা আৰকাৰী বিভাগৰ এজন শীৰ্ষ বিষয়াৰ লগত গোপন বুজাবুজিৰে জয়ৰাপাৰত ধাই আলিৰ কাষৰ চৰকাৰী মাটিত স্থাপন কৰা এটা গৃহতে এখন দেশীয় সুৰাৰ বিপণী আবন্টন দিয়াত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যাৰ বাবে অঞ্চলটোৰ ৰাইজে এই দেশীয় সুৰাৰ বিপণীখনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবীত পহিলা ছেপ্টেম্বৰত জিলা উপায়ুক্তক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবীত উপায়ুক্তক এক আবেদন দাখিল কৰিছিল। উল্লেখ্য যে বৃহত্তৰ জয়ৰাপাৰ, আখৈফুটীয়া, বামবাৰী, দিচাং ধাই আলি, বাঢ়েটিং আদি অঞ্চলৰ পৰা অবৈধ সুৰাৰ বিপণী উচ্ছেদ কৰাৰ কাৰণে আজি কিছু বছৰৰ পূৰ্বে এগৰাকী পঞ্চায়তৰ সভানেত্ৰীৰ লগতে জয়ৰাপাৰ মহিলা সমিতিয়ে এক বিশাল সজাগতামূলক শোভাযাত্ৰা উলিয়াইছিল। ইয়াৰ পাছতে শিৱসাগৰ আৰকাৰী বিভাগে ধাই আলিৰ কাষত থকা ৰজাবাৰী, পলাশনি, দেওবিল, জয়ৰাপাৰ, বাঢ়েটিং, বামবাৰী, চাউলকৰা, আখৈফুটীয়া আদি অঞ্চলত অভিযান চলাই কে'বাজনো অবৈধ সুৰা ব্যৱসায়ীক আটক কৰিছিল যদিও বৰ্তমান শিৱসাগৰ আৰকাৰী বিভাগে ৰহস্যজনকভাৱে এই অবৈধ সুৰা ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিবৰ্তে ৰহস্যজনকভাৱে মৌনতা অৱলম্বন কৰা বুলিহে স্থানীয় ৰাইজে ক্ষোভেৰে সংবাদ মাধ্যমক জানিবলৈ দিছে। ইফালে, শিৱসাগৰ আৰকাৰী বিভাগে যি স্থানত দেশীয় সুৰাৰ বিপণীখন আবন্টন দিছে, সেই স্থানৰ নিচেই কাষতে আছে ৮৮৩ নম্বৰ বাঢ়েটিং প্ৰাথমিক বিদ্যালয় আৰু বিদ্যালয়খনৰ কাষতে আছে এটা মছজিদ এটা ধৰ্মীয় অনুষ্ঠানৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীয়ে পাঠদান কৰা এখন বিদ্যালয়ৰ কাষতে কিদৰে শিৱসাগৰ আৰকাৰী বিভাগে এখন দেশীয় সুৰাৰ বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিলে তাকে লৈ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি চৰকাৰী মাটিত দেশীয় সুৰাৰ বাবে গৃহ নিৰ্মাণ কৰাৰ পাছতো শিৱসাগৰ আৰকাৰী বিভাগে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিবৰ্তে অনুজ্ঞাপত্ৰ প্ৰদান কৰা বিষয়টো জিলা উপায়ুক্তই নিজাকৈ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে অনুৰোধ জনাইছে।

# শিৱসাগৰত বিধানসভাৰ নিয়োগ পৰ্যালোচনা সমিতিৰ সভা সম্পন্ন

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ২৪ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ ছ্যুকাফা সভাকক্ষত কালি অসম বিধানসভাৰ নিয়োগ পৰ্যালোচনা সমিতিৰ সভাখন সম্পন্ন হয়। সভাত সভাপতিত্ব কৰে নিয়োগ পৰ্যালোচনা সমিতিৰ সভাপতি তথা বিধায়ক লৰেন্স ইছলাৰীয়ে। অন্যহাতে, আজিৰ এই পৰ্যালোচনা সভাত অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াৰ লগতে বিধায়কসকল ক্ৰমে দিগন্ত বৰ্মন, ৰফিকুল ইছলাম আৰু ৰূপক শৰ্মাইও নিয়োগ পৰ্যালোচনাৰ বৈঠকত ভাগ লয়। সভাত শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম য়াদৱে আদৰণি ভাষণ আগবঢ়োৱাৰ বিপৰীতে শিৱসাগৰ জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰ, দক্ষতা উন্নয়ন, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, গড়গাঁওস্থিত উদ্যোগিত প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান আদি বিভাগসমূহৰ নিয়োগ সম্পৰ্কীয় বৰ্তমান চলি থকা আঁচনিসমূহৰ তথ্য সমিতিৰ আগত দাখিল কৰা হয়।

সভাত সমিতিৰ সভাপতি লৰেন্স ইছলাৰীয়ে উপস্থিত সকলোকে নিবনুৱা সমস্যা সমাধানৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাবৰ বাবে আহ্বান জনায়। তাৰ উপৰি বিধায়কজনে নিয়োগ সৃষ্টি কৰিব পৰাকৈ এক নতুন নিয়োগ নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু নিয়োগৰ ক্ষেত্ৰখনত স্থানীয় যুৱক-যুৱতীসকলে অগ্ৰাধিকাৰ পাব লাগে বুলি মন্তব্য কৰে। নিয়োগ পৰ্যালোচনা সভাত শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাৰ লগতে জিলা প্ৰশাসনৰ অতিৰিক্তসকল আৰু অসম বিধান সভাৰ কে'বাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।



আমিনগাঁৱত স্বাস্থ্য মেলা মুকলি উপায়ুক্ত কীৰ্তি জল্লীৰ, শনিবাৰে।

## ঘৰৰ গৃহিণীসকলক অৰ্থনৈতিকভাৱে উপকৃত কৰিব

# জাম, জেলি প্ৰস্তুতকৰণ কৰ্মশালা



অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ২৪ ছেপ্টেম্বৰ ঃ** 'অসমৰ গ্ৰামাঞ্চলত থকা মানুহৰ ঘৰত ফল-মূল উভৈনদী কিন্তু এই ফল-মূলৰ পৰা বিভিন্ন খাদ্য প্ৰস্তুত কৰিব পাৰি সেই দিশত সচেতন নহয় বাবে আমি অৰ্থনৈতিকভাৱে উপকৃত হ'ব পৰা নাই। ঘৰৰ ফল-মূলৰ পৰা জাম জেলি প্ৰস্তুতকৰণ যোগেদি গৃহিণীসকল অৰ্থনৈতিকভাৱে উপকৃত হ'ব। 'শ্ৰীমন্ত শংকৰদেৱ সংঘ, যোৰহাট জিলা শাখাৰ নামঘৰত আজি শিশু আই-মাতৃ কল্যাণ শাখা আৰু বিপণন শাখা ব্যৱস্থাপনাত অনুষ্ঠিত জাম জেলি প্ৰস্তুতকৰণ কৰ্মশালাখন উদ্বোধন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘ, যোৰহাট জিলা শাখাৰ উপ-সভাপতি প্ৰবীণ বুঢ়াগোহাঁয়ে এনেদৰে কয়। মুকুল গগৈৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাত সমল ব্যক্তিৰূপে উপস্থিত থাকে বোকাখাত মিনাক্ষি গগৈ। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে খগেন ফুকন, বিশ্বজ্যোতি গগৈ, ফুনু বৰা গগৈ, কল্যাণ বৰুৱা, সৌন্দৰ্য প্ৰকাশ হাজৰিকা। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ১৬খন আঞ্চলিক শাখাৰ পৰা দুই শতাধিক আই-মাতৃ উপস্থিত থাকে। কৰ্মশালাখনৰ আঁত ধৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ যোৰহাট জিলা শাখাৰ সম্পাদক মুকুল বৰুৱাই।

চিৰাঙত আয়ুষ্মান ভাৰত দিৱস

# স্বাস্থ্য অভিযান মেলা অনুষ্ঠিত

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে স্বাস্থ্য খণ্ডত হিতাধিকাৰীৰ মাজত প্ৰদান কৰা প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা অনুসৰি প্ৰদান কৰা আয়ুষ্মান ভাৰত আঁচনিৰ আজি চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে কালি চিৰাঙত আয়ুষ্মান ভাৰত দিৱস পালন কৰা হয়। চিৰাং স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত চিদলী স্বাস্থ্য খণ্ডৰ অধীনৰ হাতীপোতা মাদ্ৰাছাত দিৱস উপলক্ষে এক সজাগতা সমদল উলিওৱা হয়। সমদল মুকলি কৰে চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিংথা মুছাহাৰীয়ে। আয়ুষ্মান ভাৰত দিৱসৰ লগত সংগতি ৰাখি হাতীপোতা মাদ্ৰাছাত আয়োজিত বিশেষ স্বাস্থ্য শিবিৰ মুকলি কৰে চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিংথাং মুছাহাৰীয়ে। অনুষ্ঠানত চিৰাং জিলা স্বাস্থ্য সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ ৰঞ্জিত মৌপিয়া, জিলা ছাৰ্ভিলেন্স বিষয়া ডাঃ দ্বীগেন্দ্ৰ ৰামচিয়াৰী, চিদলী মহকুমা স্বাস্থ্য বিষয়া ডাঃ উত্তম কুমাৰ বিশ্বাস, জে এছ বি অসামৰিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ ৰাজু কুমাৰ দাস, জিলা টিবি বিষয়া ডাঃ ৰাজেশ পাণ্ডে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কাৰ্যসূচী বিষয়া হিৰো হিটো হাবিৰ, বিভিন্ন চিকিৎসালয়ৰ চিকিৎসকসহ কে'বাজনো চিকিৎসক, চিকিৎসা বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। বিশেষ স্বাস্থ্য শিবিৰত প্ৰসূতি বিশেষজ্ঞ ডাঃ ইয়াকুৰ আলী, ভেষজ বিশেষজ্ঞ ডাঃ সংঘমিত্ৰা সৰকাৰ সহ কে'বাজনো বিভাগীয় চিকিৎসকে সাধাৰণ চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে ৰোগীসকলক প্ৰয়োজনীয় ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। ইপিনে, জিলাখনৰ বল্লামগুৰি খণ্ড স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ তুলসীঝতাতো আজি এক বিশেষ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

# টিপাম গাঁৱত টিংখং বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ ডিজিটেল লেনদেনৰ ফ্লিপ বুক প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা
**নাহৰকটীয়া, ২৪ ছেপ্টেম্বৰ ঃ** জয়পুৰ উন্নয়ন খণ্ডৰ টিপাম গাঁও পঞ্চায়তৰ অন্তৰ্গত টিপাম গাঁৱত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মানিৱাইজ চি এফ এল প্ৰকল্পৰ, ক্ৰিছিল ফাউণ্ডেছনৰ টিংখং বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ উদ্যোগত যোৱা ২১ ছেপ্টেম্বৰত বিত্তীয় সাক্ষৰতাৰ ওপৰত এটি ফ্লিপ বুক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উক্ত প্ৰশিক্ষণটো শিবিৰত টিপাম গাঁৱৰ ৩০ গৰাকী মহিলা উপস্থিত থাকে। প্ৰশিক্ষণত টিংখং বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ হৈ কেন্দ্ৰ ব্যৱস্থাপক কপিল হাজৰিকা, জয়পুৰ ক্ষেত্ৰ সমন্বয়ক মল্লিকা গগৈৰ লগতে জীৱিকা সখী ভাৰতী মেচ আৰু বীমা সখী জুৰি গগৈ বড়া উপস্থিত থাকে। প্ৰশিক্ষণত ডিজিটেল লেনদেন যেনে ম'বাইলৰ দ্বাৰা পৰিশোধ, ই-ৱালেটৰ দ্বাৰা পৰিশোধ, ম'বাইলৰ দ্বাৰা বিল পৰিশোধ, অনলাইন শ্বপিং, ম'বাইলৰ পৰা ম'বাইললৈ ধন স্থানান্তৰকৰণ, ম'বাইলৰ পৰা বেংক একাউন্টলৈ ধন স্থানান্তকৰণৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণটোত ডিজিটেলৰ সুবিধা, লেনদেনৰ সামগ্ৰী আৰু সেৱাৰ প্ৰকাৰ লগতে লেনদেন কৰোতে ল'বলগীয়া সাৱধানতা যেনে পাছৱৰ্ড, পিন সুৰক্ষিতকৈ ৰখা, নিজৰ কাৰ্ডৰ আৰু ইন্টাৰফেছ (ইউপিআই) পিন আন লোকৰ স'তে ভাগ-বাটোৱাৰ নকৰিবলৈ উপস্থিত থকা মহিলাসকলক শিকোৱা হয়।



নাহৰকটীয়া মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত গ্ৰন্থ উন্মোচন লেখক ময়ুৰ বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল।

# নলবাৰীত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিশেষ স্বাস্থ্য শিবিৰ



অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ উদ্যোগত কালি বিশেষ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। বৰবিলা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু এক নম্বৰ কাছিমপুৰ প্ৰাথমিক বিদ্যালয়ত আয়োজিত এই শিবিৰত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচুৰ উপৰি মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ মইনুল হক, ডাঃ পৰীক্ষিত বৰ্মন, বৰবিলা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ মৃদুল আহমেদ, জিলা আঁচনি বিষয়া মীনাক্ষী বৰপূজাৰী প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। এই শিবিৰত সকলো বয়সৰ ব্যক্তিৰ স্বাস্থ্য বিশেষকৈ প্ৰসূতি আৰু শিশুৰ স্বাস্থ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। তদুপৰি যক্ষ্মা আৰু মেলেৰিয়া পৰীক্ষা, ক'ভিড ভেকচিন প্ৰদান, বিনামূলীয়া ঔষধ বিতৰণ উপৰি প্ৰায়কেইটা বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকল উপস্থিত থাকে। সুস্বাস্থ্যৰ উপৰি ৰুচিসন্মত জীৱনশৈলী মানুহৰ মাজত সম্প্ৰসাৰণৰ লগতে ভৱিষ্যৎ প্ৰজন্মক স্বাস্থ্যবান কৰি তোলাৰ মহৎ উদ্দেশ্য আগত ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হয়। স্বাস্থ্য সাক্ষৰতাৰ সমান্তৰালভাৱে সামগ্ৰিক স্বাস্থ্য, বৈজ্ঞানিক মানসিকতা আৰু সুস্থতাৰ ওপৰত এই স্বাস্থ্য শিবিৰে ইতিবাচক প্ৰভাৱ পেলাব। স্বাস্থ্য শিবিৰত উপস্থিত থাকি যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচুয়ে কয় যে স্বাস্থ্যৰ ক্ষেত্ৰত কৰা উপেক্ষা আৰু অপেক্ষা দুয়োটাই বিপজ্জনক। ঔষধ সেৱন কৰি ৰোগ নিৰাময়ৰ বাবে কৰা চেষ্টাতকৈ প্ৰাকৃতিকভাৱে আমাৰ শৰীৰত ৰোগ প্ৰতিৰোধ কৰা ব্যৱস্থা গঢ়ি তোলাটোহে প্ৰয়োজনীয়। স্বাস্থ্যৰ ক্ষেত্ৰত কৰা আপোচে মানুহৰ জীৱনলৈ অমানিশা কঢ়িয়াই আনে। ৰোগমুক্ত জীৱনশৈলীৰ জৰিয়তে ব্যক্তিগত জনগণ বহু পৰিমাণে উপকৃত হৈছে। অনাগত দিনতো এনে স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হ'ব বুলি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা অৱগত কৰে।

# স্মৃতিগ্ৰন্থ 'মুৰুলী'ৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা
**হাউলী, ২৪ ছেপ্টেম্বৰ ঃ** অহা সাতৰ পৰা ২১ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ৯৫ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন কৰা হ'ব। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি বিগত বছৰবোৰৰ দৰে এই বছৰো 'মুৰুলী' শীৰ্ষক স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব। স্মৃতিগ্ৰন্থখন সম্পাদনা কৰাৰ বাবে সুশীল ৰঞ্জন চৌধুৰীক সভাপতি আৰু গজেন দাস আৰু উৎপল ৰায়ক সম্পাদকৰূপে লৈ ইতিমধ্যে এখন সম্পাদনা সমিতি গঠন কৰা হৈছে। স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিয়ে জনোৱা মতে, আগ্ৰহী ব্যক্তিয়ে উক্ত স্মৃতিগ্ৰন্থৰ বাবে অহা ২০ অক্টোবৰৰ ভিতৰত লেখাসমূহ ডাকযোগে সভাপতি-সম্পাদক, মুৰুলী ৯৫ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতি, হাউলী, ৭৮১৩১৬, বৰপেটা, অসম অথবা ই-মেইলযোগে talukdarprinters@gmail.com এই ঠিকনাত পঠিওৱাৰ লগতে ৭০০২৫২৭২৫২ নম্বৰত যোগাযোগ কৰিব পাৰিব। লেখাসমূহ ৰাসকেন্দ্ৰিক লেখাৰ উপৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰৰ বিভিন্ন লেখা, বিশিষ্ট পুথিৰ সমালোচনা, ৰামায়ণী সাহিত্য, সত্ৰ-সংস্কৃতিৰ ওপৰত লেখা, অসমৰ বাৰেৰহণীয়া লোক-সংস্কৃতি, বিভিন্ন জাতি-জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি, পৰম্পৰাগত ঐতিহ্য, বিশিষ্ট কবি-সাহিত্যিকৰ জীৱনৰ আলোকপাতধৰ্মী লেখা হ'ব লাগিব।

# ৰংজুলিৰ চেঁচাপানী-গৰুছটকাত বিনামূলীয়া স্বাস্থ্য সজাগতা শিবিৰ

অগ্ৰদূত বাৰ্তা
**দুধনৈ, ২৪ ছেপ্টেম্বৰ ঃ** ৰংজুলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ চেঁচাপানী দৈনিক বজাৰ আৰু গৰুছটকাত কালি পৃথকে-পৃথকে দুখনকৈ স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। গোৱালপাৰা জিলা স্বাস্থ্য সেৱা অভিযানৰ সহযোগত চেঁচাপানী দৈনিক বজাৰ প্ৰাংগণত অনুষ্ঠিত স্বাস্থ্য সজাগতা শিবিৰটো উদ্বোধন কৰে দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। বিনামূলীয়া স্বাস্থ্য শিবিৰটোত দাঁত, স্ত্ৰী আৰু প্ৰসূতি বিভাগ, মেডিচিন বিভাগ, আয়ুষ, শিশু বিভাগ, মানসিক স্বাস্থ্য বিভাগ, কাণ, নাক আৰু ডিঙি আদিকে ধৰি কে'বাটাও বিভাগৰ চিকিৎসক উপস্থিত থাকি চিকিৎসা সেৱা প্ৰদান কৰে। প্ৰসূতি বিভাগত ডাঃ এন বসুমতাৰী, চকু ডাঃ সৌৰভ শইকীয়া, ইএনটি ডাঃ ৰাজ কুমাৰ মহন্ত, ডাঃ বলেন বৈশ্য, আয়ুষ ডাঃ মনোৱাৰ হুছেইন আকন্দ, ডাঃ কংকন গোস্বামী, মানসিক ৰোগ ডাঃ ঋষিকেশ কলিতা, ডাইটিচিয়েন নাজনীন পাৰবিন উপস্থিত থাকে। আজিৰ এই স্বাস্থ্য সজাগতা শিবিৰটোত চিকিৎসালয় নথকা চেঁচাপানী অঞ্চলৰ প্ৰায় চাৰি শতাধিক ৰোগীক বিনামূলীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰে চিকিৎসকৰ দলটোৱে। ইফালে, টিপলাইৰ সমীপৰ গৰুছটকাতো এখন বিনামূলীয়া চিকিৎসা মেলা অনুষ্ঠিত হয়। ভাৰত চৰকাৰে ১৫ ছেপ্টেম্বৰৰ পৰা দুই অক্টোবৰলৈ হাতত লোৱা 'সেৱা পখেক'ৰ স'তে সংগতি ৰাখি বিজেপিৰ গোৱালপাৰা জিলাৰ উদ্যোগত আৰু অনুসূচিত জাতি মৰ্চাৰ সহযোগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে অনুষ্ঠিত হয় চিকিৎসা শিবিৰটো গৰুছটকা হিন্দু পাৰাৰ কমিউনিটি হলত অনুষ্ঠিত স্বাস্থ্য শিবিৰটোত টিপলাই ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ জিয়াউল হক আৰু শিমলীতোলা কে এন মেধি ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ জয়দ্বীপ দাস উপস্থিত থাকি প্ৰায় আঢ়ৈশ ৰোগীক চিকিৎসা সেৱা প্ৰদান কৰে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আজিৰ দুয়োটা চিকিৎসা শিবিৰতে ৰংজুলি খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ খণ্ড প্ৰাথমিক চিকিৎসা বিষয়া ডাঃ প্ৰবীণ ৰাভাৰ লগতে স্বাস্থ্য বিভাগৰ কে'বাগৰাকী বিষয়া-কৰ্মচাৰী, নাৰ্ছ লগতে ৰাইজ উপস্থিত থাকে।

# ওদালগুৰিত বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ



অগ্ৰদূত বাৰ্তা
**টংলা, ২৪ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত তথা ওদালগুৰি আৰু ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত শুকুৰবাৰে 'স্বাস্থ্য সেৱা অভিযান' শীৰ্ষক দুটাকৈ স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত কুন্দৰবিল এম ই স্কুল আৰু ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নেপালী গাঁও প্ৰাথমিক বিদ্যালয়ত এই স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। কুন্দৰবিলত অনুষ্ঠিত শিবিৰটো উদ্বোধন কৰে এমচিএলএ সঞ্জয় স্বৰ্গীয়াৰীয়ে। আৰু ওৰাঙত অনুষ্ঠিত শিবিৰটো উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য নিলোৎ স্বৰ্গীয়াৰীয়ে। লগতে বিশেষ অতিথিৰূপে উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত বিৰাজ বৰুৱা। স্বাস্থ্য পৰীক্ষা শিবিৰকেইটাত কাণ-নাকৰ ৰোগ বিশেষজ্ঞ, স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিশেষজ্ঞ, শিশু ৰোগ বিশেষজ্ঞ, মেডিচিনৰ বিশেষজ্ঞ আদিৰ লগতে আয়ুৰ্বেদিক, হোমিওপেথিক সহিতে মুঠ ১০ গৰাকীকৈ ডাক্তৰে ৰোগী পৰীক্ষা কৰে। এই শিবিৰকেইটাত প্ৰায় ছয় শতাধিক ৰোগীক পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয় তথা ভ্ৰাম্যমাণ চিকিৎসা, কোষৰ জৰিয়তে বিনামূলীয়াকৈ লেবৰেট'ৰী সেৱা আগবঢ়োৱা হয়। শিবিৰকেইটাৰ জৰিয়তে ৰাইজক বিভিন্ন ৰোগ তথা ১০৮ সেৱা সন্দৰ্ভত সজাগ কৰাৰ চেষ্টা কৰা হয়। এই স্বাস্থ্য শিবিৰকেইটাত জিলা স্বাস্থ্য সমিতিৰ যুটীয়া সঞ্চালক ডাঃ অনুৰাধা বৰুৱা, জিলা প্ৰতিষেধক বিষয়া ডাঃ গণেশ ব্ৰহ্ম, ডাঃ লক্ষণ বড়ো, ডাঃ বিজয় ভট্টাচাৰ্য, হৰিছিঙা আদৰ্শ চিকিৎসালয়ৰ অতিৰিক্ত অধীক্ষক ডাঃ বি কে দৈমাৰী, ডাঃ কংকন ঠাকুৰীয়া, ডাঃ ভাগীৰথ দে, ডাঃ নৰেন্দ্ৰ বৰুৱা, ডাঃ উপমা বসুমতাৰী, ডাঃ মল্লিকা বৰ্মন, ডাঃ হিৰণ্য গয়াৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ প্ৰগ্ৰাম মেনেজাৰ বাছিল তপ্প, জিলা মিডিয়া বিশেষজ্ঞ মধুস্মিতা বৈশ্য, ডিচিএম সঞ্জীৱ কুজুৰ, ৰাষ্ট্ৰীয় বাহক জনিত ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ মেলেৰিয়া বিষয়া যতীন ৰাভা, জিলা পৰামৰ্শদাতা নাজিয়া হাছান, খণ্ড ব্লক প্ৰগ্ৰাম মেনেজাৰ ৰাজ মুছাহাৰী, ভাৰ্জিল শৰ্মা লগতে কে'বাগৰাকীও কমিউনিটী স্বাস্থ্য বিষয়া, এ এন এম, আশাকৰ্মীৰ লগতে স্বাস্থ্য বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। লগতে ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিৰ্মূলকৰণ কাৰ্যসূচী, ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূলকৰণ কাৰ্যসূচী আদিৰ বিষয়া-কৰ্মচাৰীও এই শিবিৰ দুটাত অংশগ্ৰহণ কৰি এই ৰোগসমূহ সন্দৰ্ভত সজাগতা সৃষ্টিৰ চেষ্টা কৰে।

# সৰুপথাৰৰ স্বাস্থ্য কেন্দ্ৰত প্ৰসূতি অস্ত্ৰোপচাৰ কক্ষৰ উদ্বোধন

**সৰুপথাৰ, ২৪ ছেপ্টেম্বৰ ঃ** ধনশিৰিবাসী ৰাইজৰ বাবে সু-খবৰ। সৰুপথাৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰত এটি দীৰ্ঘদিনীয়া অভাৱ দূৰ হ'ল। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ তৎপৰতাত তথা নুমলীগড় শোধনাগাৰৰ সহযোগত কালি সৰুপথাৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰত অত্যাধুনিক সা-সুবিধাৰে এটি প্ৰসূতি অস্ত্ৰোপচাৰ কক্ষৰ বিধায়ক বিশ্বজিৎ ফুকনে উদ্বোধন কৰে। আৰম্ভণিৰ দিনটোত দুগৰাকী প্ৰসূতিক ভৰ্তি কৰা হয় আৰু প্ৰথমগৰাকী প্ৰসূতিয়ে এগৰাকী কন্যা সন্তানৰ জন্ম দিয়ে। সেয়েহে বিধায়ক ফুকনে আৰম্ভণিতে লখিমী আহিছে বুলি কয় আৰু অস্ত্ৰোপচাৰ কক্ষত থকা সকলো চিকিৎসক নাৰ্ছক এটি এটি ফুলৰ থোপা উপহাৰ দি অভিনন্দন জনায়। এতিয়াৰ পৰা প্ৰসূতি অস্ত্ৰোপচাৰৰ ক্ষেত্ৰত সৰুপথাৰবাসী ৰাইজে গোলাঘাট বা ডিমাপুৰলৈ ধাপলি মেলিব নালাগে। বিধায়ক ফুকনে অনাগত দিনত আৰু বহুতো অস্ত্ৰোপচাৰ কৰিব পৰাকৈ সুবিধা কৰা হ'ব বুলি সংবাদ মাধ্যমক সদৰী কৰে। অনুষ্ঠানত বিধায়ক ফুকনৰ লগতে নুমলীগড় তেল শোধনাগাৰৰ প্ৰৱন্ধক মিন্টু সন্দিকৈ, সৰুপথাৰ ৰাজহ চক্ৰ বিষয়া হেমাংগ নবিচকে ধৰি কে'বাগৰাকীও স্বাস্থ্যকৰ্মী আৰু বিজেপিৰ কৰ্মী উপস্থিত থাকে।

## এএমচিএইছত বিশিষ্ট চিন্তাবিদ-লেখক ময়ূৰ বৰা

# কটনক লৈ অসমীয়াই যিমান গৌৰৱ প্ৰদৰ্শন কৰে সিমান গৌৰৱ 'এএমচিএইছ'ক লৈ নকৰে

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ২৪ ছেপ্টেম্বৰ ঃ** অসম চিকিৎসা মহাবিদ্যালয় চমুকৈ এএমচিএইছৰ মহাৰজত জয়ন্তীৰ বৰ্ষজোৱা কাৰ্যসূচীৰ স'তে সংগতি ৰাখি বৃহস্পতিবাৰে প্ৰতিষ্ঠানটোৰ অইল লেকচাৰ হলত অনুষ্ঠিত হয় অসমৰ বিশিষ্ট লেখক, চিন্তাবিদ আৰু বুদ্ধিজীৱী ময়ূৰ বৰাৰ স'তে এক আন্তৰিক বাৰ্তালাপ অনুষ্ঠান। সন্ধিয়া অনুষ্ঠিত এই অনুষ্ঠানত এএমচিএইছৰ শিক্ষাৰ্থীৰ লগতে কানৈ কলেজ, ডিব্ৰুগড় ডেন্টেল কলেজ, বিএছচি নাৰ্ছিং কলেজ, ডিব্ৰু কলেজ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত স্বভাৱসুলভ ভাষণেৰে প্ৰায় দুঘণ্টা সময় সকলোকে মোহিত কৰি ৰাখে। কটন কলেজক লৈ অসমীয়াই যিমান গৌৰৱ প্ৰদৰ্শন কৰে সিমান গৌৰৱ ৭৫ বছৰত ভৰি দিয়া এএমচিএইছ'-এ আগবঢ়োৱা যোগাত্মক চিন্তা আৰু সেৱাক অসমীয়াই আজিও প্ৰদৰ্শন কৰা নাই। এএমচিএইছৰ যিমান উন্নতি হ'ব সিমান উন্নতি সমান্তৰালভাৱে অসমীয়াৰো হব। এএমচিএইছ আমাৰ প্ৰতিষ্ঠান; কিন্তু ইয়াক আমি নিজৰ বুলি ভাবিবলৈ পাৰিব লাগিব। নতুন প্ৰজন্মক আহ্বান জনাই তেওঁ কয় যে যিটো কাম কৰা হয় সেইটো নিজৰ মনেৰে আৰু নিষ্ঠা-সততাৰে কৰা উচিত। কেৱল নিজকে প্ৰতিষ্ঠা কৰাৰ কামতে আবদ্ধ নাথাকি সমাজৰ বাবেও কাম কৰা উচিত। ভাষা-সাহিত্যৰ চৰ্চাৰ লগতে নিজকে আপডেট কৰি ৰখাৰ স্বাৰ্থত কমেও এখন কাকত আৰু আলোচনী নিয়মীয়াকৈ পঢ়াৰ বাবেও তেওঁ নৱপ্ৰজন্মক আহ্বান জনায়। আনহাতে, জাতীয়তাবাদৰ সম্পৰ্কত সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে প্ৰেম কৰিবলৈ যিদৰে কোনো প্ৰশিক্ষণৰ প্ৰয়োজন নাই সেইদৰে জাতিক ভাল পাবলৈ কাকো শিকোৱাৰ প্ৰয়োজন নাই। আমাৰ অসমত জাতীয়তাবাদ ভাষাৰ মাজত আছে যদিও মহাৰাষ্ট্ৰ-তামিলনাডুৰ তুলনাত বহু কম আৰু তেওঁলোকৰ জাতীয়তাবাদ অত্যন্ত প্ৰখৰ; কিন্তু আমাৰ জাতীয়তাবাদ শ্ল'গানধৰ্মী। সামাজিক মাধ্যমৰ চৰ্চাও এক লক্ষ্মণৰেখাৰ ভিতৰত ৰাখি সামাজিক কাম-কাজত কমেও দুঘণ্টা সময় অতিবাহিত কৰাৰ বাবেও তেওঁ নৱপ্ৰজন্মক আহ্বান জনায়। আনহাতে, দেশৰ আন আন ৰাজ্যত স্থনীয় ভাষাত অসামৰিক পৰীক্ষা অনুষ্ঠিত কৰাত অধিক গুৰুত্ব প্ৰদানৰ বিপৰীতে এপিএছচিৰ পৰীক্ষাত অসমীয়া ভাষা প্ৰত্যাহাৰ কৰাটো এক হঠকাৰী সিদ্ধান্ত বুলিও তেওঁ অভিহিত কৰে। এএমচিএইছ সাহিত্য চ'ৰাৰ সম্পাদক ডাঃ ৰাইহানুদ্দিন আহমেদে আঁতধৰা অনুষ্ঠানত অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, শিক্ষকসকলৰ হৈ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক ডাঃ মৃগাংক শেখৰ চলিহা, হৃদৰোগ বিভাগৰ অধ্যাপক ডাঃ হেমচন্দ্ৰ কলিতা, জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকা, নৱপ্ৰজন্মৰ হৈ অমৃত মাহাতু, ৰাজদ্বীপ হাজৰিকা, মন্দাকিনী বৰুৱা, জয়শ্ৰী তালুকদাৰ, এএমচিএইছ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্বাহমিলান আলী, তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকা শতাব্দী বৰাকে ধৰি ভালেকেইগৰাকীয়ে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে বিশিষ্ট চিন্তাবিদগৰাকীয়ে। অনুষ্ঠানত ভেষজ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা, কবি ডাঃ মেঘালি চলিহা, সামূহিক চিকিৎসা বিভাগৰ ডাঃ গৌৰাংগী গগৈ, মেডিচিন বিভাগৰ অধ্যাপক ডাঃ শ্ৰীমন্ত মাধৱ বৰুৱা, পেথল'জি বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ অদিতি শৰ্মাকে ধৰি ভালেকেইগৰাকী অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।






# জনজাতিকৰণৰ পৰা বাদ পৰাত মাকুমত টাইপাৰ প্ৰতিবাদী কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**
**ডুমডুমা, ২৪ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীক জনজাতিকৰণৰ পৰা বাদ দিয়াৰ প্ৰতিবাদত আজি তাই আহোম যুৱ পৰিষদ অসম (টাইপা)ৰ মাকুম আঞ্চলিকৰ শতাধিক কৰ্মীয়ে মাকুমৰ ৰাজপথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। টাইপা মাকুম আঞ্চলিকৰ সাধাৰণ সম্পাদক ৰমেশ হাজৰিকাৰ নেতৃত্বত শতাধিক মহিলা তথা যুৱ কৰ্মীয়ে মাকুমৰ ট্ৰেফিক পইণ্ট তিনিআলিত বিক্ষোভ প্ৰদৰ্শন কৰি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। 'আহোম জনগোষ্ঠীক জনজাতিকৰণ লাগিবই, বিজেপি চৰকাৰ হুঁচিয়াৰ, ন' এছটি ন' ৰেষ্ট, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ' শ্ল'গানেৰে মাকুমৰ ৰাজপথ উত্তাল কৰি তোলে।

তাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি জয়ন্ত গগৈয়ে অভিযোগ কৰে যে কেন্দ্ৰীয় চৰকাৰে পাঁচখন ৰাজ্যৰ ১৫টা জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ পাছত বাদ পৰিল অসমৰ ছয় জনগোষ্ঠী। যাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে টাইপাৰ তিনিচুকীয়া জিলা সমিতিৰ নিৰ্দেশত প্ৰতিখন আঞ্চলিকে ধাৰাবাহিকভাৱে বিক্ষোভ কাৰ্যসূচী ৰূপায়িত কৰি থাকিব বুলিও উপ-সভাপতিজনে হুংকাৰ দিছে। কাৰ্যসূচীত টাইপাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি জয়ন্ত গগৈ, প্ৰচাৰ সম্পাদক ৰাজীৱ গগৈ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি দিপাংকৰ গগৈ, সম্পাদক বিশ্বজিৎ গগৈ, মুখপাত্ৰ শৈলেন গগৈৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে।

# বছা বছা নেতৃস্থানীয় ব্যক্তিক জড়িত

এক পৃষ্ঠাৰ পৰা উদাহৰণস্বৰূপে কাৰোবাক যদি মুছলমান লোকৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বৌদ্ধিক চিন্তাৰ দায়িত্ব দিয়া হৈছে, কাৰোবাক আকৌ সমাজত তেনে চিন্তাৰ প্ৰভাৱ পেলোৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। তদন্তকাৰী সংস্থাৰ তথ্য অনুসৰি ৰাজ্যৰ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ বিদ্যায়তনিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ কে'বাজনো লোক সংগঠনটোৰ এনে কাৰ্যত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ আছে। অথচ তেওঁলোক পিএফআইৰ লগত জড়িত থকাৰ আনুষ্ঠানিক নথিও নাই। প্ৰসংগক্ৰমে সূত্ৰটোৱে উল্লেখ কৰে যে পিএফআইয়ে সাংগঠনিক কৌশল অনুসৰি সংগঠনটোৱে ইয়াৰ সকলো সদস্যৰ তথ্য আনুষ্ঠানিকভাৱে নাৰাখে।

সাধাৰণ সদস্যৰো তথ্যৰ আনুষ্ঠানিকতা নথকা বাবেই অসমতো বিগত সময়ছোৱাত পিএফআইৰ লোক বুলি নিৰ্দিষ্ট অভিযুক্তক আৰক্ষীয়ে বেছি ভাগ ঘটনাতে পোনপটীয়াকৈ গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী সক্ষম হোৱা নাই। অথচ পিএফআইৰ প্ৰৰোচনাতে ৰাজ্যত কে'বাটাও ঘটনা সংঘটিত হোৱাৰ তথ্য মজুত থকা বুলি আৰক্ষী সূত্ৰই ব্যক্ত কৰে। তেনে কোনো ঘটনাত পিএফআইৰ সন্দেহত কোনো লোকক ধৰিবলৈ সক্ষম হ'লেও সংগঠনটোৰ সদস্য বুলি প্ৰমাণ কৰিব নোৱাৰে।

ইপিনে, পিএফআইৰ পুঁজিৰ সন্দৰ্ভত প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)ৰ সূত্ৰই প্ৰকাশ কৰে যে সংগঠনটোৱে ভাৰতৰ ভিতৰতে শুভাকাংক্ষীৰ পৰা নিয়মীয়াকৈ পুঁজি সংগ্ৰহ কৰাৰ উপৰি উপ-সাগৰীয় কে'বাখনো দেশৰ পৰা ধন লাভ কৰি আহিছে। উপ-সাগৰীয় দেশবোৰৰ বিভিন্ন সন্দেহজনক উৎসৰ পৰা সংগৃহীত ধন সেইবোৰ দেশত কৰ্মৰত একাংশ ভাৰতীয় লোকৰ জৰিয়তে বেআইনীভাৱে ভাৰতলৈ আনি ইয়াত সংগঠনটোৱে উলিয়াই লয়। সাংগঠনিক কামত সেই ধন স্বাভাৱিকতে অসমতো ব্যৱহাৰ হয় বুলি ইডিৰ সূত্ৰটোৱে মন্তব্য কৰে। সেয়েহে অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাসকলোকে এই সন্দৰ্ভত জেৰাৰ সম্ভাৱনা সূত্ৰটোৱে ব্যক্ত কৰে।

# ১৩ নৱেম্বৰত ৫০ সহস্ৰাধিক শিক্ষক

এক পৃষ্ঠাৰ পৰা দাবী। এই দাবীক চৰকাৰে গুৰুত্ব সহকাৰে ল'বই লাগিব। আমি অহা ১৩ নৱেম্বৰত দিছপুৰলৈ পদব্ৰজে যাত্ৰা কৰিম।' আজি অনুষ্ঠিত অসমৰ সকলো সন্থা, সংঘৰ যৌথ সন্মিলনৰ অন্তত এক সংবাদমেলত এই মন্তব্য কৰে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ সভাপতি অচ্যুতানন্দ হাজৰিকাই। এনপিএছ ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চনৰ যোগেদি কৰ্মচাৰী সমাজক সুবিধা প্ৰদানৰ দাবীত সংস্থাৰ আহ্বানত ৰাজ্যৰ কৰ্মচাৰী সমাজে ইতিমধ্যে কে'বালানি আন্দোলনৰ কাৰ্যসূচী ৰূপায়িত কৰি আহিছে যদিও চৰকাৰে আশানুৰূপ সঁহাৰি জনোৱা নাই। যাৰ বাবে এতিয়া ৰাজ্যৰ সকলো বিভাগৰ ন-পুৰণি সকলো কৰ্মচাৰীয়ে ঐক্যবদ্ধ আন্দোলনৰ কুচকাৱাজ আৰম্ভ কৰিছে। তাৰেই অংশৰূপে আজি সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ আহ্বানত অসম কলেজ শিক্ষক সন্থাৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অসমৰ সকলো চৰকাৰী কৰ্মচাৰী সংস্থা, সংঘৰ এখন যৌথ সন্মিলন অনুষ্ঠিত হয়। সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ সভাপতি অচ্যুতানন্দ হাজৰিকাই আঁত ধৰা উক্ত সন্মিলনত সকলো সংস্থা-সংঘই এনপিএছ ব্যৱস্থাৰ ভয়াৱহতাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। সভাত সকলোৱে এনপিএছ ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীত ঐক্যবদ্ধ আন্দোলনৰ কাৰ্যসূচী ল'বলৈ ঐকমতত উপনীত হয়। সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি, নিৰ্দিষ্ট দিনত অসমৰ প্ৰতিখন জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সমুখত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ লগতে জিলা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদানৰ সিদ্ধান্ত লয়। ইয়াৰ উপৰি অহা ১৩ নৱেম্বৰত ৰাজ্যখনৰ সৰ্বস্তৰৰ অতি কমেও ৫০ হেজাৰ শিক্ষক-কৰ্মচাৰীৰ লগতে দেশৰ শতাধিক শিক্ষক-কৰ্মচাৰী-শ্ৰমিক নেতাই 'পেঞ্চন প্ৰাপ্তিৰ দাবীত দিছপুৰলৈ পদযাত্ৰা' শীৰ্ষক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণৰো সিদ্ধান্ত গ্ৰহণ কৰে। এই দুয়োটা কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে অসমৰ সকলো ন-পুৰণি কৰ্মচাৰীৰ এশ শতাংশ সহযোগিতা নিশ্চিত কৰে আজিৰ সন্মিলনে। উল্লেখ্য যে আজিৰ এই যৌথ সন্মিলনত সদৌ অসম কৰ্মচাৰী পৰিষদ, অসম কলেজ শিক্ষক সংস্থা, গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সংস্থা, বিশ্ববিদ্যালয় কৰ্মী মহাসংঘ আদিৰ প্ৰতিনিধিকে ধৰি শতাধিক শিক্ষক, বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। অৰ্ধশতাধিক কৰ্মচাৰী সংস্থা, সংঘৰ নেতৃত্বই অংশগ্ৰহণ কৰে আৰু এনপিএছ বাতিল কৰি পুৰণি পেঞ্চন পুনৰ প্ৰৱৰ্তন নোহোৱালৈকে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ নেতৃত্বত আন্দোলনৰ ধাৰা অব্যাহত ৰাখিব বুলি মত পোষণ কৰে।

# অসম-মেঘালয় সীমান্তৱৰ্তী আপাৰ

এক পৃষ্ঠাৰ পৰা তাৰাবাৰীত অদ্যাপি বিৰাজ কৰিছে আতংকময় পৰিৱেশে। সমান্তৰালকৈ অব্যাহত আছে ভাতৃঘাতী সংঘৰ্ষ। কালি সন্ধিয়াৰ পৰা অঞ্চলটোত পুনৰ উত্তেজনা অব্যাহত আছে। অসম বিদ্বেষীয়ে স্বামীসহ এগৰাকী জনপ্ৰতিনিধিক প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। আজি সন্ধিয়াও অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হোৱাত আনকি একাংশ গাঁওবাসীয়ে ঘৰ-বাৰী এৰি পলাবলগীয়া অৱস্থা হৈছে।

উল্লেখ্য যে অসমৰ আপাৰ তাৰাবাৰী গাঁওখন মেঘালয়ৰ বুলি দাবী তুলি গাঁওখনত অসমৰ সমৰ্থনত থকা পৰিয়ালক শাৰিৰীক-মানসিক আতিশয্য অব্যাহত ৰাখিছে অসম বিদ্বেষী লোকসকলে। অসমৰ কোনো আঁচনি ল'ব নোখোজা অসম বিদ্বেষীসকলে অসমৰ সমৰ্থনকাৰীক দিনে-নিশাই বাটে-পথে আনকি ঘৰলৈ খেদি গৈ নিৰ্যাতন অব্যাহত ৰাখিছে। কালি সন্ধিয়া সাপ্তাহিক বজাৰ কৰি নিজ গৃহলৈ উভতি অহা এক দম্পতীক শাৰীৰিকভাৱে প্ৰহাৰ কৰে একাংশ অসম বিদ্বেষীয়ে। অভিযোগ মতে, মালাং গামেৰীমূৰা সাপ্তাহিক বজাৰৰ পৰা বজাৰ কৰি আপাৰ তাৰাবাৰী ৭৬ নম্বৰ গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যা যুলটা মাৰাকে স্বামী স্বপন চাংমাইৰ স'তে নিজ গৃহলৈ উভতিছিল। এনে সময়তে একাংশ মেঘালয় সমৰ্থনকাৰীয়ে মাৰাক দম্পতীক প্ৰহাৰ কৰে। ঘটনা সন্দৰ্ভত অৱগত হৈ বকো আৰক্ষীয়ে আঘাতপ্ৰাপ্ত মাৰাক দম্পতীক নিশা বকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা প্ৰদান কৰায়। আনহাতে, আজি দিনৰ ভাগত মাৰাক দম্পতীয়ে আপাৰ তাৰাবাৰীৰ মেঘালয়ৰ সমৰ্থনকাৰী ২৪জন অভিযুক্তৰ বিৰুদ্ধে বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে যোৱা ১৩ জুলাইত আপাৰ তাৰাবাৰীত অসম আৰক্ষী আৰু মেঘালয় আৰক্ষীৰ মধ্যস্থতাত এখন ছজনীয়া শান্তি সমিতি গঠন কৰি দিয়া হৈছিল। লক্ষ্যণীয়ভাৱে শান্তি সমিতিখনৰ সভাপতি তথা মেঘালয় সমৰ্থনকাৰী ইলব্ৰিন মাৰাক, গাঁওখনৰ মেঘালয়ৰ গাঁওবুঢ়া দুখন মাৰাক, ট্ৰেড মাৰাক, গ্ৰপচেপ মাৰাক, চিমি চাংমা, ৰকচাং মাৰাক, পিচিল চাংমা আদিৰ নামো আছে এজাহাৰত। সম্প্ৰতি আতংকিত জনপ্ৰতিনিধিগৰাকীৰ লগতে তেওঁৰ স্বামীয়ে ৰাজ্য চৰকাৰখনক আহ্বান জনাই সংবাদ মাধ্যমৰ আগত কয়, 'অসমত অসমীয়া হৈ জীয়াই থাকিব বিচৰা বাবে আমাক আতিশয্য চলাই আহিছে। গতিকে আমাৰ প্ৰাণ ৰক্ষা কৰক।'

ইফালে, আজি সন্ধিয়া পুনৰ অসমৰ পাহাৰীয়া ভূমি আপাৰ তাৰাবাৰীত উত্তেজনাৰ সৃষ্টি হয়। গাঁওখনৰ মেঘালয়ৰ সমৰ্থনকাৰীসকলে অসমৰ সমৰ্থনকাৰীসকলক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰি হাতে হাতে টাঙোন, চোকা অস্ত্ৰ লৈ খেদি আহে। মেঘালয় সমৰ্থনকাৰী তথা অসম বিদ্বেষীসকলৰ মূৰ্তি দেখি ঘৰ-দুৱাৰ এৰি প্ৰায় ১৮টা পৰিয়ালে আহি গাঁওখনৰ অসমৰ গাঁওবুঢ়া পিটডন চাংমাৰ ঘৰত আশ্ৰয় লৈছে। বাতৰি লিখা পৰলৈকে গাঁওখনত তীব্ৰ উত্তেজনাই বিৰাজ কৰি আছে। অসমৰ গাঁওবুঢ়া চাংমাই জনোৱা মতে, হাতে হাতে লাঠি, চোকা অস্ত্ৰ লৈ অসম বিদ্বেষীসকলে গাঁওখনত অসমৰ সমৰ্থনকাৰীসকলৰ বিৰুদ্ধে হুংকাৰ দি পহৰা দি আছে। আজি অসমৰ ভূমি আপাৰ তাৰাবাৰীত মেঘালয় সমৰ্থনকাৰীসকলে ৰাজহুৱা সভা পাতি অসমীয়াসকলৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰাৰ পণ লয় বুলিও গাঁওবুঢ়াই জানিবলৈ দিয়ে। ফলত ভয়-আতংকত এতিয়া অসমৰ সমৰ্থনকাৰীৰ নিদ্ৰাহৰণ হৈছে। উল্লেখ্য যে গাঁওখনৰ অসমীয়া সকলে অসমৰ চৰকাৰী আঁচনিৰ চাউল গ্ৰহণ কৰা বাবে যোৱা ১১ জুলাইত অসম বিদ্বেষীসকলে অসমৰ সমৰ্থনত থকা অসমীয়াসকলক গাঁওখনৰ পৰা খেদি পঠিয়াইছিল। পুনৰ অসম আৰক্ষী আৰু মেঘালয়ৰ আৰক্ষীৰ মধ্যস্থতাত গাঁওবাসীক উভতাই নিয়া হৈছিল আপোন গাঁওখনলৈ। গঠন কৰি দিয়া হৈছিল শান্তি সমিতি; কিন্তু শান্তি সমিতিৰ সভাপতিজনেই অসমৰ সমৰ্থনত থকা অসমীয়াক শাৰিৰীক-মানসিক আতিশয্য চলাই অহা কাৰ্যত মুখ্য ভূমিকা লোৱাৰ অভিযোগ উঠিছে।

অসমীয়াসকলে অভিযোগ কৰে যে মেঘালয়ৰ পৰা ধনৰ টোপোলা লাভ কৰি অসমত বসবাস কৰা অসম বিদ্বেষীসকলে মেঘালয়ৰ প্ৰৰোচনাত অসমীয়াক শাৰিৰীক-মানসিক আতিশয্য চলাই আহিছে।

# কংগ্ৰেছ সভাপতি পদৰ মুখামুখি যুঁজত

এক পৃষ্ঠাৰ পৰা আহিলেও আজি সভাপতি পদৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে মনোনয়নপত্ৰ সংগ্ৰহ কৰে থাৰুৰে। কংগ্ৰেছৰ সূত্ৰত এই কথা প্ৰকাশ। কংগ্ৰেছৰ জি-২৩ গোট বা বিদ্ৰোহী গোটৰূপে পৰিচিত ২৩জন নেতাৰ ভিতৰত থাৰুৰেই প্ৰথমজন নেতা যিয়ে ৰাহুল-ছোনিয়াৰ আঢ়ৈ দশক সভাপতিত্বৰ পাছত দলৰ দায়িত্বভাৰ কান্ধত তুলি ল'বলৈ নিৰ্বাচনী যুঁজত প্ৰথম ঢাপ অতিক্ৰম কৰিলে। অৱশ্যে এই যুঁজ সহজ নহয়। সূত্ৰত প্ৰকাশ যে শেষ পৰ্যন্ত গান্ধী পৰিয়ালৰ কোনো সদস্যই যদি প্ৰতিদ্বন্দ্বিতা নকৰে, তেন্তে থাৰুৰৰ মূল প্ৰতিপক্ষ হ'ব ৰাজস্থানৰ মুখ্যমন্ত্ৰী তথা বৰ্ষীয়ান কংগ্ৰেছ নেতা আৰু গান্ধী পৰিয়ালৰ ঘনিষ্ঠৰূপে পৰিচিত গেহলট। মন কৰিবলগীয়া যে কংগ্ৰেছৰ সাম্প্ৰতিক ইতিহাসত প্ৰথমবাৰৰ বাবে সভাপতি পদৰ বাবে গান্ধী পৰিয়ালৰ সদস্যই প্ৰতিদ্বন্দ্বিতা নকৰাটো একপ্ৰকাৰ বিৰল বুলিয়ে ক'ব পাৰি। সম্প্ৰতি 'ভাৰত জোড়ো' আন্দোলনৰ নেতৃত্ব দিয়া ৰাহুলক সভাপতি পদত বহুৱাবলৈ অনুগত মহলটোৱে অনুনয়-বিনয় অব্যাহত ৰাখিছে। ৰাজনৈতিক বিশেষজ্ঞ মহলৰ শংকা যে আগন্তুক সময়ত ৰাহুলে দলীয় চাপত পৰা বুলি ঘোষণা কৰি প্ৰতিদ্বন্দ্বী হ'বলৈ আগবাঢ়িলে আচৰিত হ'বলগীয়া নাথাকিব। ছোনিয়া গান্ধী-ৰাহুলৰ নেতৃত্বৰ কংগ্ৰেছত ইমানদিনে এনে নাটকেই চলি অহা বুলিও এটা মহলে কয়। সকলো কুচকাৱাজ ছোনিয়া বা ৰাহুলকে শীৰ্ষ স্থানত বহুৱাবলৈ এই পৰ্যন্ত অব্যাহত থকাৰ বহু দৃষ্টান্ত আছে। এইবাৰো গেহলটেও ৰাহুলকে পুনৰ শীৰ্ষ পদলৈ উভতি আহিবলৈ আহ্বান জনাইছে। অৱশ্যে কংগ্ৰেছৰ সূত্ৰত প্ৰকাশ যে ২০১৯ৰ লোকসভা নিৰ্বাচনত চৰম বিপৰ্যয়ৰ পাছত কংগ্ৰেছ সভাপতিৰ পদ ত্যাগ কৰা ৰাহুলে পুনৰ দায়িত্বলৈ উভতিবলৈ বিচৰা নাই। একেৰাহে ১৯ বছৰ কংগ্ৰেছ সভানেত্ৰীৰ দায়িত্ব পালন কৰাৰ পাছত পুত্ৰ ৰাহুলৰ হাততে দলৰ বাঘজৰী তুলি দিছিল ছোনিয়াই। বিভিন্ন ঘটনাৰ পৰিক্ৰমাৰ পাছত ৰাহুলৰ পদত্যাগ আৰু এই পৰিস্থিতিত পুনৰ ছোনিয়াই অন্তৰ্বৰ্তীকালীন সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে আৰু এই পৰ্যন্ত তেৱেঁই দায়িত্বত আছে। অহা ১৭ অক্টোবৰত নিখিল ভাৰত কংগ্ৰেছৰ সভাপতিৰ নিৰ্বাচন হ'ব। এইবাৰ বিশেষকৈ বিদ্ৰোহী মহলৰ পৰা দলৰ পুনৰ গঠনৰ দাবীৰ লগতে গান্ধী পৰিয়ালৰ কোনো সদস্যই এই পদত অধিষ্ঠিত হ'ব নালাগে বুলি দলৰ ভিতৰে-বাহিৰে চৰ্চা-মত ব্যক্ত হৈছে।

আনহাতে, গেহলটৰ নাম উচ্চাৰিত হোৱাৰ পাছত অতি শেহতীয়াভাৱে ৰাহুলে এক ব্যক্তি, এক পদৰ দলীয় নীতিৰ প্ৰসংগ উত্থাপন কৰে। এইমৰ্মে গেহলট ৰাষ্ট্ৰীয় সভাপতি হ'লে তেওঁ এৰিব লাগিব মুখ্যমন্ত্ৰীৰ পদ। এই চৰ্চা তুংগত থকাৰ সময়তে যোৱা নিশা ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো' যাত্ৰা ত্যাগ কৰি শচীন পাইলটে ৰাজস্থানত উপস্থিত হৈ ৰাজ্যখনৰ বিধানসভাৰ অধ্যক্ষ চি পি যোশীক সাক্ষাতৰ পাছতে পাইলটে গেহলটৰ স্থানত অধিষ্ঠিত হ'ব নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে।

আজি ৰাজস্থানৰ একাধিক কংগ্ৰেছ বিধায়কৰ স'তে শচীনৰ বৈঠকৰ পাছত তেওঁৰ মুখ্যমন্ত্ৰিত্বৰ সম্ভাৱনা অধিক শক্তিশালী হৈছে। ৰাজস্থান কংগ্ৰেছৰ প্ৰাক্তন সভাপতি যোশী শচীনৰ দৰে ৰাহুলৰ ঘনিষ্ঠৰূপে পৰিচিত। সেয়েহে দুয়োৰে বৈঠক তাৎপৰ্যপূৰ্ণ বুলি কংগ্ৰেছৰ একাংশই ধাৰণা কৰে। কালিৰ বৈঠকত কংগ্ৰেছৰ একাধিক বিধায়ক আৰু মন্ত্ৰীও উপস্থিত আছিল। ইয়াৰ পাছত আজি ৰাজস্থানৰ মন্ত্ৰী ৰাজেন্দ্ৰ গোধাই কয়, 'শচীন পাইলটেই পৰৱৰ্তী মুখ্যমন্ত্ৰী হ'ব। কংগ্ৰেছৰ অধিকাংশ বিধায়কৰ লগতে বিএছপিৰ পৰা কংগ্ৰেছত যোগ দিয়া বিধায়কসকলেও তেওঁক সমৰ্থন জনাইছে। সূত্ৰত প্ৰকাশ যে পৰহি অৰ্থাৎ বৃহস্পতিবাৰে ৰাহুলে গেহলটক এই বাৰ্তা দিছিল যে তেওঁ কংগ্ৰেছ সভাপতি নিৰ্বাচিত হ'লে মুখ্যমন্ত্ৰীৰ পদ এৰিব লাগিব। কেৰালাৰ কোচিত এক সংবাদমেলত ৰাহুলে কয় যে উদয়পুৰৰ চিন্তন শিবিৰত দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰা হ'ব বুলি তেওঁ আশা কৰে। ইয়াৰ পাছতে গেহলটৰ উত্তৰসূৰী কোন হ'ব তাকে লৈ কংগ্ৰেছৰ ভিতৰচ'ৰাত চৰ্চা আৰম্ভ হয়। ৰাহুলৰ মন্তব্যৰ পূৰ্বে বুধবাৰে দিল্লীত ছোনিয়াৰ স'তে সাক্ষাৎ কৰিবলৈ আহি গেহলটে কৈছিল যে মন্ত্ৰী হৈ থাকিলেও কংগ্ৰেছ সভাপতি হ'ব পাৰি। এক ব্যক্তি এক পদৰ নীতি কেৱল মনোনীত পদৰ ক্ষেত্ৰতহে প্ৰযোজ্য। সভাপতি নিৰ্বাচনত যিকোনো মন্ত্ৰী, সাংসদ অথবা বিধায়কে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। তদুপৰি তেওঁ কয় যে একেলগে এটা-দুটা নহয়, তিনিটা পদো চম্ভালিব পাৰিব। এই কথা প্ৰকাশ কৰি কংগ্ৰেছৰ সূত্ৰই কয় যে প্ৰাথমিকভাৱে দলৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচিত হৈয়ো মুখ্যমন্ত্ৰী পদত বাহাল থাকিব বিচাৰিছে গেহলটে। তদুপৰি তেওঁৰ পদ এৰিলেও নিজস্ব আস্থাভাজন কাৰোবাক সেই পদত বহুৱাব বিচাৰে। মন কৰিবলগীয়া যে শচীনে গেহলটৰ বিৰুদ্ধে বিদ্ৰোহ প্ৰকাশ কৰিছিল বাবেই তেওঁ শচীনক মানি ল'ব নিবিচাৰে। অৱশ্যে পৰিৱৰ্তিত পৰিস্থিতিত শচীনৰ পাল্লা ভাৰি বুলিয়ে কংগ্ৰেছৰ একাংশই ধাৰণা কৰে।

# মন্ত্ৰী-বিষয়াৰ শিবিৰ উদ্বোধন

এক পৃষ্ঠাৰ পৰা বহুৱাই নিজে গাড়ী চলাই কাজিৰঙাৰ অভ্যন্তৰত প্ৰৱেশ কৰি পৰিদৰ্শন কৰে ৰাষ্ট্ৰীয় উদ্যানখন। কাজিৰঙাৰ এটি ৰিজৰ্টত অনুষ্ঠিত হোৱা চিন্তন শিবিৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এসময়ত অসমখন সমৃদ্ধিশালী আছিল আৰু ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় হাৰতকৈ অধিক আছিল। ৰাজ্যখনৰ জনমূৰি আয় ৰাষ্ট্ৰীয় হাৰতকৈ অধিক আছিল; কিন্তু বিগত ৭৫ টা বছৰত ৰাজ্যখনৰ বিকাশ যি ধৰণে হ'ব লাগিছিল সেয়া আশা কৰা ধৰণে হৈ নুঠিল। ১৯৫০ৰ বৰভুঁইকঁপ আৰু তাৰ ফলস্বৰূপে ধাৰাবাহিকভাৱে আৰম্ভ হোৱা বান আৰু খহনীয়াই ৰাজ্যবাসীৰ মনত নেতিবাচক প্ৰভাৱ পেলাইছিল। ৰাজ্যখনৰ উন্নয়নৰ গতি আশা কৰা ধৰণে হৈ নুঠাৰ এই কাৰণ ব্যাখ্যা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমান ৰাজ্য চৰকাৰখনে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাত একাধিক পদক্ষেপ গ্ৰহণ কৰাৰ ফলত অসমে আজি উন্নয়নৰ দিশত নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনত বিকাশৰ চৰম শিখৰলৈ লৈ যোৱাৰ বাবে চৰকাৰে দৃঢ় ব্যৱস্থা গ্ৰহণ কৰাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে চিন্তন শিবিৰত সম্বোধন কৰিবলৈ অহা সদগুৰুক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে ঈশা ফাউণ্ডেছনৰ হৈ প্ৰতিনিধিত্ব কৰা সদগুৰু আৰু ৰাজ্য চৰকাৰৰ হৈ মুখ্যমন্ত্ৰীয়ে এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ভূমি সুৰক্ষা আন্দোলন বিষয়ত স্বাক্ষৰিত এই বুজাবুজিৰ চুক্তিখনে মূলত কৃষি পদ্ধতিৰ বাবে মাটিৰ বহনক্ষম ব্যৱহাৰৰ ক্ষেত্ৰত ৰাজ্যখনক পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব বুলি ৰাজ্য চৰকাৰে আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটকৰ বাবে মুকলি কৰাৰ পাছতে মিহিমুখত সদগুৰুৰ উপস্থিতিত তিনিটাকৈ গঁড়ৰ মূৰ্তি উন্মোচন কৰা হয়। ৰাজ্য চৰকাৰে শেহতীয়াকৈ গঁড়ৰ খৰ্গ দাহন কৰাৰ ফলত সৃষ্টি হোৱা ছাই সংগ্ৰহ কৰি এই মূৰ্তি দুটা নিৰ্মাণ কৰা হৈছে। ২০২১ৰ ২২ ছেপ্টেম্বৰত অসম চৰকাৰে মুঠতে ২৪৭৯ টা গঁড়ৰ খৰ্গ দাহন কৰি গঁড়ৰ খৰ্গৰ যে কোনো ঔষধি মূল্য নাই সেই বিষয়ে এক বাৰ্তা প্ৰেৰণ কৰিছিল। ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা চিন্তন শিবিৰত ৰাজ্যিক কেবিনেটৰ সদস্য ক্ৰমে ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, ইউ জি ব্ৰহ্ম, পৰিমল শুক্লবৈদ্য, কেশৱ মহন্ত, ৰণোজ পেগু, অশোক সিংঘাল, যোগনে মহন, সঞ্জয় কিষাণ, অজন্তা নেওগ, পীযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱাও উপস্থিত থাকে। ইফালে ৰাজ্য চৰকাৰৰ মুখ্য সচিব পবন কুমাৰ বৰঠাকুৰকে ধৰি অন্যান্য আমোলা-বিষয়াসকল উপস্থিত থাকে। ২৬ ছেপ্টেম্বৰলৈ গোলাঘাট জিলাৰ বৰগছ ৰিজ'ৰ্টত আয়োজিত এই চিন্তন শিবিৰত কাইলৈ দ্বিতীয় দিনাৰ কাৰ্যসূচীত আধ্যাত্মিক গুৰু ৰবিশংকৰে অংশগ্ৰহণ কৰিব।

# অসমত শিশু পৰ্ণ'গ্ৰাফীৰ ভয়ংকৰ

এক পৃষ্ঠাৰ পৰা ডাউনলোড কৰা আৰু বিয়পোৱাৰ তথ্য সংগ্ৰহ কৰে তদন্তকাৰী দলে। বিভিন্ন কম্পিউটাৰত শিশুৰ পৰ্ণ'গ্ৰাফী লেনদেন সম্পৰ্কীয় তথ্য লাভ কৰে আৰু এই ভিত্তিতে তালাচী অভিযান আৰম্ভ কৰা হৈছে। ২০১৯ত এই অপৰাধ ৰোধ কৰিবলৈ চিবিআয়ে বিশেষ কোষ গঠন কৰিছিল। শিশু যৌন আতিশয্য আৰু যৌন শোষণ বিৰোধী কোষৰ কাম হৈছে ইণ্টাৰনেটত দৃষ্টি ৰাখি শিশুৰ পৰ্ণ'গ্ৰাফী বিয়পোৱাৰ ঘটনা চিহ্নিত কৰা আৰু অভিযুক্তৰ বিৰুদ্ধে পক্স' আৰু তথ্য প্ৰযুক্তি আইন অনুসৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ। অৱশ্যে এই চক্ৰক সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় কৰাটো সম্ভৱ হোৱা নাই বুলি অভিযোগ উঠিছিল। কিছুমাহ পূৰ্বে ৰাষ্ট্ৰীয় শিশু অধিকাৰ সংৰক্ষণ আয়োগ (এনচিপিচিআৰ)-এ ইণ্টাৰনেটত শিশু পৰ্ণ'গ্ৰাফীৰ দৌৰাত্ম্যক লৈ উদ্বেগ প্ৰকাশ কৰিছিল।

'অপাৰেচন মেঘচক্ৰ' হৈছে আজি পৰ্যন্ত শিশু পৰ্ণ'গ্ৰাফীৰ বিৰুদ্ধে চিবিআয়ে চলোৱা সৰ্ববৃহৎ অভিযান। চিবিআইৰ বিষয়াই এই তথ্য সদৰী কৰি কয় যে বিভিন্ন সামাজিক মাধ্যমৰ জৰিয়তে এনে ফটো-ভিডিঅ' আদি প্ৰচাৰ কৰি নাবালক-নাবালিকাক ব্লেকমেইল কৰা অভিযুক্ত আৰু দলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণেই অভিযানৰ মূল উদ্দেশ্য। চিবিআয়ে এই অভিযোগ সন্দৰ্ভত ছিংগাপুৰত অৱস্থিত ইণ্টাৰপ'লৰ কাৰ্যালয়ৰ পৰাও তথ্য লাভ কৰা বুলি কয়। বিগত বৰ্ষত চিবিআয়ে একে ধৰণৰ আন এক অভিযান চলাইছিল। ইয়াৰ নাম দিয়া হৈছিল 'অপাৰেচন কাৰ্বন'। এই অভিযানত 'ক্লাউড ষ্ট'ৰেজ ফেচিলিটী'ৰ জৰিয়তে শিশু পৰ্ণ'গ্ৰাফিক সামগ্ৰী বিতৰণত জড়িত থকা সৰবৰাহকাৰীসকলক লক্ষ্য কৰি লোৱা হৈছিল। তাৰেই শৃংখলৰূপে আজিৰ অভিযান বুলি চিবিআইৰ বিষয়াই কয়।

বিগত সপ্তাহত দেশৰ উচ্চতম ন্যায়ালয়ে শিশু পৰ্ণ'গ্ৰাফীৰ গোচৰসমূহ নিৰীক্ষণৰ বাবে কেনে ব্যৱস্থাৱলী আছে সেই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰক বিতং প্ৰতিবেদন দাখিল কৰিবলৈ কয়। এই বিষয়ত ইণ্টাৰনেট কোম্পানীসমূহৰ পৰাও উচ্চতম ন্যায়ালয়ে অৱস্থিতিৰ সম্পৰ্কত প্ৰতিবেদন বিচাৰে। ২০১৫ৰ পৰাই উচ্চতম ন্যায়ালয়ে শিশু পৰ্ণ'গ্ৰাফীৰ বিষয়টোৰ ওপৰত দৃষ্টি ৰাখিছে। এটা স্বেচ্ছাসেৱী সংগঠনে তদানীন্তন মুখ্য ন্যায়াধীশ এইছ এল দাত্তুক দুটা ধৰ্ষণৰ ভিডিঅ'ৰ প্ৰচাৰৰ সন্দৰ্ভত পত্ৰ প্ৰেৰণৰ পাছতেই উচ্চতম ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত দৃষ্টি ৰাখি আহিছে। ২০১৭ৰ এক শুনানিত চৰকাৰ আৰু গুগল, মাইক্ৰ'ছফ্ট, ফেচবুকৰ দৰে ইণ্টাৰনেট জগতৰ বিশাল মঞ্চসমূহেও এই কথাত সন্মতি প্ৰকাশ কৰে যে ধৰ্ষণ আৰু শিশু পৰ্ণ'গ্ৰাফীৰ ভিডিঅ'সমূহ ৰোধ কৰাৰ প্ৰয়োজন আছে।

### অসমতো শিশু পৰ্ণ'গ্ৰাফীৰ জাল ঃ ক'ত চলিল অভিযান

চিবিআইৰ এক বিবৃতিত সদৰী কৰা অনুসৰি এই অভিযান অতি জটিল যদিও ইয়াক পৰিকল্পিতভাৱে আৰম্ভ কৰা হৈছে। অভিযান চলোৱা স্থানসমূহৰ ভিতৰত অসমৰ গুৱাহাটী আৰু ধেমাজিৰ উপৰি অৰুণাচল প্ৰদেশৰ ইটানগৰ, ত্ৰিপুৰাৰ আগৰতলাও আছে। তদুপৰি হাৰিয়ানাৰ ফাতেহাবাদ, উত্তৰাখণ্ডৰ ডেৰাডুন, গুজৰাটৰ কচ্ছ, লোনাৱাড়া, গোধ্ৰা, উত্তৰ প্ৰদেশৰ গাজিয়াবাদ, মহাৰাজগন আৰু হাথৰছ, পশ্চিমবংগৰ মুৰ্ছিদাবাদ, বৰ্ধমান, মহাৰাষ্ট্ৰৰ মুম্বাই, পুনে, নাছিক, থানে, নান্দেড, ছোলাপুৰ, কোলাহপুৰ আৰু নাগপুৰ, ঝাৰখণ্ডৰ ৰাঁচি, অন্ধ্ৰপ্ৰদেশৰ চিত্তোৰ, দিল্লী, কেৰালাৰ চেলাক্কাৰা, মাদুৰাইৰ ডিণ্ডিগুল, পঞ্জাবৰ গুৰুদাসপুৰ আৰু হোছিয়াৰপুৰ, চেন্নাই, ধানবাদ, ৰাজকোট, গোৱা, হায়দৰাবাদ, আজমেৰ, জয়পুৰ, তামিলনাডুৰ কোড্ডাল'ৰ, কেৰালাৰ মালাপুৰম, বিহাৰৰ ভাগলপুৰ, আৰান, হিমাচল প্ৰদেশৰ মাণ্ডি আদি। চিবিআইৰ বিবৃতিত প্ৰকাশ যে শিশুৰ বিৰুদ্ধে যৌন আতিশয্যৰ সামগ্ৰী ডাউনলোড আৰু বিতৰণৰ দুটা গোচৰ ৰুজু হৈছিল। এই গোচৰ দুটা ছিংগাপুৰৰ ইণ্টাৰপ'লৰ শিশুৰ বিৰুদ্ধে অপৰাধ ৰোধ (চিএচি) ইউনিটৰ পৰা লাভ কৰা তথ্য অনুসৰি ৰুজু কৰিছিল চিবিআয়ে। ছিংগাপুৰৰ ইণ্টাৰপ'লে এই তথ্য লাভ কৰিছিল নিউজিলেণ্ডৰ আৰক্ষীৰ পৰা। সংশ্লিষ্ট দেশৰ আৰক্ষীৰ স'তে এই তথ্য সৰবৰাহ কৰা হৈছিল। এই অভিযোগত কোৱা হৈছে যে বহুসংখ্যক ভাৰতীয় নাগৰিক চাইল্ড ছেক্স'ৱেল এবিউজ মেটেৰিয়েল (চিএএছএম)ৰ বিতৰণ, ডাউনলোডিং আৰু সৰবৰাহৰ স'তে জড়িত আছে। 'ক্লাউড' ভিত্তিক ষ্ট'ৰেজ ব্যৱহাৰ কৰি এই ডাউনলোড সৰবৰাহ-বিতৰণ আদি কৰা হয়। নিউজিলেণ্ডৰ আইন ৰূপায়ণকাৰী কৰ্তৃপক্ষৰ পৰা ইণ্টাৰপ'লত লাভ কৰা তথ্য চিবিআয়ে পৰীক্ষা-নিৰীক্ষা কৰে আৰু সন্দেহযুক্ত লোকসকলক চিনাক্ত কৰি অভিযান আৰম্ভ কৰে। বিগত বৰ্ষত চিএএছএমৰ বিৰুদ্ধে চলোৱা অপাৰেচন কাৰ্বনৰ পৰৱৰ্তী পৰ্যায় আজিৰ এই বৃহৎ অভিযান বুলি বিবৃতিত প্ৰকাশ কৰা হয়।

অভিযানকালত ৫০জনৰো অধিক অভিযুক্তৰ ইলেক্ট্ৰনিক সামগ্ৰী যেনে ম'বাইল, লেপ টপ আদি জব্দ কৰা হয়। চাইবাৰ ফৰেনচিক টুল ব্যৱহাৰ কৰি এই সামগ্ৰীসমূহৰ প্ৰাথমিক পৰীক্ষা-নিৰীক্ষাত উন্মোচিত হৈছে বহুসংখ্যক এনে জব্দকৃত সামগ্ৰীত আছে বৃহৎ পৰিমাণৰ শিশু যৌন আতিশয্যৰ সামগ্ৰী অৰ্থাৎ চিএছএএম। সম্প্ৰতি চিবিআয়ে এই সন্দেহযুক্ত অভিযুক্তসকলক চিএছএএমৰ সন্দৰ্ভক সোধপোছ কৰি আছে। ধৃতসকলৰ ম'বাইল ফোন আৰু লেপটপত উদ্ধাৰ হোৱা এনে সামগ্ৰী ক'ৰ পৰা কিদৰে আহিল এই সম্পৰ্কে সোধপোছ চলাই আছে চিবিআয়ে। ইয়াৰ দ্বাৰা ঘটনাৰ বলি শিশু আৰু আতিশয্যকাৰীক চিনাক্ত কৰিবলৈ তদন্ত অব্যাহত আছে বুলি চিবিআয়ে কয়। বিবৃতিত প্ৰকাশ যে 'অপাৰেচন মেঘচক্ৰ' হৈছে চিবিআইৰ নেতৃত্বত শেহতীয়াভাৱে চলা বিশ্বজোৰা এক অন্যতম অভিযান।

আন্তৰ্জাতিক যোগসূত্ৰ থকা অনলাইন শিশু যৌন আতিশয্যৰ গোচৰৰ প্ৰতি দ্ৰুত সঁহাৰি জনাই শেহতীয়াভাৱে চিবিআইৰ নেতৃত্বত এই আন্তৰ্জাতিক পৰ্যায়ৰ অভিযান চলোৱা হয় বুলি বিবৃতিত তদন্তকাৰী সংস্থাটোৱে প্ৰকাশ কৰিছে। বিশ্বজুৰি বিভিন্ন স্থানত বিয়পি থকা অভিযুক্ত, সন্দেহজনক লোক, ষড়যন্ত্ৰকাৰীয়ে ভুক্তভোগীৰ বিৰুদ্ধে চলোৱা চাইবাৰ বিত্তীয় অপৰাধৰ এনে দ্ৰুত সঁহাৰিৰ বাবে প্ৰয়োজন বিশ্বজোৰা আইন ৰূপায়ণকাৰীৰ সংহত সমৰ্থন। 'অপাৰেচন মেঘচক্ৰ'ই ভাৰতৰ বিভিন্ন আইন ৰূপায়ণকাৰী সংস্থাৰ পৰা তথ্য সংগ্ৰহ কৰাৰ লগতে বিশ্বৰ বিভিন্ন এনে সংস্থাৰ স'তে জড়িত হোৱাৰ উপৰি ইণ্টাৰপ'লৰ বিভিন্ন চেনেলসমূহৰ স'তে নিকট সম্পৰ্ক ৰক্ষা কৰি শিশুৰ বিৰুদ্ধে অনলাইন যৌন আতিশয্য ৰোধৰ চেষ্টা চলাইছে। তদুপৰি এই ধৰণৰ সংঘবদ্ধ চাইবাৰ অপৰাধী কাৰ্যকলাপৰ বিৰুদ্ধে সক্ৰিয় বুলিও চিবিআয়ে বিবৃতিত কয়। 'অপাৰেচন মেঘচক্ৰ'ৰ সফলতাৰ তথা চাইবাৰ অপৰাধ নেটৱৰ্ক উৎখাত কৰিবলৈ চিবিআয়ে ইণ্টাৰপ'ল আৰু বিদেশী আইন ৰূপায়ণকাৰী সংস্থাৰ স'তে বহুলানি বৈঠক সম্পন্ন কৰে।

# উপযাচি শত্ৰুতা নকৰে, কিন্তু আক্ৰমণকাৰী

এক পৃষ্ঠাৰ পৰা বাবে অন্তৰত কৰুণাৰ ভাব জন্মোৱা উচিত বুলি মন্তব্য কৰি কেৰালাৰ ৰাজ্যপালে কয় যে নাৰীয়ে স্বভাৱজাতভাৱে কৰুণা আহৰণ কৰে। ভাৰতৰ সভ্যতা-সংস্কৃতিৰ গৌৰৱময় ইতিহাস প্ৰসংগত বক্তব্য দাঙি ধৰি খানে কয় যে প্ৰফেটত ভাৰত বন্দনাৰ কথাও উল্লেখ আছে। তেওঁ কয় যে পৃথিৱীৰ বিভিন্ন দেশ যেনে ইৰান বৈভৱৰ বাবে, চীন কৌশলৰ বাবে, ৰোম সৌন্দৰ্যৰ বাবে আৰু তুৰস্ক শক্তিৰ বাবে প্ৰসিদ্ধ; কিন্তু ভাৰতেই একমাত্ৰ দেশ যি জ্ঞান আৰু প্ৰজ্ঞাৰ সংবৰ্ধনৰ বাবে প্ৰসিদ্ধ। সাৰ্বভৌমত্ব ভাৰতৰ বাবে কেৱল সংবিধান প্ৰদত্ত নহয় বুলি মন্তব্য কৰি ৰাজ্যপাল খানে কয় যে ভাৰতবৰ্ষ স্বভাৱগতভাৱে এখন সাৰ্বভৌম ৰাষ্ট্ৰ আছিল বুলি ইতিহাসৰ পাত খুচৰিলে স্পষ্ট হয়। তেওঁ লগতে কয় যে ভাৰতে কাৰো স'তে উপযাচি শত্ৰুতা নকৰে কিন্তু দেশখনে আক্ৰমণকাৰী শক্তিক প্ৰশ্ৰয়ো নিদিয়ে। ভাৰতৰ সাম্যবাদী সংস্কৃতি পাঁচ হেজাৰ বছৰ পুৰণি বুলি দোহাৰি তেওঁ কয় যে ভাৰতীয়ৰ কোমল শক্তিক আঘাত কৰিলে তাক কঠিন শক্তিৰে প্ৰতিৰোধ কৰিব লাগিব। উল্লেখ্য যে আজিৰ এই সামৰণি অনুষ্ঠানত উপস্থিত থকা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সাধাৰণ সম্পাদক দত্তাত্ৰেয় হোছবোলেই ভাষণ প্ৰসংগত কয় যে এখন ৰাষ্ট্ৰ ক্ৰমে সংবিধান, শাসন, মুদ্ৰা আৰু নিয়মৰ দ্বাৰা গঠিত নহয়, ৰাষ্ট্ৰ এখন গঠিত হয় ভূমি, জন, সংস্কৃতিৰ দ্বাৰাহে। লোক পৰম্পৰাবোৰৰ মাজত ৰাষ্ট্ৰীয় চেতনা জীৱিত হৈ থাকে বুলি মন্তব্য কৰি আৰএছএছৰ দ্বিতীয় শীৰ্ষতম নেতাজনে কয় যে বৰ্তমান লোক পৰম্পৰাসমূহ কেৱল কিতাপ আৰু আলোচনাৰ বিষয় হৈ পৰিছে। এই পৰম্পৰাসমূহ প্ৰয়োগ নহ'লে ই ভৱিষ্যতে সংগ্ৰহালয়ৰ বিষয় হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে।

সামৰণি অনুষ্ঠানত আদৰণি ভাষণ পাঠ কৰে ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্তই। উপস্থিত অভ্যাগতসকলক আদৰণি জনাই মহন্তই কয় যে লোকমন্থন অনুষ্ঠান আয়োজনৰ বাবে উত্তৰ-পূৰ্বাঞ্চলতকৈ উপযুক্ত স্থান আৰু নাই। প্ৰায় ২৭০ টাতকৈ অধিক জনগোষ্ঠী, ১৮৫ টাতকৈও অধিক ভাষাৰে বৈচিত্ৰ্যময় উত্তৰ-পূৰ্বাঞ্চল পৃথিৱীৰ ভিতৰতে এক অনবদ্য অঞ্চল। উল্লেখ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ৰাষ্ট্ৰীয় বৌদ্ধিক সংগঠন প্ৰজ্ঞা প্ৰৱাহৰ লোকমন্থন অনুষ্ঠানৰ তৃতীয় সংস্কৰণৰ প্ৰতিটো দিনৰ কাৰ্যসূচীতে হেজাৰ হেজাৰ লোকে কলাক্ষেত্ৰত উপস্থিত হৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ স্বকীয় কৃষ্টি-সংস্কৃতি উপভোগ কৰে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ভালেসংখ্যক পণ্ডিত-বুদ্ধিজীৱীয়ে লোক পৰম্পৰা আৰু লোকসংস্কৃতিৰ সন্দৰ্ভত মতামত ব্যক্ত কৰে।

# কেৱল মানুহ মাৰিবলৈহে কলিতা

এক পৃষ্ঠাৰ পৰা সাধাৰণ সম্পাদক পুতুল কলিতাই আজি আলফা আৰু আছুৰ বিৰুদ্ধে সৰৱ হৈ কয়, 'আলফাই কেৱল মানুহ হত্যা কৰাৰ বাবেহে কলিতা জনগোষ্ঠীৰ যুৱকসকলক সংগঠনটোৰ সদস্য হিচাপে নিয়োগ কৰিছিল। কলিতা জনগোষ্ঠীৰ লোকসকলে সেই কথা এতিয়া বুজি উঠিছে। কাৰণ কলিতাসকলে জনজাতিকৰণৰ দাবী উত্থাপন কৰাৰ পাছতো জনগোষ্ঠীটোৰ সপক্ষে আলফা বা আছুৱে কোনো মাত মতা নাই।' বাগ্‌সা জিলাৰ বাগানপাৰাৰ নিকটৱৰ্তী বাঁহজানী চুবুৰিত আজি অনুষ্ঠিত বাগ্‌সা জিলা কলিতা আলপাইন জনগোষ্ঠীৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাৰ উদ্বোধন কৰি ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদকজনে প্ৰতিজন কলিতা জনগোষ্ঠীৰ লোকক নিজৰ প্ৰাপ্য অধিকাৰ আঁজুৰি আনিবলৈ ঐক্যবদ্ধ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ আহ্বান জনায়। জিলা সন্মিলনৰ সভাপতি ৰামেশ্বৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ৰাজ্যিক সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে অংশ লৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত কয় যে অসমৰ ইতিহাসৰ আটাইতকৈ প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠীটোৱেই হৈছে কলিতাসকল। এই জনগোষ্ঠীটোক বাদ দি ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব বিচৰা কাৰ্য কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। কলিতাসকলক বঞ্চিত কৰি নতুনকৈ অসমলৈ অহা জনগোষ্ঠীসমূহক ভূমিপুত্ৰৰ মৰ্যাদা দিব বিচৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয় বুলি দোহাৰি তেওঁ কয় যে কলিতাসকল ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈছে। ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়াৰ সময় হ'ল। তেওঁ কয়, 'সেইসকল জনগোষ্ঠীয় লোকহে আমাৰ ভাই, যিসকলে আমাৰ জনজাতিকৰণ বিচাৰে।' ভাৰতীয় সংবিধানৰ সংৰক্ষণ ব্যৱস্থাই আৰু অধিক জটিলতাৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে এই সংৰক্ষণ ব্যৱস্থা উঠাই দিব লাগে। কলিতাসকলে জনজাতিকৰণ তথা প্ৰাগজ্যেতিষপুৰ স্বায়ত্তশাসিত পৰিষদ নোপোৱালৈকে কাম কৰি যাব বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে আজি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ আৰু সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত প্ৰতিনিধি সভাত দেবেন ডেকাক সভাপতি, অনিল ডেকাক কাৰ্যকৰী সভাপতি, জিতেন কলিতা, ৰমেশ কলিতা আৰু উদয় কলিতাক সভাপতি, পংকজ কলিতাক সাধাৰণ সম্পাদক আৰু গৌতম কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া কমিটী গঠন কৰা হয়।

# গেৰুকামুখত পাহাৰ খহি নিৰ্মীয়মান

এক পৃষ্ঠাৰ পৰা ফলত যোৱা নিশা নিৰ্মীয়মান প্ৰকল্পৰ মূল বান্ধৰ ওপৰেৰে পানী বাগৰিবলৈ ধৰাত একপ্ৰকাৰ শ্ৰমিক আৰু নিৰ্মাণ সংস্থাটোৰ মাজত আতংকময় পৰিৱেশ সৃষ্টি হৈছে। উল্লেখ্য যে সোৱণশিৰি নদীৰ তীব্ৰ সোঁতৰ বাবে হোৱা গৰাখহনীয়াত ডাইভাৰ্ছন টানেল বন্ধ হোৱাত প্ৰকল্পৰ সোঁফালে পাহাৰ খান্দি সুৰংগ নিৰ্মাণেৰে প্ৰকল্পস্থলীত শ্ৰমিক-কৰ্মচাৰী আৰু বিষয়াসকলৰ উপস্থিত হোৱাৰ বাবে পথ নিৰ্মাণ কৰা হৈ থকা সময়তে সংস্থাটোৱে বাৰে বাৰে ভীষণ বাধাৰ সন্মুখীন হৈ আহিছে। লক্ষণীয় যে ১১৬ মিটাৰ উচ্চতাৰ এই নিৰ্মাণ কাৰ্য প্ৰায় ৯০ শতাংশ সম্পূৰ্ণ হৈ উঠিছে; কিন্তু দুটা সুৰংগ বন্ধ হৈ পৰাত সোৱণশিৰি পৃষ্ঠভূমিৰ পানীৰ সোঁতৰ তীব্ৰতা বাঢ়ি নিৰ্মীয়মান গেটৰ ওপৰেৰে পানী বাগৰিবলৈ ধৰে। এনেদৰে তীব্ৰ খহনীয়া সৃষ্টি হোৱাত এনএইছপিচিৰ নিৰ্মাণ সংস্থাটোৰ লগতে নৈৰপৰীয়া লোকৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। সম্প্ৰতি ধেমাজিৰ এটা অংশত প্ৰৱল বানৰো আশংকা ঘনীভূত হৈছে। যাৰ বাবে নৈপৰীয়া লোকসকলক সকলো সময়তে সতৰ্ক হৈ থাকিবলৈ প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনাইছে।

ইপিনে, প্ৰকৃতি ৰুষ্ট হোৱাৰ বাবেই এনএইছপিচিয়ে কেন্দ্ৰীয় শক্তি মন্ত্ৰী ৰাজ কুমাৰ সিঙে ঘোষণা কৰাৰ ধৰণে জানুৱাৰী মাহত বিদ্যুৎ উৎপাদনৰ কাম আৰম্ভ কৰাৰ ক্ষেত্ৰতো প্ৰশ্নচিহ্ন লাগিছে। পুনৰ ভূমিস্খলনৰ হোৱাৰ ফলত এতিয়া নিৰাপত্তাহীনতাত ভুগিছে শ্ৰমিক আৰু নামনিবাসীয়ে। সুৰংগ খহি ইতিমধ্যে সোৱণশিৰি নদীৰ পানীয়ে বাধা সৃষ্টি কৰি আহিছে প্ৰকল্পৰ কাম-কাজত। অতিপাত বৰষুণৰ ফলত থুনুকা পাহাৰে যিকোনো সময়তে বান্ধটোলৈ আনিব পাৰে বিপদ। ইতিমধ্যে আংশিকভাৱে বন্ধ কৰিবলৈ বাধ্য হৈছে মূলবান্ধৰ কাম-কাজ। উল্লেখ্য যে যোৱা ১৩ জুনত কেন্দ্ৰীয় শক্তিমন্ত্ৰী সিঙে ঘোষণা কৰিছিল যে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত ডিচেম্বৰ-জানুৱাৰীত বিদ্যুৎ উৎপাদনৰ কাম আৰম্ভ হ'ব। এনে সময়তে অনিশ্চয়তাত ভুগিবলগীয়া হৈছে প্ৰকল্প কৰ্তৃপক্ষ আৰু পাহাৰৰ নামনিত বাস কৰা লোকসকলে। এইক্ষেত্ৰত স্থানীয় যুৱক তথা আটাছুৰ প্ৰচাৰ সম্পাদক তুলাৰাম গগৈয়ে কয়, 'বিশেষজ্ঞ কমিটিৰ প্ৰতিবেদনতে স্পষ্ট কোৱা হৈছে যে গেৰুকামুখৰ দৰে থুনুকা পাহাৰত কেতিয়াও বৃহৎ নদীবান্ধৰ পোষকতা কৰা নহয়। অৰুণাচল প্ৰদেশৰ পাহাৰ নিচেই কোমল। একেদৰে উক্ত ঠাই ভূমিকম্প প্ৰৱণ অঞ্চল। এই কোমল পাহাৰত নদীবান্ধ নিৰ্মাণ কৰাটো অমূলক। তাৰ পাছতো বিশেষজ্ঞ সমিতিৰ কথা আওকাণ কৰি আৰু দল-সংগঠনৰ প্ৰতিবাদক অংগুষ্ঠ প্ৰদৰ্শন কৰি ২০০০ মেগাৱাট আৰু ১১৬ মিটাৰ উচ্চতাৰ জলবিদ্যুৎ উৎপাদন কামত হাত উজান দিছে বিজেপি নেতৃত্বাধীন চৰকাৰে। শাসনৰ বাঘজৰী নথকাৰ সময়ত বিজেপিয়ে দলৰ কেন্দ্ৰীয় নেতৃত্বক লগত লৈ সোৱণশিৰি বৃহৎ নদীবান্ধৰ বিৰোধিতা কৰিছিল। সেই একেটা দলে শাসনলৈ অহাৰ পাছত উক্ত জলবোমা সদৃশ প্ৰকল্প নিৰ্মাণ কৰাত উঠিপৰি লাগিছে। ইয়াৰ মানে কি?' এইক্ষেত্ৰত বিজেপি চৰকাৰক মিথ্যাচাৰী আখ্যা দি ৰাইজে ইয়াৰ বিচাৰ কৰিব বুলি আটাছু নেতাজনে কয়। ইফালে, যিসকল খিলঞ্জীয়া শ্ৰমিকে প্ৰকল্পটোত কাম কৰি আছে, তেওঁলোকো নিৰাপত্তাহীনতাত ভুগি আছে। ইতিমধ্যে জ্ঞাত-অজ্ঞাতভাৱে বহু শ্ৰমিক প্ৰকল্পস্থলীত নিহত-আহত হৈছে যদিও তাৰ হিচাপ নাই এনএইছপিচি কৰ্তৃপক্ষৰ হাতত। তদুপৰি লখিমপুৰ-ধেমাজি-মাজুলীবাসী আজিও আতংকিত। সভ্যতা আৰু সংস্কৃতিৰ প্ৰতি ভাবুকি অনা জলবোমা সদৃশ এনে প্ৰকল্প ৰাইজে কেতিয়াও গ্ৰহণ নকৰে বুলি উল্লেখ কৰে আটাছুৰ নেতাজনে।

# লোকসংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাস

এক পৃষ্ঠাৰ পৰা হ'বলৈ আৰম্ভ কৰিছে। নৈতিক আদৰ্শ আৰু চিন্তন-মননবোৰো নতুনকৈ বিশ্লেষণ হ'বলৈ আৰম্ভ কৰিছে। পূৰ্বৰ বহুত অবৈধ কথা-কামবোৰ এতিয়া মানুহে বৈধ বা গ্ৰহণীয় বুলি ভাবিবলৈ আৰম্ভ কৰিছে। এনে হৈছে সময়ৰ প্ৰয়োজনত।

এনে দৃষ্টিৰে ড° প্ৰবীণ চন্দ্ৰ দাসৰ মৃত্যুক চাব পাৰি। বিশ্লেষণ কৰাৰ পূৰ্বে তলৰ কথাখিনি ক'ব লাগিব।

প্ৰবীণ চন্দ্ৰ দাসৰ বয়স ৮০ বছৰ। জন্ম হাজোত ১৯৪২ত। ঘৰুৱা অৱস্থা বৰ সন্তোষজনক নাছিল। তথাপি তেওঁ এগৰাকী মেধাৱী ছাত্ৰ হিচাপে নিজকে গঢ়ি তুলিব পাৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল আৰু শ্বিলঙৰ ছেইন্ট এডমাণ্ড কলেজত প্ৰৱক্তা হিচাপে কৰ্মত যোগদান কৰিছিল। পাছলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰিছিল। সেই সময়তেই তেওঁ লোককলা বিভাগত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। সেই সময়ৰ মৃত্যুৰ দিনলৈ তেওঁ লোকসংস্কৃতিৰ চৰ্চাতেই নিমগ্ন থাকিল। নিজকে তেওঁ দেশৰ এগৰাকী আগশাৰীৰ লোকসংস্কৃতিবিদ হিচাপে গঢ়ি তুলিব পাৰিলে। ড° প্ৰফুল্ল দত্ত গোস্বামী; ড° বীৰেন্দ্ৰ নাথ দত্ত আৰু ড° নবীন চন্দ্ৰ শৰ্মা আৰু ড° প্ৰবীণ চন্দ্ৰ দাসৰ গোটটোৰ বৌদ্ধিক কাম-কাজৰ কথা অসমৰ সংস্কৃতিৰ প্ৰতি অনুৰাগী ব্যক্তিসকলে জানেই। অসমৰ লোকসংস্কৃতিৰ বৌদ্ধিক চৰ্চা বুলিবলৈ হ'লে আমি এই চাৰিওগৰাকী পণ্ডিতৰ কথা উল্লেখ কৰিবই লাগিব। ইতিমধ্যে আমি ড° প্ৰফুল্ল দত্ত গোস্বামীক হেৰুৱাইছো। এইবাৰ ড° গোস্বামীৰ নেতৃত্বত গৱেষণা কৰা ড° প্ৰবীণ চন্দ্ৰ দাসো আমাৰ মাজৰ পৰা হেৰাই গ'ল।

ড° দাসৰ জনপ্ৰিয়তা দুটা ক্ষেত্ৰত অতি প্ৰকট। প্ৰথম, ছাত্ৰ সমাজত আৰু দ্বিতীয়তে, সাধাৰণ জনতাৰ মাজত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন এছ এছৰ সঞ্চালক পদত থকাৰ সময়ত তথা শ্ৰেণীসমূহৰ সচিব হৈ থকাৰ সময়ত তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ লগত ঘনিষ্ঠভাৱে মিলি যাবলৈ যত্ন কৰিছিল। যেতিয়াই বিশ্ববিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰসকলৰ মাজত কিবা নহয় কিবা এটা বিষয়ত সংঘৰ্ষ ঘটিছিল, তেতিয়া তেওঁ ছাত্ৰ সমাজৰ সপক্ষে থাকি সমস্যাৰ সমাধান ঘটাব বিচাৰিছিল। তেনে কৰিবলৈ যাওঁতে বহুত সময়ত তেওঁ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ দ্বাৰা সমালোচিতও হৈছিল। আমি বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী সদস্য হৈ থকাৰ সময়ত তেনে কথাবোৰ দেখিছিলো; কিন্তু পাছলৈ ড° দাসৰ কথাবোৰেই গ্ৰাহ্য হৈছিল।

ড° দাসৰ গৱেষণা প্ৰবৃত্তি আছিল অতি বিস্তৃত। বিশেষকৈ লোকসংস্কৃতি বা অসংস্কৃতিৰ ক্ষেত্ৰত। আৰু এটা কথা, তীৰ্থনগৰী হাজো সম্পৰ্কে তেওঁৰ অধ্যয়ন মন কৰিবলগীয়া। তেওঁ পি এইছ ডি-গৱেষণা গ্ৰন্থখনো আছিল হাজোকেন্দ্ৰিক। তাৰ পাছতো তেওঁ হাজো সম্পৰ্কে অনেক সৰু-বৰ গ্ৰন্থ লিখিছে। অসমীয়াতো লিখিছে আৰু ইংৰাজীতো লিখিছে। তেওঁৰ তেনে লেখনিয়ে আমাৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। তেনে পৰিৱেশতেই আমিও হাজো সম্পৰ্কে লিখিবলৈ আৰম্ভ কৰিছিলো। অসম চৰকাৰেও আমাক ২০১৩-১৪ত হাজোৰ ওপৰত এখন 'কফি-টেবুল বুক' লিখিবলৈ দায়িত্ব দিছিল। গ্ৰন্থখন ইংৰাজীতে লিখিবলৈ কৈছিল। ২০১৪ত গ্ৰন্থখন অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে সুন্দৰকৈ প্ৰকাশ কৰিছিল। তাৰ পাছতো তীৰ্থনগৰী হাজোলৈ অহা পৰ্যটকসকলৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি অসমীয়া আৰু ইংৰাজী ভাষাতো সৰু সৰু গ্ৰন্থ লিখিছিলো। নেপথ্যৰ প্ৰেৰণা আছিল ড° প্ৰবীণ চন্দ্ৰ দাস।

ক'বলৈ গ'লে অসমত লোকসংস্কৃতিৰ পদ্ধতিগত অধ্যয়নৰ বাটকটীয়া আছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱা; কিন্তু লোকসংস্কৃতিৰ অধ্যয়নক বিশ্ব দৰবাৰলৈ নিয়া ব্যক্তিগৰাকী আছিল ড° প্ৰফুল্ল দত্ত গোস্বামী। সেইগৰাকী ব্যক্তিৰ নেতৃত্বতেই ড° দাসে কাম কৰাৰ অনুপ্ৰেৰণা লাভ কৰিছিল। আমাৰ বোধেৰে অসমৰ লোকসংস্কৃতিক বিশ্ববাসীৰ সন্মুখত দাঙি ধৰা ব্যক্তিগৰাকী আছিল ড° প্ৰফুল্ল দত্ত গোস্বামী।

এবাৰ আমি ড° দাসক অনুৰোধ কৰিলো মোক প্ৰফুল্ল দত্ত গোস্বামীৰ লগত চিনাকি কৰাই দিবলৈ। কথা মতে কাম। ড° দাসে এদিন মোক ড° গোস্বামীৰ ঘৰলৈ লৈ গ'ল। পিছে এবাৰ নহয়, কে'বাবাৰো ড° দাসে আমাক ড° গোস্বামীৰ ঘৰলৈ নিলে। পাছলৈ ড° গোস্বামীয়ো আমাৰ বাবে এগৰাকী অন্তৰংগ পথ প্ৰদৰ্শক হৈ পৰিল।

আমি ভাবিছিলো ড° দাস লোকসংস্কৃতিৰ ক্ষেত্ৰখনতেই আৱদ্ধ থাকিব নেকি! আমাৰ ভাবনা মিছা বুলি প্ৰমাণিত হ'ল। 'বন বিৰিণাৰ ছাঁত', 'বসন্তৰ বাউলি বোকোচাত' আদি গ্ৰন্থৰ পাতত তেওঁৰ সৃষ্টিশীল আৰু কোমল মনৰ মানুহ এজন লুকাই থাকিল। 'গৰীয়সী' আলোচনীত দাসৰ ধাৰাবাহিক আত্মজীৱনী পঢ়িছো।

ভাষা বিজ্ঞান চৰ্চাৰ ক্ষেত্ৰতো ড° দাসৰ অৰিহণা কম নহয়। অসম ভাষা বিজ্ঞান সমিতিত তেওঁৰ লগত কাম কৰিছো। অনেক সভা-সমিতি অনুষ্ঠিত কৰিছো।

ভাষা বিজ্ঞান চৰ্চাৰ ক্ষেত্ৰত তেওঁৰ এটি বিশেষ অৱদানৰ কথা উল্লেখ কৰিব খুজিছো। সেয়া হ'ল হাজোৰ মৰিয়া সম্প্ৰদায়ৰ ভাষা, যাক ড° দাসে 'আৰ্গত' বুলি বৰ্ণনা কৰিছে। 'আৰ্গত' হ'ল এটা সম্প্ৰদায়ৰ গোপন কথিত ভাষা। এই ভাষাত কথা ক'লে ভাষা কোৱা মানুহজনৰ কথা তেওঁৰ বন্ধুজনেও বুজি নাপায়। এনে এটা বিষয়ৰ ওপৰত অধ্যয়ন কোনোবাই তেওঁৰ পূৰ্বে কৰিছে বুলি নাভাবো। বিষয়টোৰ ওপৰত আমি এটি সুকীয়া আলোচনা কৰিব লাগিব।

ড° দাসৰ সামাজিক জীৱনো আছিল অতি বিস্তৰ। তেওঁৰ ঘৰলৈ গ'লে অভ্যাগতৰ দ্বাৰাই তেওঁৰ বাসস্থানত বৃক্ষৰোপণ কৰাৰো নজিৰ আছে। আমি নিজেই তেওঁৰ পদূলিত বৃক্ষৰোপণ কৰিছিলো।

তেওঁৰ অনুৰাগীসকলে তেওঁৰ জন্মদিনটো অতি উলহ-মালহেৰে অনেক বছৰ ধৰি পালন কৰি আহিছে। সেই উলহ-মালহৰ সময়ত 'সেউজ মনৰ দিন' বুলি এখন কিতাপো প্ৰকাশ কৰা হৈছিল। এইবাৰ তেওঁৰ মৃত্যুদিনৰ বেলিকা পূৰ্বৰ উলহ-মালহ থাকিবনে? আৰু এটা কথা— চৰকাৰৰ ফালৰ পৰাও এই লোকসংস্কৃতিৰ সাধকগৰাকীৰ প্ৰতি কোনো সন্মান প্ৰদৰ্শন কৰা নহ'ল।

*ফোন ঃ ৯৮৫৪০৫০৯৪৭*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৫ ছেপ্টেম্বৰ, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

## পৌৰুষত্ব বৃদ্ধিৰ উপায়

খাদ্যাভ্যাসৰ মাৰাত্মক ক্ষতিকাৰক প্ৰভাৱৰ কাৰণে বৰ্তমান সময়ত অধিকাংশ পুৰুষেই যৌন মিলনৰ আকাংক্ষা হ্ৰাসৰ সমস্যাত ভোগা পৰিলক্ষিত হয়। ইয়াৰ ফলত বহু দম্পতীৰ দাম্পত্য জীৱনতো তিক্ততাৰ সৃষ্টি হ'বলৈ ধৰিছে। আনকি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে বিবাহ বহিৰ্ভূত সম্পৰ্ক। দৈহিক শক্তি বৃদ্ধিৰ বাবে পাৰ্শ্ব প্ৰতিক্ৰিয়া সম্পন্ন ঔষধি কৌশল আৰু মনোবৈজ্ঞানিক চিকিৎসা সম্প্ৰতি প্ৰায় গৌণ হৈ পৰাও পৰিলক্ষিত হৈছে। সেয়ে বৰ্তমান সময়ত সুন্দৰ যৌন জীৱনৰ বাবে দৈহিক শক্তি বৃদ্ধিৰ বাবে প্ৰাকৃতিকভাৱেই দৈহিক শক্তিবৰ্ধক খাদ্য অনেক বেছি কাৰ্যকৰী হিচাপে পৰিগণিত হৈছে।

বৈবাহিক জীৱনত যৌন মিলনত সবল হৈ থাকিবলৈ হ'লে আপুনি দৈনন্দিন খাদ্যৰ প্ৰতি পূৰ্ণোদ্যমে মনোযোগী হৈ থাকিব লাগিব। কাৰণ সুখী দাম্পত্য জীৱনৰ বাবে স্বামী-স্ত্ৰীৰ মাজত সুন্দৰ বুজাপৰা থকাৰ লগতে প্ৰয়োজনীয় স্বাস্থ্যকৰ দৈহিক সম্পৰ্কও। অথচ প্ৰায়ে দেখা যায় যে দৈহিক দুৰ্বলতাৰ কাৰণে অনেকৰ সংসাৰত অশান্তিৰ সৃষ্টি হয়, আনকি বিচ্ছেদ পৰ্যন্ত পায়গৈ। সেয়ে আগতীয়াকৈ সতৰ্ক হৈ থাকিলে আপুনি হয়তো তেনে বিৰূপ পৰিস্থিতিৰ সন্মুখীন হ'ব নালাগিব। আপোনাৰ দৈহিক শক্তি বৃদ্ধাৰ বাবে কোনো ধৰণৰ ঔষধৰ প্ৰয়োজন নাই, তাৰ বাবে দৈনন্দিন পুষ্টিকৰ খাদ্যয়ে যথেষ্ট। আপোনাৰ খাদ্য-তালিকাত যদি নিয়মিতৰূপে গাখীৰ, কণী আৰু মৌ ৰাখিব পাৰে আৰু নিয়মতান্ত্ৰিক জীৱন অতিবাহিত কৰে, তেন্তে কেতিয়াও দৈহিক দুৰ্বলতাত ভুগিব নালাগে আৰু আপোনাৰ যৌন জীৱনো হৈ উঠিব তৃপ্তিৰে পৰিপূৰ্ণ।

এতিয়া এবাৰ চাওক, দৈহিক শক্তি বৃদ্ধিৰে যৌন জীৱন সুন্দৰ কৰি তোলাৰ বাবে আপোনাক কেনে খাদ্যৰ প্ৰয়োজন।



### কণী

দৈহিক দুৰ্বলতা দূৰ কৰাৰ ক্ষেত্ৰত কণী এবিধ অসাধাৰণ খাদ্য। প্ৰতিদিনে পুৱা এটাকৈ কণী সিদ্ধ কৰি খাব। সেয়া সম্ভৱ নহ'লে, সপ্তাহত কমেও পাঁচদিন সিদ্ধ কণী খোৱাৰ চেষ্টা কৰিব। ইয়াৰ দ্বাৰা দৈহিক দুৰ্বলতাৰ সমাধান হ'ব।

### গাখীৰ

যিবোৰ খাদ্যত অধিক পৰিমাণে প্ৰাণীৰ পৰা উপলব্ধ চৰ্বি আছে, তেনে প্ৰাকৃতিক খাদ্যই দৈহিক শক্তিৰ উন্নতি ঘটায়। যেনে— খাটি গাখীৰ, গাখীৰৰ সৰ, মাখন ইত্যাদি। অধিকাংশ লোকেই চৰ্বিজাতীয় খাদ্য পৰিহাৰ কৰি চলিব বিচাৰে। অথচ আপুনি যদি শৰীৰত দৈহিক শক্তিৰ হৰম'ন সৃষ্টিৰ পৰিমাণ বৃদ্ধি কৰিব বিচাৰে, তেন্তে প্ৰচুৰ পৰিমাণে চৰ্বি জাতীয় খাদ্যৰ প্ৰয়োজন। অৱশ্যে সেইবোৰ হ'ব লাগিব প্ৰাকৃতিক আৰু ছেচুৰেটেড ফেট।

### মৌ

দৈহিক দুৰ্বলতাৰ সমাধানত মৌৰ গুণৰ কথা নিশ্চয় সকলোৱে কম-বেছি পৰিমাণে জানে। সেয়ে দৈহিক শক্তি বৃদ্ধিৰ বাবে প্ৰতি সপ্তাহত কমেও তিনি-চাৰি দিন এগিলাচ গৰম পানীত এচামুচ খাটি মৌ মিহলাই পান কৰক।

### নহৰু

আপোনাৰ যদি যৌনতা সম্পৰ্কীয় শাৰীৰিক সমস্যা আছে, তেন্তে আজিৰে পৰা নিয়মিতৰূপে নহৰু খোৱাৰ অভ্যাস গঢ়ি তোলক। স্মৰণাতীত কালৰ পৰাই নাৰী-পুৰুষ উভয়ৰে দৈহিক উদ্দীপনা বৃদ্ধিত নহৰুৰ পুষ্টিগুণৰ কাৰ্যকাৰিতা সৰ্বজনস্বীকৃত। নহৰুত থকা এলিচিন নামৰ উপাদানে দেহৰ ইন্দ্ৰিয়সমূহ ৰক্ত সঞ্চালন বৃদ্ধি কৰে।

### কফি

কফিয়ে সদায় উত্তেজক খাদ্যৰূপেই স্বীকৃতি লাভ কৰি আহিছে। যৌন মিলনৰ ইচ্ছা বৃদ্ধিতো কফিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইবিধ পানীয়ত থকা উপাদান কেফেইনে পুৰুষ-মহিলাৰ যৌনাকাংক্ষা অটুট ৰাখে।

### জাইফল

এক গৱেষণাত দেখা গৈছে যে জাইফলৰ পৰা এক প্ৰকাৰৰ কামোদ্দীপক যৌন নিঃসৃত হয়। সচৰাচৰ এই যৌগই স্নায়ুৰ কোষ উদ্দীপিত কৰে আৰু ৰক্ত সঞ্চালন বঢ়ায়। ফলত লোকজনৰ মিলনৰ ইচ্ছা জাগ্ৰত হয়। কফিৰ স'তে জাইফল মিহলাই সেৱন কৰিব পাৰে। এইক্ষেত্ৰত দুয়োবিধ খাদ্যৰ পৰা একত্ৰিতভাৱে সুফল লাভ কৰিব পাৰি।

### চকোলেট

প্ৰেম আৰু মিলনৰ স'তে সকলো সময়তে চকোলেটৰ এটা সম্পৰ্ক আছে। চকোলেটত আছে ফেনিলেথিলামিন (পিইএ) আৰু ছেৰ'ট'নিন। এই দুবিধ পদাৰ্থ আমাৰ মস্তিষ্কতো আছে। এই দুই পদাৰ্থ যৌন মিলনৰ উত্তেজনা আৰু দৈহিক শক্তিৰ মাত্ৰা বৃদ্ধিত সহায়ক।

### কল

শৰীৰৰ বাবে বিভিন্ন ধৰণে উপযোগী এবিধ ফল হৈছে কল। বছৰৰ সকলো সময়তে উপলব্ধ এই স্বাদিষ্ট ফলবিধত আছে ভিটামিন 'এ', 'বি', 'চি' আৰু পটাছিয়াম। ভিটামিন 'বি' আৰু পটাছিয়ামে মানৱদেহত যৌনৰসৰ উৎপাদন বৃদ্ধি কৰে। কলত ব্ৰ'মেলিয়ান নামৰ এবিধ উপাদানো আছে। এই উপাদান শৰীৰৰ টেষ্ট'ষ্টেৰনৰ মাত্ৰা বৃদ্ধিত সহায়ক। সবাতোকৈ ডাঙৰ কথাটো হ'ল, কলত থকা প্ৰচুৰ পৰিমাণৰ শৰ্কৰাই শৰীৰৰ শক্তি বৃদ্ধি কৰে। ফলত দীৰ্ঘসময় ধৰি দৈহিক মিলনত লিপ্ত হ'লেও ক্লান্তিবোধ নহয়।

### ভিটামিন 'চি' যুক্ত ফল

দৈহিক স্বাস্থ্য উন্নত কৰি ৰাখিব বিচাৰিলে দৈনিক খাদ্য তালিকাত ৰঙীন ফলমূল ৰাখিব। আঙুৰ, কমলা, তৰমুজ, মটৰমাহ, পকা অমিতা, আমলখি আদি ফল দৈহিক ক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত অতিশয় উপযোগী। এজন পুৰুষৰ দৈনিক খাদ্য তালিকাত যদি কমেও ২০০ মিলিগ্ৰাম ভিটামিন 'চি' থাকে, তেন্তে তেওঁৰ শুক্ৰাণুৰ মান অনেক উন্নত হয়। এইবোৰ ফলত ভিতৰত তৰমুজৰ প্ৰভাৱ অতি বেছি। বহুতে যৌন মিলনৰ উদ্দীপক ঔষধ ভায়েগ্ৰাৰ স'তে তৰমুজৰ তুলনা কৰে।

## নতুনকৈ যোগ আৰম্ভ কৰিলে



যিকোনো পৰিস্থিতিতে যোগাসনে আমাৰ শৰীৰক উপকাৰ কৰে। যোগাসনৰ কোনো অপকাৰিতা নাই। কিন্তু যোগ কৰাৰ ক্ষেত্ৰত কিছুমান কথা সদায় মনত ৰাখিব লাগে। কাৰণ সামান্য খেলিমেলি হ'লে শাৰীৰিক সমস্যাৰো সন্মুখীন হ'বলগীয়া হ'ব পাৰে। সেয়ে যিসকল লোকে নতুনকৈ যোগাসন আৰম্ভ কৰিছে, তেওঁলোকে কিছুমান কথাত সদায় গুৰুত্ব আৰোপ কৰা উচিত। এইবোৰ কথাৰ প্ৰতি গুৰুত্ব দিলে যোগৰ পৰা অধিক সুফল পোৱা যায়। সেয়ে কেতবোৰ দিশৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰা অতি আৱশ্যকীয়। তলত সেই সতৰ্কতাবোৰ উল্লেখ কৰা হ'ল—

⇨ শৌচ ক্ৰিয়া আৰু প্ৰাতঃস্নান সম্পন্ন কৰাৰ পাছতহে যোগাসনত বহিব লাগে।
⇨ যোগাসনৰ এঘণ্টাৰ পাছতহে পুনৰ স্নান কৰিব।
⇨ যোগ সদায় সমতল ক্ষেত্ৰত কোনো কাপোৰ বা ঢাৰি আদি পাৰিহে কৰিব লাগে।
⇨ যোগাসনৰ পৰত সদায় ঢিলা পোছাক পৰিধান কৰিব।
⇨ খোলা বা বায়ু চলাচল কৰা কোঠাতহে যোগ কৰিব লাগে। ইয়াৰ ফলত আপুনি শ্বাসত শুদ্ধ বায়ু সেৱন কৰিব পাৰিব।
⇨ যোগ ঘৰৰ বাহিৰিতো কৰিব পাৰি, কিন্তু পৰিৱেশ শুদ্ধ তথা বতৰ ভাল হ'ব লাগিব।
⇨ যোগাসনৰ পৰত অনাৱশ্যক জোৰ নিদিব।
⇨ মাহেকীয়া ঋতুস্ৰাৱ, গৰ্ভাৱস্থা, জ্বৰ, গুৰুতৰ ৰোগ আদি হৈ থকাৰ পৰত আসনৰ পৰা বিৰত থাকিব। যোগ কৰিলেও আগতে কোনো যোগ প্ৰশিক্ষকৰ পৰামৰ্শ গ্ৰহণ কৰাটো বাঞ্ছনীয়।
⇨ সদায় পৰিমিত ভোজন কৰিব আৰু আহাৰ গ্ৰহণৰ নিৰ্দিষ্ট সময় বান্ধি ল'ব।
⇨ প্ৰতিটো আসনৰ আৰম্ভণি আৰু অন্তত বিশ্ৰাম কৰিব। আসনবোৰ বিধি অনুযায়ী কৰিব। প্ৰতিটো আসন দুয়োফালৰ পৰা কৰিব আৰু আধাতে নেৰিব বা সম্পূৰ্ণকৈ কৰিব।
⇨ যোগ আৰম্ভ কৰাৰ আগতে অংগ-সঞ্চালন কৰাটো প্ৰয়োজনীয়।



**প্ৰতিগৰাকী** ব্যক্তিয়ে সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ বিচাৰে। পিছে স্বাস্থ্য সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত কেনে ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব লাগে সেই বিষয়ে প্ৰায়ভাগ লোকেই গুৰুত্ব নিদিয়ে। সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ ধন ব্যয়ৰ প্ৰয়োজন নাই। মাথোঁ সৰুৰে পৰাই কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগিব। ৰোগ হ'লে চিকিৎসাৰ বাবে চিকিৎসকৰ ওচৰলৈ যাব লাগে। চিকিৎসকৰ পৰামৰ্শ অনুসৰি ঔষধ সেৱন কৰিব লাগে। তদুপৰি কিছু কিছু ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষাৰো প্ৰয়োজন হয়। এনে চিকিৎসাৰ বাবে অৰ্থ ব্যয় কৰিব লাগে। পিছে সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ অৰ্থ ব্যয় কৰিবলগীয়া নহয়। তদুপৰি স্বাস্থ্যবান লোকক ৰোগৰ বীজাণুৱে সহজে আক্ৰমণ কৰিব নোৱাৰে। স্বাস্থ্য ৰক্ষাৰ বাবে যদি কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰা হয় তেতিয়া শৰীৰত ৰোগ-প্ৰতিৰোধী ক্ষমতাও বৃদ্ধি পায়। কোনবোৰ বিষয়ত সৰুৰে পৰাই গুৰুত্ব প্ৰদানৰ লগতে সতৰ্কতা অৱলম্বন কৰা উচিত।

## সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ

### সঠিক সময়ত খাওক খাদ্য

সঠিক সময়ত উপযুক্ত খাদ্য খাব লাগে। পুৱা, দুপৰীয়া আৰু নিশাৰ আহাৰ নিৰ্দিষ্ট সময়ত গ্ৰহণ কৰিলে শৰীৰে প্ৰয়োজনীয় পুষ্টি লাভ কৰিব পাৰে। শৰীৰটোৱে সময়মতে খাদ্য লাভ কৰাৰ লগে লগে অংগ-প্ৰত্যংগসমূহে উপযুক্তভাৱে পুষ্টি লাভ কৰাৰ ফলত নিজ নিজ কাৰ্য সম্পাদন কৰিব পাৰে। শৰীৰক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত খাদ্যৰ প্ৰয়োজন। সুষম খাদ্যই শৰীৰত বিভিন্ন উপাদানৰ মাজত ভাৰসাম্য ৰক্ষা কৰে। কাৰ্ব'হাইড্ৰেট, প্ৰ'টিন, ভিটামিন, খনিজ পদাৰ্থ আৰু ফাইবাৰ সমৃদ্ধ খাদ্য নিয়মীয়াকৈ খাব লাগে। দৈনন্দিন খাদ্য তালিকাত এই পাঁচবিধ উপাদানসমৃদ্ধ খাদ্যসম্ভাৰ অন্তৰ্ভুক্ত কৰা উচিত। প্ৰ'টিন বা মাংসসাৰৰ বাবে নিজে খাদ্য তালিকাত মাছ, চিকেন, কণী, গাখীৰ আদি খাব লাগে। কাৰ্ব'হাইড্ৰেটৰ বাবে খাওক, পাউৰুটী, ক্ৰীম, গাখীৰ, আলু, পপকৰ্ণ, শৰ্কৰা, আদি। তদুপৰি ভিটামিন, খনিজ পদাৰ্থৰ বাবে সতেজ শাক-পাচলিৰ উপৰি বতৰৰ ফল খাব লাগে। প্ৰতি সাঁজত মাছ, মাংস, কণী আদি খোৱাটোৱে সুষম আহাৰ সুস্বাস্থ্য। সকলোৱে এনে ধৰণৰ খাদ্য খাব নোৱাৰিবও পাৰে। বাৰীত থকা শাক-পাচলি, ফল-মূলতেই থাকে শৰীৰৰ বাবে প্ৰয়োজনীয় উপাদান। বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে বজাৰৰ পৰা বেছি দামত ক্ৰয় কৰি অনা খাদ্য খাদ্য সামগ্ৰীত বেছি-পুষ্টি পোৱা যায়। এনে মানসিকতাৰ বশৱৰ্তী হ'লে স্বাস্থ্য ৰক্ষাত সমস্যাৰ সৃষ্টি হ'ব। নিয়মীয়াকৈ শাক-পাচলি, ফলমূল, সপ্তাহতে এদিন-দুদিন মাছ-মাংস, কণী আদি খালেই যথেষ্ট।

### নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰক

সকলোৱে নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰিলে বহুতো ৰোগৰ পৰা হাত সাৰিব পাৰি। বিশেষকৈ যিসকলৰ পৰিয়ালত উচ্চ ৰক্তচাপ, ডায়েবেটিছ, হৃদৰোগ আদিৰ ইতিহাস আছে তেওঁলোকে নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিলে ভৱিষ্যতে ৰোগে নিজৰ অজ্ঞাতেই জটিল ৰূপ ধাৰণ কৰাৰ পৰা হাত সৰাতো সম্ভৱ। তদুপৰি কিছুমান ৰোগৰ লক্ষণ ফুটি উঠাৰ লগে লগে চিকিৎসা কৰিব পাৰি। প্ৰায়ভাগ লোকে এনে ৰোগৰ লক্ষণ ফুটি উঠাৰ পাছতো চিকিৎসাৰ পৰামৰ্শ গ্ৰহণ কৰিব নোখোজে। এনে অৱহেলাৰ ফলত প্ৰায়ভাগ লোকে পৰৱৰ্তী সময়ত সমস্যাৰ সন্মুখীন হোৱা দেখা যায়।

### চাপমুক্ত হৈ থাকক

চাপমুক্ত হৈ থাকিলে বহুতো ৰোগৰ পৰা হাত সাৰিব পাৰি। উচ্চ ৰক্তচাপ, ডায়েবেটিছ, হৃদৰোগ, নিদ্ৰাহীনতা আদিৰ অন্যতম কাৰণ হ'ল অত্যধিক চাপ। যিসকল লোকে দিনটোৰ বেছিভাগ সময় চাপৰ মাজত থাকিবলগীয়া হয়, তেতিয়া তেওঁৰ এনেবোৰ ৰোগ হোৱাৰ আশংকা বেছি। দৈনন্দিন জীৱনত প্ৰত্যেকৰে কিবা নহয় কিবা সমস্যা থাকেই। এইবোৰক লৈ বেছি ভাবি থকাতকৈ সমাধানৰ বাবে চেষ্টা কৰা উচিত। পোৱাখিনিক লৈ সন্তুষ্ট থাকিব লাগে। আনহাতে, যিমানেই আনৰ স'তে নিজকে তুলনা কৰিব সিমানেই চাপ আদি বৃদ্ধি পায়। প্ৰতিগৰাকী ব্যক্তিয়ে আশা লৈ জীয়াই থাকে। পিছে এই আশা সপোনৰ অগোচৰ হ'ব নালাগে। চাপমুক্ত হৈ থাকিবলৈ পুৱাই ঘৰৰ কাম বা সম্পাদন কৰিবলগীয়া কাৰ্যৰ গুৰুত্ব অনুসৰি একাদিক্ৰমে কৰিবলৈ তালিকা প্ৰস্তুত কৰিব লাগে। সময়মতে সকলো কাম সম্পাদন কৰিলেও চাপ হ্ৰাস পায়।

### ওজন নিয়ন্ত্ৰণ কৰক

বয়সত লিংগ আৰু দৈৰ্ঘ্যৰ স'তে সামঞ্জস্য ৰাখি শৰীৰ ওজন সঠিক হ'লে সুস্বাস্থ্যৰ অধিকাৰী হোৱাত সহায়ক হয়। যেতিয়া শৰীৰৰ ওজন অস্বাভাৱিকভাৱে বৃদ্ধি পায়, তেতিয়া বিভিন্ন ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। ওজন সঠিকভাৱে আছে নে নাই ব'ডিমাক্স ইনডেক্স (বিএমআই) বা শৰীৰৰ ওজন মাপক সংকেতৰ দ্বাৰা নিৰ্ণয় কৰিব পাৰি। দৰাচলতে যেতিয়া শৰীৰত অতিৰিক্ত মেদ বা চৰ্বি জমা হয় তেতিয়াই মেদবহুলতাৰ সমস্যাই গা কৰি উঠে। আজি-কালি বিশ্বৰ আন দেশৰ লগতে ভাৰততো মেদবহুল লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। আটাইতকৈ চিন্তনীয় বিষয়টো হ'ল এনে সমস্যাত শিশুসকল আক্ৰান্ত হোৱাটো। কাৰণ যিমানেই কম বয়সতে মেদবহুলতাই গা কৰি উঠে সিমানেই ডায়েবেটিছ, হৃদৰোগ, উচ্চ ৰক্তচাপ আদিয়ে সোনকালে আক্ৰমণ কৰিব পাৰে। এই ক্ষেত্ৰত সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। সন্তানৰ শৰীৰৰ ওজন সঠিক আছে নে নাই সেই ক্ষেত্ৰত পিতৃ-মাতৃ তথা অভিভাৱকে গুৰুত্ব প্ৰদান কৰা উচিত। প্ৰয়োজনতকৈ বেছি খাদ্য গ্ৰহণ নকৰা, নিয়মীয়াকৈ ব্যায়াম কৰা, খাদ্য গ্ৰহণ অনুপাতে শাৰীৰিক পৰিশ্ৰম কৰিলে ওজন সহজে বৃদ্ধি হ'ব নোৱাৰে।

### প্ৰাণ খুলি হাঁহিব লাগে

মানুহে যিমানেই হাঁহে সিমানেই মানসিক চাপ হ্ৰাস পায়। মনস্তত্ত্ববিদ আৰু সমস্তত্ত্বকেন্দ্ৰিক গৱেষকসকলে এই বুলি মন্তব্য আগবঢ়াইছে যে মানুহে বেছিকৈ হাঁহিলে সহ্য শক্তি বৃদ্ধি কৰে। শাৰীৰিক বৌদ্ধিক বিকাশৰ ক্ষেত্ৰতো হাঁহিৰ ভূমিকা অপৰিসীম। স্মৃতিশক্তি সজীৱ কৰি ৰখাতো হাঁহিয়ে সহায় কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। হাঁহিক হৃদৰোগৰ মহৌষধ বুলি কোৱা হয়। হাস্যকৰ পৰিৱেশে ধমনীৰ কাৰ্যক্ষমতা বৃদ্ধিত সহায় কৰে। প্ৰাণখুলি পাঁচমিনিট সময় হাঁহিলে দীৰ্ঘ সময় ধৰি শৰীৰে সতেজ অনুভৱ কৰে। শৰীৰ-মন যেতিয়া সতেজ হৈ থাকে তেতিয়া কাম কৰাৰ বাবেও উৎসাহ লাভ কৰে। যেতিয়া মনত আনন্দ লাগে তেতিয়া হাঁহিলে ধমনী প্ৰসাৰিত হয়। ইয়াৰ বিপৰীতে হতাশাত ভুগিলে অথবা মনটো ভাৰাক্ৰান্ত হৈ থাকিলে ধমনী সংকুচিত হয়। হাঁহিলে হৃদযন্ত্ৰৰ কাৰ্যক্ষমতা বৃদ্ধি পায় বুলি গৱেষকসকলে মন্তব্য আগবঢ়াইছে।

### হতাশাক প্ৰশ্ৰয় দিব নালাগে

হতাশাই মানুহক দুৰ্বল কৰে। শাৰীৰিক-মানসিকভাৱে হতাশাই ইমান দুৰ্বল কৰে যে ইয়াৰ পৰা পৰিত্ৰাণ নাপালে পৰিস্থিতি ইমানেই জটিল কৰে যে কেতিয়াবা জীৱনৰ প্ৰতি সংশয় আহি পৰে। হতাশাগ্ৰস্ত হ'লে সঠিকভাৱে খোৱা নহয়। খাবলৈ মন নাযায়। খালেও ভালদৰে হজম নহয়। টোপনিতো ব্যাঘাত জন্মে। অৰ্থাৎ নিদ্ৰাহীনতাই গা কৰি উঠে। এনে সমস্যাৰ সৃষ্টি হ'লে কাউন্সেলিং কৰিব লাগে। কাৰণ কাউন্সেলিং কৰিলে সমস্যা সমাধানৰ পথ ওলায়। বহুতে কাউন্সেলিং কৰাটো কেৱল মানসিকভাৱে ভাৰসাম্যহীন লোকৰ বাবেই প্ৰয়োজন বুলি ভাবে। দৰাচলতে যিকোনো সমস্যা সমাধানৰ বাবে কাউন্সেলিঙৰ সহায় ল'ব পাৰে। ইয়াৰ বাবে কোনোৱে ইতঃস্ততাবোধ কৰিব নালাগে।

### নিচাৰ পৰা আঁতৰি থাকক

নিচাজাতীয় দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰখাটোৱে মংগলজনক। কাৰণ নিচাই মানুহক যিদৰে মানসিকভাৱে ভাৰাক্ৰান্ত কৰে, তেনেদৰে শাৰীৰিকভাৱেও ক্ষতিসাধন কৰাৰো আশংকা থাকে। যেতিয়া নিচাজাতীয় দ্ৰব্য সেৱনৰ অভ্যাস গঢ়ি উঠে তেতিয়া সেৱনকাৰীৰ টোপনিৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ পৰা দেখা যায়। কিছুমানৰ শাৰীৰিক প্ৰতিবন্ধকতায়ো গা কৰিব পাৰে। বহুতো লোকে নিচা খালে টেনচন আদিৰ পৰা হাত সাৰিব পাৰে বুলি কয়। পিছে এনে ভ্ৰান্ত ধাৰণাই শৰীৰ-মনৰ অপকাৰহে কৰে। পৰিয়ালৰ সদস্যসকলৰ মাজত অশান্তিৰ সৃষ্টি কৰে। এনে অশান্তিৰ বাবে হাই-কাজিয়া হ'লে ৰক্তচাপ বৃদ্ধি পাব পাৰে। ৰক্তচাপ বৃদ্ধি মানে ইয়াৰ প্ৰভাৱ হৃদযন্ত্ৰৰ ওপৰত পৰাৰ আশংকা। তদুপৰি বেছিকৈ নিচা কৰাৰ ফলত নিদ্ৰাহীনতাৰ সমস্যাৰো সৃষ্টি হ'ব পাৰে। সেইবাবে স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰতিবন্ধক হৈ পৰে নিচা।



### ব্যায়াম কৰিলে সুফল পোৱা যায়

ব্যায়াম কৰিলে শৰীৰটো সতেজ অনুভৱ হয়। তদুপৰি নিয়মীয়াকৈ ব্যায়াম কৰাৰ ফলত বহুতো ৰোগ-প্ৰতিৰোধ কৰাটো সম্ভৱ। তদুপৰি যিসকল লোকৰ কায়িক শ্ৰম কম হয় তেওঁলোকে নিয়মীয়াকৈ ব্যায়াম কৰাটো অতিকৈ প্ৰয়োজনীয়। কাৰণ কায়িক শ্ৰম নকৰিলে কেল'ৰি বা শক্তি ব্যয় কম পৰিমাণে হোৱাৰ ফলত পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। শৰীৰত চৰ্বি আদি জমা হোৱা মানেই বিপদ। আজি-কালি চহৰাঞ্চলত বৃহৎ বৃহৎ অট্টালিকা, কাৰখানা গঢ়ি উঠাত মুকলি ঠাইৰ অভাৱ হৈছে। ফ্লেট আদিত মুকলি ঠাইৰ কথাতো বাদেই ভালদৰে উশাহ ল'বলৈকে এডোখৰ ঠাই বিচাৰি পোৱা নাযায়। এনে পৰিস্থিতিত ফ্লেট আদিৰ বাসিন্দাসকলে দিনটোৰ ভিতৰত যেতিয়াই সুবিধা হয় তেতিয়াই ব্যায়াম কৰিব লাগে। সপ্তাহত সাতদিন নোৱাৰিলেও চাৰি-পাঁচদিনমান ব্যায়াম কৰিলেও সুফল লাভ কৰাটো সম্ভৱ। সৰুৰে পৰাই এনে অভ্যাস গঢ়ি তুলিব পাৰিলে বয়স বৃদ্ধিৰ লগে লগে সমস্যাই গা কৰি উঠিব নোৱাৰে।

### চিকিৎসকৰ পৰামৰ্শ অবিহনে ঔষধ নাখাব

আজি-কালি চিকিৎসকৰ পৰামৰ্শ অবিহনে ফাৰ্মাচীৰ পৰা ঔষধ ক্ৰয় কৰাৰ প্ৰৱণতাই গা কৰি উঠিছে। আনকি প্ৰয়োজন নহ'লেও ভিটামিন আদি খায়। বহুতৰে জ্ঞাত নহয় যে ভিটামিন আদি প্ৰয়োজনতকৈ বেছি খালেও শৰীৰৰ অপকাৰ হ'ব পাৰে। তদুপৰি কিছুমান লক্ষণ ফুটি উঠিলে চিকিৎসকৰ পৰিৱৰ্তে ফাৰ্মাচীলৈ গৈ ঔষধ ক্ৰয় কৰে। অথচ সেই ঔষধবিধ তেনে লক্ষণত ব্যৱহাৰ কৰিব পাৰি নে নোৱাৰি, কি কাৰণত তেনে লক্ষণ ফুটি উঠিছে সেয়া চিকিৎসকেহে জানিব পাৰিব, ফাৰ্মাচিষ্টে নহয়। কেতিয়াবা কিছুমান ঔষধ ব্যৱহাৰ কৰাৰ ফলত শৰীৰত পাৰ্শ্বক্ৰিয়া হৈ জীৱনৰ সংশয়ো নামিব পাৰে। ঔষধৰ জৰিয়তে ভিটামিন খনিজ পদাৰ্থ ব্যৱহাৰৰ পৰিৱৰ্তে নিয়মীয়াকৈ সতেজ শাক-পাচলি, ফলমূল আদি খোৱা উচিত। এইবোৰত ভিটামিন, খনিজ পদাৰ্থ, পানী আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। ভুলতেও চিকিৎসকৰ পৰামৰ্শ অবিহনে ফাৰ্মাচীৰ পৰা ঔষধ ক্ৰয় কৰি খাব নালাগে।

## গোৰোহাৰ যন্ত্ৰণাৰ পৰা মুক্তি



গোৰোহাৰ যন্ত্ৰণাক ইংৰাজীত কোৱা হয় 'হীল পেইন'। গোৰোহাৰ যন্ত্ৰণা সাধাৰণতে অনুভৱ হয় গোৰোহা বা গেৰোৱাৰ তলৰ ফালে বা পাছফালে। যদি আপোনাৰ গোৰোহাৰ বিষ তলৰ ফালে আছে, তেন্তে বুজিব যে ইয়াৰ কাৰণ হ'ল প্লেণ্টাৰ ফাছাইটিছ। এইক্ষেত্ৰত খোজকাঢ়িলে গোৰোহাৰ যন্ত্ৰণা বাঢ়ে, পুৱাৰ ভাগত যন্ত্ৰণা বেছি থাকে আৰু সময় আগবঢ়াৰ লগে লগে বিষ কিছু পৰিমাণে কমিবলৈ ধৰে।

**অতি** স্বাভাৱিক বুলি ক'ব পাৰি, কিয়নো বৰ্তমান সময়ত অধিকাংশ লোককে এই সমস্যাত আক্ৰান্ত হোৱা পৰিলক্ষিত হয়। গোৰোহাৰ যন্ত্ৰণাক ইংৰাজীত কোৱা হয় 'হীল পেইন'। গোৰোহাৰ যন্ত্ৰণা সাধাৰণতে অনুভৱ হয় গোৰোহা বা গেৰোৱাৰ তলৰ ফালে বা পাছফালে। যদি আপোনাৰ গোৰোহাৰ বিষ তলৰ ফালে আছে, তেন্তে বুজিব যে ইয়াৰ কাৰণ হ'ল প্লেণ্টাৰ ফাছাইটিছ। এইক্ষেত্ৰত খোজকাঢ়িলে গোৰোহাৰ যন্ত্ৰণা বাঢ়ে, পুৱাৰ ভাগত যন্ত্ৰণা বেছি থাকে আৰু সময় আগবঢ়াৰ লগে লগে বিষ কিছু পৰিমাণে কমিবলৈ ধৰে। কেতিয়াবা গোৰোহা কঠিন যেন অনুভৱ হয় আৰু টান জোতা পৰিধান কৰিলে বিষ বৃদ্ধি পায়। কোনো কোনো সময়ত গোৰোহা ফুলিও উঠে। আনহাতে, একিলিছ টেণ্ডিনাইটিছ হ'লে ভৰিৰ গোৰোহাৰ পাছফালৰ অংশত যন্ত্ৰণা অনুভৱ হয়। এই যন্ত্ৰণা অনুভৱ হয় গোৰোহাৰ হাড়ৰ স'তে একিলিছ টেণ্ডন যুক্ত হোৱা অংশত। গোৰোহাৰ যন্ত্ৰণাই এজন লোকৰ বাবে প্ৰৱল সমস্যাৰ সৃষ্টি কৰিব পাৰে। আনকি বহুতৰে এই যন্ত্ৰণাত কাতৰ হৈ খোজকাঢ়িব নোৱৰা অৱস্থাও হয়।

### গোৰোহাৰ যন্ত্ৰণাৰ কাৰণ

কেলকেনিয়াম বা গোৰোহাৰ হাড়ত আৰু ভৰিৰ পতাৰ মাংসপেশীত কোনো সমস্যা হ'লে সামান্যৰ পৰা মাৰাত্মক ধৰণৰ যন্ত্ৰণা হ'ব পাৰে। আমাৰ শৰীৰৰ সকলো ভৰ পৰে গোৰোহা আৰু ভৰিৰ পতাত। সেয়ে গোৰোহাত যন্ত্ৰণা হ'লে সেই গোৰোহাত ভৰ দি খোজকঢ়া, দৌৰা বা কোনো কামকাজ কৰাত ৰোগী অসমৰ্থ হৈ পৰে। গোৰোহাৰ যন্ত্ৰণা বিভিন্ন কাৰণত হ'ব পাৰে। অৱশ্যে সাধাৰণ কাৰণবোৰ হ'ল—

⇨ একিলিছ টেণ্ডাইটিছ। এইক্ষেত্ৰত একিলিছ টেণ্ডনত প্ৰদাহজনিত কাৰণত যন্ত্ৰণা হয়। এই বিষ অত্যন্ত তীব্ৰ।
⇨ একিলিছ টেণ্ডন ৰেপচাৰ। এইক্ষেত্ৰত একিলিছ টেণ্ডন ছিঙি যায়।
⇨ আঘাতজনিত কাৰণ। এইক্ষেত্ৰত গোৰোহাত আঘাত লাগিলে বিষ অনুভৱ হয়। হাড় ভাঙিলে বা চাপ পৰিলেও যন্ত্ৰণাৰ সৃষ্টি হয়।
⇨ হাড়ৰ টিউমাৰ, বাৰ্ছাইটিছ, ফ্ৰাইব্ৰ'মায়ালজিয়া, গোৰোহাৰ হাড় ভঙা, গাউট ইত্যাদি আৰু গোৰোহাৰ পেড ছিঙি যোৱা।
⇨ হীল স্পাৰ। দীৰ্ঘদিন ধৰি প্লাণ্টাৰ ফাছাইটছ থাকিলে, ফাছা টিছ্যু বেণ্ড যি স্থানত আপোনাৰ হীল ব'ন বা গোৰোহাৰ হাড়ৰ স'তে সংযুক্ত হয়, সেই স্থানত হীল স্পাৰ (কেলছিয়াম জমা হোৱা) গঠন হ'ব পাৰে। আপোনাৰ হাড়ৰ উদ্ভেদ চোৱাৰ বাবে এক্স-ৰে' কৰাব পাৰে। এই উদ্ভেদ বা প্ৰকটন বিভিন্ন জোখৰ হ'ব পাৰে।
⇨ অষ্টিঅ'মাইলাইটিছ। ই হ'ল হাড়ৰ সংক্ৰমণ আৰু প্ৰান্তিক স্নায়ুৰ সমস্যা।
⇨ প্লাণ্টাৰ ফাছাইটিছ। ই হ'ল গোৰোহাৰ বিশেষ ধৰণৰ বাত সমস্যা। বেছিকৈ দৌৰিলে বা জাঁপ মাৰিলে টিছ্যু বেণ্ড বা ফাছা (ই গোৰোহাৰ হাড়ৰ পৰা ভৰিৰ আঙুলিৰ আগ পৰ্যন্ত বিস্তৃত)ৰ প্ৰদাহ হ'ব পাৰে।
⇨ ৰিউমাটয়েড আৰ্থ্ৰাইটিছ, ষ্ট্ৰেছ ফ্ৰেক্চাৰ আৰু টাৰছাল টানেল ছিণ্ড্ৰ'ম।

### কেতিয়া চিকিৎসকক দেখুৱাব

আপোনাৰ ভৰিত যদি নিম্নোক্ত উপসৰ্গসমূহ পৰিলক্ষিত হয়, তেন্তে ততালিকে চিকিৎসকৰ শৰণাপন্ন হ'ব। অন্যথা সমস্যা গভীৰ হৈ পৰিব পাৰে। এই উপসৰ্গবোৰ কি—

⇨ আপোনাৰ গোৰোহাৰ আশে-পাশে প্ৰচণ্ড বিষ হ'লে আৰু ফুলি উঠিলে।
⇨ যদি আপুনি আপোনাৰ ভৰিৰ পতা বেঁকা কৰি তলৰ ফালে নমাব নোৱাৰে, ভৰিৰ আঙুলি দাঙিব নোৱাৰে বা ভালদৰে খোজকাঢ়িব নোৱাৰে।
⇨ যদি আপোনাৰ গোৰোহাৰ যন্ত্ৰণাৰ লগতে জ্বৰ উঠে, গোৰোহা ক্ৰমশঃ অৱশ হৈ পৰে বা ঝিনঝিননি অনুভৱ হয়।
⇨ আঘাত পোৱাৰ লগতে যদি গোৰোহাত প্ৰৱল যন্ত্ৰণা অনুভৱ হয়।

### গোৰোহাৰ বিষ সমস্যাজনক বুলি কেনেকৈ বুজিব

⇨ আপুনি খোজ নাকাঢ়িলেও বা থিয় হৈ নথকা অৱস্থাতো যদি আপোনাৰ গোৰোহাত অবিৰতভাৱে যন্ত্ৰণা থাকে।
⇨ আপুনি বিশ্ৰাম গ্ৰহণ কৰা, বৰফ লগোৱা বা অন্যান্য ঘৰুৱা চিকিৎসা গ্ৰহণ কৰাৰ পাছতো গোৰোহাৰ যন্ত্ৰণা কে'বা সপ্তাহলৈ স্থায়ী হৈ থাকে।

চিকিৎসা

⇨ পূৰ্ণ বিশ্ৰামত থাকিব আৰু কিছু ব্যায়াম কৰিব। বিষনাশক ঔষধ সেৱন কৰিব। পাছফালে খোলা জোতা পৰিধান কৰিব।



## পুৱাৰ আহাৰৰ গুৰুত্ব

পুৱা শুই উঠাৰ পাছত প্ৰাতঃকৰ্ম সমাপন কৰাৰ পাছত মানুহৰ ভোক লাগে। কামলৈ ওলাই যোৱা পূৰ্বে সকলোকে পুৱাৰ আহাৰৰ প্ৰয়োজন। বিশেষজ্ঞৰ মতে, পৰ্যাপ্ত পৰিমাণৰ পুৱাৰ আহাৰে এজন লোকৰ স্বাস্থ্য ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নিয়মিতৰূপে পুৱাৰ আহাৰ গ্ৰহণ নকৰিলে যে শৰীৰৰ মাৰাত্মক ক্ষতি হয়, সেই কথা আমি সকলোৱে জানো। কিন্তু শেহতীয়া এক গৱেষণাত তাতোকৈ বেছি ভয়ানক তথ্য লাভ কৰিছে এদল গৱেষকে।

পৰীক্ষাৰ সময়ত দেখা গৈছে যে প্ৰায় নিয়মিতৰূপে পুৱা একো নাখালে হৃৎপিণ্ডত মাৰাত্মক চাপ পৰে। ফলত হৃৎপিণ্ডৰ কাৰ্যক্ষমতা লাহে লাহে কমিবলৈ আৰম্ভ কৰে। কেৱল সেয়াই নহয়, এনে হৈ থকাৰ কাৰণে হঠাৎ হাৰ্ট এটেকৰ আশংকাও বৃদ্ধি পায়। সেইবাবেই চিকিৎসকে পুৱাৰ আহাৰক দিনটোৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আহাৰ হিচাপে অভিহিত কৰে। ইংৰাজীত কয়, 'ইট ব্ৰেকফাষ্ট লাইক এ কিং'।

### মধুমেহৰ আশংকা

গৱেষণাত দেখা গৈছে যে যিসকলে নিয়মিতৰূপে পুৱাৰ আহাৰ গ্ৰহণ নকৰে, তেওঁলোক টাইপ-২ মধুমেহত আক্ৰান্ত হোৱাৰ আশংকা প্ৰৱল। প্ৰসংগক্ৰমে, আমাৰ দেশত শেহতীয়াকৈ মধুমেহত আক্ৰান্ত হোৱাৰ সংখ্যা ইমান উদ্বেগজনকভাৱে বাঢ়িছে যে আমিও সতৰ্ক হোৱাৰ সময় আহিছে।

### শক্তিৰ অভাৱ

পুৱাৰ আহাৰ যদি ভালদৰে গ্ৰহণ কৰা নহয়, তেন্তে দিনৰ আৰম্ভণিতে শৰীৰত শক্তিৰ অভাৱ ইমানেই মাৰাত্মক পৰ্যায়লৈ যায় যে কাম কৰাৰ ইচ্ছাই নোহোৱা হৈ পৰে। কেৱল সেয়াই নহয়, শৰীৰে যথাযথ পুষ্টি লাভ নকৰাৰ কাৰণে মস্তিষ্কৰ ক্ষমতাও হ্ৰাস পাবলৈ ধৰে। যাৰ প্ৰভাৱত স্মৃতিশক্তিও হ্ৰাস পায়।

### চুলি সৰা বৃদ্ধি

পুৱাৰ আহাৰ কৰাৰ অভ্যাস নাথাকিলে শৰীৰৰ কেৰেটিন নামৰ উপাদানৰ মাত্ৰা কমিবলৈ আৰম্ভ কৰে। যাৰ প্ৰভাৱত চুলি সৰাৰ মাত্ৰা দ্ৰুতগতিৰে বৃদ্ধি পায়। সেয়ে কম বয়সতে আপুনি যদি তপা হ'ব নিবিচাৰে, তেন্তে নিয়মিতৰূপে পুৱাৰ আহাৰ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰক। দেখিব আপুনি নিশ্চিত উপকাৰ পাইছে।

### হজম ক্ষমতা বৃদ্ধি

পেট্ৰ'ল বা ডিজেলৰ অবিহনে গাড়ী এখন চলে জানো? ঠিক সেইদৰে নিশা বিশ্ৰাম লোৱাৰ বাবে আঠ-ন ঘণ্টা লঘোণত থকাৰ পাছত যদি আপুনি সঠিক পৰিমাণে পুৱাৰ আহাৰ গ্ৰহণ নকৰে, তেন্তে আপোনাৰ হজম ক্ষমতাত মাৰাত্মক প্ৰভাৱ পৰিব। ফলত স্বাভাৱিকভাৱে শৰীৰৰ 'মেটাবলিজম ৰেট' কমিবলৈ আৰম্ভ কৰে। সেয়া হ'বলৈ আৰম্ভ কৰিলেই বদ-হজম আৰু নানা ধৰণৰ পেটৰ ৰোগৰ প্ৰকোপো চকুত লগাকৈ বৃদ্ধি পায়। সেয়ে সাৱধান হোৱাটো অতি জৰুৰী।

## কৃষ্ণাই নৈৰ পাৰত আৱৰ্জনাৰ দ'ম ঃ সচেতন মহলৰ প্ৰতিক্ৰিয়া



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ সদাব্যস্ত কৃষ্ণাই বজাৰৰ মাজেৰে বৈ যোৱা কৃষ্ণাই নৈৰ পাৰ বৰ্তমানে ডাষ্টবিনত পৰিণত হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ১৮৮৮ত ইংৰাজে নিৰ্মাণ কৰা লো তীখাৰ দলংখন বিগত ২০১৪ৰ প্ৰলয়ংকৰী বানপানীয়ে উটুৱাই নিয়াৰ পাছত দলংখনৰ পশ্চিম পাৰৰ অঞ্চলটোত একাংশ লোকে জাবৰ পেলোৱাত ডাষ্টবিনত পৰিণত কৰিছে। কৃষ্ণাই বজাৰৰ একাংশ ব্যৱসায়ী তথা কিছুসংখ্যক সাধাৰণ লোকে উক্ত ঠাইত আৱৰ্জনা পেলাই কৃষ্ণাই নৈৰ পানী প্ৰদূষিত কৰাৰ লগতে সমগ্ৰ অঞ্চলটোৰ পৰিৱেশৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। আচৰিত কথাটো হ'ল নৈ পাৰৰ এই ঠাইখিনিৰ প্ৰায় কাষতে আছে এটা মছজিদ, দুৰ্গা মন্দিৰ আৰু আৱাসিক অঞ্চল। তাৰ পাছতো এনেদৰে আৱৰ্জনাৰ পাহাৰ গঢ়া কাৰ্যই সকলোৰে চকু কপালত তুলিছে। যি সময়ত দেশৰ প্ৰধানমন্ত্ৰীয়ে এখন স্বচ্ছ ভাৰতৰ সপোন দেখি আহিছে সেই সময়তে কৃষ্ণাইৰ একাংশ ব্যৱসায়ীৰ এনে কৰ্মকাণ্ডই সচেতন মহলক চিন্তিত কৰি তুলিছে।

## বৰগাছাৰ পৰা সানেকুছি সংলগ্ন পথত বৃহৎ গাঁত ঃ ৰাইজৰ দুৰ্ভোগ

# নিৰ্মাণৰ এবছৰ সম্পূৰ্ণ নৌহওঁতেই বিধ্বস্ত পথ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৪ ছেপ্টেম্বৰ ঃ** ৰাইজৰ দাবী আৰু একান্ত অনুৰোধৰ পাছত যেতিয়া একোটা পথ যাতায়াতৰ সুচল কৰাৰ বাবে বিভাগীয়ভাৱে উদ্যোগ লৈ জনপ্ৰতিনিধিৰ প্ৰত্যক্ষ সহযোগত পকীকৰণ কৰে তেতিয়া পূৰ্বৰ তিক্ততাপূৰ্ণ অভিজ্ঞতা থকা ৰাইজে হিয়া উজাৰি আশীৰ্বাদ দিয়ে। তেতিয়াই উৎসাহিত হয় জনপ্ৰতিনিধি আৰু বিভাগীয় বিষয়া-কৰ্মচাৰী। কিন্তু ইয়াৰ মাজতে যেতিয়া পথ নিৰ্মাণৰ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰে নিজৰ খেয়ালখুছিত পথ নিৰ্মাণ কৰে তেতিয়া ৰাইজ ক্ষোভিত হৈ বিদ্ৰোহ কৰে। তেনে এটা পথ হৈছে বৰগাছাৰ পৰা দেহাৰকুছিৰ বশিষ্ঠ লহকৰৰ ঘৰৰ সন্মুখলৈ যোৱা পথছোৱা। নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ বৰগাছাৰ পৰা আৰু নলবাৰী সমষ্টিৰ দেহাৰকুছি সংলগ্ন উক্ত পথটি কামৰূপ জিলাৰ হাজো সমষ্টিৰ গৰমচুং, পূৰ্ণখুমদুম হীৰাপাৰা আৰু নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ সানেকুছিক স্পৰ্শ কৰিছে। দীৰ্ঘবছৰ ধৰি পথটি বোকাপানীৰে একাকাৰ হৈ থকাত ৰাইজৰ যাতায়াত যথেষ্ট কষ্ট হৈছিল। ৰাইজৰ দুখ-দুৰ্গতিৰ প্ৰতি লক্ষ্য ৰাখি আৰু ভুক্তভোগী ৰাইজৰ প্ৰৱল হেঁচাত বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমান জি এম ডি এৰ অধ্যক্ষ ১৩ পৃষ্ঠাত চাওক



## আজি মঙলদৈত জিলা সাহিত্য সভাৰ সোণালী ৰাজহুৱা সভা

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** দৰং জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ পূৰ্ণাংগ সমিতিখন গঠনৰ উদ্দেশ্যে কাইলৈ স্থানীয় সাহিত্য সভা প্ৰকল্পত এখন ৰাজহুৱা সভাৰ আহ্বান জনাইছে। এই সভাতেই আগন্তুক বছৰজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলগীয়া সোণালী জয়ন্তীৰ বিভিন্ন উপ-সমিতিসমূহ গঠন কৰা হ'ব। দিনৰ দুই বজাত অনুষ্ঠিত হ'বলগা সভাত সকলো ৰাইজৰে উপস্থিতি কামনা কৰিছে দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী আৰু সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সম্পাদক ৰাণা আলমে।

## সঘনাই বদলি ঃ পঞ্চায়ত সচিব অবিহনে চলিছে মাটিখোলা পঞ্চায়ত

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৪ ছেপ্টেম্বৰ ঃ** যি সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে চৰকাৰৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলৰ নিয়মিত উপস্থিতি, দুৰ্নীতি, অনিয়মৰ সন্দৰ্ভত পদক্ষেপ অব্যাহত আছে, সেই সময়তে গোলাঘাট পূব উন্নয়ন খণ্ডৰ অধীনস্থ মাটিখোলা গাঁও পঞ্চায়ত কাৰ্যালয়ত দীৰ্ঘদিন ধৰি পঞ্চায়ত সচিব অবিহনে বিভাগীয় কাম-কাজ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত অভাৱনীয় পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। প্ৰাপ্ত তথ্য মতে, সংশ্লিষ্ট পঞ্চায়ত কাৰ্যালয়ত ২০২০ৰ পৰা এগৰাকী সচিবে ২০২১লৈকে উপস্থিত থাকে যদিও সেইগৰাকী সচিবক বিভাগীয় কৰ্তৃপক্ষই বদলি কৰে। পাছত এগৰাকী ১৩ পৃষ্ঠাত চাওক

## মাজুলী মহাবিদ্যালয়ত ‘ৰাষ্ট্ৰীয় সেৱা আঁচনি দিৱস’ পালন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সৌজন্যত এক অভিনৱ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ‘ৰাষ্ট্ৰীয় সেৱা আঁচনি দিৱস’ৰ লগত সংগতি ৰাখি আয়োজন কৰা কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয় চৌহদত গোটৰ সদস্যসকলে এক চাফাই অভিযানত অংশ লয়। হাতে হাতে প্লেকাৰ্ড আৰু ১৩ পৃষ্ঠাত চাওক

## বলেৰ'ভৰ্তি অৰুণাচলী সুৰা কঢ়িয়াই আনোতে আৰক্ষীৰ জালত পৰিল ছাত্ৰ নেতাসহ দুই

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২৪ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বৰডুমচা অঞ্চলটো মদ, ভাং, কানি, ড্ৰাগছ আদি নিচাজাতীয় সামগ্ৰীৰ অতিকৈ সুলভ বুলি চৰ্চা দীৰ্ঘদিনীয়া। যুৱ প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া মাৰাত্মক নিচাজাতীয় সামগ্ৰীসমূহ সৰবৰাহৰ ক্ষেত্ৰত বিভিন্ন সময়ত বহু সম্ভ্ৰান্ত ঘৰৰ লোক তথা মহিলা জড়িত হৈ থকাৰ অভিযোগ পোৱা যায়। কিন্তু শেহতীয়াকৈ বৰডুমচা আৰক্ষীয়ে অৰুণাচলী সুৰাভৰ্তি এখন বলৰ'সহ এজন ছাত্ৰকৰ্মীক আটক কৰাত ৰাইজ চকু কপালত উঠিছে। নিচাজাতীয় সামগ্ৰীৰ প্ৰচলন আৰু সৰবৰাহত সদা সচেতন ছাত্ৰ কৰ্মী যেতিয়া এনে অভিযোগত আৰক্ষীৰ জালত পৰে নিশ্চিতভাৱে যুৱ সমাজৰ ১৩ পৃষ্ঠাত চাওক

## ডিপলোঙাত চাহ জনগোষ্ঠী মৰ্চাৰ বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ ছেপ্টেম্বৰ ঃ** নদুৱাৰৰ অন্তৰ্গত ডিপলোঙাৰ সামূহিক চাহ মঞ্চত আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ লগত সংগতি ৰাখি বিজেপিৰ চাহ জনগোষ্ঠী মৰ্চা আৰু অনুসূচিত জাতি মৰ্চাৰ উদ্যোগত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। বিশেষজ্ঞ চিকিৎসকসকলৰ দ্বাৰা অনুষ্ঠিত কৰা চিকিৎসা শিবিৰটো উদ্বোধন কৰে নাগশংকৰ চাহ মৰ্চাৰ সভাপতি পদুম কুৰ্মীয়ে। চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই শিবিৰটো পৰিদৰ্শন কৰি কয় যে এনে ধৰণৰ চিকিৎসা ব্যৱস্থাৰ জৰিয়তে এই অঞ্চলৰ দুখীয়া নিচলা ৰাইজ উপকৃত হ'ব। বিজেপিৰ চাহ কোষে যি ব্যৱস্থা হাতত লৈছে সেয়া প্ৰশংসনীয়। বিনামূলীয়া চিকিৎসা শিবিৰত অংশ লোৱা সকলো চিকিৎসক, নাৰ্ছ তথা চিকিৎসা কৰ্মীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে বিধায়ক হাজৰিকাই। অনুষ্ঠানত বিধায়কজনক সংগ দিয়ে চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰা, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, পৌৰপতি দ্বীপশিখা সন্দিকৈ, চতিয়া তিনি নম্বৰ গাঁও পঞ্চায়তৰ সভাপতি উদয়শংকৰ শইকীয়া, দক্ষিণ নাগশংকৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পাৰ্বতী শৰ্মাৰ লগতে ৱাৰ্ডৰ সদস্যসকলে।

## আজি দৰং-ওদালগুৰি জিলা বণিয়া সন্মিলনীৰ অভিনন্দন সভা

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ২৪ ছেপ্টেম্বৰ ঃ** দৰং আৰু ওদালগুৰি জিলা বণিয়া সন্মলনীৰ উদ্যোগত নিজ ছিপাঝাৰ (মকৰাপাৰা) শাখাৰ সহযোগত সন্মিলনীৰ তৰফৰ পৰা ২০২২ৰ উচ্চ, উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে কাইলৈ এখন অভিনন্দন সভা অনুষ্ঠিত হ'ব। নিজ ছিপাঝাৰ (মকৰাপাৰা) হৰি মন্দিৰ প্ৰাংগণত অনুষ্ঠিতব্য কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলন আৰু পতাকা উত্তোলনৰ পাছত দৰং আৰু ওদালগুৰি ১৩ পৃষ্ঠাত চাওক

## নলংগাৰ থেপকাইত চোৰাং কাঠ জব্দ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা আঞ্চলিক বন বিভাগে পঞ্চৰত্ন বন খণ্ডৰ বিষয়াৰ স'তে অভিযান চলাই কালি সন্ধিয়া নলংগাৰ থেপকাইত দুষ্কৃতিকাৰীয়ে চোৰাংকৈ কটা প্ৰকাণ্ড আকাৰৰ গামেৰি গছৰ পাঁচটা কুণ্ডা জব্দ কৰে। জব্দকৃত কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ২০ হেজাৰ টকা হ'ব বুলি পঞ্চৰত্ন বন খণ্ডৰ বিষয়া শংকৰ ৰয়ে সদৰী কৰে। উল্লেখ্য যে পঞ্চৰত্ন বন খণ্ড অঞ্চলত অসাধু ব্যৱসায়ীয়ে বনজ সম্পদৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বন খণ্ডৰ বিষয়া শংকৰ ৰয়ে কয় যে বৃহত্তৰ অঞ্চল সামৰি গঠিত পঞ্চৰত্ন বন খণ্ড। বন খণ্ডটোৰ অন্তৰ্গত পঞ্চৰত্ন পাহাৰ আৰু নলংগা পাহাৰ সংৰক্ষিত বনাঞ্চল আৰু কুমৰী খুটামাৰী আৰু খৰমুজা পাহাৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে চিহ্নিত হৈ আছে। কিন্তু পঞ্চৰত্ন বন খণ্ডৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলটোৰ ৰক্ষণাবেক্ষণৰ দায়িত্বত প্ৰয়োজনীয় বন কৰ্মী নথকাত সমস্যাৰ সৃষ্টি হোৱা বুলি পঞ্চৰত্ন বন খণ্ডৰ বিষয়াই সদৰী কৰে। অৱশ্যে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াতে অসাধু চক্ৰই বনাঞ্চলৰ ওপৰত ধ্বংসযজ্ঞ চলাই থকা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

## বস্ত্ৰ নগৰীত প্ৰবঞ্চকৰ দলৰ টিঘিলঘিলনি

### মহিলাৰ পৰা লুটি নিলে লক্ষাধিক টকাৰ সোণৰ গহনা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৪ ছেপ্টেম্বৰ ঃ** বস্ত্ৰ নগৰী শুৱালকুছিত আজি কিছুদিন ধৰি প্ৰবঞ্চকৰ দলৰ টিঘিলঘিলনিয়ে স্থানীয় ৰাইজক শংকিত কৰি তুলিছে। আজি প্ৰায় তিনিমাহ পূৰ্বে পূব শুৱালকুছিৰ এগৰাকী মহিলাক প্ৰবঞ্চনা কৰি কে'বা লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ সৰকোৱাৰ পাছত কালি আকৌ এক এনে ঘটনা শুৱালকুছিত সংঘটিত হোৱাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, শুৱালকুছি হাস্পতাল ৰোডৰ প্ৰয়াত লোহিত বৈশ্যৰ পত্নী সত্যবালা বৈশ্যৰ পৰা ঘৰত কোনো নথকাৰ সুযোগতে দুজনীয়া প্ৰবঞ্চকৰ দল এটাই ডিঙি আৰু কাণত পিন্ধি থকা সোণৰ অলংকাৰ লৈ উধাও হয়। মহিলাগৰাকীয়ে সদৰী কৰা মতে, কালি দুপৰীয়া প্ৰায় ১২-৪৫ বজাত এজন হিন্দীভাষী লোকে তেওঁলোকৰ চোতালত প্ৰৱেশ কৰি বাচন-বৰ্তন চাফা কৰিবলৈ অহা বুলি কৈ সন্মুখতে থকা এটা কাঁচৰ গিলাছ ধুনীয়া দেখাকৈ চাফাই কৰি দি সোণৰ আ-অলংকাৰ চাফা কৰাৰ কথা কয়। পাছত মহিলাগৰাকীয়ে এইবোৰ কৰিব নালাগে বুলি লোকজনক ১৩ পৃষ্ঠাত চাওক

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূব মাণ্ডলিক যুৱ মহোৎসৱত বিপুল সংখ্যক নগাঁও কলেজৰ বিজয়ী দলক আদৰণি



বিশেষ সংবাদদাতা

**নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও কলেজৰ অনিল বৰা প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত এক আদৰণি অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূব মাণ্ডলিক যুৱ মহোৎসৱত পাঁচটা গল্ড, সাতটা ছিলভাৰ আৰু চাৰিটা ব্ৰঞ্জৰ স'তে বিপুল সংখ্যক বঁটাৰে দ্বিতীয় স্থান অধিকাৰ কৰা দলটোক আদৰণি জনোৱা হয়। এই আদৰণি অনুষ্ঠানত কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকী, কলেজৰ জ্যেষ্ঠ অধ্যাপক ধ্ৰুৱজ্যোতি বৰুৱা, আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়া, অধ্যাপক ঋষি ভাৰ্গৱ দাস, তত্ত্বাৱধায়কদ্বয় ড° মানস জ্যোতি নিৰ্মলীয়া আৰু কল্যাণী অধিকাৰী উপস্থিত ১৩ পৃষ্ঠাত চাওক

## ঘগ্ৰাপাৰৰ আল্লিয়াত বিজেপিৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৪ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিন উপলক্ষে নলবাৰী জিলা বিজেপিৰ নিৰ্দেশমৰ্মে বিজেপিৰ বড়িগোগ বনভাগ মণ্ডল সমিতিৰ উদ্যোগত অনুসূচিত জাতি মৰ্চাৰ সহযোগত আৰু নাৰায়ণা ছুপাৰস্পেচিয়েলিটী হাস্পতালৰ চিকিৎসকৰ তত্ত্বাৱধানত আজি ঘগ্ৰাপাৰৰ আল্লিয়াত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। আল্লিয়া গাঁও পঞ্চায়তৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত স্বাস্থ্য শিবিৰটো উদ্বোধন কৰে নলবাৰী জিলাৰ মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশীয়ে। অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ জিলা সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক বিজয় বৰ্মন, সম্পাদক কনক ভৰালী, বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ জিলা উপ-সভাপতি সুজিত দাস, চটাইবাৰী পঞ্চায়তৰ কাউন্সিলাৰ মিনি ডেকা, ঘগ্ৰাপাৰ মণ্ডল অনুসূচিত জাতি মৰ্চাৰ সভাপতি অৰুণ দাস, উপ-সভাপতি বিনোদ তালুকদাৰ, সম্পাদিকা শ্বীমা দাস, সম্পাদকদ্বয় সঞ্জয় মালি, ৰিতু বৈশ্য আদিয়ে। শিবিৰত নাৰায়ণা ছুপাৰস্পেচিয়েলিটী হাস্পতালৰ পৰা চিকিৎসক ক্ৰমে ডাঃ শচীন শ্বাহ, ডাঃ পি গোস্বামী, ডাঃ পাৰ্থ চৌধুৰী, ডাঃ হেলিনা বেগম আদিয়ে অঞ্চলটোৰ প্ৰায় ডেৰ শতাধিক ৰোগীক চিকিৎসা প্ৰদান কৰাৰ উপৰি বিনামূলীয়া ঔষধ-পাতি যোগান ধৰা হয়।

## বৰপেটা বৰবজাৰ যুৱক সংঘৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱৰ মহোৎসৱ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৪ ছেপ্টেম্বৰ ঃ** জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ অহা চাৰি অক্টোবৰৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে বৰপেটা বৰবজাৰ যুৱক সংঘৰ উদ্যোগত শ্ৰীশ্ৰী নাৰায়ণ দাস ঠাকুৰ আতা ক্ষেত্ৰ বৰবজাৰত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি চাৰি অক্টোবৰত দোকমোকালিতে উষা কীৰ্তন, আৱিৰ্ভাৱ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান, ভাগৱত স্থাপন, ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তৃতা প্ৰতিযোগিতা, গায়ন-বায়ন সহিতে শোভাযাত্ৰা কৰি বৰপেটা সত্ৰৰ শৰাই প্ৰদান আৰু মহিলাৰ চাপৰি নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পাঁচ অক্টোবৰত পুৱা ১৩ পৃষ্ঠাত চাওক

## জামুগুৰিহাটত ১২৭ টিন লালীগুড় জব্দ ঃ এজনক জেললৈ প্ৰেৰণ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ ছেপ্টেম্বৰ ঃ** চুলাই মদ প্ৰস্তুত কৰাত ব্যৱহৃত হোৱা লালীগুৰৰ বিৰুদ্ধে জামুগুৰিহাটত অব্যাহত আছে আৰক্ষীৰ অভিযান। কিছুদিন পূৰ্বে জামুগুৰিহাটৰ কুসুমটোলাত লালীগুৰৰ ব্যৱসায় কৰা বিশ্বনাথ চাৰিআলিৰ দুগৰাকী ব্যক্তিক লালীগুৰৰ গাড়ীসহ আৰক্ষীয়ে আটক কৰাৰ পাছত এইবাৰ অঞ্চলটোৰ দীপাটোলাত লালীগুৰৰ ব্যৱসায় কৰা গংগা থাপা নামৰ এজন যুৱকৰ ঘৰত ১২০ টিন লালীগুৰ জব্দ কৰিবলৈ সক্ষম হৈছে জামুগুৰি আৰক্ষী। কালি নিশা আৰক্ষীৰ এটা বৃহৎ দল অভিযান চলাই ব্যক্তিজনৰ ঘৰত মজুত কৰি ৰখা লালীগুৰসমূহ জব্দ কৰিবলৈ সক্ষম হয়। ইফালে অঞ্চলটোত দীৰ্ঘদিন ধৰি লালীগুৰৰ ব্যৱসায় কৰি চুলাই মদ তৈয়াৰ কৰা ব্যৱসায়ীক পৰোক্ষভাৱে উদগনি যোগোৱা গংগা থাপাক আৰক্ষীয়ে আটক কৰি পাছত জেললৈ প্ৰেৰণ কৰে। লালীগুৰৰ ব্যৱসায় কৰি আৰক্ষীৰ হাতত আটক হৈ জেললৈ যোৱা গংগা থাপাই দীপাটোলাত পিতৃৰ নামত থকা সুলভ মূল্যৰ দোকানো পৰিচালনা কৰে। উল্লেখ্য যে আবকাৰী বিভাগৰ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি জামুগুৰিহাট কুসুমটোলা আৰু দীপাতোলা অঞ্চলত গঢ়ি উঠা মুদাই মদৰ ভাটিয়ে অঞ্চলটোৰ সামাজিক তথা শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

## সোপাধৰাৰ অপপ্ৰচাৰ প্ৰতি টেঙাখাতবাসীক সজাগ হ'বলৈ আহ্বান

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৪ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমত সোপাধৰাৰ আতংকই বিৰাজ কৰাৰ পৰিপ্ৰেক্ষিতত টেঙাখাত আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লক্ষ্মীনাথ দলে আজি এক সংবাদমেল অনুষ্ঠিত কৰি টেঙাখাত অঞ্চলত যাতে সোপাধৰাৰ উৰা বাতৰিয়ে আতংকিত কৰিব নোৱাৰে তাৰ প্ৰতি টেঙাখাত অঞ্চলৰ ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়। আৰক্ষী বিষয়াজনে সংবাদমেলত স্পষ্ট কৰি দিয়ে যে সোপাধৰা ওলোৱাটো এক অপপ্ৰচাৰ ইয়াৰ কোনো প্ৰমাণ নাই। অপপ্ৰচাৰত বিশ্বাস কৰি আৱেগিক হৈ যাতে কাকো আইন হাতত তুলি নলবলৈও আৰক্ষী বিষয়াজনে আহ্বান জনায়। কোনো অচিনাক্ত লোকক সোপাধৰা বুলি সন্দেহ কৰি আক্ৰমণ নকৰিবলৈ আহ্বান জনোৱাৰ লগতে তৎকালে আৰক্ষীক জনাবলৈ এটা ফোন নম্বৰ আৰক্ষী বিষয়াজনে মুকলি কৰিছে। ফোন নম্বৰটো হ'ল ৬০২৬৯০১২৭৭। এই সংক্ৰান্তত টেঙাখাত অঞ্চলৰ সচেতন ব্যক্তি দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগ কামনা কৰিছে আৰক্ষী বিষয়াজনে।

### পৰম্পৰা ৰক্ষা কৰি পাঁচদিনীয়াকৈ আয়োজন

## শতবৰ্ষ গৰকা ঐতিহাসিক শ্ৰীশ্ৰীবুঢ়ীগোসাঁনী মন্দিৰত দুৰ্গা পূজা



অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৪ ছেপ্টেম্বৰ ঃ** ৰাজহ চক্ৰৰ সজ্জনপাৰাৰ লাৰা পাহাৰস্থিত ঐতিহাসিক ৰাণী ৰাজ্যৰ ৰাজ বংশানুক্ৰমে পূজিতা শ্ৰীশ্ৰীবুঢ়ী গোসাঁনী মন্দিৰত উপৰদানী তালুকৰ সৌজন্যত অহা এক অক্টোবৰৰ পৰা পাঁচদিনীয়াকৈ দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। আধুনিকতাৰ জাকজমকতাৰে অনুষ্ঠিত নকৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে আয়োজন কৰা উক্ত পূজাৰ অষ্টমীৰ দিনাখন ৰাণী অঞ্চলৰে নহয় দাঁতি কাষৰীয়া ঠাইৰ পৰাও সহস্ৰাধিক ধৰ্মপ্ৰাণ লোকৰ সমাগম হয় উক্ত পূজাস্থলীত। ইতিহাস প্ৰসিদ্ধ ৰাণী ৰাজ্যৰ ৰাজবংশৰ জগদীশ নাৰায়ণ সিংহক ৰজা হিচাবে লৈ আয়োজন ১৩ পৃষ্ঠাত চাওক

## সঞ্চালক মণ্ডলীৰ নৱ নিৰ্বাচিত সদস্য-সদস্যাৰ শপতগ্ৰহণ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৪ ছেপ্টেম্বৰ ঃ** ছফিয়ৰ ৰহমানক সৰ্বসন্মতিক্ৰমে গোৱালপাৰা জিলাৰ সূৰ্যগিৰি সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডলীৰ সভাপতিৰূপে বাছনি কৰা হৈছে। উল্লেখ্য যে সঞ্চালক মণ্ডলীৰ মুঠ ১৫ গৰাকী সদস্য-সদস্যা পদৰ বিপৰীতে অনুসূচিত জাতি-জনজাতিৰ বাবে সংৰক্ষিত একমাত্ৰ আসনত কান্তৰাম ৰাভা আৰু মহিলাৰ বাবে সংৰক্ষিত আসন দুখনত জয়ভান নেছা আৰু ধীৰেশ্বৰী দাসে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে বাকী থকা ১২ গৰাকী মুক্ত সদস্য পদৰ বাবে মুঠ ১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ইয়াৰে ছফিয়ৰ ৰহমানে (ক) সৰ্বাধিক ভোট লাভ কৰি প্ৰথম স্থান দখলৰে বিজয়ী হোৱাৰ বিপৰীতে বাকী বিজয়ী হোৱা প্ৰাৰ্থীসকল ক্ৰমে আশান আলী, ছোবাহান আলী, আমিৰ আলী, ছফিয়ৰ ৰহমান (খ), ৰতন কলিতা, কুৰবান আলী, আৰাজ উদ্দিন, আবু ছামাদ, ৰবীন কলিতা, দালীপ চন্দ্ৰ দে আৰু তিলক চন্দ্ৰ নাথ। ইপিনে, আজি সঞ্চালক মণ্ডলীৰ নৱ-নিৰ্বাচত সদস্য-সদস্যাসকলে শপত বাক্য পাঠ কৰে। এই উপলক্ষে সমিতিৰ কাৰ্যালয়ত বিগত কাৰ্যকালৰ সঞ্চালক মণ্ডলীৰ সভাপতি ছোবাহান আলীৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত ১৩ পৃষ্ঠাত চাওক

## কলগাছিয়াত দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত কে'বাজনো

**কলগাছিয়া, ২৪ ছেপ্টেম্বৰ ঃ** কলগাছিয়াত আজি পৃথকে পৃথকে দুটাকৈ পথ দুৰ্ঘটনা সংঘটিত হয়। দুপৰ নিশা কলগাছিয়াত চলি থকা বাণিজ্য মেলা চাই ঘৰলৈ ওভতাৰ পথত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনা। একে দিশে গৈ থকা এ এছ-১৯ আৰ-৩২৯৪ নম্বৰৰ কেটিএম তীব্ৰবেগী মটৰ চাইকেলখনে পিছফালৰ পৰা খুন্দিয়াই দিয়ে ই-ৰিক্সাক। ফলত কলগাছিয়াৰ পৰা বামুণটাৰীলৈ যোৱাৰ পথত আঠজন যাত্ৰীসহ ই-ৰিক্সাখন দ' পুখুৰীত পৰে। ততাতৈয়াকৈ স্থানীয় ৰাইজে মটৰ চাইকেল আৰোহী দুজনৰ লগতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ই-ৰিক্সাৰ আঠজন যাত্ৰীক কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়ত গুৰুতৰ অৱস্থাত ভৰ্তি কৰে। ইপিনে, আজি দিনৰ ভাগত দাবনবদিয়াৰ ১৩ পৃষ্ঠাত চাওক

## তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ উদ্যোগত বক্তৃতানুষ্ঠান

# অমূল্য বৰুৱাৰ কবিতা মানে বহু পঠিত কবিতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৪ ছেপ্টেম্বৰ ঃ** ‘অমূল্য বৰুৱাৰ কবিতা মানেই বহু পঠিত কবিতা। অমূল্য বৰুৱাই অসমীয়া আধুনিক কবিতাৰ নতুন ধাৰা সৃষ্টি কৰিছিল। অমূল্য বৰুৱাই প্ৰচলিত ৰমন্যাসবাদৰ ধাৰাটোৰ পৰা আঁতৰি প্ৰগতিশীল আধুনিক কবিতাৰ পথ প্ৰশস্ত কৰি তুলিছিল।’ আজি তেজপুৰত এই মন্তব্য কৰে ৰাজ্যখনৰ এজন প্ৰগতিশীল কবি, লেখক শংকৰ শইকীয়াই। উল্লেখ্য যে কবি অমূল্য বৰুৱাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি আজি তেজপুৰত জনসাংস্কৃতিক পৰিষদে আয়োজন



কৰা ‘অসমীয়া প্ৰগতিশীল কবিতাৰ অন্যতম বাটকটীয়া কৰি অমূল্য বৰুৱা’ শীৰ্ষক এক মননশীল বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰে কামৰূপ জিলাৰ দদৰাৰ প্ৰগতিশীল কবি, লেখক শইকীয়াই। তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ সভাপতি, কবি, লেখিকা ৰাজু বৰুৱাৰ পৌৰোহিত্যত অসমীয়া ক্লাবত অনুষ্ঠিত এই অনুষ্ঠানত মূল বক্তাৰূপে অংশগ্ৰহণ কৰি শংকৰ শইকীয়াই ‘অমূল্য’ শীৰ্ষক পত্ৰিকা এখন উন্মোচন কৰি নিৰ্দিষ্ট বিষয়ৰ ওপৰত অমূল্য বৰুৱাৰ বিখ্যাত কবিতাৰ পংক্তি আওৰাই আগবঢ়োৱা ভাষণত বৰুৱাৰ কবিতা অনুধাৱন কৰিবলৈ হ'লে আমি বৰুৱাৰ সময়খিনিও অনুধাৱন কৰিব পাৰিব লাগিব বুলি কয়। তেওঁ বৰুৱাক সত্যদ্ৰষ্টা কবি বুলি উল্লেখ কৰি কবি, লেখক ভৱানন্দ দত্তৰ উদ্ধৃতিৰে কয়, সত্যদ্ৰষ্টা কবিয়ে ব্যক্তিগত সুবিধাহৰণৰ স্বাৰ্থত প্ৰকৃত সত্য কাহিনীও গোপন নকৰাৰ দৰে অমূল্য বৰুৱাইও প্ৰকৃত সত্যক কবিতাৰ মাজেৰে দাঙি ধৰিছিল বুলি ১৩ পৃষ্ঠাত চাওক

## যোৰহাটত আবকাৰী বিভাগৰ অভিযানত কে'বা হেজাৰ লিটাৰ সুৰা ধ্বংস

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৪ ছেপ্টেম্বৰ ঃ** যোৰহাটত আবকাৰী বিভাগে চলোৱা এক অভিযানত কালি হেজাৰ অধিক লিটাৰ স্থানীয় সুৰা নষ্ট কৰে। তথ্য মতে, আৱকাৰী বিভাগৰ দলটোৱে যোৰহাট মহবন্ধা বাগিচা, চাংছোৱা বাগিচা, কানিয়া চাপৰি, ঠেঙালবাৰী, কাকডোঙা চাহ বাগিচা, ডফলাটিং চাহ বাগিচা, কাটনীপাৰ, লোজনীয়া, কঠালগুৰি, সোণোৱাল আদি স্থানত অভিযান চলায়। অভিযানত দলটোৱে প্ৰায় ১৩ শ লিটাৰ চুলাই জব্দ কৰি নষ্ট কৰে।

# বৰপেটাত ৰুদ্ৰ বৰুৱাৰ গীতৰ কৰ্মশালাৰ সামৰণি



লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীতৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা সোঁৱৰণী সন্থাৰ বৰপেটা শাখাৰ উদ্যোগত আয়োজন কৰা কৰ্মশালাৰ অলপতে সামৰণি পৰে। ১৫ দিনীয়া এই কৰ্মশালাৰ সামৰণি উপলক্ষে বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষণ গ্ৰহণ কৰা গীতসমূহ পৰিৱেশন কৰে। তাৰ লগতে নিৰ্বাচিত গীতত নৃত্যও পৰিৱেশন কৰা হয়। উল্লেখ্য যে কৰ্মশালাত মুঠ ১৫টা গীতৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণ প্ৰদান কৰে শিল্পী দম্পতী হেমেন্ত কুমাৰ দাস আৰু গীতাঞ্জলি গায়নে। কৰ্মশালাৰ সামৰণি উপলক্ষে এখন সভাও অনুষ্ঠিত হয়। সভাত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সাংস্কৃতিক উন্নয়ন বিষয়া গোবিন্দ বৈশ্য, শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰ, বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজা, বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, সমাজকৰ্মী অনিল দাস, বৰপেটাৰ জিলা সাংস্কৃতিক বিষয়া প্ৰাণজিত পাঠক আদি উপস্থিত থাকে। এই অনুষ্ঠানতে কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা প্ৰমাণপত্ৰও প্ৰদান কৰা হয়। উল্লেখ্য যে ১০ বছৰৰ ঊৰ্ধ্বৰ প্ৰায় ৪০টা শিশু আৰু কিশোৰ-কিশোৰীয়ে এই কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰে।

## মুক্তিৰ বাবে সাজু এক্সনধৰ্মী ছবি

# 'ঘোষ্ট অৱ মাইখুলি'




চলিত বৰ্ষত বৰ্তমানলৈকে ১৮ খন অসমীয়া ছবিয়ে চিত্ৰগৃহৰ মুখ দেখিলে। সমান্তৰালভাৱে অসমীয়া চিনেমাৰ সুদিনো ঘূৰি অহা পৰিলক্ষিত হৈছে। চিত্ৰগৃহত দৰ্শকৰ সঁহাৰিৰ উপৰি এখনৰ পাছত আন এখন চিনেমাই সুনামো কঢ়িয়াইছে ৰাজ্যখনলৈ। আনহে নালাগে ব্যতিক্ৰমী চিন্তা-চৰ্চা তথা উন্নত প্ৰযুক্তি-কাৰিকৰী কৌশলেৰে নিৰ্মাণ কৰা দুখনখনমান ছবিয়ে বলীউডৰ ছবিৰ লগতো বক্স অফিচত ফেৰ মাৰিবলৈ সক্ষম হৈছে। এনে এক আশাব্যঞ্জক পৰিৱেশতেই মুক্তিৰ বাবে সাজু হৈ উঠিছে এক্সনধৰ্মী ছবি 'ঘোষ্ট অৱ মাইখুলি'। ক্ৰেয়ন ট্ৰী প্ৰডাকছনৰ বেনাৰত গীতা পাঠক প্ৰযোজিত আৰু পংকজ চোৰাম পৰিচালিত ছবিখনিৰ টীজাৰটোৱে দৰ্শকৰ মনত আগ্ৰহ আৰু কৌতুহল দুয়োটায়ে বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। অলপতে ছবিখনৰ পোষ্টাৰ আৰু ট্ৰেইলাৰ মুকলি কৰা হয়। ছবিখনিৰ কাহিনী পংকজ চোৰাম আৰু অংকুৰ ডেকাৰ। চিত্ৰনাট্য-সংলাপ ৰচনা কৰিছে পংকজ চোৰাম, চন্দ্ৰ কুমাৰ দাস, বিনেট ঝাই। সংলাপ ৰচনা কৰিছে পংকজ চোৰাম, চন্দ্ৰ কুমাৰ দাস, ৰূপম শৰ্মা আৰু প্ৰণৱ কলিতাই। মুখ্য সহকাৰী পৰিচালক ৰূপম শৰ্মা। সহকাৰী পৰিচালক সুমন দাস আৰু প্ৰশান্ত চেলেং। গুৱাহাটী, কোকোৰাঝাৰ আৰু শ্বিলঙৰ মনোমোহা লোকেশ্বনত ছবিখনিৰ দৃশ্যগ্ৰহণ কৰিছে চন্দ্ৰ কুমাৰ দাস। সম্পাদনা কৰিছে ধীৰাজ মজুমদাৰে। ছাউণ্ড ডিজাইনাৰ দেৱজিৎ গায়ন। ডি আই আৰু ভি এফ এক্স কৰিছে শ্যামল দাসে। আৱহ সংগীত মন্দীপ টাৰো (বেছহ'ল)। এক্সনধৰ্মী ছবিখনিৰ এক্সন কম্প'জ কৰিছে পৰিচালক পংকজ চোৰাম, মানস দৈমাৰী আৰু জনী দাৰলঙে। 'ঘোষ্ট অৱ মাইখুলি'ৰ মুখ্য চৰিত্ৰসমূহত অভিনয় কৰিছে ক্ৰমে— বাহাৰুল ইছলাম, ৰাজীৱ ক্ৰ, ডৰথি ভৰদ্বাজ, কমল লোচন, জলী লস্কৰ, বিনোদ লাল দাস, পংকজ চোৰাম, কুণাল শৰ্মা, সন্ধ্যা হাজৰিকা, পৱন শৰ্মা, জনী দাৰলং, মানস দৈমাৰী, জুলী বৰা আদি। ছবিখনি অহা ১৪ অক্টোবৰত চিত্ৰগৃহত মুক্তিলাভ কৰিব।

## বাণ থিয়েটাৰত 'সুন্দৰম'ৰ নাটক

# 'নিৰ্বোধ নৃপতিৰ বিপত্তি'

তেজপুৰৰ এজন সম্ভাৱনাপূৰ্ণ নাট্য আৰু নৃত্যশিল্পী কৃষাংকু বৰুৱাৰ ২২ সংখ্যক ওপজা দিনৰ লগত সংগতি ৰাখি প্ৰথম মৃত্যু বাৰ্ষিকীত নাট্যগোষ্ঠী 'সুন্দৰমে' মঞ্চস্থ কৰে নাট্যকাৰ-পৰিচালক দিগন্ত কুমাৰ ভূঞাৰ 'নিৰ্বোধ নৃপতিৰ বিপত্তি'। কোনো ৰাজ্যত ৰজা নিৰ্বোধ বা অবিবেচকী হ'লে সেই ৰাজ্যৰ প্ৰজা আহুকালত পৰে। নিৰ্বোধ বা বুদ্ধিহীন ৰজাৰ পৰা কাৰ কেতিয়া জীৱনলৈ বিপদ আহে ধৰা টান, এনে ৰজাৰ বাবে অপাত্ৰ পাত্ৰ হয়, নিৰ্দোষী দোষী হয়। নিৰ্বোধিতাৰ ফলত কেৱল প্ৰজাৰে নহয় ৰজাৰ জীৱনলৈকো যে অন্ধকাৰ নামি আহিব পাৰে তাৰে আলমত গঢ় লৈ উঠিছে নাটকৰ বিষয়বস্তু। এটা মুখ বাগৰি অহা সাধুৰ আধাৰত নিৰ্মিত 'নিৰ্বোধ নৃপতিৰ বিপত্তি' এক হাস্য-ব্যংগ নাটক। পৰিচালনা ভূপেন শৰ্মা আৰু দিগন্ত কুমাৰ ভূঞাৰ। মুঠ ১৬গৰাকী



অভিনেতা-অভিনেত্ৰীৰে মঞ্চায়ন কৰা নাটকখনত পৰিচালকদ্বয়ে দক্ষতাৰ পৰিচয় দিব পাৰিছে।

নাটকৰ প্ৰটাগণিষ্ট চৰিত্ৰত চিন্ময়জ্যোতি শৰ্মাৰ বলিষ্ঠ অভিনয়ে দৰ্শকক মুগ্ধ কৰি ৰাখিব পাৰিছে। মহামন্ত্ৰী আৰু বৰুৱাৰ চৰিত্ৰত ক্ৰমে দিব্যজ্যোতি কোচ আৰু বিপ্লৱ শৰ্মাই কাহিনীৰ প্ৰতি সুবিচাৰ কৰিব পাৰিছে। ঋষি আৰু শিষ্য হিচাপে দেৱব্ৰত শৰ্মা, ৰাজদ্বীপ বৰা আৰু কুলদ্বীপ সোণোৱালৰ অভিনয় সাৱলীল। ব্যক্তি, গৃহস্থ, মিস্ত্ৰি, দোকানী আৰু মহিলাৰ চৰিত্ৰত জয়ন্ত শৰ্মা, মৃণাল বৰুৱা, বীৰেণ দাস, ৰুবু কলিতা আৰু পংক্তি নেওগৰ অভিনয়ে দৰ্শকক আমোদ দিব পাৰিছে। অৱশ্যে মিস্ত্ৰিৰ চৰিত্ৰত বীৰেণ দাসৰ অভিনয় বিশ্বাসযোগ্য যদিও সংলাপ প্ৰক্ষেপণত কিছু অস্পষ্টতা ৰৈ গ'ল।

শোণিতজ্যোতি শইকীয়াৰ লাইট ডিজাইন, দিব্যজ্যোতি নাথৰ ৰূপসজ্জা, কুলেন বৰাৰ দৃশ্যসজ্জা আৰু নাট্যকাৰ-পৰিচালক দিগন্ত কুমাৰ ভূঞাৰ নিজা আৱহ সংগীতৰ কাম প্ৰশংসনীয়। নাটকখনত নৃত্য-গীতৰো এক বিশেষ ভূমিকা আছে। নাচনী দৃষ্টি মহন্ত আৰু প্ৰিয়াক্ষীৰ নৃত্য প্ৰদৰ্শন যথাযথ।

এগৰাকী প্ৰচুৰ সম্ভাৱনাপূৰ্ণ প্ৰতিভাৰ স্মৃতি যুগমীয়া কৰাৰ বাবে তেজপুৰৰ নাট্যগোষ্ঠী 'সুন্দৰমে' গ্ৰহণ কৰা পদক্ষেপ আদৰণীয় আৰু তাৰ বাবে প্ৰযোজক ভূপেন বৰুৱাক ধন্যবাদ জনাব লাগিব। 'সুন্দৰম'ৰ এনে প্ৰয়াসক সাধুবাদ দিয়াৰ লগতে প্ৰতি বছৰে একোখন সুন্দৰ নাটকৰ উপহাৰ আশা কৰিব পৰা যাব নিশ্চয়।

# দীৰ্ঘদিনৰ অন্তত এখন নাটক চালো




যোৱা ১৬ ছেপ্টেম্বৰৰ সন্ধিয়া দীৰ্ঘদিনৰ অন্তত এখন নাটক চাই মন খুলি হাঁহিলো। নাটকৰ নায়ক-নায়িকাসকল আছিল সদা ব্যস্ত লোক। কাৰণ তেওঁলোক সকলো কেইজনেই একোজন চিকিৎসক। এসময়ত আমাৰ অঞ্চলত বছৰে এখন দুখন নাটক কৰা বাা চোৱা এটা অঘোষিত পৰম্পৰা আছিল। সেয়া বিষ্ণু ৰাভা দিৱসেই হওক কিম্বা বিষ্ণু মন্দিৰৰ কিবা অনুষ্ঠানেই হওক অথবা বিশ্বকৰ্মা পূজাই হওক। হোজাই সাহিত্য সভাৰ মঞ্চত কে'বাখনো নাটক হৈছিল। ইয়াৰ গুৰি ধৰিছিল পিতৃ আৰু অগ্ৰজ প্ৰতিম অনুপ কুমাৰ বৰঠাকুৰে। কিন্তু বিভিন্ন কাৰণত এতিয়া সকলো বন্ধ হৈ পৰিল। মোৰ সৰুৰে পৰা নাটকৰ প্ৰতি বিশেষ দুৰ্বলতা আছিল। নাটক কৰি ভাল পাওঁ আৰু নাটক চায়ো ভাল পাওঁ।

সেইদিনা খবৰ পালো হোজাইত পুনৰ নাটক মঞ্চস্থ হ'ব। এই নাটক চিকিৎসকে কৰিব। হোজাইৰ হাম হাস্পতালৰ ২৭ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে। আনন্দ লাগিল। এসময়ত পালোগৈ নিৰ্দিষ্ট স্থান। হাম নিউলেণ্ড। টিডিচি পাছ কৰাৰ পাছত কিছু বছৰৰ ন্যাসৰক্ষী ছহিদ হুছেইনৰ দাদাৰ প্ৰচেষ্টাত তাতে চাকৰি কৰিছিলো। তাত মোক প্ৰায় সকলোৱে চিনি পায়। মই গৈ ন্যাসৰক্ষী মাণিক আৰু প্ৰজেক্ট মেনেজাৰ অগ্ৰজ আল্লাউদ্দিনৰ কাষতে বহিলোগৈ নাটক চোৱাৰ উদ্দেশ্যে।

একাংকিকা নাটক। নাটক আৰম্ভ। চিকিৎসকৰ চেম্বাৰ। প্ৰায় আধা ঘণ্টাতকৈ অধিক সময় চলিল নাটক। নাটক চাই কেৱল হাঁহিলো। একো একোজন সদা ব্যস্ত, সদায় ৰিজাৰ্ভ থকা চিকিৎসকৰ সাৱলীল অভিনয়। বিশেষকৈ মূল চৰিত্ৰত অভিনয় কৰা জ্যেষ্ঠ শৈল্য চিকিৎসক ডাঃ চাইদুল ইছলাম, ডাঃ হেলিম, ভ্ৰাতৃ প্ৰতিম ডাঃ স্বৰূপ সূত্ৰধৰ, অগ্ৰজ প্ৰতিম ডাঃ আল হিলাল চৌধুৰীৰ অভিনয় অতি সাৱলীল। এজন সদাব্যস্ত চিকিৎসকৰ জীৱনত সদায় ঘটি থকা বিশেষকৈ গ্ৰামাঞ্চলত ঘটনাৰ আলমত এই নাটকখন মঞ্চস্থ কৰা হৈছিল। নাটকখনৰ এক বিশেষ চৰিত্ৰত প্ৰাক্তন বিধায়ক ডাঃ আদিত্য লাংথাছাই কৰা অভিনয়ে এজন ধনী লোকে কেনেকৈ এজন ব্যস্ত চিকিৎসকক ব্যতিব্যস্ত কৰে তাক সুন্দৰ ৰূপত উপস্থাপন কৰাৰ বিপৰীতে এজন দুখীয়া লোকে চিকিৎসকে কৰা উপকাৰ সুন্দৰ ৰূপত উপস্থাপন কৰিছে বৰ্তমান হামৰ অধীক্ষক ডাঃ আল হিলাল চৌধুৰীয়ে। বৰ্তমান সমাজত এশজন চিকিৎসকৰ ভিতৰত মাত্ৰ কেইজনমান চিকিৎসকে ৰোগীক বিনামূলীয়া চিকিৎসা কৰাৰ উপৰি পকেটৰ ধনেৰে ৰোগীক সহায় কৰা এক দৃশ্য মনোগ্ৰাহী ৰূপত উপস্থাপন কৰিছে। নাটকৰ দুই নাৰী চৰিত্ৰত ক্ৰমে ডাঃ নীলিমা দলেৰ অভিনয়ত অতিনাটকীয়ৰ প্ৰভাৱ পৰিছে যদিও ভঙা ভঙা অসমীয়াত কথা কৈ ডাঃ এষ্টাৰ বংপুইৰ অভিনয়ে হাঁহিৰ খোৰাক জগাইছে। নাটকত কিছু সময়ৰ বাবে মঞ্চত প্ৰৱেশ কৰা ডাঃ অনুকূল থাছাৰ অভিনয়ে দৰ্শকক হুঁহুৰায়। নাটকখনত ডাঃ স্বৰূপ সূত্ৰধৰ, ডাঃ চাইদুল ইছলাম আৰু ডাঃ হেলিমৰ অভিনয়ে দৰ্শকক সৰ্বাধিক হাঁহিৰ খোৰাক জগালে। দীৰ্ঘদিনৰ অন্তত এখন বাস্তৱ জীৱনৰ ওপৰত নিৰ্ভৰ কৰি অভিনয় কৰা নাটকখন উপভোগ কৰি ভাল লাগিল। নাটকখনৰ ৰচনা আৰু পৰিচালনা কাৰ সেয়া জনা নগ'ল। নাটক শেষ হোৱাত মোৰ চিনাকি চিকিৎসক অভিনেতাক অভিনন্দন জনোৱাৰ সময়ত কেৱল এটা কথাই গম পালো নাটকখনৰ কোনো স্ক্ৰীপ্ট নাছিল, ৰিহাৰ্চেলো তেনেকৈ হোৱা নাছিল। মেকআপ, মঞ্চ সজ্জা সুন্দৰ আছিল যদিও শব্দ নিয়ন্ত্ৰণত কিছু বাধা আহিছিল।

সেই মঞ্চতে এই নাটকখনৰ আগতে আৰু এখন নাটক হৈছিল কিন্তু মোৰহে চোৱাৰ সৌভাগ্য নহ'ল। সেই নাটকখনত অন্ধবিশ্বাস আৰু ভণ্ড বাবাৰ কাহিনী আছিল বুলি দুই এজনৰ পৰা জানিব পাৰিলো।

শেষত ব্যস্ততা ভৰা জীৱনৰ মাজতে আঠজন চিকিৎসকে কৰা নাটকখন উপভোগ কৰি সঁচাই আপ্লুত হ'লো। সকলো চিকিৎসক অভিনেতাৰ উত্তৰোত্তৰ কামনা কৰি পুনৰ এনে নাটক চাবলৈ পোৱাৰ হেঁপাহ বুকুত বান্ধি ৰাখিলো।

কিশলয় ডি গোস্বামী

## অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানত

# 'বিশ্বকৰ্মাত নাটক কৰা নহ'ল'

অভিযন্তা এজনে সহ অভিযন্তা পদত সোমাই সৰ্বোচ্চ পদলৈ পদোন্নতি লাভ কৰিবলৈ সক্ষম হয় আৰু তেনেকৈ তেওঁলোকে ৰাইজৰ সেৱা কৰিবলৈ সুবিধা পায়। কিন্তু আমাৰ কাৰ্যালয়তো এনে কিছু উপযুক্ত অৰ্হতাসম্পন্ন বিজ্ঞান কৰ্মচাৰীয়ে একেটা পদতে ৩০-৩২ বছৰ পাৰ কৰিও জীৱনত প্ৰমোচন এটা নাপাই হতাশাত ভোগে। এইসকল দুৰ্ভগীয়া কৰ্মচাৰীৰ কথা কোনোবাই ভাবিবনে? সহায় কৰিবনে জীৱনত কমেও এটা প্ৰমোচন পোৱাত.. এই মৰ্মস্পৰ্শী বক্তব্য বিদায়ী প্ৰাৰ্থী চহৰীয়াই চাকৰিৰ বিদায় সভাত আগবঢ়াইছিল। এয়া যদিও এক বাস্তৱ সত্য তাকেই নাটকীয় ভাষাত প্ৰকাশ কৰা এখন বাস্তৱধৰ্মী সামাজিক নাট 'বিশ্বকৰ্মাত নাটক কৰা নহ'ল' মঞ্চস্থ কৰা হৈছিল এইবেলি হৈ যোৱা বিশ্বকৰ্মা পূজা উপলক্ষে অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সাংস্কৃতিক কাৰ্যক্ৰমত। সাধাৰণতে বিশ্বকৰ্মা পূজাত খিচিৰি, মাহ-প্ৰসাদ, ঢাক-ঢোল-নাগাৰা আৰু ভি জে মিউজিকেৰে পূজাৰ আনন্দ লোৱা দেখা যায় তাৰ বিপৰীতে বশিষ্ঠস্থিত অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলৰ দ্বাৰা যোৱা ১৭ ছেপ্টেম্বৰত মঞ্চস্থ কৰা নাটখনৰ ৰচনা আৰু পৰিচালনা আছিল উক্ত প্ৰতিষ্ঠানৰ কৰ্মচাৰী দিলীপ গোস্বামীৰ, নাটৰ বিভিন্ন চৰিত্ৰ



ৰূপায়িত কৰিছিল ক্ৰমে মাধৱ মালাকৰ, হৰেশ্বৰ ৰাভা, অনিমা মাহেলা, সুকন্যা ফুকন, পাৰুল কলিতা, নিপন ৰাভা, পংকজ বৰা, মৃদুল ভূঞা, দিগন্ত শইকীয়া, বন্দিতা তালুকদাৰ, চানুমাই বৰা, ৰঞ্জিতা গগৈ, অঞ্জুমণি শৰ্মা, ৰুণা শ্যাম আৰু কণমানি ৰিয়া ভূঞাই। পৰিচালনা সহযোগী হৰেশ্বৰ ৰাভা, সামগ্ৰিক ব্যৱস্থাপনা নিপন ৰাভা আৰু সংগীত ব্যৱস্থাপনাত আছিল কুলদীপ তালুকদাৰ।

বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যক্ৰম উদ্বোধন কৰিছিল অৱসৰী অতিৰিক্ত মুখ্য অভিযন্তা ৰুদ্ৰেশ্বৰ শৰ্মাই। প্ৰতিষ্ঠানৰ মহিলা কৰ্মচাৰীসকলে সমবেত সংগীত পৰিৱেশন কৰাৰ লগতে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান মুকলি কৰিছিল কাৰ্যকৰী অভিযন্তা কৌশিক ডেকা আৰু প্ৰসেনজিত বৰাই। অনুষ্ঠানটো আধুনিক গীতেৰে সজাইছিল ক্ৰমে হৰেশ্বৰ ৰাভা, মাধৱ মালাকৰ, মনেশ্বৰ বসুমতাৰী, শান্তি লালুং, সজল দাস, পাপৰি হাজৰিকাই। কবিতা আবৃত্তি কৰিছিল—অনুপ পাটোৱাৰী, অনিমা মাহেলা, পংকজ বৰা, বন্দিতা তালুকদাৰে। নৃত্যাংশত ভাগ লৈছিল চন্দামিতা কলিতা (সত্ৰীয়া), দিশা বড়ো (আধুনিক), প্ৰতীক্ষা আৰু সুমন চক্ৰৱৰ্তী (বিহু), পাপৰি হাজৰিকা (আধুনিক) নমিতা বৰ্মনৰ দল (আধুনিক), বিহু অনুষ্ঠান চানুমাই বৰা, যন্ত্ৰী সংগীত জয়ন্ত ৰয়। অনুষ্ঠানত ৰোগ নিৰাময়ত যোগৰ ভূমিকা শীৰ্ষক প্ৰদৰ্শন কৰিছিল পংকজ বৰাই।

# গোলাঘাটত চুটি কথাছবি প্ৰেমৰ আঘাত-৩ উন্মোচন

গোলাঘাটৰ পূজা প্ৰডাকচনৰ বেনাৰত নিৰ্মিত উদীয়মান পৰিচালক, কাহিনীকাৰ সাহস পৰেশৰ নতুন চুটি কথাছবি প্ৰেমৰ আঘাত-৩ যোৱা ২৩ ছেপ্টেম্বৰত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। পৰিচালকজনৰ গোলাঘাট পুলিবৰ চেলেঙীস্থিত বাসস্থানত ছবিখন উন্মোচন কৰা হয়। আপকুৰ গোলাঘাট জিলা সমিতিৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক নবীন গোহাঁয়ে উন্মোচন কৰা অনুষ্ঠানত গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ বৰাই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি পৰিচালক সাহস পৰেশৰ ছবি নিৰ্মাণৰ পদক্ষেপৰ শলাগ লোৱাৰ লগতে চুটি ছবিখনৰ সফলতা কামনা কৰে।

## শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ মাধৱদেৱ আন্তজাৰ্তিক প্ৰেক্ষাগৃহত তেজপুৰৰ 'বাণ থিয়েটাৰ'ৰ নাট

# সাহিত্য কাণ্ডাৰীৰ কালজয়ী নাটক 'টেটোন তামুলী'-প্ৰয়াত দীপক মহন্তৰ বহুল সমাদৃত 'গজপুৰীয়া'ৰ মঞ্চায়ন



অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সফলতাৰে মঞ্চস্থ কৰিলে সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ কালজয়ী নাটক 'টেটোন তামুলী'ৰ লগতে প্ৰয়াত দীপক মহন্তৰ বহুল সমাদৃত নাটক 'গজপুৰীয়া'। ৰাজ্যৰ একাংশ বিশিষ্ট নাট্যশিল্পী, অভিনেতা-অভিনেত্ৰী আৰু কলা সমালোচকৰ উপস্থিতিত ১৪ ছেপ্টেম্বৰত বাণ থিয়েটাৰৰ সাধাৰণ পৰিচালক ভূপেন শৰ্মা পৰিচালিত আৰু সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী সহ পৰিচালিত সাহিত্য কাণ্ডাৰীৰ কালজয়ী নাটক 'টেটোন তামুলী' সফলতাৰে মঞ্চস্থ কৰাৰ লগতে যোৱা নিশা জিতুমণি দেৱচৌধুৰী পৰিচালিত আৰু মনোৰঞ্জন মহন্ত সহ পৰিচালিত প্ৰয়াত দীপক মহন্তৰ জনপ্ৰিয় নাটক 'গজপুৰীয়া' মঞ্চস্থ কৰি গুৱাহাটীৰ দৰ্শকৰ উচ্ছাসিত প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। প্ৰথম দিনটোত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব অনন্ত গগৈয়ে বাণ থিয়েটাৰৰ আজীৱন সদস্য তথা তেজপুৰৰ বিধায়ক, অভিনেতা পৃথিৰাজ ৰাভা, শোণিতপুৰ জিলা সাংস্কৃতিক উন্নয়ন বিষয়া তথা জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাস, বাণ থিয়েটাৰৰ উপ-সভাপতি দিলীপ বৰাৰ উপস্থিতিত আনুষ্ঠানিকভাৱে সাহিত্য কাণ্ডাৰীৰ কালজয়ী নাটক 'টেটোন তামুলী' উদ্বোধন কৰি অসমৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ শিল্পীসকলে অসমৰ অপেছাদাৰী নাট্য আন্দোলনক গতিশীলতা প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰি ৰূপকোঁৱৰ, কলাগুৰু আৰু নটসূৰ্যৰ স্মৃতি ৰোমন্থন কৰে। যুটীয়া সচিব গগৈয়ে সেইসকল বৰেণ্য শিল্পীৰ আদৰ্শ আৰু কৰ্মৰাজিৰে উদ্বুদ্ধ হৈ বৰ্তমান প্ৰজন্মৰ শিল্পীসকলেও অতি কলাত্মকভাৱে সেই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱাটো এক আশাৰ বতৰা বুলি কয়। বিজয় শংকৰ শইকীয়াৰ আলোক পৰিকল্পনা, বিশিষ্ট কলা নিৰ্দেশক কুলেন বৰা আৰু তৰুণ নাথৰ দৃশ্য সজ্জা, উদীয়মান অমৃত বড়োৰ সংগীত, দিব্যজ্যোতি নাথৰ ৰূপসজ্জা আৰু হাৰুণ ৰচিদ আহমেদৰ বিশেষ সহযোগেৰে সামগ্ৰিক সফলতা লাভ কৰা নাটকখনৰ মূল 'টেটোন'ৰ চৰিত্ৰত বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰীয়ে বলিষ্ঠ অভিনয় কৰাৰ লগতে স্বৰ্গদেউৰ চৰিত্ৰত বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য তাজ হুছেইন, ফুকনৰ চৰিত্ৰত নিতুমণি কলিতা, ধনাইৰ চৰিত্ৰত মনোৰঞ্জন মহন্ত, মনাইৰ চৰিত্ৰত বাণ থিয়েটাৰৰ সম্পাদক হেমন্ত কুমাৰ শৰ্মা, গৃহস্থৰ চৰিত্ৰত বাণ থিয়েটাৰৰ মঞ্চাধ্যক্ষ ৰাজীৱ মহন্ত, হালোৱাৰ চৰিত্ৰত তিলক চন্দ্ৰ নাথৰ লগতে পোহাৰীৰ চৰিত্ৰত ৰুবী গগৈ, চম্পাৰ চৰিত্ৰত কৃষাংগী শইকীয়াৰ লগতে ৰংদৈ আৰু গৃহস্থিনীৰ চৰিত্ৰত লিপিকা বৰা আৰু মুনমী বৰাই অতি মনপৰশা অভিনয় কৰি দৰ্শকৰ অন্তৰ জয় কৰিবলৈ সক্ষম হয়। একেদৰে অন্যান্য চৰিত্ৰসমূহৰ ভিতৰত প্ৰথম চোৰৰ চৰিত্ৰত উজ্জ্বল শইকীয়া, দ্বিতীয় চোৰ অশ্বিনী বৰা, গয়াৰ চৰিত্ৰত সাহিত্য কাণ্ডাৰীজনৰ নাতি সঞ্জয় কৃষ্ণ গোহাঞি বৰুৱা, দেৱাশীষ বৰা, অচ্যুত শৰ্মা, কিশোৰ শৰ্মা, প্ৰণৱ বৰাৰ লগতে অংগ ৰক্ষকৰ চৰিত্ৰত গুলেশ্বৰ বড়ো আৰু জয়ন্ত ডেকাইও ক্ৰুটিহীন অভিনয় কৰি দৰ্শকক আপ্লুত কৰা পৰিলক্ষিত হয়। নাটকখনৰ আলোকৰ সহযোগী আছিল উজ্জ্বল শইকীয়া আৰু সংগীতৰ সহযোগী আছিল গীতাৰ্থ হৰি কাশ্যপ। আনহাতে, কালিৰ দিনটোত যথেষ্ট সংখ্যক ৰুচিশীল দৰ্শকৰ উপস্থিতিত জিতুমণি দেৱচৌধুৰী পৰিচালিত আৰু মনোৰঞ্জন মহন্তসহ পৰিচালিত প্ৰয়াত দীপক মহন্তৰ বহুল সমাদৃত নাটক 'গজপুৰীয়া' আনুষ্ঠানিকভাৱে উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে। বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাই আঁত ধৰা আৰু উপ-সভাপতি দিলীপ বৰা আৰু সাধাৰণ পৰিচালক ভূপেন শৰ্মাই সচিব সুদৰ্শন ঠাকুৰক এটি স্মাৰক আৰু গামোচাৰে সন্মান জনোৱাৰ পাছত সচিব সুদৰ্শন ঠাকুৰে উদ্বোধনী ভাষণত বাণ থিয়েটাৰৰ পৰিয়ালৰ স'তে এক আত্মিক সম্পৰ্ক গঢ়ি উঠাৰ প্ৰসংগ উত্থাপন কৰি তেজপুৰ বা বাণ থিয়েটাৰ বুলি ক'লেই শৰীৰত এক বিশেষ অনুভূতিৰ সঞ্চাৰ হয় বুলি মন্তব্য কৰি তেজপুৰৰ পৰাই অসমৰ শিল্প কলা ক্ষেত্ৰখনৰ পুৰোধাই তাহানিৰে পৰা মাৰ্গদৰ্শন প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰে। ইয়াৰ পাছতেই বাণ থিয়েটাৰৰ কুশীলসকলে সাৱলীল অভিনয়েৰে প্ৰয়াত দীপক মহন্তৰ সৃষ্টিক সাৰ্থক কৰি তোলা পৰিলক্ষিত হয়। নাটকখনৰ মূল 'গজপুৰীয়া' আৰু 'গজপুৰীয়ানী'ৰ চৰিত্ৰত বাণ থিয়েটাৰৰ নিয়মীয়া শিল্পী তিলক চন্দ্ৰ নাথে যেনেদৰে প্ৰাণস্পৰ্শী অভিনয় কৰি সকলো শ্ৰেণীৰ দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলে একেদৰে মুন ডেকাই সাৱলীল অভিনয়েৰে সকলোকে



আকৃষ্ট কৰে। সম্পূৰ্ণ প্ৰচেনিয়াম থিয়েটাৰৰ আৰ্হিত ওজাপালি আৰ্হিত সমূহীয়া গীত প্ৰয়োগ কৰি কাহিনীক আগবঢ়াই নিয়া, তিৰ্যক ব্যংগৰ, হাস্য মধুৰ আৰু এসময়ত বিভিন্ন প্ৰান্তত ৰুচিশীল দৰ্শকৰ বহুল সমাদৃত নাটকখনৰ অন্যান্য চৰিত্ৰসমূহৰ ভিতৰত নবীনৰ চৰিত্ৰ ৰূপায়ণ কৰা বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য অচ্যুত শৰ্মা, টোকোৰাৰ চৰিত্ৰ ৰূপায়ণ কৰা অসম নাট্য সন্মিলনৰ উপ-সভাপতি মৃগেন চন্দ্ৰ বড়া, সিন্ধিৰামৰ চৰিত্ৰ ৰূপায়ণ কৰা নিতুমণি কলিতা, হৰনাথ ডাৰোগাৰ চৰিত্ৰ ৰূপায়ণ কৰা অশ্বিনী বৰা, বৰফুকনৰ চৰিত্ৰ ৰূপায়ণ কৰা ৰাজীৱ মহন্ত, প্ৰিয়ৰামৰ চৰিত্ৰ ৰূপায়ণ কৰা উজ্জ্বল শইকীয়া আৰু কিটীৰ চৰিত্ৰ ৰূপায়ণ কৰা নৱাগতা কৃষাংগী শইকীয়াই মনপৰশা অভিনয় কৰি দৰ্শকক মুগ্ধ কৰে। নাটকখনৰ অন্যান্য চৰিত্ৰসমূহ ৰূপায়ণ কৰা শিল্পীসকল আছিল ক্ৰমে প্ৰণৱ বৰা, প্ৰাদ তালুকদাৰ আৰু খনীন্দ্ৰ কুমাৰ ডেকা। জিতুমণি দেৱচৌধুৰীৰ নেতৃত্বত গীতাংশত অংশ লোৱা শিল্পীসকল আছিল কিশোৰ শৰ্মা আৰু গুলেশ্বৰ বড়ো। উল্লেখ্য যে প্ৰভাত গোস্বামী, নয়ন প্ৰসাদ, তপন দত্ত, সূৰ্য গোস্বামী, ভূপেন গোস্বামী, সলীল চৌধুৰী, ডাৱাক উল্লাহৰ লগতে বহু বিশিষ্ট ৰুচিশীল দৰ্শকে উপভোগ কৰি আপ্লুত হোৱা নাটকৰ অন্তত বিশিষ্ট মঞ্চ আৰু চলচ্চিত্ৰ অভিনেতা উপকূল বৰদলৈয়ে চমু ভাষণ প্ৰদান কৰি সকলোৱে বলিষ্ঠ অভিনয়ে মুগ্ধ কৰিলে বুলি কৈ শুভাশিস প্ৰদান কৰাৰ লগতে শিল্পী সকলে বাণ থিয়েটাৰৰ অগ্ৰজসকলৰ সুনাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে বুলি কয়। আনহাতে, জনপ্ৰিয় অভিনেত্ৰী চেতনা দাসে নিজে বাণ থিয়েটাৰৰ মঞ্চৰ আজি প্ৰতিষ্ঠা লাভ কৰাৰ পাছত আজিৰ প্ৰজন্মৰ শিল্পীসকলে প্ৰদৰ্শন কৰা অভিনয়ৰ প্ৰতিভাত গৌৰৱান্বিত হৈ পৰিছো বুলি মন্তব্য কৰে। সকলো দিশতে সফলতা লাভ কৰা দুয়োখন নাটক অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ জৰিয়তে ৰাজ্যৰ যিসমূহ জিলাত সাংস্কৃতিক সঞ্চালকালয়ৰ কেন্দ্ৰ আছে সেই জিলাসমূহত মঞ্চস্থ কৰোৱাবলৈ উপস্থিত থকা শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰৰ জৰিয়তে চৰকাৰলৈ আহ্বান জনায়। উল্লেখ্য যে কালি নাটকৰ অন্তত বাণ থিয়েটাৰৰ পৰিয়ালে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ লগতে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ সমাজক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে সুদীৰ্ঘ দুকুৰি বছৰে বাণ থিয়েটাৰ প্ৰযোজিত নাটকত বিশেষ সহযোগিতা আগবঢ়াই অহা হাৰুণ ৰচিদ আহমেদক সন্মান জনায়।

# পুনৰ ভ্ৰাম্যমাণলৈ সাজু হৈছে অৰূপ বৈশ্য



অনন্য অভিনয়শৈলী তথা ব্যতিক্ৰমী কণ্ঠস্বৰেৰে পৰ্দা আৰু ভ্ৰাম্যমাণ থিয়েটাৰ জগতত নিজৰ এক সুকীয়া পৰিচয় বহন কৰি প্ৰতিগৰাকী দৰ্শকৰে হৃদয়ৰ মণিকোঠাত মধুৰ গুঞ্জৰ তুলিবলৈ সক্ষম হোৱা সুদৰ্শন চেহেৰাৰ নায়কজনে হৈছে অৰূপ বৈশ্য। এক দীঘলীয়া সময় মঞ্চখনৰ স'তে জড়িত হৈ অভিনেতাজনে আৱাহন, কহিনুৰ, বৰদৈচিলা, ভাগ্যদেৱী আদিকে ধৰি কে'বাটাও আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলৰ বহুকেইখন মঞ্চ সফল নাটকত দুৰ্দান্ত অভিনয়ৰ প্ৰদৰ্শন দাঙি ধৰি উজনিৰ পৰা নামনিলৈ প্ৰতিগৰাকী নাট্যপ্ৰেমীৰ মাজত চমক সৃষ্টি কৰিবলৈ সক্ষম হয়। বৈশ্যই মুখ্য চৰিত্ৰত অভিনীত কেইখনমান বহুলভাৱে চৰ্চিত নাট হৈছে শব্দ, শয়নে-সপোনে জুবিন, বেইমান, বাদশ্বাহ, ড্ৰাইভাৰ, দিননাথ, কন্যাদান, আজিৰ চাণক্য, মোৰ তেজত তোমাৰ নাম, বৰষা যেতিয়া নামে আদি। দৰ্শকৰ দৃষ্টিত অভিনয়, নৃত্য আৰু একচনকে ধৰি প্ৰতিটো দিশতে পাকৈত অৰূপ এজন মঞ্চৰ পূৰ্ণাংগ তাৰকা। উল্লেখ্য যে নিজৰ অভিনয়ৰ পৰিসৰ মঞ্চখনৰ মাজতে সীমাবদ্ধ নাৰাখি অভিনেতাজনে ৰূপালী পৰ্দাতো নিজৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হয়। অচিন-চিনাকি' আৰু 'অথেলো' শীৰ্ষক দুখনকৈ পূৰ্ণদৈৰ্ঘৰ অসমীয়া ছবিত প্ৰশংসনীয় অভিনয়ৰ প্ৰদৰ্শন দাঙি ধৰা বৈশ্য অভিনীত শেহতীয়াকৈ মুক্তিপ্ৰাপ্ত এখন নতুন অসমীয়া ছবি হৈছে 'গৌৰী ফিল্মছ'ৰ বেনাৰত 'গংগা এখনি বোঁৱতী হিয়া'। উক্ত ছবিখনৰ এটা গুৰুত্বপূৰ্ণ মুখ্য চৰিত্ৰত অভিনয়ৰে পুনৰবাৰ চলচ্চিত্ৰপ্ৰেমীৰ মাজত উজলি উঠে অভিনেতাজন। সমান্তৰালভাৱে আমিও মানুহ, সত্যমে জয়তে, পুলিচ আৰু প্ৰেম, টোপ টোপ সপোন সৰে, উমাল বুকুৰ হেজাৰ কাহিনী, শাহু-বোৱাৰী, জীৱন এখনি নৈ, গৃহলক্ষ্মী আদি ধাৰাবাহিকত অনবদ্য অভিনয়ৰ প্ৰদৰ্শন দাঙি ধৰি টেলিফিছনপ্ৰেমীৰ মাজতো নিজৰ জনপ্ৰিয়তা অক্ষুণ্ণ ৰখা অভিনেতাজনৰ শেহতীয়া কেইখনমান ধাৰাবাহিক হৈছে ৰেঙণি চেনেলৰ 'দুবৰিৰ দলিচা', 'সন্ধ্যা ৰাগ', 'কুঁৱলী' তথা ৰং চেনেলৰ 'কৃষ্ণসাক্ষী', 'মৰীচিকা' আৰু 'অলকানন্দা'। আনহাতে, অভিনেতাজনে জানিবলৈ দিয়া মতে, বৰ্তমান তেওঁ ইনু বৰুৱাৰ পৰিচালনাৰে ৰেঙণি চেনেলৰ অইন এখন ধাৰাবাহিক 'একুঁকি তৰাৰ পোহৰ'ত ব্যস্ত হৈ আছে। চৰিত্ৰ এটা যিয়েই নহওক, তাক গভীৰভাৱে অনুধাৱন কৰি সফলতাৰে ৰূপায়ণৰ অনুপম অৰ্হতা অভিনেতাজনৰ মাজত বিদ্যমান। নিজৰ অভিনয় সন্দৰ্ভত মনৰ ভাব ব্যক্ত কৰি অভিনেতাজনে কয় যে একমাত্ৰ দৰ্শকৰ সন্তুষ্টি আৰু সঁহাৰিয়ে আমাৰ বাবে মূল চালিকা শক্তি। অভিনয় জগতখনত কিমান দূৰ সফল হৈছো নাজানো, কিন্তু যেতিয়া চৰিত্ৰ একোটাৰ মাজেৰে দৰ্শকে বহুদিনলৈ আমাক মনত ৰাখে পৰম সন্তোষ লাভ কৰাৰ লগতে নতুন উদ্যমেৰে কাম কৰি যাবলৈ সাহস পাওঁ। এই ছেগতে অভিনেতাজনে জনায় যে সম্পূৰ্ণ তিনিটা বছৰ বিৰতিৰ অন্তত আগন্তুক ২০২৩-২৪ নাট্যবৰ্ষত পুনৰ তেওঁ এক সম্পূৰ্ণ নতুন ৰূপত ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চলৈ উভতিব।

# শ্ৰদ্ধাঞ্জলী কাননত নিহাল'ৰ গীত মুকলি

'দ্য ফেচ্', 'বহ্নিমান' আদিৰ দৰে জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰ উপহাৰ দিয়া প্ৰযোজনা গোষ্ঠী 'সন্তোষী মা প্ৰডাকচন'ৰ বেনাৰত নিৰ্মিত কেবাটাও অসমীয়া গীত দেওবাৰে মহানগৰীৰ শ্ৰদ্ধাঞ্জলি কাননত আনুষ্ঠানিকভাবে মুকলি কৰা হয়। 'সন্তোষী মা প্ৰডাকচন'ৰ হৈ বৰ্ণালী হাজৰিকা আৰু ৰিমি হাজৰিকাই প্ৰযোজনা কৰা 'আকৌ এবাৰ', 'ঠিকনা', 'জয় দুৰ্গা মা' আৰু দুচকু শীৰ্ষক গীতকেইটিত কণ্ঠ নিগৰাইছে নিহাল দাসে। সহঃশিল্পী— পাপৰি গগৈ। গীতকেইটিৰ সংগীত পৰিচালনা কৰিছে কুলদ্বীপ সুমন, ধ্ৰুৱ ঠাকুৰীয়া আৰু ঋষী বৰুৱাই। গীতিকাৰ— সীমান্ত দেৱ চৌধুৰী আৰু ঋষী বৰুৱা। মিক্স এণ্ড মাষ্টাৰিং কৰিছে ধ্ৰুৱ ঠাকুৰীয়াই। ইফালে, 'আকৌ এবাৰ' আৰু 'ঠিকনা' শীৰ্ষক গীতদুটিৰ দৃশ্য-শ্ৰাব্য হিচাপেও মুকলি কৰা হয়। উদয় শংকৰ আৰু হিমানীল কাশ্যপে নৃত্য পৰিচালনা কৰা গীতদুটিত অভিনয় কৰিছে ক্ৰমে— ৰিমি হাজৰিকা, গুঞ্জন ভৰদ্বাজ, নিহাল দাস, অলিস্মিতা গোস্বামী আৰু জয়শ্ৰী বৰ্মনে। উল্লেখ্য যে, দেওবাৰে শ্ৰদ্ধাঞ্জলি কাননত এক আড়ম্বৰপূৰ্ণ গীত মুকলি অনুষ্ঠানটিত উপস্থিত থাকে জ্যেষ্ঠ শিল্পী খগেন গগৈ, শান্তা উজীৰ ভগৱত প্ৰীতম, নৱপ্ৰজন্মৰ জনপ্ৰিয় শিল্পী পদ্মনাভ বৰদলৈ, মধুস্মিতা ভটাচাৰ্য, ভৃগু কাশ্যপ, ভাৰ্গৱ কাকতীৰ লগতে বিভিন্ন ক্ষেত্ৰৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি।








# অশ্ৰুসিক্ত নয়নেৰে ৰজাৰৰ বিদায়

**লণ্ডন, ২৪ ছেপ্টেম্বৰ ঃ** নিজে কান্দি, অনুৰাগী তথা প্ৰতিদ্বন্দ্বীকো কন্দোৱাই টেনিছৰ ক'ৰ্টৰ পৰা বিদায় ল'লে ৰ'জাৰ ফেডাৰাৰে। উল্লেখ্য যে যোৱা সপ্তাহতে আনুষ্ঠানিক অৱসৰৰ কথা ঘোষণা কৰিছিল ছুইছ তাৰাকাজনে। ইউৰোপ বনাম বিশ্ব একাশৰ মাজৰ লিভাৰ কাপ প্ৰতিযোগিতাখনে কেৰিয়াৰৰ অন্তিম খেল হ'ব বুলি কৈছিল ফেডেৰাৰে। লিভাৰ কাপত কেৰিয়াৰৰ অন্যতম প্ৰতিদ্বন্দ্বী স্পেনিছ তাৰকা ৰাফেল নাডালৰ লগত সংগী হৈ ডাবলছ মেচখন খেলাৰ ইচ্ছাৰ কথাও ব্যক্ত কৰিছিল তেওঁ। আশা কৰাৰ দৰেই যোৱানিশা ক'ৰ্টত একেলগে নামে ফেডেৰাৰ আৰু নাডাল। কিন্তু আমেৰিকাৰ যুটি ফ্ৰেন্সিছ টিয়াফো আৰু জেক ছ'কৰ বিৰুদ্ধে প্ৰথমটো ছেট দখল কৰাৰ পাছতে ৪-৬, ৭-৬, ১১-৯ ৰ ব্যৱধানত পৰাস্ত হয় ফেডাৰাৰ-নাডাল যুটি। লগে লগে অন্ত পৰে ফেডেৰাৰ বৰ্ণিল কেৰিয়াৰৰ। সেইসময়তে টেনিছ ক'ৰ্টৰ লগতে বিশ্বৰ অনুৰাগীৰ মুখমণ্ডল জিপাল হৈ পৰিল চকুপানীয়ে। এসময়ৰ প্ৰতিদ্বন্দ্বী তথা ফেডেৰাৰৰ অন্তিমখন মেচৰ সংগী নাডালেও উচুপি উঠিল ছুইছ তাৰকাৰ বিদায় ক্ষণটোত। লগতে নিজেও প্ৰতিযোগিতাৰ মাজতে নাম প্ৰত্যাহাৰ কৰিলে লিভাৰ কাপৰ পৰা। আন এগৰাকী প্ৰতিদন্দ্বী ছাৰ্বিয়াৰ ন'ভাক ডক'ভিছে সতীৰ্থসকলৰ লগতে মিলি ফেডেৰাৰক দাঙি লৈ আনিলে ক'ৰ্টৰ পৰা। উল্লেখ্য যে বিশ্বৰ ক্ৰীড়াপ্ৰেমীৰ হৃদয়ত এক বিশেষ স্থান দখল কৰি থকা তাৰকা গৰাকীয়ে হ'ল ৰ'জাৰ ফেডাৰাৰ । মূৰত এডাল ব্ৰেণ্ড, মুখত এক মিঠা হাঁহি, হাতত ৰেকেট লৈ টেনিচ কৰ্টত নিপুণ কলাত্মক ক্ৰীড়াশৈলীৰে বিশ্বৰ ক্ৰীড়াজগতৰ অগনিত ক্ৰীড়াপ্ৰেমীৰ প্ৰিয় তাৰকাগৰাকীৰ নাম ৰ'জাৰ ফেডাৰাৰ। দুটাকৈ দশক ধৰি ক্ৰীড়াপ্ৰেমীক আলোড়িত কৰি ৰখা ৰ'জাৰ ফেডাৰাৰক আৰু দেখিবলৈ পোৱা নাযাব টেনিচ ক'ৰ্টত। ক্ৰীড়াবিশ্বক স্তব্ধ কৰি মহাতাৰকা ফেডাৰাৰে পেচাদাৰী টেনিচ জগতত নিজৰ বৰ্ণাঢ্য কেৰিয়াৰ আনুষ্ঠানিক সামৰণি পেলালে। যোৱা প্ৰায় ২৫ টা বছৰে ক্ৰীড়া বিশ্বক মোহিত কৰা কিংবদন্তীগৰাকীয়ে আনুষ্ঠানিকভাৱে টেনিচক বিদায় দিলে গ্ৰেট ব্ৰিটেইনৰ ভূমিত। লণ্ডনত চলি থকা লিভাৰ কাপতে অন্তিমবাৰৰ বাবে পেচাদাৰী জগতত হাতত ৰেকেট ল'লে ছুইচ তাৰকাগৰাকীয়ে। ক্ৰীড়া জগতখনৰে এক মহানায়ক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰা ২০ বাৰৰ গ্ৰেণ্ড শ্লেম চেম্পিয়ন ফেডাৰাৰৰ এই সিদ্ধান্তই বিচলিত কৰি তুলিছে ক্ৰীড়া প্ৰেমীসকলক। উল্লেখ্য যে যোৱা বৰ্ষৰ উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হোৱাৰ পিছতে পেছাদাৰী টেনিচৰ পৰা আঁতৰি আছিল ৪১ বৰ্ষীয় ফেডাৰাৰ। চলিত বৰ্ষৰ আৰম্ভণিতে উইম্বলডন চেণ্টাৰ ক'ৰ্টৰ শতবাৰ্ষিকী অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ সময়ত ফেডাৰাৰে পুনৰ এবাৰ লণ্ডনত খেলাৰ ইচ্ছা প্ৰকাশ কৰিছিল। বাছেলত ঘৰুৱা প্ৰতিযোগিতাত তেওঁ পুনৰ পেছাদাৰী টেনিচলৈ প্ৰত্যাৱৰ্তন কৰিব বুলিও আশা কৰা হৈছিল। কিন্তু শেহতীয়াকৈ আঁঠুৰ আঘাতে জুৰুলা কৰাৰ পিছত অৱশেষত টেনিচৰ পৰা সন্যাস লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয় তাৰকাগৰাকী। এসপ্তাহ পূৰ্বে কিংবদন্তী তাৰকাগৰাকীয়ে এক ইনষ্টাগ্ৰাম পোষ্ট যোগে অৱসৰৰ কথা ঘোষণা কৰি কৈছিল, 'আপোনালোক সকলোৱে জানে, যোৱা তিনি বছৰে আঘাত আৰু কেইবাটাও অস্ত্ৰোপচাৰে মোৰ সমুখত যথেষ্ট প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। মই প্ৰতিযোগিতামূলক যুঁজলৈ ঘূৰি আহিবলৈ কঠোৰ পৰিশ্ৰম কৰিছো। কিন্তু মই মোৰ শৰীৰৰ সামথ্য আৰু সীমাৰ বিষয়ে জ্ঞাত। মই বিগত ২৪ বছৰত ১,৫০০ তকৈও অধিক মেচ খেলিছো। টেনিচে মোক সকলোখিনি দিছে আৰু এতিয়া মই মোৰ প্ৰতিযোগিতামূলক কেৰিয়াৰ সমাপ্ত কৰাৰ সিদ্ধান্ত লৈছো। মই অৱশ্যে ভৱিষ্যতে অধিক টেনিছ খেলিম, কিন্তু এইয়া গ্ৰেণ্ড শ্লেম বা পেচাদাৰী ভ্ৰমণত নহয়। মই কেৰিয়াক লৈ সুখী, গৌৰৱান্বিত।' উল্লেখ্য যে ফেডাৰাৰে ২০১৮ ত অষ্ট্ৰেলিয়ান অপেনৰ ৰূপত নিজৰ কেৰিয়াৰৰ অন্তিম গ্ৰেণ্ড শ্লেম খিতাপ জয়ী কৰিছিল। ২০১৯ ত উইম্বলডনৰ ফাইনেলত উপনীত হৈছিল যদিও ছাৰ্বিয়াৰ তাৰকা ডক'ভিচৰ হাতত পৰাজিত হৈছিল তাৰকাগৰাকী। টেনিচ জগতত ২০ টা গ্ৰেণ্ড শ্লেম খিতাপ জয় কৰা ইতিহাসৰ প্ৰথমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হৈছিল ফেডাৰাৰ। অৱশ্যে পিছত নাডাল আৰু ডক'ভিচে ফেডাৰাৰৰ এই ৰেক'ৰ্ড অতিক্ৰম কৰিবলৈ সক্ষম হয়। 'গ্ৰাছ ক'ৰ্টৰ বাদশাহ' হিচাপে জনাজাত ফেডাৰাৰে কেৰিয়াৰত অভিলেখ আঠটা উইম্বলডন খিতাপ অৰ্জন কৰিছে। সেইদৰে ছটা অষ্ট্ৰেলিয়ান অপেন, পাঁচটা ইউ এছ অপেন আৰু ২০০৯ ত একমাত্ৰ ফ্ৰেন্স অপেন খিতাপ দখল কৰিবলৈ সক্ষম হয়। আনহাতে, তাৰকাগৰাকীয়ে নিজৰ কেৰিয়াৰত ১০০ টাকৈ একক শাখাৰ খিতাপ জয়েৰে আন এক অভিলেখ স্থাপন কৰিছে। ২০১২ ৰ লণ্ডন অলিম্পিকৰ ব্যক্তিগত শাখাত ফেডাৰাৰে ৰূপৰ পদক অৰ্জন কৰাৰ লগতে ২০০৮ ৰ বেইজিং অলিম্পিকৰ ডাবলছ শাখাত স্বৰ্ণ জয় কৰিছিল। টেনিচ জগতত বৰ্তমানৰ পাৱাৰ গেমৰ যুগত এক কলাত্মক ক্ৰীড়াশৈলীৰ প্ৰতিভূ হিচাপে নিজকে চিহ্নিত কৰা ফেডাৰাৰ টেনিচ ইতিহাসত সদায়ে এক কিংবদন্তী হিচাপে জিলিকি ৰ'ব।





## গুৱাহাটীত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন

# ভাৰত, শ্ৰীলংকা, নেপাল, ভূটানৰ শ্বাটলাৰ উপস্থিত

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অসম বেডমিণ্টন সন্থাৰ উদ্যোগত অহা ২৬-৩০ ছেপ্টেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব লগা দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে আজি আহি মহানগৰীত উপস্থিত হৈছে ভাৰতীয় দলৰ লগতে তিনিটা বিদেশী ৰাষ্ট্ৰৰ দল। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদে জনোৱা অনুসৰি ইতিমধ্যে ১০ জনীয়া ভাৰতীয় দলটোৰ লগতে গুৱাহাটীত অৱতৰণ কৰিছে নেপাল, ভূটান, শ্ৰীলংকাৰ ল'ৰা-ছোৱালীৰ দলে। কাইলৈ পুৱা গুৱাহাটী আহি পাব বাংলাদেশ আৰু মালদ্বীপৰ শ্বাটলাৰসকল। উল্লেখ্য যে কৰ'না মহামাৰীৰ পাছত এইখনেই হ'ব অসমত হোৱা প্ৰথম আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা। ইতিমধ্যে অসম বেডমিণ্টন সন্থাই প্ৰতিযোগিতাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখ্য যে ভাৰতসহ ছখন দেশে অংশ ল'ব লগা ১৫ আৰু ১৭ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ উক্ত প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদে জনোৱা অনুসৰি ইতিমধ্যে মেচৰ বাবে চাৰিখন ক'ৰ্ট সাজু কৰি তোলা হৈছে।পাঁচ দিনীয়া প্ৰতিযোগিতাখনত ১৫ আৰু ১৭ বছৰ অনূৰ্দ্ধৰ মিক্সড দলীয় ইভেণ্টৰ খেল হোৱাৰ লগতে ল'ৰা-ছোৱালী উভয় শাখাৰে একক, ডাবলছ আৰু মিক্সড ডাবলছ শাখাৰ খেল অনুষ্ঠিত হ'ব। উল্লেখ্য যে তৃতীয়বাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত হ'ব দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা। ইয়াৰপূৰ্বে অসম বেডমিণ্টন সন্থাই দুবাৰকৈ এই মাণ্ডলিক আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাখন সফলতাৰে আয়োজন কৰিবলৈ সক্ষম হৈছিল। ইফালে যোৱা দুদিন ধৰি গুৱাহাটীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ৰেফাৰীৰ প্ৰশিক্ষণ পাঠ্যক্ৰমৰ আজি সফল সামৰণি পৰে। উল্লেখ্য যে অসম বেডমিণ্টন সন্থাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই প্ৰশিক্ষণত মালয়েছিয়াৰ লিনা না য়াউ নিয়ন্ত্ৰক হিচাপে আছিল।

## গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া ঃ আহমেদাবাদত উপস্থিত অসমৰ চিফ-ডি-মিছন

# আজি ৰাওনা হ'ব লন বল-চাইক্লিং দল



**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাৰ বাবে অসমৰ প্ৰথমটো খেলুৱৈৰ দল কাইলৈ পুৱা গুৱাহাটীৰ পৰা ৰাওনা হ'ব। অসম অলিম্পিক সংস্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে জনোৱা অনুসৰি কাইলৈ লন বল আৰু চাইক্লিঙৰ দল দুটা গুৱাহাটীৰ পৰা যাব। অৱশ্যে আজি অসম দলৰ চিফ-ডি-মিছন ৰাজ কাকতিৰ নেতৃত্বত এটা চাৰিজনীয়া বিষয়াৰ দল গুজৰাটলৈ ৰাওনা হৈছে। অসমৰ দলৰ থকা-খোৱা আৰু অনুশীলনসহ অন্য ব্যৱস্থাসমূহ যাতে সুচাৰু ৰূপত হয় তাৰ বাবেই আজি চিফ-ডি-মিছন কাকতিৰ নেতৃত্বত চাৰিজনীয়া বিষয়াৰ দলটো প্ৰেৰণ কৰিছে অসম অলিম্পিক সংস্থাই। উল্লেখ্য যে তিনি মাহৰ ভিতৰতে গুজৰাট অলিম্পিক সংস্থাই ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আয়োজনৰ দায়িত্ব হৈ প্ৰস্তুতি কৰিছে। এইবাৰ খেলুৱৈ-বিষয়াৰ বাবে কোনো গেমছ ভিলেজ নাথাকে। হোটেলতে ৰখা হ'ব খেলুৱৈক। গেমছৰ পূৰ্বে সকলো ৰাজ্যৰ চিফ-ডি-মিছনৰ সভাও হোৱা নাই। সেয়েহে প্ৰস্তুতিত স্বাভাৱিকতে আখোৱাহ থাকিব পাৰে। কিন্তু অসমৰ খেলুৱৈয়ে যাতে বিমান বন্দৰত অৱতৰণ কৰাৰ পৰাই খেল সমাপ্ত কৰি ঘৰলৈ উভতি অহালৈকে কোনো অসুবিধাৰ সন্মুখীন নহয় তাৰ ওপৰত দৃষ্টি ৰাখিছে অসম অলিম্পিক সংস্থাই। ইতিমধ্যে এই বিষয়ে অসম অলিম্পিক সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আন্তৰিকতাৰে সহযোগিতা আৰু দৃষ্টি ৰখা বুলিও কয় অসম অলিম্পিক সংস্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। কাইলৈ গুৱাহাটীৰ পৰা ৰাওনা হ'ব লগা ১৪ জনীয়া অসম ল'ন বল দলত বাৰ্মিংহাম কমনৱেলথ গেমছত ঐতিহাসিক সোণ লাভ কৰি দেশক গৌৰৱ দিয়া অসম জননীৰ কন্যা নয়নমণি শইকীয়াও আছে। লগত আছে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা তানিয়া চৌধুৰী আৰু মৃদুল বৰগোহাঁই। ইফালে, ছজনীয়া অসম চাইক্লিং দলত আছে এছিয়ান চেম্পিয়নশ্বিপত পদক লাভ কৰি ইতিহাস গঢ়া চয়নিকা গগৈ। উল্লেখ্য যে ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ চাইক্লিং ইভেণ্ট অনুষ্ঠিত হ'ব নতুন দিল্লীত।

## জি এছ এ ফুটবল লীগ

# পুলিচ-ফ্ৰন্টিয়াৰৰ জয়লাভ

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত অসম পুলিচ ব্লুজে আজি এফ চি গ্ৰীণ ভেলীক ৩-০ গ'লত পৰাস্ত কৰে । যোগেন মেচে ১৭ মিনিটত প্ৰথমে গ'ল দি পুলিচক অগ্ৰগতি দিয়ে । ৰাকেশ দাসে ৪৬ মিনিটত আন এটা গ'ল দি ব্যৱধান বৃদ্ধি কৰে আৰু ৯০ মিনিটত তেওঁ নিজৰ দ্বিতীয়টো গ'ল দি লীগত পুলিচৰ প্ৰথম তিনি পইন্ট নিশ্চিত কৰে । আনহাতে লীগত এয়া গ্ৰীণভেলীৰ ক্ৰমাগত দ্বিতীয় পৰাজয় । ইফালে, জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ফ্ৰন্টিয়াৰ ক্লাবে মেট্ৰ' এছ চিক ৪-১ গ'লত পৰাস্ত কৰে । অজয় ৰাভাই দুটা (৪ক্স, ১৫ৰ আৰু সৌভাগ্য নায়কে দুটা (১০ক্স, ১৭ৰ গ'ল দিয়ে । মেট্ৰ' এছচিৰ হৈ ৰুদ্ৰেশ্বৰ থাপাই এটা গ'ল পৰিশোধ কৰে । কাইলৈ ছুপাৰ ডিভিজনত এএছইবিয়ে গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে আৰু এ ডিভিজনত ডাইনামো ক্লাবে নাৰেংগী এছচিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

# আজি ভাৰত-অষ্ট্ৰেলিয়াৰ তৃতীয় টি-২০



**হায়দৰাবাদ, ২৪ ছেপ্টেম্বৰ ঃ** ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ তৃতীয় তথা অন্তিম খন মেচ কাইলৈ হায়দৰাবাদত অনুষ্ঠিত হ'ব। উল্লেখ্য যে কাইলৈৰ মেচতে নিৰ্ণয় হ'ব শৃংখলা কাৰ হাতলৈ যায়। ভাৰত প্ৰথমখন খেলত চাৰি উইকেটত পৰাস্ত হৈছিল যদিও নাগপুৰৰ বৰ্ষা বিঘ্নিত দ্বিতীয় মেচত ছয় উইকেটত জয়লাভ কৰে। আঠ অভাৰৰ মেচখনত অষ্ট্ৰেলিয়াই ৯০-৫ ৰাণ কৰাৰ পাছত ভাৰতে চাৰিটা বল বাকী থাকেতেই ৯২-৪ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। ৰোহিত শৰ্মাই ৪৬ ৰাণৰ বিস্ফোৰক ইনিংছ খেলে। ইয়াৰপূৰ্বে ম'হালিত হোৱা মেচত পোনতে বেটিং কৰি টীম ইণ্ডিয়াই নিৰ্ধাৰিত ২০ অভাৰত ছয় উইকেট হেৰুৱাই ২০৮ ৰাণ কৰিছিল যদিও বলিং দুৰ্বলতাৰ বাবে অষ্ট্ৰেলিয়াই ১৯.২ অভাৰত ছয় উইকেট হেৰুৱাই ২১১ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। প্ৰথমে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব টীম ইণ্ডিয়াই। উল্লেখ্য যে অহা ১৬ অক্টোবৰৰ পৰা অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব ভাৰতে। চলিত শৃংখলাৰ ভাৰতীয় দলটো হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ঋষভ পন্ত , দীনেশ কাৰ্তিক , হাৰ্দিক পাণ্ডিয়া, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ভুৱনেশ্বৰ কুমাৰ, মহম্মদ ছামি, হৰ্ষল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ।

# বৰ্ষণ স্প'ৰ্টছ ক্লাব চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৪ ছেপ্টেম্বৰ ঃ** নলবাৰীৰ কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চন্দন কলিতা, ব্ৰজনাথ বৈশ্য আৰু প্ৰাণেশ্বৰ ডাউকা সোঁৱৰণী দ্বিতীয় বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত বঙাইগাঁওৰ বৰ্ষণ স্প'ৰ্টছ ক্লাৱে দখল কৰিছে চেম্পিয়নৰ খিতাপ। নলবাৰীৰ জোনাক যুৱমঞ্চ বৰভাগৰ উদ্যোগত কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত নৈশলোকত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত বৰ্ষণ স্প'ৰ্টছ ক্লাৱে বৰক্ষেত্ৰীৰ আৰিয়ান স্প'ৰ্টছ ক্লাৱক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিবলৈ সক্ষম হয়। খেলখনৰ পূৰ্বে সাংস্কৃতিক অনষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ, দেৱপ্ৰতীম বৰা আৰু প্ৰিয়ংকা কলিতাই গীত পৰিবেশন কৰে। উজ্বল কুমাৰ ডেকাই পৰিচালনা কৰা অনুষ্ঠানত বিজয়ী, ৰাণাৰ্ছ আপ, শ্ৰেষ্ঠ শৃংখলাৱদ্ধ দল ,শ্ৰেষ্ঠ খেলুৱৈক বঁটা প্ৰদান কৰা হয়।



# স্বাধীনতা দিৱস কাপ ফুটবলত অইল ইণ্ডিয়া চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, বেৰেজীয়া, ২৪ ছেপ্টেম্বৰ ঃ** দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাবে নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰিছে। নৈশালোকত অনুষ্ঠিত ফাইনেল খেলখনত অইল ইণ্ডিয়াই অসম ৰাইফলছ ফুটবল ক্লাবক ১-০ গ'লত পৰাজিত কৰে। খেলৰ ২৬ মিনিটত চিৰণদীপ মৰাণে অইল ইণ্ডিয়াৰহৈ বিজয়সূচক গলটো দিয়ে। অইলে সপ্তমবাৰলৈ স্বাধীনতা দিৱস কাপৰ খিতাপ লাভ কৰিলে। আজি খেলখন পৰিচালনা কৰাত ৰেফাৰী বাজু টিছ'ক সহায় কৰে জীৱন গগৈ, নিৰ্মল ভটাচাৰ্য আৰু দেবাশীষ মজুমদাৰে। ফাইনেল খেলখনৰ আৰম্ভণিতে মুখ্য অতিথি কমনৱেলথ গেমছৰ লন বলত স্বৰ্ণ পদকপ্ৰাপ্ত নয়নমণি শঞ্জইকীয়াৰ লগতে সন্মানীয় অতিথিসকলক খেলুৱৈসকলৰ সৈতে চিনাকি কৰি দিয়া হয়। খেলৰ অন্তত সামৰণি অনুষ্ঠানত মুখ্য অতিথি নয়নমণি শইকীয়া, নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি ৰাজেন গোহাঁই, নগাঁও সদৰৰ বিধায়ক ৰূপক শৰ্মা আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। উল্লেখ্য যে, অইলৰ আক্ৰাং নাৰ্জাৰী সৰ্বোচ্চ গলদাতা, টপো ব্ৰহ্ম শ্ৰেষ্ঠ খেলুৱৈ আৰু নগাঁৱৰ সঞ্জীৱন সমাজে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ বঁটা পায়।

# ৰঙিয়া এফ চি ছেমিফাইনেলত

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৪ ছেপ্টেম্বৰ ঃ** বৰভাগ ইউনাইটেড স্প'ৰ্টচ ক্লাৱৰ উদ্যোগত আয়োজিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেল ৰঙিয়া এফ চি আৰু বৰমা উদাংশ্ৰী ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলত ৰঙিয়া এফ চি দলে ২-০ গলত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰে গকুল দাসে।

লাইনত সহায় কৰে কংকন শৰ্মা আৰু ময়দুল আলিয়ে। আজিৰ খেলখন উদ্বোধন কৰে ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাই। অতিথি হিচাপে উপস্থিত থাকে প্ৰদ্যুত ভুঞা, ৰাতুল পাটোৱাৰী, ভুপেশ চন্দ্ৰ দাস, বৰবৰী হাইস্কুলৰ প্ৰধান শিক্ষক মনোৰঞ্জন শৰ্মা, লহকৰপাৰা হাইস্কুলৰ প্ৰধানশিক্ষক ৰমনী মজুমদাৰ আৰু ধৰনীধৰ বিদ্যাপীঠৰ প্ৰধান শিক্ষক গিৰীশ বৰুৱা।

# মথুৰা-কেশৱ প্ৰাইজমানি ফুটবল

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৪ ছেপ্টেম্বৰ ঃ** বাকসা জিলাৰ শিমলা গ্ৰাম্য ষ্টেডিয়ামত চানজাৰাং ক্লাৱৰ উদ্যোগত চলি থকা মথুৰা-কেশৱ প্ৰাইজমানি ফুটবলত আজি ফুংখা এফ চি, দাওধাৰা আৰু সাদেৰী এফ চিৰ মাজত অনুষ্ঠিত খেলত ফুংখা এফ চিয়ে ২-০ গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

# ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ নলয় লাভলীনাই



**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অলিম্পিক পদকজয়ী এথলীট নীৰজ চোপ্ৰা, মহিলা শ্বাটলাৰ পি ভি সিন্ধু, মল্লযোদ্ধা বজৰং পুনিয়াৰ পাছত মহিলা বক্সাৰ লাভলীনা বৰগোঁহায়েও আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাৰ পৰা বিৰত থাকিব। উল্লেখ্য যে আঘাতৰ বাবে ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত নেখেলাৰ সিদ্ধান্ত লৈছে অসম কন্যা লাভলীনাই। অসমৰ প্ৰথম গৰাকী অলিম্পিক পদকজয়ী তথা খেলৰত্ন সন্মান লাভ কৰা ক্ৰীড়াবিদ লাভলীনাৰ এই সিদ্ধান্তৰ পাছতে তেওঁৰ স্থানত অসম বক্সিং দলত অন্তৰ্ভুক্ত কৰা হৈছে ভাগ্যৱতী কছাৰীক। এতিয়া আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত লাভলীনাৰ স্থানত মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত খেলিব ভাগ্যৱতীয়ে। ইফালে, মহিলাৰ ৫২ কিলোগ্ৰাম শাখাত অসমৰ হৈ মঞ্জু বসুমতাৰীয়ে খেলাৰ বিপৰীতে ৫৪ কিলোগ্ৰাম শাখাত খেলিব বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জজয়ী যমুনা বড়োৱে। ফাইলাও বসুমতাৰীয়ে মহিলাৰ ৬০ কিলোগ্ৰাম শাখাত খেলাৰ বিপৰীতে ৬৬ কিলোগ্ৰাম শাখাত অংশ ল'ব অংকুশিতা বড়োই। ইফালে, দুবাৰকৈ অলিম্পিক খেলা অসমৰ শিৱ থাপাই আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাটো নিশ্চিত হৈছে।

# অম্বা মেধি ফুটবলত আছাম ৰেজিমেন্টেলৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** শ্বিলঙৰ আসাম ৰেজিমেন্টেল চেন্টাৰে মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা অম্বামেধি সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত আসাম ৰেজিমেন্টেলে কেৰালাৰ লুকা চ'কাৰ ফুটবল ক্লাবক ২-১ গ'লত পৰাস্ত কৰে।

খেলৰ ১২ মিনিটত লুকাৰ ষ্ট্ৰাইকাৰ মেণ্ডিয়ে দিয়া গ'লৰ সহায়ত কেৰালাৰ দলটোৱে প্ৰথমাৰ্ধত অগ্ৰগতি লাভ কৰি আছিল। কিন্তু শ্বিলঙৰ দলটোৱে দ্বিতিয়াৰ্ধত সফলতা লাভ কৰে । ৬৯ মিনিটত ৰেজিমেন্টেলৰ হৈ ৰবাৰ্টোৱে সমতা স্থাপন কৰাৰ পাছত শৈলেনো ৰেংমাই ৭৬ মিনিটত গ'ল দি ৰেজিমেন্টেলৰ জয় সুনিশ্চিত কৰে। আজিৰ খেলৰ ৰেফাৰী আছিল হিতেশ কলিতা । লাইনত সহায় কৰে মোবাৰক হুছেইন , গনেশ ডেকা আৰু আব্দুল হান্নানে। দেওবাৰৰ খেল ঃ আই টি বি টি পঞ্জাৱ বনাম মণিপুৰ এফ চি।

# বৰিমখা মহিলা ফুটবল দল বিজয়ী

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৪ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়াঙ্গনত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজিৰ প্ৰদৰ্শনী মূলক খেলত টাইব্ৰেকাৰ পদ্ধতিৰে বাক্সা জিলাৰ বৰিমখা মহিলা ফুটবল দলে ৪-৩ গ'লৰ ব্যবধানত নলবাৰী জিলাৰ বৰমৰা মহিলা ফুটবল দলক পৰাজিত কৰে। উল্লেখ্য যে দেউলী ৰাভাৰ পৰিচালনাত অনুষ্ঠিত হোৱা খেলখন নিৰ্দিষ্ট সময়ত ১-১ গ'লত ড্ৰ হোৱাত টাইব্ৰেকাৰৰ সহায় লোৱা হয়।

# নৱজ্যোতি ক্ৰীড়া সন্থা চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, ঘগ্ৰাপাৰ, ২৪ ছেপ্টেম্বৰ ঃ** শিলপোতাবড়ি খেলপথাৰত গুৱাকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা প্ৰয়াত হুছেইন আলি সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ ফাইনেল খেলখনত লোহাৰকাঠা আঞ্চলিক ক্ৰীড়া সন্থাক নৱজ্যোতি সংঘ বড়িদতৰাই ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন ট্ৰফী দখল কৰে। খেলখন পৰিচালনা কৰে সুৰেশ দাসে। তেওঁক লাইনত সহায় কৰে জাভেদ ইছলাম আৰু জেহৰুল ইছলামে। খেলৰ অন্তত চাহাবুদ্দি আহমেদৰ পৌৰহিত্যত অনুষ্ঠিত অনুষ্ঠানত বিজয়ী আৰু বিজেতা দলৰ লগতে শ্ৰেষ্ঠ গ'লৰক্ষক প্ৰাণজিৎ কলিতা আৰু শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা জিতেন বড়োক প্ৰদান কৰা হয়।



প্ৰচলিত আছে যে ভূমিকম্পৰ ফলত ঘৰ-বাৰী আৰু মানুহৰ ক্ষতিসাধন হ'লেও কোনো অনিষ্ট নহয় পইঁতাচোৰাৰ। সেই সূত্ৰৰ আঁত কৰিয়ে জাপানৰ এদল বিজ্ঞানীয়ে পইঁতাচোৰাক ভূমিকম্পৰ কবলত পৰা লোকৰ প্ৰাণৰক্ষাৰ দায়িত্ব অৰ্পণ কৰিবলৈ সাজু হৈছে। সেই লক্ষ্যৰেই জাপানৰ এই বিজ্ঞানীৰ দলে 'ছাইবাৰ্গ পইঁতাচোৰা' সৃষ্টি কৰি চমক খুৱাইছে। অৱশ্যে এয়া কোনো যান্ত্ৰিক পইঁতাচোৰা নহয়, বৰঞ্চ জীৱন্ত পইঁতাচোৰাৰ শৰীৰত আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি এই 'ছাইবাৰ্গ পইঁতাচোৰা' তৈয়াৰ কৰা হৈছে।

# ভূমিকম্পত দুৰ্গত সাহায্য কৰিব ছাইবাৰ্গ পইঁতাচোৰাই

**নিউজ ব্যুৰ'**
**টকিঅ', ২৪ ছেপ্টেম্বৰ ঃ** প্ৰচলিত আছে যে ভূমিকম্পৰ ফলত ঘৰ-বাৰী আৰু মানুহৰ ক্ষতিসাধন হ'লেও কোনো অনিষ্ট নহয় পইঁতাচোৰাৰ। সেই সূত্ৰৰ আঁত কৰিয়ে জাপানৰ এদল বিজ্ঞানীয়ে পইঁতাচোৰাক ভূমিকম্পৰ কবলত পৰা লোকৰ প্ৰাণৰক্ষাৰ দায়িত্ব অৰ্পণ কৰিবলৈ সাজু হৈছে। সেই লক্ষ্যৰেই জাপানৰ এই বিজ্ঞানীৰ দলে 'ছাইবাৰ্গ পইঁতাচোৰা' সৃষ্টি কৰি চমক খুৱাইছে। অৱশ্যে এয়া কোনো যান্ত্ৰিক পইঁতাচোৰা নহয়, বৰঞ্চ জীৱন্ত পইঁতাচোৰাৰ শৰীৰত আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি এই 'ছাইবাৰ্গ পইঁতাচোৰা' তৈয়াৰ কৰা হৈছে।

উল্লেখ্য যে জাপান ভূমিকম্পপ্ৰৱণ দেশ। সমগ্ৰ বছৰতে দেশখনৰ মানুহে ভূমিকম্পৰ আতংকত কটাবলগীয়া হয়। ভূমিকম্পৰ ফলত ধ্বংসস্তূপৰ তলত আবদ্ধ হৈ প্ৰতি বছৰে বহু লোকৰ মৃত্যু হয়। বহু সময়ত উদ্ধাৰকাৰীয়ে ধ্বংসস্তূপৰ তলত আবদ্ধ হৈ থকা মানুহৰ সন্ধান নোপোৱাৰ বাবেও বহুতৰে মৃত্যু হয়। এইধৰণৰ মৃত্যু ৰোধ কৰাৰ লক্ষ্যৰেই এই নতুন পইঁতাচোৰা বাহিনী সৃষ্টি কৰিছে বিজ্ঞানীয়ে। বিজ্ঞানীসকলে জনাইছে যে অদূৰ অভিষ্যতে ভূমিকম্পৰ ফলত ধ্বংসস্তূপৰ তলত আবদ্ধ হৈ পৰা মানুহক বিচাৰি উলিওৱাত সাহায্য কৰিব ছাইবাৰ্গ পইঁতাচোৰাই। আধুনিক প্ৰযুক্তিৰ সাহায্যতে সৃষ্টি কৰা হৈছে এই পইঁতাচোৰা বাহিনী। এই পইঁতাচোৰাসমূহৰ পিঠিত সৌৰ কোষ আৰু ইলেক্ট্ৰ'নিক্সৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জেকেট তৈয়াৰ কৰি পিন্ধাই দিয়া হৈছে। এই জেকেটসমূহৰ বাবে ৰিম'ট কন্ট্ৰোলৰ মাধ্যমেৰে পইঁতাচোৰাবোৰৰ গতিও নিয়ন্ত্ৰণ কৰা সম্ভৱ।

বিজ্ঞানী কেনজিৰো ফুকুডা আৰু তেওঁৰ দলে জাপানী গৱেষণা সংস্থা ৰিকেনৰ পৰীক্ষাগাৰত ইতিমধ্যেই গৱেষণাৰ প্ৰাথমিক পৰ্যায়ৰ কাম-কাজ সম্পূৰ্ণ কৰিছে। এবিধ নমনীয় সৌৰ কোষৰ দ্বাৰা এই জেকেট তৈয়াৰ কৰা হৈছে। সৌৰ শক্তিচালিত এই কোষ সৃষ্টি কৰিছে টকিঅ'ৰ বিখ্যাত 'আকিহাবাৰা ইলেক্ট্ৰ'নিক্স' সংস্থাই। এই সৌৰ কোষৰ আকাৰ মানুহৰ চুলিৰ ২৫ ভাগৰ এভাগ। ইমানেই সৰু যে ইয়াক অতি সহজে পইঁতাচোৰাৰ পেটত লগাই দিব পাৰি। এই সৌৰ কোষ তৈয়াৰত ব্যয় হৈছে ভাৰতীয় মুদ্ৰাত প্ৰায় তিনি হেজাৰ টকা। এই সৌৰ কোষবোৰে পইঁতাচোৰাৰ চলন-ফুৰণত কোনো অসুবিধাৰ সৃষ্টি নকৰাকৈয়ে সিহঁতৰ শৰীৰৰ সংবেদনশীল অংগসমূহলৈ নিৰ্দেশমূলক সংকেত প্ৰেৰণত সাহায্য কৰিব। পইঁতাচোৰাৰ শৰীৰৰ গতিবিধিও সংকেত হিচাপে ঘূৰাই পঠাব পাৰিব এই সৌৰ কোষবোৰে। এই সৌৰ কোষবোৰৰ বাবে আগন্তুক দিনত এই ছাইবাৰ্গ পইঁতাচোৰাবোৰ ৰব'টতকৈও অতি বেছি দক্ষতাৰে বিভিন্ন বিপজ্জনক স্থানত প্ৰৱেশ কৰিব পাৰিব বুলি বিজ্ঞানীয়ে দাবী কৰিছে। এই সন্দৰ্ভত বিজ্ঞানী ফুকুডাই কয়, 'সৰু ৰব'টৰ বেটাৰী সোনকালে শেষ হয়। সেয়ে সিবোৰৰ কাৰ্যক্ষমতা বৰ কম। পইঁতাচোৰাবোৰ ব্যৱহাৰৰ সুবিধাটো হৈছে সিহঁতে নিজেই চলা-ফুৰা কৰে। সিহঁতক চলা-ফুৰা কৰিবলৈ বাহিৰৰ পৰা কোনো শক্তিৰ প্ৰয়োজন নহয়।'

বিজ্ঞানীৰ দলটোৱে পৰীক্ষা-নিৰীক্ষাৰ বাবে মাডাগাস্কাৰত পোৱা 'হিছিং' প্ৰজাতিৰ পইঁতাচোৰা বাছি লৈছিল। অন্যান্য প্ৰজাতিৰ পইঁতাচোৰাৰ তুলনাত এইবিধ পইঁতাচোৰাৰ আকাৰ কিছু ডাঙৰ। সেয়ে সিহঁতৰ পেটত সহজে সৌৰ শক্তিচালিত কোষ লগাব পাৰি। এইবিধ পইঁতাচোৰাৰ কোনো পাখি নথকাৰ বাবে পাখি মৰাৰ ফলত সৌৰ কোষ নষ্ট হোৱাৰ সম্ভাৱনাও নাই। ফুকুডাই লগতে জনাইছে যে প্ৰআতমিকভাৱে সাফল্য আহিলেও পইঁতাচোৰাক লৈ চলা এই গৱেষণাৰ কাম এতিয়াও বহু বাকী। সম্প্ৰতি ৰিকেনৰ গৱেষণাগাৰত এক বিশেষ কম্পিউটাৰৰ সহায়ত এই পইঁতাচোৰাবোৰৰ শৰীৰলৈ সংকেত প্ৰেৰণ কৰা হয়। পইঁতাচোৰাবোৰে এই সংকেতত সঁহাৰি দিয়া বুলিও ফুকুডাই জনাইছে। এই পৰীক্ষাৰ বাবে প্ৰাথমিকভাৱে পইঁতাচোৰাক বাছি লোৱাৰ কাৰণো তেওঁ সদৰী কৰিছে। ফুকুডাই জনাইছে যে আন কীট-পতংগৰ তুলনাত পইঁতাচোৰাৰ আয়ুস কিছু বেছি। আনকি গৱেষণাগাৰতো পইঁতাচোৰা আন কীট-পতংগৰ তুলনাত অধিক দিন বাচি থাকিব পাৰে।

উল্লেখ্য যে ভূমিকম্প-দুৰ্গতক উদ্ধাৰৰ সমান্তৰালকৈ এই আধুনিক পইঁতাচোৰা বাহিনীক আৰু কি কি কামত লগাব পাৰি, সেই গৱেষণাও আৰম্ভ হৈছে। পতংগবিধৰ শৰীৰত সৌৰ কোষৰ সমান্তৰালকৈ কেমেৰা কিদৰে সংস্থাপন কৰিব পাৰি, এইবাৰ সেই প্ৰস্তুতিও আৰম্ভ কৰিছে বিজ্ঞানীসকলে।



## শিৱসাগৰত শ শ হেক্টৰ কৃষি ভূমি ছন পৰি ৰ'ল

# কৃষি বিভাগৰ বিয়াগোম আঁচনিয়ে ঢুকি পোৱা নাই কৃষকক

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৪ ছেপ্টেম্বৰ ঃ** কৃষি কৰ্মই উপাৰ্জনৰ একমাত্ৰ সম্বল হোৱা গ্ৰামাঞ্চলৰ ৭০ শতাংশ কৃষকক সকাহ দিয়াৰ অৰ্থে চৰকাৰে নিতৌ নতুন আঁচনি গ্ৰহণ কৰিলেও সেই আঁচনিৰ সেৱা গৰিষ্ঠ সংখ্যক কৃষকে লাভ কৰিবলৈ সক্ষম হোৱা নাই। যি সময়ত শালি ধানৰ খেতি সম্পন্ন কৰিবলৈ আয় চাই ব্যয় দুগুণ বৃদ্ধি হোৱা ব্যৱস্থাই কৃষকক হতাশ কৰি তুলিছে সেই সময়ত চৰকাৰৰ বিয়াগোম কৃষি বিভাগটোৰ ভূমিকা লক্ষ্যণীয় হৈ পৰিছে। ফলত যোৱা দুই তিনি বছৰৰ ব্যৱধানত একাংশ কৃষকে কৃষি কৰ্মৰ প্ৰতি বাৰুকৈয়ে অনীহা প্ৰদৰ্শন কৰিবলৈ ধৰাত ৰাজ্যৰ অৰ্থনীতিলৈ কঢ়িয়াই আনিছে চৰম অশনি সংকেত। উল্লেখ্য যে শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত জকাইচুক, ম'ৰাবজাৰ, কোঁৱৰপুৰ আৰু গধূলিবজাৰ মৌজাত কৃষকৰ মাজত কৃষি কৰ্মক লৈ সৃষ্টি হৈছে হতাশজনক বাতাবৰণ। বহু কৃষক পৰিয়ালে ব্যয়বহুলতাৰ মাজেৰে জোৱা-টাপলি মাৰি নিজ নিজ কৃষিভূমিত শালি খেতি কৰি আহিলেও আন একাংশ দৰিদ্ৰ কৃষক পৰিয়ালে অত্যধিক ব্যয়ৰ বাবে কৃষি কৰ্ম এৰি নতুন আয়ৰ পথ বাছি ল'বলৈ বাধ্য হৈছে। উল্লেখ্য যে অত্যাধুনিক কৃষি পদ্ধতিয়ে কৃষি ক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই অনাৰ লগে লগে গ্ৰামাঞ্চলত লুপ্ত হৈ পৰে গৰুৰে হাল বোৱাৰ ব্যৱস্থা। হালোৱা গৰুৰ অভাৱত ৯০ শতাংশ কৃষকে পাৱাৰটিলাৰেৰে হাল বোৱাব লগা হোৱাত বুজন পৰিমাণৰ অৰ্থ ব্যয় কৰিব লগা হৈ আহিছে। সকলো দিশ হিচাপ-নিকাচ কৰাৰ পাছত লাভতকৈ লোকচানৰ পৰিমাণ বেছি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰামাঞ্চলৰ বহু কৃষকে কৃষি কৰ্ম ত্যাগ কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। অনুসন্ধান কালত পোহৰলৈ অহা খবৰ মতে শিৱসাগৰ জিলাৰ কে'বাটাও মৌজাত বিঘাই বিঘাই কৃষি ভূমি এইবাৰ ছন পৰি ৰ'ল। বিশেষকৈ জিলাখনৰ ম'ৰাবজাৰ মৌজাত এইবাৰ ছন পৰি ৰ'ল শ শ হেক্টৰ কৃষি ভূমি। ৰাজ্য চৰকাৰৰ বিয়াগোম কৃষি বিভাগটোৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বাবে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিয়ে কিছু পৰিমাণে আৰ্থিক সকাহ দিছিল যদিও যোৱা আঠ-ন মাহে সেই আঁচনিৰ সেৱা লাভৰ পৰা বঞ্চিত হৈ থকাত কৃষকসকল অধিক ক্ষুণ্ণ হৈ পৰিছে। কৃষকৰ আয় দুগুণ বৃদ্ধি কৰাৰ শ্ল'গান দিয়া কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে ৰাজ্যৰ অৰ্থনীতিলৈ সৰল অৰিহণা আগবঢ়াই অহা কৃষি ক্ষেত্ৰৰ এনেবোৰ আভ্যন্তৰীণ দিশত কেতিয়া চকু পৰিব? সকলোকে এতিয়া এনেবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্নই জোঁকাৰিছে।

কৰ'না আৰু মাংকী পক্সৰ পাছত এইবাৰ উদ্বেগ বৃদ্ধি কৰিব পাৰে এবিধ নতুন ভাইৰাছে। খোস্তা-২ ভাইৰাছে আগন্তুক দিনত মানুহৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰিব পাৰে বুলি দাবী কৰিছে আমেৰিকাৰ এদল বিজ্ঞানীয়ে। তেওঁলোকে বাদুলিৰ শৰীৰত এই নতুন ভাইৰাছৰ সন্ধান পাইছে। এই ভাইৰাছ মানুহৰ মাজত বিয়পি পৰিলে বিপজ্জনক ৰূপ ধাৰণ কৰিব পাৰে বুলি বিজ্ঞানীৰ দলে সতৰ্ক কৰিছে।



# কৰ'না-মাংকী পক্সৰ পাছত এইবাৰ আতংক 'খোস্তা'ৰ

## ক'ভিড প্ৰতিষেধকৰ কাৰ্যক্ষমতাও নাশ কৰিব পাৰে নতুন ভাইৰাছে

**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ২৪ ছেপ্টেম্বৰ ঃ** কৰ'না আৰু মাংকী পক্সৰ পাছত এইবাৰ উদ্বেগ বৃদ্ধি কৰিব পাৰে এবিধ নতুন ভাইৰাছে। খোস্তা-২ ভাইৰাছে আগন্তুক দিনত মানুহৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰিব পাৰে বুলি দাবী কৰিছে আমেৰিকাৰ এদল বিজ্ঞানীয়ে। তেওঁলোকে বাদুলিৰ শৰীৰত এই নতুন ভাইৰাছৰ সন্ধান পাইছে। এই ভাইৰাছ মানুহৰ মাজত বিয়পি পৰিলে বিপজ্জনক ৰূপ ধাৰণ কৰিব পাৰে বুলি বিজ্ঞানীৰ দলে সতৰ্ক কৰিছে। বিজ্ঞানীসকলে লগতে দাবী কৰিছে যে খোস্তা-২ ভাইৰাছে মানুহৰ কোষত বিয়পি পৰিলে ক'ভিডৰ প্ৰতিষেধকৰ বাবে শৰীৰত সৃষ্টি হোৱা অনাক্ৰমতা (এণ্টিবডী) নষ্ট কৰি পেলাব পাৰে।

'পিএল্'এছ পেথ'জেন্স' জাৰ্ণালত প্ৰকাশিত গৱেষণা পত্ৰত উল্লেখ কৰা হৈছে যে অতি সহজে ক'ভিড প্ৰতিষেধকৰ কাৰ্যকাৰিতা নষ্ট কৰিব পৰা ক্ষমতা আছে খোস্তা-২ৰ। বিজ্ঞানীসকলে দাবী কৰিছে যে ২০২০ত ৰাছিয়াৰ বাদুলিৰ শৰীৰত প্ৰথমবাৰলৈ এই ভাইৰাছৰ সন্ধান পোৱা যায়। অৱশ্যে এই ভাইৰাছে মানৱ জীৱনৰ প্ৰতি ভাবুকি আনিব পাৰে বুলি বিজ্ঞানীসকলে সেই সময়ত ভাবিব পৰা নাছিল। উল্লেখ্য যে ছাৰ্চ-ক'ভ-২ ভাইৰাছৰ দৰে খোস্তা-২ ভাইৰাছো হৈছে কৰ'না ভাইৰাছৰ এবিধ উপ-প্ৰজাতি। ৰাছিয়াৰ বাদুলিৰ শৰীৰত খোস্তা-১ ভাইৰাছৰ সন্ধান আগতেই পোৱা গৈছিল। এক প্ৰতিবেদনত কোৱা হৈছে যে খোস্তা-১ ভাইৰাছে মানৱ কোষত প্ৰৱেশ কৰাত অক্ষম হ'লেও খোস্তা-২ ভাইৰাছে অনায়াসে মানৱ কোষত প্ৰৱেশ কৰিব পাৰে। নতুন ভাইৰাছটোৱে মানৱ দেহৰ কোষসমূহক সহজে প্ৰভাৱিত কৰিব পাৰে বুলিও জনাইছে বিজ্ঞানীসকলে।

প্ৰশ্ন হৈছে কিদৰে বিয়পে এই ভাইৰাছ? গৱেষকৰ মতে, খোস্তা-২ ভাইৰাছে যদি ছাৰ্চ-ক'ভ-২ ভাইৰাছৰ স'তে একত্ৰিত হৈ নতুন উপ-ৰূপ সৃষ্টি কৰে তেতিয়া তাৰ ফল মাৰাত্মক হ'ব পাৰে। অৱশ্যে সেই সম্ভাৱনা অতি কম বুলিয়ে জনাইছে বিজ্ঞানীসকলে। একে সময়তে খোস্তা-২ ভাইৰাছ মহামাৰী বা অতিমাৰীত পৰিণত হ'ব পাৰে নে নোৱাৰে, সেই সন্দৰ্ভত যথেষ্ট প্ৰমাণ এই পৰ্যন্ত বিজ্ঞানীসকলে লাভ কৰা নাই বুলি জনাইছে।

# নাট্যসূৰ্য হেমন্ত দত্তৰ ৮০ সংখ্যক ওপজা দিন উদ্‌যাপন

## সাংস্কৃতিক জগতৰ মহীৰুহ হেমন্ত দত্তৰ ওপৰত প্ৰকাশিত গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৪ ছেপ্টেম্বৰ ঃ** একেধাৰে গীতিকাৰ, নাট্যকাৰ, নাট আৰু বোলছবি পৰিচালক, অভিনেতা, চলচ্চিত্ৰ জগতৰ বহু কালজয়ী গীতৰ স্ৰষ্টা হেমন্ত দত্তৰ ৮০ সংখ্যক ওপজা দিন মঙলদৈ সনাতন ধৰ্মসভা প্ৰাংগণত সদৌ মঙলদৈ ৰঙালী বিহু সন্মিলনী, য়ুথ ক্লাব, মঙলদৈ, জ্ঞান বিকাশ একাডেমী আৰু দ্য ইউনিটি অৱ ব্লাড ড'নাৰ্চৰ সহযোগত পৰিয়ালৰ উদ্যোগত উদ্‌যাপন কৰা হয়। অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে হেমন্ত দত্তৰ 'কতেনো আছা মোৰ কলিজাৰ আই...' শীৰ্ষক গীত পৰিবেশন কৰা কণ্ঠশিল্পী মণীষা হাজৰিকা, চলচ্চিত্ৰ অভিনেত্ৰী পূৰ্ণিমা পাঠক শইকীয়া, উপকুল বৰদলৈ, সমাজসেৱী প্ৰাণজিৎ শইকীয়া, অভিনেত্ৰী মনি বৰদলৈ, শিক্ষাবিদ ফুলেন্দ্ৰ নাথ চহৰীয়া, অভিনেতা প্ৰাঞ্জল শইকীয়া, অধ্যাপক ইদ্ৰিছ আলি, ড° নগেন্দ্ৰ নাথ শৰ্মা, বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মাকে ধৰি প্ৰায় পাঁচ শতাধিক শুভাকংক্ষীৰ উপস্থিতিত ৰূপায়িত অনুষ্ঠানত অভিনেতা প্ৰাঞ্জল শইকীয়াই তাহানিৰ চলচ্চিত্ৰ 'উপপথ', 'ফাগুনী' আদিৰ ৰসাল কথাবোৰ কৈ আবেগিক হৈ পৰে। দত্তই লিখা বহু গীত দৰদী শিল্পী প্ৰয়াত জয়ন্ত হাজৰিকাই সুৰ কৰিছিল আৰু গাইছিল। প্ৰাঞ্জল শইকীয়াই 'কোন হেৰোঁ ৰূপহী গাভৰু' শীৰ্ষক গীতটি বক্তব্যৰ মাজতে পৰিৱেশন কৰি দৰ্শকক আমোদ দিয়ে। দৰং জিলাৰ সদৰ মঙলদৈৰ সমীপৱৰ্তী চমুৱাপাৰা গাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত চন্দ্ৰমল দত্ত, প্ৰাক্তন মন্ত্ৰী প্ৰয়াত দণ্ডী দত্ত খ্যাত প্ৰখ্যাত দত্ত পৰিয়ালৰ সদস্য দত্তই গাঁৱৰ জীপাল পথাৰৰ বোকা-পানী গচকি, নৈ-খাল আদিত সাঁতুৰি- নাদুৰি শৈশৱতে প্ৰকৃতি প্ৰেমৰ উমাল সান্নিধ্যৰ অভিজ্ঞতাৰে পিছলৈ অসমীয়া সংস্কৃতি-শিল্প জগতখনত জড়িত হৈ ৰচনা কৰা শ শ প্ৰাণস্পৰ্শী আৰু কালজয়ী গীতে বিভিন্নজনৰ সুৰ আৰু কণ্ঠেৰে অসমীয়া জনজীৱনৰ হৃদয় জয় কৰিবলৈ সক্ষম হয়। সমান্তৰালকৈ ভ্ৰাম্যমাণৰ বাবে নাট ৰচনা, পৰিচালনা আৰু সুদক্ষ অভিনয়েৰে শ্ৰোতা দৰ্শকৰ অন্তৰ জয় কৰা দত্তৰ তেনে অলেখ নাটকৰ ভিতৰত কহিনুৰ থিয়েটাৰ খ্যাত 'টাইটানিক'-এ আমাৰ ৰাজ্য অসম আৰু দেশৰ সীমা ভেদি আন্তৰ্জাতিক পৰ্যায়তো নাট্যপ্ৰেমী, নাট সমালোচকৰ দৃষ্টি কাঢ়িবলৈ সক্ষম হৈছিল। বৰ্তমানে মঙলদৈ ভেবাৰঘাট নিবাসী দত্তৰ ওপজা দিন উপলক্ষে তেওঁৰ পৰিয়ালবৰ্গৰ উদ্যোগত আৰু মঙলদৈৰ কে'বাটাও আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সহযোগত বিশাল সৃষ্টিৰাজিৰ কিছু সংখ্যক নাট আৰু কালজয়ী গীত সামৰি এখন গ্ৰন্থ প্ৰকাশ কৰি ওপজা দিনটোতেই উন্মোচন কৰা হয়। গীতিকাৰজনে ৰচনা কৰা কেইটামান কালজয়ী গীত আৰু কেইখনমান নিৰ্বাচিত নাটক একত্ৰিত কৰি প্ৰকাশ কৰা প্ৰায় এহেজাৰ পৃষ্ঠাৰ গ্ৰন্থ 'নাট্য সিন্ধু' হেমন্ত দত্তৰ নিৰ্বাচিত নাট আৰু 'এমুঠি গীত' সন্নিৱিষ্ট কৰা হৈছে। দত্তৰ সুযোগ্যা ভতিজী ডাঃ বৰ্ণালী দত্ত আৰু ভতিজী জোঁৱাই পৰন বৰুৱাই প্ৰকাশৰ দায়িত্ব লৈ এই মহৎ কাম সম্পাদিত কৰাত সন্তোষ প্ৰকাশ কৰে শুভাকাংক্ষীসকলে। অনাতাঁৰ শিল্পী প্ৰাঞ্জল শৰ্মাই আঁতধৰা অনুষ্ঠানত প্ৰায় শতাধিক ব্যক্তি তথা অনুষ্ঠানে সংগীত নাটকৰ মহীৰুহজনক ওপজা দিনৰ ওলগ জ্ঞাপন কৰে।



# চিৰাঙত উদ্ধাৰ হাতী পোৱালি



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৪ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ আমটেকা ৰেঞ্জৰ অন্তৰ্গত বান্ধুগুৰী গাঁৱত আজি এটি কণমানি বনৰীয়া হাতীৰ পোৱালি উদ্ধাৰ হৈছে। এমহীয়া মতা হাতী পোৱালিটো আজি দুপৰীয়া বান্ধুগুৰী গাঁৱৰ ৰাইজে টাকলাই নৈৰ পানীত উটি যোৱা অবস্থাত প্ৰত্যক্ষ কৰি হাতী পোৱালিটো উদ্ধাৰ কৰি আমটেকা বন বিভাগৰ লোকক খবৰ দিয়াত বন বিভাগৰ লোকে কণমানি হাতী পোৱালিটোক উদ্ধাৰ কৰি আমটেকা ৰেঞ্জ অফিচত আনি চিকিৎসা প্ৰদান কৰি থকাৰ লগতে গাখীৰ জাতীয় খাদ্য খুৱাই আছে । এই খবৰ লাভ কৰি চিৰাং বনসংমণ্ডল বিষয়া ব্ৰহ্মানন্দ পাতিৰিৰ লগতে ৰাজ্যপালৰ মনোনীত চিৰাঙৰ অবৈতনিক বন্যপ্ৰাণী সংৰক্ষক জয়ন্ত দেৱনাথ আমটেকাত উপস্থিত হৈ হাতী পোৱালিটোৰ স্বাস্থ্যৰ বুজ লয় আৰু হাতী পোৱালিটোক উন্নত চিকিৎসা তথা কি প্ৰতিপালন কৰা যায় তাৰ বাবে বন বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষৰ স'তে যোগাযোগ অব্যাহত ৰাখিছে।

# চেলেংহাটত বিদ্যালয়ৰ সমীপত দুৰ্বৃত্তই পেলালে গাহৰিৰ মাংস

**চেলেংহাট, ২৪ ছেপ্টেম্বৰ ঃ** মৰিয়নী সমষ্টিৰ সীমান্তৱৰ্তী চেলেংহাটৰ হাতীমূৰীয়া হাবিচুক গাঁৱৰ ২৬৫ নম্বৰ পেঙেৰাগাঁও প্ৰাথমিক বিদ্যালয়ৰ কাষত গাহৰিৰ মাংস পেলোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰত্যক্ষদৰ্শীয়ে মতে দুদিনৰ পূৰ্বে পুৱতি নিশা এখন মালবাহী বলেৰ' গাড়ীৰ পৰা উক্ত গাহৰিৰ মাংসসমূহ উক্ত স্থানত পেলাই থৈ যায়। পথৰ কাষেৰে বৈ যোৱা জাঁজী নদীৰ গৰাৰ কাষত উক্ত মাংসসমূহ পৰি থকাৰ বাবে গোন্ধ ওলোৱাৰ আগলৈকে কাৰো দৃষ্টিগোচৰ হোৱা নাছিল। স্থানীয় লোকৰ মতে, উক্ত দলটোৱে এই স্থানৰ জাঁজী নদীত এনেদৰে পূৰ্বতেও গেলা মাংস পেলাইছিল। সেই বাবেই হয়তো উক্ত দিনাও নদীত পেলোৱাৰ উদ্দেশ্য আনিছিল যদিও পোহৰ হোৱাত উক্ত স্থানতেই মাংসসমূহ পেলাই যায়। উল্লেখ্য যে এই স্থানতে ২৬৫ নম্বৰ পেঙেৰাগাঁও প্ৰাথমিক বিদ্যালয় আৰু এটি অংগনৱাড়ী কেন্দ্ৰ অৱস্থিত। আজি উক্ত শিক্ষানুষ্ঠান দুটিত এই কাণ্ডৰ বাবে শিক্ষাদানত বিৰূপ প্ৰভাৱ পৰে। ইতিমধ্যে স্থানীয় চেলেংহাট আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

# মহিলাসকলে নিশা পহৰা দি ৰোধ কৰিছে অবৈধ কাৰ্যকলাপ

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৪ ছেপ্টেম্বৰ ঃ** অবিশ্বাস্য লাগিলেও মাজুলীত এদল সাহসী মহিলাই হাতে হাতে টৰ্চলাইট আৰু লাঠি লৈ নিশা পহৰা দি গাঁওখনৰ পৰা উৎখাত কৰিছে অবৈধ কাৰ্যকলাপ। মাজুলী জিলাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা লুইত খাবলু গাঁও পঞ্চায়তত মাজুলী গড়মূৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিনোদ কলিতাৰ তত্বাৱধানত গঠন কৰিছিল বালিগাঁও বালিজান মহিলা গাওৰক্ষী বাহিনী। গঠন হোৱাৰ পাছৰ পৰাই নিতৌ নিজৰ গাঁও দুখনত প্ৰতি নিশা সুৰক্ষা প্ৰদান কৰি আহিছে। গাঁও দুখনত ক্ৰমাৎ বৃদ্ধি পাইছিল অবৈধ মাদক দ্ৰব্যৰ বেহা, জুৱা আৰু সংঘটিত হৈছিল অপ্ৰীতিকৰ ঘটনা। সাহসী মহিলা দলটোৱে প্ৰতি নিশা পহৰা দি তেনে অবৈধ তথা অপ্ৰীতিকৰ কাৰ্যকলাপ ৰোধ কৰিবলৈ সক্ষম হৈছে। একো একোগৰাকী গৃহিণী হৈয়ো গাঁও দুখনৰ কল্যাণৰ হকে কাম কৰা এইসকল মহিলাৰ উদ্যোগক ভূয়সী প্ৰশংসা কৰিছে মাজুলীবাসীয়ে। গাঁওৰক্ষী বাহিনীৰ সম্পাদিকা জোনমনি দাসৰ নেতৃত্বত ওলাই অহা মহিলাসকলে বহু প্ৰত্যাহ্বানৰ মুখামুখী হৈ যুঁজ দিয়া কাৰ্য দেশৰ বাবে আদৰ্শস্বৰূপ বুলি মাজুলীৰ সচেতন মহলে মন্তব্য কৰে।



# শিক্ষকৰ অভাৱত ম'বাইলত ৰেকৰ্ড কৰি পাঠদান ধিঙৰ এখন বিদ্যালয়ত

**অগ্ৰদূত বাৰ্তা**
**ধিং, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ এখন প্ৰাথমিক বিদ্যালয়ত বিগত বহুদিন ধৰি অদৃশ্য শিক্ষকে শ্ৰেণীত দি আহিছে পাঠদান। যি আজৱ ঘটনাই এতিয়া উদঙাই দিছে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ ফোঁপোলা স্বৰূপটো। এই ঘটনাক লৈ এতিয়া অঞ্চলটোৰ শৈক্ষিক মহলৰ মাজত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। উদ্বিগ্ন অভিভাৱকসকল। উল্লেখ যে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ সোনশেৰী ৰূপজ্যোতি মোক্তাৰ বিদ্যালয়ত প্ৰয়োজনীয় শিক্ষক নথকাৰ বাবে ম'বাইলত ৰেকৰ্ডিং কৰি শ্ৰেণীত পাঠদান চলাই অহা হৈছে। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে বিদ্যালয়খনত শিক্ষকৰ অভাৱ বুলি বিদ্যালয়ৰ কৰ্তৃপক্ষই সংশ্লিষ্ট কৰ্তৃপক্ষক বাৰম্বাৰ অৱগত কৰাই আহিছে যদিও আজি পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। যাৰ বাবে উপায়বিহীন হৈ বিদ্যালয়ৰ কৰ্তৃপক্ষই ম'বাইলত ৰেকৰ্ডিং কৰিয়ে পাঠদান কাৰ্য চলাই আহিব লগাত পৰিছে অতি দুৰ্গম অঞ্চলৰ এই বিদ্যালয়ত। বিদ্যালয়খনত পাঁচটা শ্ৰেণীত ২৩৫জন শিক্ষাৰ্থীৰ বিপৰীতে আছে মাত্ৰ চাৰিজন শিক্ষকহে। একে সময়তে আটাইকেইটা শ্ৰেণীত পাঠদান চাৰিজন শিক্ষকৰ বাবে সম্ভৱ নহয় বাবে তেওঁলোকে এই উপায় উলিয়াই লৈছে।

# বিশ্বনাথ নগৰৰ এটা জৰাজীৰ্ণ পথৰ বাবে অতিষ্ঠ ৰাইজ



**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৪ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ নগৰৰ মাজমজিয়াৰ এটা পথে জ্বলা-কলা খুৱাইছে স্থানীয় ৰাইজ তথা এই পথেৰে অহা-যোৱা কৰা পথচাৰীক। এই পথটো হৈছে বিশ্বনাথৰ এটা অতি গুৰত্বপুৰ্ণ পথ। বিশ্বনাথ পৌৰসভাৰ অন্তৰ্গত ১০ নম্বৰ ৱাৰ্ড আৰু ১১ নম্বৰ ৱাৰ্ডৰ এইটো হৈছে মূল পথ। এই পথেদিয়েই অহা যোৱা কৰে বিশ্বনাথ কলেজৰ ছাত্ৰ-ছাত্ৰী, জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী তথা কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে বিশ্বনাথ মহকুমা অসামৰিক চিকিৎসালয়লৈ যোৱা মূল পথটোৱেই হৈছে এই পথটো। তদুপৰি এই পথটোতে আছে বিজেপিৰ বিশ্বনাথ জিলাৰ কাৰ্যালয়। ইমান এটা গুৰুত্বপূৰ্ণ আৰু সদাব্যস্ত পথটোৰ অৱস্থা চাওক। অকণমান বৰষুণ দিলেই খোজকাঢ়ি যাব নোৱাৰা অৱস্থা হয় ৰাইজৰ। পথটোৰ দুৰৱস্থাৰ বাবে ইতিমধ্যে বহু দুৰ্ঘটনাও সংঘটিত হৈছে; কিন্তু ইমানৰ পাছতো পথটো পুনৰ নিৰ্মাণ বা মেৰামতি কৰিবলৈ লোৱা নাই পদক্ষেপ।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com